# বাঙ্ময়

সৰুপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

পঞ্চত্ৰিংশ সংখ্যা, ২০২৩-২৪ বৰ্ষ




সম্পাদক ঃ আশ্বিক উৰাং

# “BANGMOI”

*Annual Magazine of Sarupathar College,*
*35th Issue, Academic Session 2023-24 Edited by Ashik Urang and*
*Published by Sarupathar College Student’s Union.*

# ‘বাঙ্ময়’

সৰুপথাৰ মহাবিদ্যালয় আলোচনী পঞ্চত্রিংশ সংখ্যা, ২০২৩-২৪ বৰ্ষ
প্ৰকাশকাল ঃ নৱেম্বৰ, ২০২৪

## সম্পাদনা সমিতি

**মুখ্য উপদেষ্টা ঃ** ড° প্ৰাপ্তি ঠাকুৰ
**উপদেষ্টা ঃ** ড° ৰীতা কুমাৰী বৰা, জয়ন্ত বৰা
**তত্বাৱধায়ক ঃ** ড° ববিতা দত্ত
**সহঃ তত্বাৱধায়ক ঃ** জেৰী তিমুংপী
**সম্পাদক ঃ** আশ্বিক উৰাং
**শিক্ষক সদস্য ঃ** নৱজ্যোতি গোস্বামী, সত্যব্ৰত দত্ত
**ছাত্ৰ সদস্য ঃ** কুলদীপ গগৈ, শিৰ বড়ো, জয়ন্ত কোঁৱৰ
**সামগ্ৰিক পৰিকল্পনা ঃ** ড° ববিতা দত্ত
**বেটু পাত ঃ** মনজিৎ ৰাজখোৱা
**অংগসজ্জা আৰু অলংকৰন ঃ** কুলদীপ গগৈ আৰু আশ্বিক উৰাং
**অক্ষৰ বিন্যাস ঃ** জুৰী ঢেকীয়াল ফুকন
**ফটোগ্ৰাফী ঃ** বিতোপন বৰা
**আৰ্হি নিৰীক্ষণ ঃ** ড° ববিতা দত্ত, জেৰী তিমুংপী
**প্ৰকাশক ঃ** সৰুপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা
**মুদ্ৰণ ঃ** ভবানী অফ্‌চেট এণ্ড ইমেজিং চিষ্টেমছ্ প্ৰাইভেট লিমিটেড, গুৱাহাটী

# উছর্গা

অসমীয়া ভাষাই যিসকলৰ অহৰহ প্ৰচেষ্টাত ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিলে তেখেতসকলৰ হাতত বাঙ্ময় অৰ্পণ কৰা হ'ল।

# মহাবিদ্যালয় সংগীত

**কথা ঃ অৰুণ চন্দ্ৰ দুৰৰা, প্ৰাক্তন উপাধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়**
**সুৰ ঃ তৰুণ শৰ্মা পূজাৰী, প্ৰাক্তন ছাত্ৰ, সৰুপথাৰ মহাবিদ্যালয়**

বহুজনৰ ঘামেৰে জীপাল
দৈয়াঙৰ পৃষ্ঠভূমি
অজ্ঞতা নাশি জ্ঞানৰ বন্তি
জ্বলোৱাৰ প্ৰতিশ্ৰুতি,
সোণালী আশা বুকুত লৈ
তীৰ্থ তোমাৰ জন্ম।

স্ৰষ্টাই তোমাক সজালে-পৰালে
প্ৰজন্মক দিবা জ্যোতি।
তোমাৰ বুকুতেই সৃষ্টি হ'ব
সমন্বয়ৰ কৃষ্টি।।
তোমাৰ কণ্ঠত নিনাদি উঠক
'কুশল'ৰ মুকুতি মন্ত্ৰ।

তোমাৰ চৌদিশে আছে জিলিকি
ইতিহাসৰ মাণিক-মুকুতা।
ধনশিৰি-ৰেংমাৰ তৰঙ্গৰাশিয়ে
প্ৰচাৰে গুণ-গৰিমা।।
সমাজৰ অতন্দ্ৰ প্ৰহৰী তুমি
যাত্ৰা অসীম, অনন্ত...

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam



দিছপুৰ
চি এম এছ. ৭/২০২৩/ ২২৬৮
২৬ আঘোণ, ১৪৩১ ভাস্কৰাব্দ
১২ ডিচেম্বৰ, ২০২৪ ইং

# শুভেচ্ছাবাণী

সৰুপথাৰ মহাবিদ্যালয়ৰ 'বাঙ্ময়' আলোচনীখনৰ পঞ্চত্ৰিংশ সংখ্যা প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

জীৱনৰ উত্তৰোত্তৰ উন্নতি তথা বৃহৎ কৰ্মযজ্ঞ সমাপনৰ বাবে বুদ্ধি আৰু প্ৰতিভাৰ লগতে যি দুটা গুণৰ সমাহাৰ ঘটিব লাগে সেয়া হৈছে আশা আৰু ধৈৰ্য। প্ৰতিগৰাকী বিদ্যাৰ্থীৰ সন্মুখত জীৱনটোক উজ্বলাই তোলাৰ পথ মুকলি হৈ থাকে। তাৰ বাবে প্ৰয়োজন এক আশাবাদী মন আৰু ধৈৰ্যৰে লক্ষ্যত উপনীত হোৱাৰ মানসিকতা। মানুহে যদি নিজৰ জীৱনটো মূল্যহীন কৰি নোতোলে তেন্তে কোনো মানুহৰে জীৱন মূল্যহীন হ'ব নোৱাৰে। মহৎ প্ৰতিভা বুলিলে আমি সাধাৰণতে যিটো বুজো সি আচলতে সৰ্বসাধাৰণ মানুহতকৈ অধিক ধৈৰ্যৰ বাহিৰে আন একো নহয়। কঠোৰ অনুশীলন আৰু কামৰ প্ৰতি একাত্ম অনুভৱে ধৈৰ্যৰ বীজ অংকুৰিত কৰে। ছাত্ৰ জীৱন এক সাৰুৱা ক্ষেত্ৰ। এই ক্ষেত্ৰখনত ধৈৰ্যৰে নিজৰ প্ৰতিভাক বিকশাই তুলিলে জীৱনটো সফল হোৱা বুলি ক'ব পাৰি।

প্ৰবাদপ্ৰতিম ৰাজনীতিবিদ উইনষ্টন চাৰ্চিলে কৈছিল যে বাৰে বাৰে ব্যৰ্থতাৰ মুখ দেখিও উদ্যমহীন নহৈ আগুৱাই যাব পৰাটোৰ মাজত লুকাই আছে সফলতাৰ চাবিকাঠী। জীৱনৰ পঢ়াশালিত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে জীৱনত আহৰণ কৰা অভিজ্ঞতা। জীৱনত আমি নিজকে সংস্থাপিত কৰাৰ পাছত কোনেও প্ৰশ্ন নকৰে যে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত আমাৰ ফলাফল কি আছিল। এই পৃথিৱীত তিষ্ঠি থাকিবলৈ যিকেইটা গুণৰ সবাতোকৈ প্ৰয়োজন, সেয়া হৈছে পৰিস্থিতিৰ সৈতে খাপ খাব পৰা, প্ৰয়োজন অনুসৰি উদ্ভাৱন কৰিব পৰা আৰু সকলোৰে সৈতে মিলি যাব পৰা গুণ। এই গুণ কেৱল পঢ়াশালিৰ শ্ৰেণীকোঠাৰ মাজতে যে আহৰণ কৰি পাৰি তেনে নহয়। তাক আহৰণ কৰিব পাৰি পঢ়াশালিৰ বাহিৰৰ বৃহৎ চোতালখনতো।

আমি যিসকল ব্যক্তিক সফল বুলি গণ্য কৰোঁ তেওঁলোক কোনো পৃথক সমাজৰ বা সংস্কৃতিৰ পৰা ওলাই নাহে। তেওঁলোকো আমাৰ মাজৰে একো একোজন ব্যক্তি। অৱশ্যে একে হ'লেও যিবোৰ গুণে তেওঁলোকক পৃথক কৰে সেই গুণবোৰৰ বিষয়ে আমি সকলোৱে জনা উচিত। এবাৰৰ বাবে হ'লেও সেইবোৰৰ বিষয়ে গভীৰভাৱে চিন্তা কৰি চোৱা উচিত। ধৈৰ্য সেই গুণসমূহৰ অন্যতম আৰু আশা, ভগৱানে দিয়া মহত্তম উপহাৰবোৰৰ এটা।

মই আলোচনীখনৰ সফল প্ৰকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

ৰণোজ পেগু
মন্ত্ৰী
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল সঞ্চালকালয়)

সত্যমেৱ জয়তে

ব্লক-আই, (পুৰণি মুখ্যমন্ত্ৰীৰ কাৰ্য্যালয়)
প্ৰথম মহলা, জনতা ভৱন, দিশপুৰ,
গুৱাহাটী-৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭-০৩৮২৫



## শুভেচ্ছাবাণী

গোলাঘাট জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান সৰুপথাৰ মহাবিদ্যালয়ৰ আলোচনী 'বাঙ্ময়'ৰ পঞ্চত্ৰিংশতম সংখ্যাটি প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱাৰ বিষয়ে জানিব পাৰি নথৈ আনন্দিত হৈছোঁ।

প্ৰতিটো জাতিৰ কল্যাণ আৰু প্ৰগতিত সাহিত্য আৰু সংস্কৃতিৰ অৱদান গুৰুত্বপূৰ্ণ। জাতিৰ জাতীয় জীৱনৰ মান উচ্চৰ পৰা উচ্চতৰ স্তৰলৈ আৰোহণ কৰোৱাত সাহিত্য আৰু সংস্কৃতিয়ে সদায়ে প্ৰেৰণা দিয়ে। এখন শিক্ষানুষ্ঠানৰ প্ৰগতিৰ দিশতো সাহিত্য আৰু সংস্কৃতিৰ ভূমিকা অমূল্য। শিক্ষানুষ্ঠানখনৰ বৌদ্ধিক তথা সাহিত্যিক মান আৰু সামগ্ৰিক বিদ্যায়তনিক পৰিৱেশৰ আভাস বাৰ্ষিক আলোচনীখনে পৰিস্ফুট কৰে। এনেক্ষেত্ৰত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই বাৰ্ষিক আলোচনীখন প্ৰকাশৰ বাবে আগবঢ়াটো প্ৰশংসনীয় কথা। সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সাহিত্য চৰ্চা আৰু সৃষ্টিশীল প্ৰতিভা বিকাশৰ ক্ষেত্ৰত এই বাৰ্ষিক আলোচনীখনে বহুমূলীয়া অৰিহণা আগবঢ়োৱাৰ আশাৰে শুভেচ্ছা জনাইছোঁ।

শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীৰ সাধনা আৰু সমৰ্পিত সেৱাৰ সমন্বয়ত জ্ঞান-মন্দিৰ ৰূপে চিৰ জ্যোতিস্মান হৈ থকাৰ আশাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিছোঁ।

(ডাঃ ৰণোজ পেগু)

অধ্যাপক জিতেন হাজৰিকা
উপাচাৰ্য

ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ইমেইল ঃ vc@dibru.ac.in



## শুভেচ্ছা-বাণী

দেশৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত এক সুকীয়া স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা সৰুপথাৰত বিগত ১৯৭০ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠিত সৰুপথাৰ মহাবিদ্যালয়ে দীৰ্ঘ দিন ধৰি নগৰখনৰ চতুৰ্দিশৰ বিস্তৃত অঞ্চলটোৰ এক বৃহৎ সংখ্যক শিক্ষাৰ্থীৰ উচ্চ শিক্ষা আহৰণৰ চাহিদা পূৰণ কৰি অসমৰ উচ্চ শিক্ষাৰ সামগ্ৰিক জগতখনলৈ বৰঙণি যোগাই আহিছে। ১৯৮৭ খ্ৰীষ্টাব্দত গোলাঘাট জিলা গঠনৰ ফলশ্ৰুতিত পূৰ্বে শিৱসাগৰ জিলাৰ অন্তৰ্গত সৰুপথাৰো ভৌগোলিক অৱস্থিতিৰ হেতুকে নৱগঠিত জিলাখনৰ অন্তৰ্ভুক্ত হৈ পৰে। মহাবিদ্যালয়খনৰ ২০২৩-২৪ বৰ্ষৰ আলোচনী 'বাজ্ময়'খনৰ ৩৫তম সংখ্যাটি প্ৰকাশ কৰি উলিয়াবৰ মানস কৰা হৈছে বুলি লাভ কৰা বাৰ্তাই আমাকো স্বাভাৱিকতে আনন্দ প্ৰদান কৰিছে। এনে আলোচনীৰ মাজেৰেই প্ৰতিভাৰ কোনো অভাৱ নথকা আমাৰ নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাৰাজিয়ে বিকাশ লাভ কৰে। তেওঁলোকৰ সৃষ্টিশীল মনবোৰ সাৰ-পানীৰে জীপাল কৰি তোলাত 'বাজ্ময়'ৰ এইবাৰৰ সংখ্যাটিয়ে এক সবল ভূমিকা পালন কৰিবলৈ বিশেষভাৱে সক্ষম হৈ উঠক— তাকেই আমি আন্তৰিকতাৰে কামনা কৰিছোঁ।

আমি আশাবাদী যে গুণগত মানৰ বিবিধ বিষয়ক সময়োপযোগী তথা পঢ়ুৱৈৰ মনত নতুন দিগন্তৰ সূচনা কৰিব পৰা ভিন্নধৰ্মী পাঠোপযোগী লেখা, প্ৰাসংগিক তথ্য-পাতি, আলোকচিত্ৰ আদিৰে সু-সমৃদ্ধ হৈ 'বাজ্ময়'খনৰ এইবাৰৰ সংখ্যাটি অতি বিতোপন ৰূপত প্ৰকাশ পাব আৰু প্ৰকাশটিয়েও তদনুসৰি পাঠক-সমাজৰ সমাদৰ বুটলিবলৈ সক্ষম হ'ব— তাৰ বাবে শুভ-কামনাৰে সংশ্লিষ্ট সকলোলৈকে আমি আন্তৰিক অভিনন্দন আৰু ইংৰাজী নৱবৰ্ষৰ ওলগ জনাইছোঁ।

দিনাংক ঃ ১৬ ডিচেম্বৰ, ২০২৪

(জিতেন হাজৰিকা)

**Biswajit Phukan**
**MLA**
**94-Sarupathar LAC**



সত্যমেৱ জয়তে

**বিশ্বজিৎ ফুকন**
**বিধায়ক**
**৯৪-সৰুপথাৰ বিধানসভা সমষ্টি**

# শুভেচ্ছা বাণী

তাৰিখ: ১৪/১২/২০২৪

মানৱ সমাজৰ প্ৰগতি আৰু উত্তৰণৰ মুখ্য চালিকাশক্তিয়ে হৈছে শিক্ষা। পৃথিৱীৰ প্ৰতিখন কল্যাণকামী দেশেই শিক্ষাক মৌলিক প্ৰয়োজন হিচাপে গ্ৰহণ কৰি আহিছে। এখন সুস্থ-সবল সমাজত এজন সুনাগৰিক হবলৈ শিক্ষাৰ অতিকৈ প্ৰয়োজন, আৰু এই শিক্ষা এজন শিশুৱে প্ৰাথমিক অৱস্থাৰ পৰাই এখন সুপৰিকল্পিত শিক্ষানুষ্ঠানৰ মাধ্যমেৰে আহৰণ কৰে। সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত সৰুপথাৰ নগৰৰ দাঁতিতে অৱস্থিত ঐতিহ্যমণ্ডিত সৰুপথাৰ মহাবিদ্যালয়ে অঞ্চলটোৰ ভৱিষ্যত প্ৰজন্মৰ গুণগত শিক্ষাৰ লগতে শৈক্ষিক, বৌদ্ধিক, সাংস্কৃতিক আৰু মানসিক উৎকৰ্ষ সাধনৰ অৰ্থে অহোপুৰুষাৰ্থ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

শিক্ষা প্ৰতিষ্ঠান একোখনত আলোচনীৰ যথেষ্ট প্ৰাসংগিকতা থাকে। আলোচনী খনৰ জৰিয়তে শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা, সৃষ্টিশীলতা আৰু কৃতিত্ব প্ৰদৰ্শনৰ বাবে এক মঞ্চ হিচাপে কাম কৰে। অসমৰ অন্যান্য আগশাৰীৰ মহাবিদ্যালয় সমূহৰ ভিতৰত সগৌৰৱে জিলিকি থকা সৰুপথাৰ মহাবিদ্যালয়ৰ আলোচনী "বাঙ্ময়" ৰ পঞ্চত্ৰিংশ (৩৫ তম) সংখ্যা প্ৰকাশৰ বাবে কৰা প্ৰয়াসৰ বাৰ্তাটি জানিবলৈ পাই মই সুখী হৈছোঁ।

মই আশা কৰিছোঁ, সৰুপথাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ জৰিয়তে মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত সাহিত্যিক প্ৰতিভাৰ আস্ফালন হোৱাৰ লগতে অসম-নাগালেণ্ড সীমান্ত অঞ্চলটোক জ্ঞানৰ জ্যোতিৰে জ্যোতিস্মান কৰা সৰুপথাৰ মহাবিদ্যালয়ে সীমাৰ পৰিধি ভেদি সাফল্যতাৰ অসীম অনন্তলৈ আগুৱাই যাওঁক তাৰেই কামনাৰে...

ধন্যবাদ

বিশ্বজিৎ ফুকন
বিধায়ক
সৰুপথাৰ সমষ্টি

**Guwahati address: MLA Hostel, Dispur, Guwahati, Assam, Pin- 781006**
**Residence : Jibon Tamuly Path, House No- 12/333, Ward No- 12, Golaghat Town, Golaghat, Assam**

# সূচীপত্ৰ


অধ্যক্ষৰ একাষাৰ //১১
সম্পাদকীয় //১৪

**প্ৰৱন্ধ আৰু অন্যান্য গদ্য**

- মানুহৰ ভাষা-শক্তি ঃ দীৰ্ঘ অনুশীলনৰ ফলপ্ৰাপ্তি ❍ **ড° নগেন ঠাকুৰ** //১৬
- জ্ঞানপীঠ বঁটা বিজয়ী নীলমণি ফুকনৰ কবিতাত জাতীয় চিত্ৰ ঃ লোকজীৱন লোকমন ইত্যাদি ❍ **সুৰেন্দ্ৰ মোহন হাজৰিকা** //২৬
- উত্তৰ পূৱ ভাৰতৰ জনজাতি ঃ তিৱা, গাৰো আৰু ৰাভাসকলৰ উৎসৱ পৰম্পৰা সম্পৰ্কে...... ❍ **মণিপ্ৰভা বৰা** //৩৪
- অসমীয়া লিপি ❍ **ড° অমৰ শইকীয়া, ড° হিমাদ্ৰী দত্ত** //৩৮
- মুন্সী প্ৰেমচন্দ আৰু তেওঁৰ গল্প 'খুৰী আইতা' (বুঢ়ী কাকী) ❍ **ড° ৰীতা বৰা** //৪৬
- ধ্ৰুপদী ভাষাৰূপে অসমীয়া ভাষাৰ স্বীকৃতি ঃ এটি আলোচনা ❍ **ড° ববিতা দত্ত** //৫১
- মানসিক চাপ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অষ্টাংগ যোগৰ ভূমিকা ❍ **শ্ৰী অতুল গগৈ** //৫৪
- সপোনৰ পৰা দিঠকলৈ অসমীয়া বিষয়ৰ অধ্যয়নে গঢ়িব পৰা কেৰিয়াৰ ❍ **ড° প্ৰণৱ ঢেকিয়াল ফুকন** //৬২

**নৱ-প্ৰজন্মৰ চিন্তা**

- অতুলানন্দ গোস্বামীৰ "নামঘৰীয়া" এক অৱলোকন ❍ **সঞ্জীৱ দত্ত** //৬৭
- নাৰী সবলীকৰণত সমাজৰ ভূমিকা ❍ **ৰিম্পী শইকীয়া** //৬৯
- যুৱশক্তি আৰু দেশৰ ভৱিষ্যত ❍ **প্ৰাচুৰ্য দত্ত** //৭০
- নাৰী সৱলীকৰণ ঃ এটি বিশ্লেষণ ❍ **প্ৰিয়ংকা বৰা** //৭২
- ড্ৰাগছ ঃ এক সামাজিক সমস্যা ❍ **চিত্ৰলেখা খাখলাৰী** //৭৫
- কিশোৰ অপৰাধ ❍ **কণকলতা ৰাভা** //৭৭

**সাক্ষাৎকাৰ**

- ময়ূৰ বৰাৰ সৈতে কথোপকথনঃ অন্য এক দৃষ্টিভংগী ❍ **সাক্ষাৎ গ্ৰহণ- ড° প্ৰাপ্তি ঠাকুৰ, অধ্যক্ষ, সত্যব্ৰত দত্ত, মুৰব্বী, ইতিহাস বিভাগ** //৭৯

**গল্প**

- জীৱন মৃগতৃষ্ণা ❍ **প্ৰাচুৰ্য দত্ত** //৮৫
- চাকনৈয়া ❍ **তৃষ্ণা গগৈ** //৮৭
- কন্যা সন্তান ❍ **পূৰ্ণিমা শইকীয়া** //৮৯
- আবেলিৰ বৰষুণজাক ❍ **অনামিকা ডেকা** //৯১

**লিমাৰিক**

❍ **প্ৰাচুৰ্য দত্ত** //৯৪ ❍ **আকাশী গগৈ** //৯৪ ❍ **দিজু গগৈ** //৯৪ ❍ **দুলেশ্বৰ শইকীয়া** //৯৫
❍ **প্ৰণতি হেমৰম** //৯৫ ❍ **অস্মিতা বৰঠাকুৰ** //৯৫ ❍ **কৃষ্ণা গগৈ** //৯৬

**গীত**

❍ **ৰক্তিম সন্দিকৈ** //৯৭ ❍ **সঞ্জীৱ দত্ত** //৯৭ ❍ **জুবিন গগৈ** //৯৮ ❍ **প্ৰণতি হেমৰম** //৯৮

## কবিতা


- সৰুপথাৰ মহাবিদ্যালয় ❍ **সত্যব্ৰত দত্ত** //৯৯
- আই তোমাৰ পৰশত ❍ **ডিম্পী বড়ো** //১০০
- শিক্ষকৰ দান ❍ **মেহেক চাওৰো** //১০১
- অসম পুত্ৰ আমি ❍ **ডিম্পী বড়ো** //১০৩
- আঘোণ ❍ **তৃষ্ণা গগৈ** //১০৪
- শীত ❍ **পূৰ্ণিমা শইকীয়া** //১০৫
- আই মোৰ মৰমৰ ❍ **সঞ্জীৱ দত্ত** //১০০
- সন্ধ্যাৰাগ ❍ **ৰিমঝিম গগৈ** //১০১
- মই কবিতা লিখিব নোৱাৰিলো ❍ **বসুন্ধৰা পুলামী** //১০২
- মই কবি হ'ব নোৱাৰিম ❍ **প্ৰিয়ংকা বৰা** //১০৩
- নিৰিবিলি ❍ **অস্মিতা বৰঠাকুৰ** //১০৪
- ফাগুনৰ অনুভৱ ❍ **অনামিকা ডেকা** //১০৫


## ভ্ৰমণৰ সুবাস


- দাৰ্জিলিং ভ্ৰমণৰ অভিজ্ঞতা ❍ **অভিজিৎ ফুকন** //১০৬
- নদী দ্বীপ মাজুলী ❍ **প্ৰিয়ংকা বৰা** //১১০
- উৰিষ্যালৈ যাত্ৰা ঃ এটা অনন্য অভিজ্ঞতা ❍ **দুলেশ্বৰ শইকীয়া** //১১২
- মাজুলীৰ সত্ৰ দৰ্শন ❍ **অস্মিতা বৰঠাকুৰ** //১১৫
- মোৰ প্ৰথম ভ্ৰমণ ❍ **আকাশী গগৈ** //১১৭


## চলচ্চিত্ৰ


- এখন উন্নতমানৰ চলচ্চিত্ৰ- 'কলা' (Qala) ঃ এটি বিশ্লেষণ ❍ **দুলেশ্বৰ শইকীয়া** //১২০


## ভিন্ন চিন্তা


- Running the Rat Race (নিগনি দৌৰত দৌৰি থকা) "দ্য ৰেট ৰেচ" ❍ **দিজু গগৈ** //১২৫


## গ্ৰন্থ পৰ্যালোচনা


- গ্ৰন্থ ঃ "বকুল ফুলৰ দৰে" লেখক ঃ মৃণাল কলিতা ❍ **তৃষ্ণা গগৈ** //১২৭
- গ্ৰন্থ ঃ "অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা" লেখক ঃ ড° হীৰেন গোহাঁই ❍ **দুলেশ্বৰ শইকীয়া** //১২৯
- গ্ৰন্থ ঃ "১০০ বছৰৰ শ্ৰেষ্ঠ নিগ্ৰো কবিতা" অনুবাদক ঃ ধৰ্মেশ্বৰ দুৱৰা ❍ **প্ৰণতি হেমৰম** //১৩২
- গ্ৰন্থ ঃ "সন্তানৰ ভৱিষ্যৎ নিৰ্মাণত দায়িত্বশীল মাতৃ" লেখক ঃ গুপ্তজিৎ পাঠক ❍ **অস্মিতা বৰঠাকুৰ** //১৩৪


## ইংৰাজী বিভাগ


- Women Empowerment Through Entrepreneurship: a study of problems faced by women entrepreneurs of Assam ❍**Parag Bhuyan** //135
- Portrayal of Women in Sankardeva's Works ❍**Pranjal Dutta** //139
- Women and Rural Development in Assam : A study from Socio-economic perspective ❍**Krishna Konwar** //142
- Savoring Tranquality : Immersion in the charms of Majuli Island ❍ **Mousum Sarmah** //146
- Musical Instruments of the Karbi Community of Assam ❍ **Ankita Gogoi** //147
- সম্পাদকীয় প্ৰতিবেদন //১৪৮
- সামাজিক মাধ্যমত সৰুপথাৰ মহাবিদ্যালয় //১৫৬




# অধ্যক্ষৰ একাষাৰ...

প্ৰত্নতাত্ত্বিক সমলেৰে ভৰপূৰ গোলাঘাট জিলাৰ অন্যতম ঐতিহাসিক অঞ্চল দৈয়াং-ধনশিৰি উপত্যকা হৈছে স্বকীয় পৰিচয়ৰে বিৱৰ্তনৰ স্বাক্ষৰ বহন কৰি অহা ইতিহাস, সভ্যতা আৰু সংস্কৃতিৰ এখন সমন্বয়ভূমি। চতুৰ্থ শতিকাৰ নগাজৰি খনিকৰ শিলালিপিৰ মাহাত্ম্যৰ পৰা আৰম্ভ কৰি ছহিদ কুশল কোঁৱৰৰ আত্মত্যাগেৰে বিধৌত এই ভূমিৰ ইতিহাস প্ৰসিদ্ধ কাহিনীসমূহে আজিও ঐতিহ্যগাথা বৰ্ণনা কৰি আছে। এনে এক গৌৰৱৰে ধ্বজা বহন কৰি থকা, অনেকজনৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত গঢ়ি উঠা এই অঞ্চলৰ সবাতোকৈ পুৰণি উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠানখনেই সৰুপথাৰ মহাবিদ্যালয়। ১৯৭০ চনত প্ৰতিষ্ঠা হোৱা সৰুপথাৰ মহাবিদ্যালয়ে বয়সৰ লেখেৰে ৫৪ টা বৰ্ষ অতিক্ৰম কৰিলে। এই বৰ্ণাঢ্য দীঘলীয়া পৰিক্ৰমাত বৰ্তমান অধ্যক্ষ হিচাপে মহাবিদ্যালয়খনিৰ সৰ্বাংগীন বিকাশৰ হেতু সেৱা আগবঢ়াব পৰাটোক মই মোৰ জীৱনৰ পৰম সৌভাগ্য হিচাপে গ্ৰহণ কৰিছোঁ।

সৰুপথাৰ মহাবিদ্যালয় মানেই যেন যাত্ৰা অসীম অনন্ত। ইয়াতেই সুদীৰ্ঘ শিক্ষকতাৰ দিনবোৰ অতিক্ৰম কৰি প্ৰশাসনিক দায়বদ্ধতাৰে আগবাঢ়িছো। মহাবিদ্যালয়ৰ এক উত্তৰণমুখী স্বপ্নই মোক সদায়ে আচ্ছন্ন কৰি ৰাখিছে। সৰুপথাৰ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি ইতিমধ্যে ভালেখিনি কাম সমাধান কৰা হ'ল। একবিংশ শতিকাৰ দুটা দশকৰ পাছৰ এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ লগতে

সামগ্ৰিকভাৱে সকলো দিশতে নিজৰ স্থিতি সবল কৰি ৰাখিব পৰাকৈ, প্ৰত্যাহ্বানক নেওচি আগবাঢ়ি যাব পৰাকৈ সক্ষম আৰু সবল কৰি তুলিবলৈ প্ৰতিনিয়ত কৰ্মপন্থা হাতত লৈছো। বিশেষকৈ ক্ৰীড়াৰ ক্ষেত্ৰত সদায়েই সুনাম বহন কৰি অহা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এই দিশটোৰ প্ৰতি বিশেষ লক্ষ্য ৰখা হৈছে। প্ৰতি বছৰে ভিন্ন সময়ত ছাত্ৰ-ছাত্ৰীৰ বাবে কেইবাটাও খেলৰ প্ৰশিক্ষণৰ ব্যৱস্থা আমাৰ মহাবিদ্যালয়ত কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ সৈতে খাপ খাব পৰাকৈ কেৱল পাঠ্যক্ৰম কেন্দ্ৰিক শিক্ষাতেই ক্ষান্ত নাথাকি ছাত্ৰ-ছাত্ৰীসকলক এজন সুনাগৰিক হিচাপে স্বাৱলম্বী হোৱাৰ প্ৰায়োগিক অনেক প্ৰচেষ্টা হাতত লোৱা হৈছে। মহাবিদ্যালয়খনৰ এই উত্তৰণৰ ক্ষেত্ৰত সন্মানীয় শিক্ষকবৃন্দ, কৰ্মচাৰীসকল আৰু অনেকজন শুভাকাংক্ষীৰ ঐকান্তিক চেষ্টাই যি সাহস আৰু প্ৰেৰণা দিছে তাৰ বাবে সকলোৰে ওচৰত মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

যোৱা ২২-২৩ বৰ্ষত আমি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন কৰিলোঁ। এই সোণালী যাত্ৰাপথত হাজাৰ বাধা অতিক্ৰম কৰি মহাবিদ্যালয়খনে বৰ্তমানৰ ৰূপ লাভ কৰিছে। বিদ্যায়তনিক দিশটোৰ লগতে আন্তঃগাথনিৰ ক্ষেত্ৰতো যথেষ্টখিনি কাম ইতিমধ্যে সম্পন্ন কৰা হৈছে। বিশেষকৈ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ লগত খাপ খাব পৰাকৈ অতিৰিক্তভাৱে ওঠৰটা নিয়মীয়া শ্ৰেণীকোঠা, আঠটা সম্পূৰ্ণ ডিজিটেল শ্ৰেণীকোঠাকে ধৰি অত্যাধুনিক ব্যায়ামাগাৰ, উন্নত মানৰ আধুনিক প্ৰেক্ষাগৃহ, ছাত্ৰাবাস, অতিথিগৃহ, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, আভ্যন্তৰীণ পথ, অধ্যক্ষৰ বাসভৱন সম্পূৰ্ণ কৰা হৈছে। নতুনকৈ নিৰ্মীয়মান অৱস্থাত আছে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৃথক পৃথক জিৰণি কোঠা। পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে আটোমটোকাৰিকৈ অলপতে মুকলি কৰা হৈছে এখনি বাঁহেৰে নিৰ্মিত ভোজনালয়। তদুপৰি ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সৈতে সংগতি ৰাখি কেইবাটাও বৃত্তিমূলক পাঠ্যক্ৰম, উদাহৰণস্বৰূপে - নাছিক গুৰুকুলৰ অধীনত এবছৰীয়া যোগ পাঠ্যক্ৰম, এবছৰীয়া Advanced Diploma in Computer Applications (ADCA), অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত Comprehensive Tea Technology and Management Course, ৰূপচৰ্চাৰ পাঠ্যক্ৰমৰ লগতে স্বনিয়োজনৰ ক্ষেত্ৰখনত আগবাঢ়ি যোৱাৰ মানসেৰে কেঁচুসাৰ, মৌ-মাখি পালন, কাঠফুলা খেতি আদি কেইবাটাও প্ৰকল্প সফলতাৰে কাযক্ষম হৈ আছে। এই বছৰটোত দুখনকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰকে ধৰি ভালেসংখ্যক বিদ্যায়তনিক কাৰ্যসূচীও সম্পন্ন কৰা হৈছে। ছেপ্তেম্বৰ মাহৰ পৰা প্ৰতিমাহতে এটিকৈ অভিজ্ঞ ব্যক্তিৰ দ্বাৰা বক্তৃতা অনুষ্ঠান আৰম্ভ কৰা হৈছে। সৰুপথাৰ মহাবিদ্যালয়ত তিনিটাকৈ অধ্যয়ন-কেন্দ্ৰই সক্ৰিয়তাৰে নিজৰ চৰ্চা অব্যাহত ৰাখিছে। সেইকেইটা হ'ল - শংকৰদেৱ অধ্যয়ন কেন্দ্ৰ, কুশল কোঁৱৰ অধ্যয়ন কেন্দ্ৰ আৰু ভূপেন হাজৰিকা অধ্যয়ন কেন্দ্ৰ। শংকৰদেৱ অধ্যয়ন কেন্দ্ৰই এইবাৰ ধ্ৰুপদী ভাষা সপ্তাহত শংকৰদেৱ শীৰ্ষক এখনি ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অনুষ্ঠিত কৰিবলৈ সক্ষম হয়। এই অধ্যয়ন-কেন্দ্ৰকেইটাৰ সহযোগিতাত ভালেসংখ্যক বিদ্যায়তনিক কাম কৰি থকা হৈছে। মহাবিদ্যালয়ৰ অন্য এটা শক্তিশালী অংশ হৈছে মহিলা-কোষ। এই কোষৰ উদ্যোগত বছৰটোত যথেষ্ট সংখ্যক সমাজসেৱা মূলক আঁচনিৰ লগতে, বিশেষকৈ ছাত্ৰীসকলৰ বাবে উপযোগী আঁচনি গ্ৰহণ কৰা হৈছে।

সৰুপথাৰ মহাবিদ্যালয়ত বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা মনোনীত দহটা অতিৰিক্ত পাঠ্যক্ৰম (Add On Course) চলি আছে। শৈক্ষিক তথা সামগ্ৰিকভাৱে ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ হেতুকে ভালেসংখ্যক শিক্ষানুষ্ঠানৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰি তাৰ অধীনত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি থকা হৈছে। কাজিৰঙা বিশ্ববিদ্যালয়, নুমলীগড় শোধনাগাৰ, ডাউন টাউন বিশ্ববিদ্যালয়, ৰয়েল গ্লৱেল বিশ্ববিদ্যালয়, অসম কৃষি বিশ্ববিদ্যালয়, Amtron, Greatia Technology, তেৰটা স্থানীয় চাহ ফেক্টৰী আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা, স্থানীয় চেম্বাৰ্ছ অৱ কমাৰ্চ ইত্যাদিৰ সৈতে ভালেসংখ্যক মহাবিদ্যালয় তথা প্ৰতিষ্ঠানৰ সৈতে এই চুক্তি কৰা হৈছে।

বিশ্ব সংগ্ৰহালয় দিৱসৰ সৈতে সংগতি ৰাখি ১৮ মে' তাৰিখত এই বছৰত সৰুপথাৰ মহাবিদ্যালয়ত এটি সংগ্ৰহালয় প্ৰতিষ্ঠা কৰা হয়। আমাৰ সমাজৰ পৰা হেৰাই যাব খোজা ভালেসংখ্যক সামগ্ৰীক সংৰক্ষণ কৰাৰ মানসেৰে গঢ়ি তোলা এই মিউজিয়ামটো এক আপুৰুগীয়া সম্পদ হিচাপে গঢ়িবলৈ নিৰন্তৰ প্ৰয়াস চলাই থকা হৈছে। এই বছৰৰে আগষ্ট মাহৰ পৰা 'আৱৰ্জনা ব্যৱস্থাপনা'ৰ (waste management) চিন্তাৰে সৃজন-কানন নামৰ এখনি উদ্যান আৰম্ভ কৰা হৈছে। যিখন অলাগতিয়াল সামগ্ৰী আৰু আৱৰ্জনা-ব্যৱস্থাপনাৰ নিদৰ্শনেৰে আটকধুনীয়াকৈ সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে সজাই

তোলা হৈছে।

সৰুপথাৰ মহাবিদ্যালয়ত এই বৰ্ষৰ পৰা চৌহদ-মেলা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলক স্বাৱলম্বিতাৰ দিশত আৰু এখোজ আগবঢ়াই নিবলৈ প্ৰয়াস কৰা হৈছে। তদুপৰি 'বন্ধু' (পুনৰ ব্যৱহাৰ উপযোগী বস্ত্ৰ ভাণ্ডাৰ) আৰু মহাবিদ্যালয়ৰ সমবায় সমিতিৰ অধীনস্থ বিপণী 'ছাত্ৰবন্ধু' সৰুপথাৰ মহাবিদ্যালয়ৰ আন দুটি উল্লেখযোগ্য সম্পদ। 'বন্ধু'ৰ দ্বাৰা বিভিন্নজনক কাপোৰ যোগান ধৰি অহা হৈছে। 'ছাত্ৰ বন্ধু'ৰ জৰিয়তে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবে ৰেহাই মূল্যত বহী-কলমকে ধৰি প্ৰয়োজনীয় সামগ্ৰীসমূহৰ লগতে সুলভ মূল্যত জেৰক্স আৰু ফটোৰো ব্যৱস্থা কৰা হৈছে। মহাবিদ্যালয়ৰ আন এটি সংযোজন হৈছে মুকলি পুথিভঁড়াল 'সংঘমিত্ৰ' - য'ত ছাত্ৰ-ছাত্ৰীসকলে মুকলি আকাশৰ তলত সুন্দৰ পৰিৱেশত গ্ৰন্থৰ আমেজ ল'ব পাৰে। ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে ই আমাৰ এক আন্তৰিক প্ৰয়াস।

শেহতীয়াকৈ সৰুপথাৰ মহাবিদ্যালয়ৰ সেউজীয়াৰ মাজত প্ৰতিষ্ঠা কৰা হৈছে পৰম্পৰাগত অসমীয়া গৃহৰ আৰ্হিৰে নিৰ্মিত 'আনন্দ কুটীৰ'। ইয়াত ক্ৰমশঃ গাঁৱলীয়া সমাজখনৰ পৰা হেৰাই যাব খোজা 'ঢেঁকীশাল'ৰ লগতে অসমীয়া সংস্কৃতিৰ অন্যতম সম্পদ 'তাঁতশাল' স্থাপন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে।

সৰুপথাৰ মহাবিদ্যালয়ক একক আৰু অনন্য কৰি তোলাৰ বাবে আমাৰ আছে নিৰন্তৰ প্ৰয়াস। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ প্ৰতিদিনে অনুষ্ঠিত প্ৰাতঃসভাৰ বিনন্দীয়া পৰিৱেশে ইতিমধ্যে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। মহাবিদ্যালয়ৰ এন.চি.চি. আৰু এন.এছ.এছ. হৈছে মহাবিদ্যালয়ৰ অলংকাৰ সদৃশ দুটা সংগঠন। এই দুই সংগঠনৰ নিয়মীয়া কাৰ্যসূচীৰ বাহিৰেও মহাবিদ্যালয়ৰ ৰেড-ৰিবন ক্লাবৰ অধীনত আমাৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে ৰক্তদান কৰি যি মহানতা প্ৰদৰ্শন কৰিছে তাৰ বাবে তেওঁলোক ধন্যবাদৰ পাত্ৰ। ২০২৩ চনৰ মে' মাহৰ পৰা সৰুপথাৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ সহযোগত মহাবিদ্যালয়ৰ তৰফৰ পৰা প্ৰতিমাহৰ প্ৰথমটো শনিবাৰে বিভিন্ন স্থানত, শিক্ষানুষ্ঠানত বিনামূলীয়াকৈ চিকিৎসা সেৱা প্ৰদান কৰি অহা হৈছে।

মহাবিদ্যালয়ে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। অভিজ্ঞতাসম্পন্ন সমল ব্যক্তিসকলক নিমন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীৰ মানসিক, শাৰীৰিক, বৌদ্ধিক বিকাশৰ বাবে বক্তৃতা অনুষ্ঠানকে ধৰি, তৰ্ক, কুইজ আদিও নিয়মীয়াকৈ অনুষ্ঠিত কৰি অহা হৈছে।

মহাবিদ্যালয়ৰ এই যাত্ৰাৰ এক গুৰুত্বপূৰ্ণ অংশীদাৰ হ'ল আমাৰ সন্মানীয় শিক্ষকবৃন্দ। তেওঁলোকৰ দায়বদ্ধতাৰ বাবেই মহাবিদ্যালয়ৰ প্ৰকাশন কোষে প্ৰতিবছৰে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। অসমীয়া বিভাগৰ দ্বাৰা প্ৰতিবছৰে প্ৰকাশিত গৱেষণামূলক পত্ৰিকা 'পানচৈ', প্ৰতিমাহত প্ৰকাশিত ই-আলোচনী 'প্ৰতিবিম্ব' এই প্ৰসংগত উল্লেখযোগ্য। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশৰ বাবে বছৰেকীয়া আলোচনী 'বাঙ্ময়' নিয়মীয়াকৈ প্ৰকাশ হৈ আহিছে। গ্ৰন্থ বা আলোচনী একোখনৰ স্থায়িত্বই হৈছে সৰ্বাধিক। লিখিত ৰূপত থকা প্ৰতিটো কৰ্মই অনাগত দিনত স্মৃতিৰ বাবে বাট মুকলি কৰে। ছাত্ৰাৱস্থাত লিখা ছাত্ৰ-ছাত্ৰীসকলে কোনোবা এটা দিনত পুৰণি লিখাবোৰ হাতত তুলি ল'লে নিজকে বিচাৰি পাব। এই আলোচনীতেই হাতত কলম তুলি লিখা কোনোবা এজন হয়তো অনাগত দিনত এজন সাহিত্যিক, সমাজৰ আগশাৰীৰ ব্যক্তি হৈ পৰিব। 'বাঙ্ময়' - এ আমাৰ তেনে এক প্ৰয়াসকেই প্ৰতিফলিত কৰিছে। এই বছৰো বিগত বছৰবোৰৰ দৰেই আলোচনীখন প্ৰকাশ হোৱাৰ এই সময়ছোৱাত আনন্দ অনুভৱ কৰিছোঁ। ইয়াত সন্নিৱিষ্ট ছাত্ৰ-ছাত্ৰী তথা অন্যান্য লেখকসকলৰ বিভিন্ন বিষয়কেন্দ্ৰিক লেখাসমূহে মোক আপ্লুত কৰিছে। এই বিষয়সমূহৰ লগতে সৃষ্টিশীল লেখাসমূহেও মহাবিদ্যালয়ৰ মাজতেই নহয়, অন্য পাঠকসকলকো আকৰ্ষিত কৰিব বুলি মই আশাবাদী। আগৰ সংখ্যাবোৰৰ দৰেই এই বৰ্ষৰ 'বাঙ্ময়' আলোচনীয়েও নতুন পৰিৱৰ্তনৰ এক শুভ বাৰ্তা বহন কৰক। এইছেগতে আলোচনীখনৰ সৈতে জড়িত সন্মানীয় শিক্ষক, ছাত্ৰ-লেখক সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ। এই আলোচনীৰ পাতৰ পৰাই অনাগত দিনত একো একোজন প্ৰতিভাসম্পন্ন তৰুণ লেখকৰ জন্ম হওক। তেওঁলোকৰ প্ৰতিভাই দিগন্ত স্পৰ্শ কৰক। আলোচনীখনৰ সম্পাদক আশ্বিক উৰাং আৰু তত্ত্বাৱধায়কৰ দায়িত্বত থকা ড° ববিতা দত্তক মোৰ ওলগ জনালোঁ। প্ৰত্যাশাৰে...

ড° প্ৰাপ্তি ঠাকুৰ
অধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়



# সম্পাদকীয়



## যুৱশক্তি আৰু সম্ভাৱনীয়তা

স্বামী বিবেকানন্দই কৈছিল — *"Arise,awake and stop not till the goal is reached.Youth is the best time to build a nation."*

যুৱশক্তি হৈছে সমাজ এখনৰ চালিকাশক্তি। যুৱশক্তিৰ ওপৰতেই ইয়াৰ অদূৰ ভৱিষ্যৎ নিৰ্ভৰশীল। যুৱশক্তি হৈছে দেশৰ সম্পদ,উঠি অহা প্ৰজন্ম,নতুন পুৰুষ তথা যুৱক-যুৱতীসকল।

যুৱশক্তিৰ উচিত উত্তৰণ হ'লেহে দেশৰ ভৱিষ্যতৰ সুস্থিৰ বিকাশ আশা কৰিব পাৰি। সেয়ে যুৱশক্তিক তথা যুৱ সমাজক বিপথে পৰিচালিত হ'বলৈ নিদি ইয়াক উচিত মাৰ্গদৰ্শন কৰাটো এখন দেশ তথা সমাজৰ কৰ্তব্য হোৱা উচিত।

যুৱশক্তিৰ মাজত অন্তৰ্নিহিত সম্ভাৱনীয়তা অপৰিসীম। এই অপৰিসীম সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি যুৱশক্তি প্ৰতি যথোপযুক্ত গুৰুত্ব প্ৰদান কৰিব লাগিব। সাম্প্ৰতিক সময়ত ক্ৰীড়াৰ ক্ষেত্ৰত উজ্বলি উঠা অলিম্পিকৰ পদক বিজয়ী লাভলিনা বৰগোঁহাঞি, কমনৱেলথ গেমছৰ পদক বিজয়ী নয়নমনি শইকীয়া কেৱল ধনশিৰিবাসীৰ বাবেই নহয়; অসম তথা ভাৰতবৰ্ষৰ বাবে যুৱশক্তি আৰু সম্ভাৱনীয়তাৰ এক জলন্ত দৃষ্টান্ত। তেনেদৰে বিভিন্ন প্ৰতিযোগিতামূলক

পৰীক্ষা, সাহিত্য, সংস্কৃতি, ৰাজনীতি, কৃষি, ব্যৱসায় আদি বিভিন্ন ক্ষেত্ৰত যুৱশক্তিৰ মাজত নিহিত প্ৰচুৰ সম্ভাৱনীয়তা পৰিলক্ষিত হয়। যুৱশক্তিৰ মাজত সুপ্ত হৈ থকা এনে সম্ভাৱনীয় প্ৰতিভাক স্থানীয় পৰ্যায়ৰ পৰা ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ বিকশিত কৰি তোলাৰ ক্ষেত্ৰত দেশৰ দায়িত্বশীল অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ সদা-তৎপৰ হ'ব লাগে।

যুৱ সমাজৰ এচামে কৃষিকৰ্ম তথা ব্যৱসায়-বাণিজ্য কৰিও স্বাৱলম্বী হোৱাৰ দৃষ্টান্ত দাঙি ধৰিছে। তেওঁলোকে কৰ্মক্ষেত্ৰত নিজকে নিয়োগ কৰাই নহয়; আনকি নিয়োগৰ সুবিধাও সৃষ্টি কৰিব পাৰিছে। সাম্প্ৰতিক গোলকীকৰণৰ যুগত নিয়োগৰ ন-ন সুবিধাৰ সৃষ্টিৰ ফলত যুৱ সমাজৰ দক্ষতা, কৌশল বিকাশৰ আৱশ্যকতা আহি পৰিছে। তেনেস্থলত যুৱসমাজ কৰ্মবিমুখতাৰ পৰা আঁতৰি আহি কৰ্মকুশলী হ'বলৈ সততে যত্নপৰ হ'ব লাগিব। অন্যথা, প্ৰজন্মৰ পিছত প্ৰজন্মলৈ প্ৰৱাহিত হৈ অহা দেশৰ দায়িত্বভাৰ বহন কৰাত অসমৰ্থ হ'লে ভৱিষ্যতে যে সমাজত অৰাজক পৰিস্থিতিৰ উদ্ভৱ নহ'ব তাৰ কোনো নিশ্চয়তা নাই।

এয়া ক'ব পাৰি যে, যুৱ সমাজৰ মাজত অন্তৰ্নিহিত প্ৰচুৰ সম্ভাৱনীয়তাৰ ক্ষেত্ৰসমূহ উন্নয়নৰ জৰিয়তে যুৱশক্তিৰ বিকাশ সম্ভৱ আৰু যুৱশক্তিৰ বিকাশে বহনক্ষম উন্নয়ন তথা ভৱিষ্যতৰ সুস্থিৰ বিকাশত অৰিহণা যোগাব।

যুৱশক্তিৰ এনে সম্ভাৱনীয় প্ৰতিভা বিকাশৰ অন্যতম ক্ষেত্ৰ হৈছে সাহিত্য চৰ্চা। বহুসময়ত বিপথগামী যুৱ সমাজক মূল সুঁতিলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত সাহিত্য চৰ্চাক এক ইতিবাচক বাৰ্তা বাহক বা মাধ্যম হিচাপে গণ্য কৰিব পাৰি। যুৱ সমাজৰ মাজত নিহিত সাহিত্যিক প্ৰতিভাৰ বিকাশ, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে একো একোখন গ্ৰন্থ-আলোচনীৰ সৃষ্টি হয়। সৰুপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ-'বাঙ্ময়' হৈছে তেনে এখন লেখতল'বলগীয়া আলোচনী।

এই সংখ্যাৰ 'বাঙ্ময়'ৰ প্ৰকাশে সম্পূৰ্ণতা লাভৰ আঁৰত মহাবিদ্যালয়ৰ অধ্যক্ষ ড°প্ৰাপ্তি ঠাকুৰ বাইদেউ আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক ড° ববিতা দত্ত বাইদেউৰ তৎপৰতা আৰু দিহা-পৰামৰ্শ বিশেষভাৱে প্ৰণিধানযোগ্য। এই চেগতে, 'বাঙ্ময়'ৰ লগত বিভিন্ন প্ৰকাৰে জড়িত হৈ পৰা, অকুণ্ঠ সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ বাইদেউ আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক ড° ববিতা দত্ত বাইদেউকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ সতীৰ্থ-বন্ধু-বান্ধৱী, ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়ালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত, সৰুপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'বাঙ্ময়'ৰ সংখ্যাটি আপোনাসৱলৈ আগবঢ়ালোঁ। লগতে আলোচনীখন সকলোৱে আদৰি ল'ব বুলি ৰাখিলোঁ।

সদৌ শেষত, সৰুপথাৰ মহাবিদ্যালয়ৰ জয়যাত্ৰা অক্ষুন্ন থাকক,অব্যাহত থাকক; দৈয়াং-ধনশিৰি উপত্যকাৰ এই জ্ঞান-বন্তিগছিৰ আলোকে আলোকিত কৰক প্ৰত্যেক প্ৰজন্মক লৈ যাওঁক সভ্যতাৰ নতুন দিগন্তৰ বাটে। তাৰে কামনাৰে সম্পাদকীয় কলমৰ মোখনি মাৰিলোঁ।

আশ্বিক উৰাং
আলোচনী সম্পাদক, 'বাঙ্ময়'
সৰুপথাৰ মহাবিদ্যালয় আলোচনী
২০২৩-২৪ বৰ্ষ

# মানুহৰ ভাষা-শক্তি ঃ দীৰ্ঘ অনুশীলনৰ ফলপ্ৰাপ্তি

○ ড° নগেন ঠাকুৰ

বিশ্বৰ সকলো প্ৰাণীৰ ভিতৰত একমাত্ৰ মানুহ নামৰ প্ৰাণীয়েহে মুখৰ পৰা উচ্চাৰিত ধ্বনি বা ধ্বনি সমষ্টিৰে অৰ্থাৎ বাগেন্দ্ৰিয় সঞ্চালন কৰি হৰ্ষ-বিষাদ, আনন্দ-উলাহ, দুখ-বেদনা আদি প্ৰকাশ কৰিব পাৰে আৰু এই প্ৰক্ৰিয়াটোকে সামগ্ৰিকভাৱে 'ভাষা' বুলি কোৱা হয়। কিন্তু মানুহৰ এই শক্তি ঈশ্বৰ-প্ৰদত্ত নে মানুহৰ নিজা উদ্ভাৱনা ইত্যাদি প্ৰশ্ন সভ্যতাৰ সোপানত আগবাঢ়ি অহাৰ লগে লগে মানুহৰ চিন্তাত পল্লৱিত হৈ উঠিবলৈ ধৰে। সৃষ্টিৰ অনেক ৰহস্যাবৃত কথা ভেদ কৰিব নোৱাৰাৰ দৰে ভাষাৰ উৎপত্তিৰো ৰহস্য ভেদ কৰিব নোৱাৰি 'ভগৱানৰে ৰহস্যময় কাৰ্য' বুলি ভবা হৈছিল। বিশেষকৈ ধৰ্মত (ঈশ্বৰত) বিশ্বাসীসকলে ভাষাক ঈশ্বৰ-প্ৰদত্ত বুলিয়েই ধৰি লৈছিল। সংস্কৃত ভাষাক 'দেৱভাষা' বুলি কোৱাৰ কাৰণো আছিল ইয়ে। কিন্তু ভাষা ঈশ্বৰ-প্ৰদত্ত হোৱাহেঁতেন এই পৃথিৱীত বিপুলসংখ্যক লোকৰ মাজত সুকীয়া সুকীয়া ধ্বনি উচ্চাৰণৰ বৈশিষ্ট্যৰে, শব্দ গঠনৰ সুকীয়া সুকীয়া ৰীতিৰে, বাক্য গঠনৰ সুকীয়া সুকীয়া প্ৰণালীৰে হেজাৰ হেজাৰ ভাষা বৰ্তি নাথাকিলহেঁতেন। প্ৰাচীন কালৰে পৰা ভাষাৰ উৎপত্তি সম্পৰ্কে জানিবলৈ মানুহৰ মন ব্যাকুল হৈ আছে বা চেষ্টা কৰি আহিছে। বাইবেলৰ Tower of Bable আখ্যান মানুহৰ সেই ব্যাকুলতাৰ অন্যতম প্ৰাচীন নিদৰ্শন।

প্ৰাচীন গ্ৰীক দাৰ্শনিকসকলৰ চিন্তাতো ভাষাৰ উৎপত্তিৰ ৰহস্যই ভুমুকি নমৰাকৈ থকা নাছিল। পাইথাগোৰাছ, প্লেটো আদিয়ে মানুহৰ স্বাভাৱিক প্ৰয়োজনীয়তাৰ ফলত প্ৰকৃতিগত কাৰণত ভাষাৰ উৎপত্তি হৈছিল বুলি আৰু ডেমোক্ৰিটাছ, এৰিষ্টটক্সল

আদিয়ে চুক্তি বা ঐক্যবদ্ধভাবে ভাষা সৃষ্টি হৈছিল বুলি মতপোষণ কৰিছিল। দাৰ্শনিক ৰ'ছোৱেও কম-বেছি পৰিমাণে স্বেচ্ছাপ্রণোদিতভাৱে চুক্তিবদ্ধ হৈ মানুহে ভাষা সৃষ্টি কৰিছিল বুলি ভাবিছিল। কিন্তু ভাষাৰ পূৰ্ণ অৱস্থা এটা নথকাকৈ, পৰস্পৰ বোধগম্য অৱস্থা এটা নোহোৱাকে মানুহে কেনেকৈ ঐক্যবদ্ধভাৱে ভাষা সৃষ্টি কৰিছিল সেই কথা বোধগম্য নহয়।

অষ্টাদশ শতাব্দীৰ শেষৰ ফালে যেতিয়া মানুহে যুক্তি আৰু সত্যতাৰে কথাবোৰ। চালি-জাৰি সকলো কথা বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলে, ভাষা মানুহৰ ঈশ্বৰ-প্রদত্ত শক্তি বুলি কোৱা কথা প্রত্যাখ্যান কৰিলে। বিশেষকৈ হাৰ্ডাৰ (Hander) নামৰ এজন যুক্তিবাদী চিন্তকে প্ৰাচীন মতবাদসমূহক খণ্ডন কৰি অভিমত প্ৰকাশ কৰিলে যে মানুহৰ ভাষা ঈশ্বৰৰ সৃষ্টি হোৱা হ'লে প্রত্যেক ভাষা ব্যতিক্রমহীন, নিয়মসংগত, সুশৃংখলিত হ'লহেঁতেন। তেওঁৰ মতে ভাষা মানুহৰ ইচ্ছাপূৰ্বক সৃষ্টি নহয়; মাতৃগাভৰ পৰিপূৰ্ণ ভ্ৰূণে আপোনাআপুনি বাহিৰৰ জগতলৈ ওলাই অহাৰ দৰেই প্ৰয়োজনৰ কাৰণে মানুহৰ অন্তৰতম প্রদেশৰ অনুভূতিবোৰো প্ৰকাশ বিচাৰি ধ্বনিৰূপে ওলাই আহি ভাষা সৃষ্টি কৰে। মানুহে অন্যান্য প্ৰাণীৰ দৰে ভাৱ-অনুভুতিক ধ্বনি বা সুৰৰ মাজেদি প্ৰকাশ কৰিবলৈ বিচাৰিছিল, কিন্তু মানসিক শক্তিৰ ক্ষেত্ৰত মানুহ অন্যান্য প্ৰাণীতকৈ উচ্চতৰ হোৱাত সেই ধ্বনিৰ মাজত একোটা ভাৱে অৰ্থব্যঞ্জক ৰূপ পালে। বন্যজন্তুতকৈ মানুহ শাৰীৰিক শক্তি বা ঘ্ৰাণ, দৃষ্টিশক্তি আদিত হীন হোৱা সত্ত্বেও ভাৱ বিনিময়ৰ শক্তিৰ কাৰণেই মানুহ শ্ৰেষ্ঠতৰ হৈ উঠিব পাৰিলে। অষ্টাদশ শতাব্দীৰ শেষৰ ফালে জন্মগ্ৰহণ কৰা আন এজন সুপ্ৰসিদ্ধ ভাষাবিদ Jacob Grimm য়েও যুক্তি-সহকাৰে মত প্ৰকাশ কৰিলে যে প্রত্যেক ভাষাৰ মাজত বিৰাজমান অসম্পূৰ্ণতা আৰু পৰিৱৰ্তনশীলতাই প্ৰমাণ কৰে যে ভাষা কোনো ঐশ্বৰিক অৱদান নহয়; ধীৰ গতিৰে বিকাশশীল ই এক মানুহৰ নিজস্ব উদ্ভাৱনা। ক্ৰমবিকাশে ইয়াক গতি দিছে, শক্তি দিছে আৰু তাৰ দ্বাৰা ই জীৱ জগতৰ হেজাৰ হেজাৰ অপৰিৱৰ্তনীয় চিৎকাৰ বা ধ্বনিৰ মাজত পৃথক ৰূপত বৰ্তি আছে।

ঊনবিংশ শতাব্দীৰ শেষৰ ফালৰ পৰা যুক্তিবাদী আন্দোলনে যেতিয়া প্ৰাধান্য পাই আহিবলৈ ধৰিলে, আৰু জীৱতত্ত্ব, গ্ৰহতত্ত্ব, নৃতত্ত্ব, মনস্তত্ত্ব সম্পৰ্কে নতুন সত্য প্রতিষ্ঠা হৈ মানুহৰ ভাৱৰাজ্যত খলক লাগালে, বিজ্ঞানৰ ন ন আৱিষ্কাৰে মানুহৰ মনত নতুন এক জগত আবিষ্কাৰ কৰাই আশ্চৰ্য-অদ্ভুত ভাৱ জগাই তুলিলে - তেতিয়াৰ পৰা পূৰ্ব চিন্তা, ধাৰণা, বিচাৰ আদিক নতুন ধৰণেৰে বিশ্লেষণ কৰি যুক্তিগ্ৰথিতভাৱে প্রতিপন্ন কৰিবলৈ বিচাৰিলে। বিশেষকৈ, চাৰ্লছ ডাৰউইনৰ বৈপ্লৱিক চিন্তাধাৰাই মানুহৰ চিন্তাক নতুন ধৰণেৰে ৰেখাপাত কৰিলে; মানুহৰ উৎপত্তিৰ যুগান্তকাৰী বিৱৰ্তনৰ সূত্ৰ প্ৰতিষ্ঠা হৈ পৰাৰ পৰা আগৰ ধৰ্মীয় বিশ্বাসৰ ঠাইত বৈজ্ঞানিক দৃষ্টিভংগী আহি পৰিল আৰু প্ৰাচীন মতবাদবোৰতো আমূল পৰিবৰ্তন আহিল।

ভাষাৰ উৎপত্তি কেনেদৰে হ'ল সেই কথা চিম্পাঞ্জী, গৰিলা আদি উচ্চজাতীয় প্ৰাণীৰ আচৰণ, শিশুৱে আয়ত্ত কৰাৰ ভাষা, লক্ষ্য কৰি, এতিয়াও সভ্যতাৰ পোহৰ নোপোৱা বিভিন্ন আদিবাসীৰ ভাষা অধ্যয়ন কৰি, ভাষাৰ পৰিৱৰ্তনৰ গতি-প্ৰকৃতি লক্ষ্য কৰি, বাকশক্তিৰ ত্রুটি থকা, মানুহৰ আচৰণ লক্ষ্য কৰি কিছু কথা অনুমান কবিৰ পাৰি। মন কৰিবলগা কথা হ'ল যে এইবোৰে ভাষাৰ উৎপত্তিৰ আনুমানিক দৃষ্টিকোণহে দাঙি ধৰিব পাৰে, কোনো নিশ্চিত সিদ্ধান্ত দাঙি ধৰিব নোৱাৰে। কাৰণ ভাষা ক'বলৈ শিকা কোনো স্মৃতিচিহ্ন আমিৰ আদিম পিতৃপুৰুষসকলে আমালৈ এৰি থৈ যোৱা নাই।

বৰ্তমান সময়ত দেখিবলৈ পোৱা চিম্পাঞ্জী, গৰিলা, ওৰাং-ওটাং, বিকন আদি বন মানুহৰ আচৰণ লক্ষ্য কৰি পণ্ডিতসকলে দেখা পাইছে যে সৰু সৰু পৰিয়ালত বা দলত বিভক্ত হৈ বসবাস কৰা এই প্ৰাণীবোৰে চিৎকাৰ, অংগি-ভংগি আদিৰে মনৰ ভাৱ কিছু পৰিমাণে প্ৰকাশ কৰিব পাৰে। চিম্পাঞ্জীয়ে অংগি-ভংগিৰে ভাৱ প্ৰকাশ কৰিব পাৰে, গিবনেও মুখৰ অংগি-ভংগিৰে মনৰ ভাৱ কিছু পৰিমাণে প্ৰকাশ কৰিব পাৰে; ওৰাং-ওটাঙেও অংগি-ভংগি কৰিব পাৰে যদিও আনবোৰতকৈ কম। গতিকে আদিম মানুহে অংগি-ভংগিৰে প্ৰধানতঃ ভাৱ প্ৰকাশ কৰিছিল বুলি মানুহৰ লগত সাদৃশ্য থকা বন মানুহৰ ভাৱ প্ৰকাশক আচৰণ লক্ষ্য কৰি অনুমান কৰা নিশ্চয় টান নহয়। জীৱ সৃষ্টিত বিৱৰ্তনৰ অপ্ৰতিহত গতি চলমান বুলি প্রতিষ্ঠা কৰা মতবাদৰ প্ৰধান পৃষ্ঠপোষক চাৰ্লছ ডাৰউইনে মত প্ৰকাশ কৰিছে যে ভাষাৰ উৎপত্তি মুখৰ অংগি-ভংগিৰ পৰাই হয়। বুদ্ধি বিকাশৰ ফলত বাকযন্ত্ৰ আপোনাআপুনি সক্রিয় হৈ অংগি-ভংগিক ধ্বনিৰ সহযোগত পৰিস্ফুট কৰাত সহায় কৰিছে।

মানৱ শিশুৱে ভাষা আয়ত্ত কৰাৰ পৰা ধ্বনি উচ্চাৰণ কৰাৰ পদ্ধতি লক্ষ্য কৰিলে দেখা যায় যে ভাষা আয়ত্ত কৰা প্ৰচেষ্টাত শিশুৰ তিনিটা স্তৰ আছে ঃ (ক) ক্ৰন্দন বা চিৎকাৰৰ স্তৰ, (খ) কলকলনিৰ স্তৰ, (গ) কথা কোৱা স্তৰ। প্ৰথম স্তৰত শিশুৱে কান্দে বা উচ্চ চিৎকাৰ কৰে; ইয়াৰ মাজেদি কোনো

ভাৱ প্ৰকাশ কৰে বুলি ক'ব নোৱাৰি - অৱশ্যে ভোক পিয়াহ লগা, দুখ পোৱা, যন্ত্ৰণা, অনুভৱ কথা আদিৰ ভাৱ যে সেই কান্দোন-কাতোনৰ মাজত নিহিত থাকিব পাৰে সেই কথা অনুমান কৰিব পাৰি। ক্ৰন্দনৰ মাজেদি শিশুৰ এই স্তৰত মাংশপেশীয়ে কিছু পৰিমাণে দৃঢ়তা পাই, ধ্বনি উচ্চাৰণ কৰা স্থানবোৰক পৰিপুষ্ট হোৱাত সহায় কৰে। ইয়াৰ পাছৰ স্তৰটো কলকলনিৰ স্তৰ। মানৱ-কণ্ঠৰ উচ্চাৰণৰ প্ৰতি শিশুৱে তিনিমাহতে সচেতন হয় আৰু নিজস্ব প্ৰচেষ্টাৰে কলকলাবলৈ আৰম্ভ কৰে। আঠ মাহত ম, প, ব, ত, দ, ন আদি ধ্বনিৰ লগত একোটা স্বৰ, বিশেষকৈ 'আ' স্বৰেৰে শব্দাংশ গঠন কৰি উচ্চাৰণ কৰিব পাৰে। মন কৰিব লগা কথা যে প্ৰথম উচ্ছাৰণ কৰা ধ্বনিসমূহ অধিকাংশই ঔষ্ঠ্য বা দন্তমূলীয় বা দন্ত্য। ইয়াৰ কাৰণ হ'ল - শিশুৱে জন্মৰ পিছৰে পৰা মাকৰ দুগ্ধ চুপি চুপি খাবলৈ লয় কাৰণে মুখৰ বিভিন্ন অংগ-প্ৰত্যংগৰ ভিতৰত ওঁঠ, দাঁতৰ আলু আদি যিমান পূৰঠ বা সক্ৰিয় হ'ব পাৰে আন অংগ প্ৰত্যংগ নহয় - যাৰ ফলত ঔষ্ঠ্য, দন্তমূলীয় বা দন্ত্যজাতীয় ধ্বনি সহজতে উচ্চাৰিত হ'ব পাৰে। সেই কাৰণে শিশুৰ প্ৰথম উচ্চাৰিত ধ্বনিসমূহ দা, মা, বা, পা, তা, না, বা আদি জতীয়। এই শব্দাংশসমূহ একক হিচাপে উচ্চাৰিত হোৱাৰ উপৰি একোটা সমষ্টি হিচাপেও উচ্চাৰিত হয়, যেনে— দাদাদা, মামামা ইত্যাদি। সেই কাৰণে মাক-বাপেক বা অন্যান্যসকলৰ শব্দ শুনি অনুকৰণ কৰি উচ্চাৰণ কৰিবলৈ যত্নপৰ হোৱা শব্দবোৰো এনেজাতীয় হয় আৰু সেইকাৰণে প্ৰথম শব্দবোৰ তাতা, আতা, বামা, মামা, দাদা ইত্যাদি ধৰণৰ। পৃথিৱীৰ প্ৰায় প্ৰত্যেক ভাষাৰে মাক-বাপেক বুজোৱা (যিহেতু শিশুৰ প্ৰথম চিনাকি মানুহ মাক আৰু বাপেক, আৰু যাৰ সান্নিধ্য আন লোকতকৈ শিশুৰ লগত নিবিড়ভাৱে জড়িত) শব্দবোধ যে মা, মাম্মা, বাবা, পাপা আদি একেধৰণৰ। এনে হোৱাৰ কাবণ কোনো অলৌকিক কাৰণ নাই; শিশুৱে প্ৰথমতে উচ্চাৰণ কৰিব পৰা এই ধ্বনিবোৰকে পাছত মাক-বাপেক বুজোৱা অৰ্থত সংযুক্ত কৰি পেলোৱা হয়। আদিম মানুহেও হয়তো এনেধৰণৰ শব্দকে উচ্চাৰিত কৰিছিল - যদিও অৰ্থ বৰ্তমান বুজোৱাৰ দৰে বুজোৱা নাছিল। কিন্তু শিশুৰ ভাষাৰ পৰাও ভাষাৰ উৎপত্তিৰ বিষয়ে থাৱৰ কৰা সহজ নহয়। কাৰণ, আদিম মানুহৰ অৱস্থা বৰ্তমান শিশুৰ লগত নিমিলে, বৰ্তমানৰ শিশু এনে এক পৰিবেশত পৰিপুষ্ট আক ডাঙৰ-দীঘল হয়, য'ত এক পূৰ্ণ বিকশিত ভাষা বিদ্যমান, এই শিশুক অৰ্থপূৰ্ণ, সুনিৰ্দিষ্ট, শৃংখলিত ভাষা কোৱা লোকে আৱবি থাকে আৰু এইসকলে শিশুক ভাষা আয়ত্ত কৰাত অহৰহ চেষ্টা চলাই যায়। কিন্তু সেই আদিম কালত যেতিয়া ভাষাৰ নামত অৰ্থপূৰ্ণ কোনো ধ্বনিয়েই নাছিল, অংগি-ভংগিৰ বাহিৰে কোনেও একোকে ক'ব পৰা নাছিল, তেতিয়া কেনেকৈ ভাষা কৈছিল ? শিশুৰ প্ৰথম শব্দসমূহ বস্তু বা মানুহৰ নামজাতীয়, কিন্তু আদিম মানুহৰ শব্দবোৰ বস্তু বা মানুহৰ নামজাতীয় আছিল বুলি কেতিয়াও ক'ব নোৱাৰি। মাত্ৰ এটা কথা ক'ব পাৰি যে শিশুৱে যিদৰে ভাষা আয়ত্ত কথাৰ প্ৰচেষ্টা কৰে, তেনেদৰে আদিম কালতো বহু যুগ ধৰি ধ্বনি উচ্চাৰণ কৰাৰ প্ৰচেষ্টা কৰি কৰি শেষত ধ্বনি আয়ত্ত কৰাত সফলতা লাভ কৰে। শিশুৱে পৰ্যায়ক্ৰমে যিদৰে কলকলনি, মিশ্ৰিত ধ্বনি, ধ্বনিপুঞ্জ উচ্চাৰণ কৰি ভাষা আয়ত্ত কৰাৰ প্ৰচেষ্টা কৰে আদিম মানুহেও তেনেদৰে পৰ্যায়ক্ৰমে আয়ত্ত কৰে বুলি অনুমান কৰিব পাৰি।

যিবোৰ মানুহ এতিয়াও আদিম স্তৰতে থাকি ভাষাৰে ভাৱ প্ৰকাশ কৰে, সেই সকলৰ ভাষা অধ্যয়ন কৰি ভাষাৰ উৎপদিৰ বিষয়ে কিছু কথা জানিব পৰা যায়। সভ্যতাৰ পোহৰত আগবঢ়া লোকতকৈ আদিম স্তৰত থকা লোকসকলৰ ভাষাৰ পৰিৱৰ্তনৰ গতি ধীৰ। প্ৰাচীন প্ৰস্তৰ যুগৰ পৰা নব্য প্ৰস্তৰ যুগলৈআগবাঢ়িবলৈ মানুহক হেজাৰ বছৰ লাগিছিল-আনুমানিক ৪০/৫০ হাজাৰ বছৰ অতিক্ৰম কৰিব লগা হৈছিল; কিন্তু নব্য প্ৰস্তৰ যুগৰ পৰা তাম্ৰ যুগ পাবলৈ পাঁচ হেজাৰ বছৰ লাগিছিল - তাৰ পাছত ক্ৰমাৎ আৰু খৰ গতিৰে মানুহ ক্ৰমোন্নতিৰে সভ্যতাৰ সোপানত বগাই আগবাঢ়ি আহিছিল। ভাষাৰ পৰিৱৰ্তন আৰু প্ৰকাশিকা শক্তিৰ বৃদ্ধি সভ্যতাৰ দ্ৰুত অগ্ৰগতিৰ লগত খুব নিবিড়ভাৱে জড়িত। আদিম স্তৰত থকা লোকসকলৰ ভাষা অধ্যয়ন কৰি দেখা গৈছে যে সেইবোৰৰ বেছিভাগ শব্দই বাক্যৰ সমষ্টি — য'ত কৰ্তা-কৰ্ম-ক্ৰিয়া সকলো গোট খাই পিণ্ডাকৃতি হৈ থাকে। উদাহৰণস্বৰূপে আমেৰিকাৰ আদিম অধিবাসীসকলৰ এটা গোষ্ঠীৰ মাজত প্ৰচলিত gnaglaslizaks শব্দীয়-বাক্যই 'মই এখন গাঁও বিচাৰিছোঁ' অৰ্থ প্ৰকাশ কৰে। ইয়াত g-nagla-si-i-zak-s এই শব্দসমষ্টি পুঞ্জীভূত হৈ আছে। তেনেদৰে এস্কিমো ভাষাৰ nunarssme শব্দীয় বাক্যত nuna-sanak-me শব্দ সমষ্টিৰে অৰ্থ প্ৰকাশ কৰিছে 'ডাঙৰ দেশৰ ভিতৰত'। হয়তো আদিম মানুহৰ ভাষাও এনে শব্দীয় বাক্যৰ দৰে আছিল, কালক্ৰমত সেইবোৰ সবল হৈ, বিভক্ত হৈ স্পষ্ট হৈ পৰিল। এই ক্ষেত্ৰত O. Jesperson য়ে কোৱা মন্তব্য স্মৰণযোগ্য ঃ The evolution of language shows a pro gressive tendency from inseperable irregular

conglamcrationis to freedly and regularly combin able short elements, আদিম স্তৰত থকা লোকসকলৰ বিভিন্ন ভাব প্ৰকাশক শব্দবোৰ লক্ষ্য কৰি দেখা গৈছে যে ভাষাৰ আদেশসূচক, সম্বোধনসূচক শব্দবোৰ অতি প্ৰাচীন কালতে গঢ় লোৱা সম্ভৱ। এইবোৰ আছিল সৰু সৰু শব্দৰে গঠিত আৰু প্ৰত্যয় বিভক্তিহীন। তদুপৰি পাৰ্থিৱ প্ৰয়োজনত লগা বস্তুৰ নাম যিদৰে বিশেষভাৱে নামকৰণ কৰা হৈছিল, আনবিলাকক সামগ্ৰিক ৰূপেৰেহে নামকৰণ কৰা হৈছিল। বিমূৰ্ত বিষয়ক শব্দবোৰ বহু পিছৰ কালৰ সৃষ্টি। এনেবোৰ কথাই ভাষাও শব্দসৃষ্টি, বাক্যগঠন আদি কেনেকৈ হ'বলৈ পালে তাৰ কিছু আভাস দিয়ে যদিও মানুহে কেনেদৰে কথা ক'বলৈ শিকিলে বা ভাষাৰ উৎপত্তি কেনেদৰে হ'ল - তাৰ কোনো স্পষ্ট নিদৰ্শন দাঙি ধৰিব নোৱাৰে।

মগজুত আঘাত পালে কেতিয়াবা কেতিয়াবা অজ্ঞান হৈ মানুহৰ বাকশক্তি আংশিকভাবে বা সম্পূৰ্ণৰূপে লোপ পাব পাৰে। এনেদৰে দুৰ্ঘটনাত পতিত হোৱা লোকে জ্ঞান আৰু পিছত শিশুৱে ভাষা ক'বলৈ প্ৰথম শিকাৰ দৰে আচৰণ কৰে, অৰ্থাৎ অস্পষ্ট ধ্বনি সমষ্টিৰে বুজিব নোৱাৰাভাৱে ধ্বনি উচ্চাৰণ কৰে। মনোবিজ্ঞানীসকলে ভাষা উদ্ভৱ হোৱাৰ সময়ত আচৰণ এনেধৰণেৰে আছিল বুলি অনুমান কৰে। কিন্তু এনে দোষপূৰ্ণ বাক্শক্তিয়ে ভাষাৰ উৎপত্তিৰ বিশেষ তাৎপৰ্য দাঙি ধৰিব নোৱাৰে। ভাষা শৰীতাত্ত্বিক উত্তৰাধিকাৰী নহয় - যদিও শৰীৰতাত্ত্বিক নৈপুণ্য আৰু যোগ্যতা উলাই কৰিব নোৱাৰি। ই এক উৎকৰ্ষিত ফলহে।

ভাষাৰ উৎপত্তি আৰু বিকাশ সম্বন্ধে আলোচনা কৰি কেইবাগৰাকী পণ্ডিতে কেইবাটাও মনোৰঞ্জক মতবাদ (Theory) আগবঢ়াইছে। এই মতবাদবিলাকৰ ভিতৰত 'বোৱ'-বোৱ' মতবাদ বা ধ্বন্যানুকৰণ মতবাদ, ডিং-ডং বা ধ্বন্যাত্মক মতবাদ, পূঃ-পূঃ বা বিস্ময়বোধক মতবাদ, য়ো-হে-হো বা পৰিহৰণ মতবাদ, ইংগিতাত্মক মতবাদ, সংগীতাত্মক মতবাদ, সংস্পৰ্শবাদ মতবাদ উল্লেখযোগ্য। ধবন্যাদুকৰণ মতবাদ (The Bow-wow theory or Onomatopaetic theory)।

এই মতবাদ অনুসৰি ভাষাৰ উৎপত্তি প্ৰকৃতি জগতৰ বিবিধ পশু-পক্ষীৰ দানি যা চিৎকাৰ অনুকৰণ কৰাৰ ফলত হয়। যিকোনো ভাষাৰ বহুসংখ্যক শব্দ পশু-পক্ষীৰ স্বাভাবিক ধ্বনিৰ পোনপটীয়া অনুকৰণৰ ফলত সৃষ্টি হোৱা বুলি এই মতবাদৰ সমৰ্থকসকলে মত প্ৰকাশ কৰে; cuckoo, quack, peewit, মেও, কোৱা, কেতেকী, কুলি আদি শব্দ এনেজাতীয়। কো কু-উ মাতৰ অনুকৰণতে ইংৰাজী cuckoo, মেও ধ্বনি উচ্চাৰণ কৰে কাৰণে মেকুৰীক মেও, কোৱা কোৱা কৰে কাৰণে কাউৰীক কোৱা বা কাউ, চিক চিক কৰে কাৰণে চিকা কোৱা হয়। এনেদৰে প্ৰত্যেক ভাষাতে জীৱ-জন্তুৰ মাত অনুকৰণ কৰাৰ ফলত বহুতো শব্দ সৃষ্টি হৈছে। এইটো প্ৰতীয়মান হয় যে আদিম কালত কোনো এজন লোকে দেখা পোৱা কোনো এটা চিকাৰৰ বিষয়ে লগৰসকলক ক'ব লগা হওঁতে সেই চিকাৰৰ মাত অনুকৰণ কৰি অংগী-ভংগী বা মাত অনুকৰণ কৰি বুজাইছিল আৰু এনেদৰে বুজাব লগা হওঁতে সিয়ে কণ্ঠস্বৰৰ সৃষ্টিত অৰিহণা যোগাইছিল।

এই মতবাদে ভাষাৰ ধ্বনি উচ্চাৰণৰ বিষয়ে কিছু কথা ক'ব পাৰিলেও বিপদ হ'ল এয়ে যে একেজাতীয় পশু-পক্ষীৰ ধ্বনিবোৰ সকলোবোৰ ভাষাতে সমৰূপৰ নহয়; বেলেগ বেলেগ ঠাইত একে ধ্বনি বেলেগ বেলেগ সুৰত শ্ৰোতাৰ কাণত ধবনিত হয়। যি কেতেকী চৰাইৰ মাত এঠাইত 'মই কেতেকী' বুলি শুনা বুলি বোধ হয়, সেইটো অন এঠাইত 'বৌ কাকা ক'ত' বুলিও শুনা বুলি কোৱা হয়। কুকুৰাৰ মাত ইংবাজ এজনৰ কণ্ঠত cock o-doodle-doo, এজন ফৰাচী লোকৰ কণ্ঠত 'cocorico' আৰু এজন ইটালীয় লোকৰ কণ্ঠত 'chicchirich' হিচাপে ধ্বনিত হয়। তদুপৰি এই মতবাদে ভাষাই কিদৰে স্পষ্ট ৰূপত উচ্চাৰিত হোয়া অৱয়ব পালে সেই কথাৰো ব্যাখ্যা কৰিব নোৱাৰে। ভাষাৰ অভিত্ব নথকা অৱস্থাত সেই ধ্বনি স্পষ্ট ৰূপত উচ্চাৰিত হোৱাৰ পৰিৱৰ্তে নিশ্চয় কৰ্কশ, ৰুঢ়, বিকৃত একোটা চিৎকাৰ হোৱাহে সম্ভৱপৰ। আনহাতে, মানুহে যে মানুহতকৈ তলখাপৰ জীৱ-জন্তুৰ মাত অনুকৰণ কৰিছিল সেই কথা যুক্তিসন্মত বুলি ভাবিব নোৱাৰি। হয়তো এটা বিশেষ জীৱই কৰা অৰ্থহীন চিৎকাৰ সেই জীৱক বুজোৱা ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছিল। প্ৰথম অৱস্থাৰ অৰ্থহীন ধ্বনি অন্য লোকেও অনুকৰণ কৰাৰ ফলত কালক্ৰমত বিশেষ অৰ্থ বুজোৱাত প্ৰয়োগ হ'বগৈ পাৰে। গতিকে ধ্বন্যানুকৰণ মতবাদে আদিম শব্দৰ উৎপত্তিৰ আংশিক ব্যাখ্যাহে কৰিব পাৰে, অৰ্থবোধক চিৎকাৰৰ প্ৰথা প্ৰকৃত ধ্বনি-প্ৰতীক সৃষ্টি হোৱাৰ বাটত জীৱ-জন্তুৰ মাত অনুকৰণে হয়তো কিছু সহায় কৰিছিল বুলি ভাবিব পাৰি।

**ধ্বন্যাত্মক মতবাদ (The Ding Dong theory or pathogenic theory) ঃ**

এই মতবাদ অনুসৰি ভাষাৰ ধ্বনি আৰু অৰ্থৰ এক

ৰহস্যঘনৰ সম্বন্ধ বিদ্যমান। ইয়াৰ ওপৰতে ভিত্তি কৰি এই তথ্যৰ দ্বাৰা যুক্তি প্ৰদৰ্শন কৰা হৈছে যে বাহ্য জগতৰ যিবোৰ বস্তুৱে মনত সাঁচ বহুৱাইছিল, আদিম মানুহে সামাজিক মনোবৃত্তিৰে সেইবোৰত ধ্বনি- প্ৰতীকেৰে উচ্চাৰিত ৰূপ দিছিল। প্ৰকৃতি জগতত হোৱা স্বাভাৱিক ধ্বনিক অনুৰূপভাৱে উচ্চাৰণ কৰিবলৈ বিচাৰোঁতেই ভাষাৰ জন্ম হয় বুলি কোৱা হৈছে। কিন্তু ভাষা নোহোৱাকৈ মূলধ্বনি হুবহু উচ্চাৰণ কৰি ভাষ্য সৃষ্টি হোৱা বুলি মত কেতিয়াও বিশ্বাসযোগ হ'ব নোৱাৰে। তদুপৰি বাহ্যিক জগতৰ বিভিন্ন ধ্বনিয়ে মনত সাঁচ বহুৱাবলৈ যি সূক্ষ্ম মনোবৃত্তি, সৌন্দৰ্যবোধৰ প্ৰয়োজন সেইবোৰ ভাষা ক'বলৈ শিকাৰ পূৰ্বতে আদিম মানুহৰ আছিল বুলি ভাৱিব নোৱাৰি। কোনো বিজ্ঞানসন্মত ভিত্তি নাই কাৰণে এই মতবাদ সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰা হৈছে।

**বিস্ময়বোধক মতবাদ (The pooh-pooh theory or Interjectional or Tut-tut theory) ঃ**

এই মতবাদ অনুসৰি মানুহৰ অন্তৰৰ শোক, সুখ, ভয়-আনন্দ, সন্তুষ্টি-ঘৃণা আদি বিভিন্ন অনুভূতিবোৰ মানুহে ক'ব নোৱাৰাকৈ অৱস্থা অনুযায়ী বিভিন্ন প্ৰকাৰৰ। আঃ, উহ্, ইহ্, বাঃ, মিঃ, হুঁ, আই আদি বিভিন্ন ধ্বনিৰে আত্মপ্ৰকাশ কৰে আৰু এইবোৰে আদিম ভাষা উৎপত্তিত বিশেষ বৰঙনি যোগাইছিল। আদিম মানুহৰ ভাষিক ব্যক্তকৰণ বিশেষতঃ বিস্ময়াদিবোধক আছিল - যিবোৰৰ মাজত আৱেগময় অৱস্থাৰ ভাৱ প্ৰকাশ ঘটিছিল। কিন্তু এই মতবাদেও ভাষাৰ উচ্চাৰিত ৰূপটো ব্যাখ্যা কৰিব নোৱাৰে, - ভাব প্ৰকাশক চিৎকাৰৰ পৰা ধ্বনি-প্ৰতীকলৈ অহাৰ ব্যৱধান দূৰ হ'ল কেনেকৈ ই দাঙি ধৰিব নোৱাৰে। বিস্ময়বোধক শব্দ প্ৰায় সকলো ভাষাতে আছে সঁচা; কাৰণ মানুহৰ অনুভূতি সকলোতে একেধৰণেৰে বিদ্যমান। উচ্চ স্তৰৰ প্ৰাণীৰ মাজতো সুখ-দুখৰ অনুভূতি, ভয়-আৱেগ-আতংক মৰম-স্নেহ আদি বিৰাজমান আৰু বিভিন্ন অৱস্থাত বিভিন্ন প্ৰতিক্ৰিয়া হৈ বিভিন্ন প্ৰকাৰৰ চিৎকাৰ কৰে। ডাৰউইনে প্ৰমাণ কৰি দেখুৱাইছে যে আনুভূতিক দিশৰ পৰা মানুহ আৰু বান্দৰৰ মাজত বিশেষ প্ৰভেদ নাই। গতিকে বিভিন্ন অনুভূতি প্ৰকাশক ধ্বনিবোৰে ভাষাৰ উচ্চাৰিত অৱয়ব কেনেদৰে গঢ়ি তুলিলে সেই কথা এই মতবাদেও পৰিষ্কাৰ ৰূপত দাঙি ধৰিব নোৱাৰে।

বিস্ময়বোধক শব্দবোৰ আকস্মিক উত্তেজনা আৰু আৱেগৰ হঠাৎ হোৱা বহিঃপ্ৰকাশ। গতিকে দৈনন্দিন জীৱনত ব্যৱহৃত ভাষাৰ সমলৰ পৰা সংস্পৰ্শৰহিত। '... the most spontaneous inter- language proper, voiceless vowels, inspiratory ties offen contain sounds which are not used in unds, clicks etc., whence the impossibility perly to represent them by mean of our ordinary aptalet the spellings pooh, pirth, when, tut are very poor renderings indeed of the natural sounds. (O. Jesperson) আক্ৰমণোদ্যত এটা হিংস্ৰ জন্তুৰ সন্মুখত পৰা অথবা ফণা তুলি ৰক্তাক্ত দৃষ্টিৰে থিয় দিয়া এটা বিষধৰ সাপৰ সন্মুখত আকস্মিকভাৱে পৰা এজন লোকৰ মুখৰ পৰা হঠাতে যি ধ্বনি উচ্চাৰিত হয়, তাত চিন্তা বঞ্চিত ভয়, আকস্মিকতা, আশ্চৰ্য আদি অনুভূতিমিশ্ৰিত হৈ, লগতে... মাংসপেশীৰ আকুঞ্চন আৰু প্ৰসাৰণ ক্ষণে ক্ষণে ঘটি যি ভয়মিশ্ৰিত ধ্বনি উচ্চাৰিত হ'ব সি নিঃসন্দেহে ভাষাত সচৰাচৰ ধ্বনিৰ লগত মিল নহয়। অন্য এক কথা হ'ল, বিস্ময়বোধক শব্দবোৰ কম-বেছি পৰিমাণে নিয়মসিদ্ধ বা ব্যৱহাৰসিদ্ধ আৰু বিভিন্ন ভাষাত উচ্চাৰণৰ ধৰণ বিভিন্ন প্ৰকাৰৰ হয়। Kipling য়ে লিখা এটা বাক্যই এই কথাৰ প্ৰমাণ দিয়ে ঃ "That man is no Afghan, for they weep 'Ai! Ai!', Nor is he of Hindustan, for they weep "Oh! Ho!' He wees after the fasion of the whiterman, who say, 'ow! ow!' "

**পৰিহৰণ তথ্য (The ye-he-ho theory) ঃ**

ঊনবিংশ শতাব্দীৰ পণ্ডিত Noiree ৰ দ্বাৰা প্ৰৱৰ্ত্তিত এই তথ্যমতে, আদিম মানুহে কাঠ টনা, শিল বগৰোৱা, কোনো এটা গধুৰ চিকাৰ দাঙি লোৱা আদি কাম সম্পাদন কৰোঁতে যিবোৰ স্বতঃস্ফূৰ্তভাৱে ধ্বনি উচ্চাৰিত কৰিছিল, সেইবোৰ পাছত ভাষা সৃষ্টিত ইন্ধন যোগাইছিল। এতিয়াও দেখা যায় যে অকলে কোনো এই জোৰ দিব লগা কাম কৰোঁতে বা সামুহিক প্ৰচেষ্টাৰে কোনো এটা কাম সম্পাদন কৰিব লগা হ'লে জোৰেৰে উশাহ টানি টানি অস্পষ্টভাৱে হিছ্ হিছ্ বা তেনেজাতীয় শব্দ উচ্চাৰণ কৰি নাইবা 'হেল-ঔ-হেইছা', 'মাৰ-ঔ-জোৰ' এনে ধৰণৰ শব্দ উচ্চাৰণ কৰি পৰিশ্ৰম লাঘৰ কৰিবলৈ বিচৰা হয়। আদিম কালতো হয়তো মানুহে অ'-হেই-হো বা তেনেধৰণৰ স্বতঃস্ফূৰ্তভাৱে উচ্চাৰিত ধ্বনিগুচ্ছ উচ্চাৰণ কৰিছিল আৰু পাছত সিয়ে গৈ অৰ্থবিশিষ্ট হৈ আত্মপ্ৰকাশ কৰিছিল। তদুপৰি এনেদৰে উচ্চাৰণ কৰা প্ৰচেষ্টাই কণ্ঠস্বৰৰ প্ৰতিও সজাগতা আনি দিলে; কাৰণ এইদৰে উচ্চাৰিত ধ্বনিগুচ্ছৰে উশাহ জোৰ জোৰকৈ লৈ

মাংসপেশীৰ জোৰদাৰ শ্ৰমত সকাহ দিয়ে আক স্বৰতন্ত্ৰীত বিভিন্ন ধৰণেৰে কঁপনি উঠে। এই তথ্যই কেইটামান মৌলিক কথা দাঙি ধৰে। সি হ'ল ঃ (ক) উদ্দেশ্যপ্ৰণোদিত হৈ উমেহতীয়া স্বাৰ্থৰক্ষাৰ বাবে এক সমহীয়া পৰিৱেশত ভাষাৰ উৎপত্তি হয়, (খ) ভাষাৰ সৰ্বপ্ৰথম ধ্বনিসমূহ আদেশসূচকজাতীয়, যেনে - কৰ, ল, ৰ, দাঙ ইত্যাদি ধৰণৰ আছিল। (গ) হাত দুখনৰ কাৰ্যৰ লগে লগে মুখৰ ধ্বনিৰ প্ৰয়োজনীয় আছিল। কিন্তু এতিয়া কথা হ'ল ভাষা ক'বলৈ নৌ শিকোঁতে উমৈহতীয়াভাৱে কোনো কাম সম্পাদন কৰাৰ প্ৰেৰণা আদিম মানুহে কেনেকৈ পালে? সমূহীয়াভাৱে কাম কৰিবলৈ সমন্বয় ৰক্ষাৰ বাবে পূৰ্বতে পৰস্পৰৰ মাজত ভাষাৰ দ্বাৰা মনৰ ভাব প্ৰকাশ কৰিবই লাগিব। ভাষাৰ উৎপত্তিৰ ক্ষেত্ৰত বিশেষ পোহৰ পেলাব নোৱাৰে।

এটা ভিন্নসূৰী তথ্যৰে A. S. Diamond নামৰ এগৰাকী পণ্ডিতে ভাষাৰ উৎপত্তি সম্পৰ্কে মত প্ৰকাশ কৰি কৈছে যে আদিম মানুহৰ চিকাৰ বধ কৰা, গছৰ ডাল ভাঙা, শিল ভাঙি অস্ত্ৰ-শস্ত্ৰ সজা বা তেনেজাতীয় কাৰ্যত যেতিয়া আন এজনৰ শাৰীৰিক শ্ৰমৰ প্ৰয়োজন হৈছিল, তেতিয়া তেওঁলোকৰ মাজত পৰস্পৰ বোধগম্য। যিবোৰ ধ্বনি উচ্চাৰিত হৈছিল সেইবোৰে ভাষা উৎপত্তিত ইন্ধন যোগায়। এইগৰাকী পণ্ডিতৰ মতেও মানুহৰ প্ৰথম উচ্চাৰিত ধ্বনিসমূহো আদেশসূচক জাতীয় আছিল। Noire য়ে ভবাৰ দৰে। সমূহীয়া প্ৰচেষ্টাৰে উচ্চাৰিত কৰা ধ্বনিৰ পৰা ভাষাৰ উদ্ভৱ হোৱা নাছিল।

**ইংগিতাত্মক তথ্য (The Gesture Theory) ঃ**

এই তথ্যমতে ভাষাৰ উৎপত্তি ইংগিত বা মনোভাৱসূচক অংগি-ভংগিৰ পৰা হয়। এতিয়াও আদিম স্তৰত থকা মানুহৰ মাজত আৰু উচ্চজাতীয় প্ৰাণীৰ মাজত ব্যাপক ৰূপত ব্যৱহৃত ইংগিতে এই কথাৰ প্ৰমাণ দিয়ে বুলি এই তথ্যৰ সমৰ্থকসকলে ভাবে। উত্তৰ আমেৰিকাৰ বহুতো আদিবাসীয়ে ইংগিতসূচক ভাষাৰে (sign Language) বিভিন্ন ভাষা কোৱা বিভিন্ন ফৈদৰ মাজত যোগাযোগ স্থাপন কৰে। ইংগিত আৰু ভাষা পৰস্পৰ সম্বন্ধযুক্ত। সভ্যতাৰ জখলাত উঠি অহাৰ লগে লগে ইংগিত বা ঠাঁৰ-চিঁয়াৰ ক্ৰমান্বয়ে কমি আহিছে যদিও সৰ্বসাধাৰণ অশিক্ষিত লোকৰ মাজত মুখৰ কথাৰ লগত ইংগিত বা হাত-মূৰ-চকু আদিৰ ঠাঁৰ-চিয়াঁৰ ব্যাপক ৰূপে প্ৰচলিত। মনো বিজ্ঞানীসকলৰ মতে মগজুৰ যি অংশই হাতৰ ভংগিত নিয়ন্ত্ৰিত কৰে সেই অংশৰ লগত বাক্‌যন্ত্ৰৰ সম্বন্ধ নিবিড়। উচ্চজাতীয় প্ৰাণী যেনে - চিম্পাজী, গৰিলা আদিয়ে অংগি-ভংগিৰে আৰু উচ্চাৰিত আদিম মানুহেও এনেদৰে অংগি-ভংগি আৰু চিৎবাবৰ মাজেনিয়েই পেন প্ৰথম আধাৰ পথত ভৰি দিয়ে ধূলি গুবাত কোনো অসুবিধা নহয়। ইংগিত বা ঠকে-চিৰাবে ভাব প্ৰকাশ কৰোঁতে ব্যাক্ত সুখন মুকলিকৈ ৰাখিব পাৰি, কিন্তু মানুহে যেতিয়া লাহে লাহে অন্ধ শত, ঘৰ-দুৱাৰ সাজিবলৈ শিকিলে হাতৰ কাম বাচিবগল। তবুপৰি অস্ত্ৰ-শস্ত্ৰ বা অন্যান্য যন্ত্ৰ-পাতি হাতত লৈ ফুৰাৰ লয়া হোৱাত প্ৰয়োজনীয় যোগাযোগ হাতেৰে কৰিবলৈ অসুবিধা হোৱাত মুখেৰে কৰিবলৈ বাধ্য হ'ব লগা হ'ল; হয়তো চিৎকাৰ, হয়তো ভগ্নধ্বনি উচ্চাৰণ কৰি পৰস্পৰৰ লগত যোগাযোগ আদিম মানৱে প্ৰথম অৱস্থাত কৰিছিল। অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰাৰ সময়ৰে পৰা মুখৰে ধ্বনি উচ্চাৰণ কৰি মনোভাৱ প্ৰকাশ কৰা প্ৰচেষ্টা হয় বুলি ক'ব পাৰি। তদুপৰি ইংগিতেৰে সকলো সময়তে ভাৱ প্ৰকাশ কৰিবও নোৱাৰি, নেদেখা হৈ অন্যফালে যোৱা লগৰীয়া সকলকো ইংগিতেৰে মাতি আনিব নোৱাৰি; ডাঙৰ গছ বা শিলৰ আঁৰ হ'লেও ইংগিতৰ ব্যৱহাৰ হ'ব নোৱাৰে। গতিকে চিকাৰ কৰোঁতে বা বিপদৰ সন্মুখীন হওঁতে লগৰসকলক কাষ চাপিবলৈ বা মাতি আনিবলৈ মুখঅন্ত্ৰৰ ব্যৱহাৰ অৱশ্যম্ভাৱী হৈ উঠিছিল। গতিকে ইংগিতৰ লগে লগে মুখৰ ভাষা উত্তৰ হ'বলগা হৈ উঠিল। প্ৰথম অৱস্থাত ইংগিতে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল, এনেকি ভাষাৰে মনোভাৱ প্ৰকাশ কৰিবলৈ শিকাৰ পাছতো ইংগিত মানুহে ব্যৱহাৰ কৰি থাকিল।

Sir Richard Paget নামৰ এগৰাকী পণ্ডিতে মুখভংগিমা তথ্য (Mouth gesture theory) আগবঢ়াই ই মত প্ৰকাশ কৰিছে যে আদিম মানুহে পোন প্ৰথমতে ইংগিতেৰে যোগাযোগ কৰিছিল; কিন্তু বুদ্ধি-বৃত্তি বিকাশ হোৱাৰ লগে লগে হাত আৰু চকু বিভিন্ন কাম-কাজত ব্যবহাৰ হ'ব লগা হোৱাত অন্য স্থানৰ ভাৱ প্ৰকাশক মাধ্যম ল'ব লগা একান্ত প্ৰয়োজন হৈ উঠিল। হাতৰ অংগি-ভংগিক অজ্ঞাতসাৰে জিভা, ওঁঠ, মুখৰ সঞ্চালনৰে অনুকৰণ কৰা হৈছিল; হাতৰ ব্যস্ততাৰ কাৰণে হাতেৰে আংগি-ভংগি কৰিব নোৱাৰা হ'লত, মুখৰ ভংগিমাৰে হাতৰ ব্যৱহাৰ নোহোৱাকৈয়ে মুখৰ ভংগিমাৰে ভাৱ প্ৰকাশ কৰিবলৈ ল'লে আৰু লাহে লাহে আৱিষ্কাৰ কৰিব পাৰিলে যে মুখ, নাকেৰে বতাহ সঞ্চালিত বা প্ৰৱাহিত কৰিব পাৰিলে অংগি-ভংগিবোৰ অস্পষ্ট ভাষাৰে শ্ৰৱণযোগ্য হয়; যদি লগে লগে অহৰহ তাকে গাই বা চিঞৰি প্ৰকাশ কৰিবলৈ বিচৰা হয় তেন্তে সি স্পষ্ট ধ্বনি হিচাপে উচ্চাৰিত হৈ দেখা দিয়ে। 'খোৱা'

বুজাবলৈ মুখ, জিভা, কোৰাৰি চোবোৰা দেখুৱাই মুখ বিবৰৰ মাজেদি বতাহ বোৱাই দি লগে লগে ধ্বনি উচ্চাৰণ কৰিবলৈ প্ৰয়াস কৰিলে 'ম্যায়াম' 'ম্যায়াম' জাতীয় ধ্বনি উচ্চাৰিত হ'ব। মুখেৰে পনীয়া বস্তু চুপি চুপি খোৱা বুজাবলৈ গ'লে চুপ চুপ বা চিপ চিপ শব্দ উচ্চাৰিত হ'ব। এটা সময়ত মানুহে অনুভৱ কৰিব পাৰিলে যে ইংগিতেৰে বুজাব খোজা কোনো এটা ভাৱ যথেষ্ট কৌশলেৰে সঞ্চালন কৰিব জানিলে জিভাৰ দ্বাৰাও সম্ভৱ হয়। এইদৰে দেখা যায় যে ইংগিতত ব্যৱহৃত হাতৰ অংগি-ভংগিক ওঁঠ, জিভাই অনুকৰণ কৰাৰ ফলত মুখ ভংগিমাৰ পৰাই ভাষাৰ উৎপত্তি হয়। ডাৰউইনেও এনে ধৰণেই এদিন ভাষাৰ উদ্ভৱ হৈছিল বুলি মত প্ৰকাশ কৰিছে। The Expression of the Emotions নামৰ গ্ৰন্থত ডাৰউইনে এই বিষয়ে আলোচনা কৰি ভাষাৰ জন্ম মূলতে মুখৰ অংগী-ভংগী বুলি কৈছে, হাতৰ ইংগিতক বাকযন্ত্ৰই অৰ্থাৎ ওঁঠ, জিভা, নাক-বিবৰ, দাঁত, কণ্ঠনলী আদিয়ে অজ্ঞাতসাৰে অনুকৰণ কৰিবলৈ প্ৰয়াস কৰাৰ ফলতেই মানুহে কথা কোৱা শক্তি লাভ কৰিলে। এই ক্ষেত্ৰত তেওঁ উদাহৰণ দি ব্যাখ্যা কৰিছে যে শিশুৱে প্ৰথম লিখিবলৈ শিকোঁতে আঙুলিৰ গতিৰ লগে লগে প্ৰায়েই জিভাও পাক খাই যায়। এনেও দেখা যায় -আখৰৰ ভাঁজৰ লগে লগে মুৰটো কিছুমানে বেঁকা বা দোঁ খুৱাই পেলায়। অন্যান্য ক্ষেত্ৰতো এইবোৰ লক্ষণ দেখা যায়। টান গাঁঠি এটা দিওঁতে, বা হাতেৰে কোনো এটা বস্তু টানকৈ মুঠি মাৰি ধৰিব লগা হ'লে, কেঁচিৰে কাপোৰ কাটোতে কামটো কৰা অৱস্থাত চকু, জিভা, ওঁঠ আদিয়ে বিভিন্ন আকৃতি ধাৰণ কৰে। এইবোৰে প্ৰমাণ কৰে যে প্ৰথমতে হাতৰ ইংগিতক মুখমণ্ডলৰ বিভিন্ন অংশই অনুকৰণ কৰে আৰু শেষত অহৰহ প্ৰচেষ্টাৰ শেষত মুখযন্ত্ৰৰ পৰা স্পষ্ট ৰূপত ধ্বনি সৃষ্টি হয় আৰু সেই ধ্বনিৰে অৰ্থ প্ৰকাশ কৰিবলৈ যোৱাৰ ফলতেই নাম পালে ভাষা।

### সংগীতবাদ (The Musical Theory বা সাংগীতিক তথ্য) ঃ

ডেনমাৰ্কৰ বিখ্যাত ভাষাতত্ত্ববিদ Otto Jesperan য়ে এই তথ্য অৱতাৰণা কৰি কৈছে যে আবেগপ্ৰৱল আদিম মানুহে গুণগুণাই সুৰ বা লয়ময় যি ধ্বনি উচ্চাৰণ কৰিছিল তাৰ পৰাই ভাষাৰ উদ্ভৱ হয়। সেই দূৰ অতীতব্য আদিম মুক্ত আকাশৰ তলত মুক্ত মানৱে বিচৰণ কৰোঁতে প্ৰকৃতি জগতৰ বিবিধ সৌন্দৰ্যৰাশিয়ে মানুহৰ মনত যি আনন্দময় উত্তেজনা আৰু আকস্মিক উৎফুল্লতাৰ ভাৱ আনি দিছিল, ডেকা-গাভৰুৰ অন্তৰত যি উন্মাদনাৰ সৃষ্টি কৰিছিল তাৰ ফলত মানুহৰ মুখৰ পৰা স্বতঃস্ফূৰ্তভাৱে কিছুমান অৰ্থহীন গুঞ্জনাময় ধ্বনি বা ধ্বনিগুচ্ছ ওলাই আহিছিল, যি আছিল প্ৰধানতঃ লয়যুক্ত বা কাব্যধৰ্মী - যিবোৰৰ মাজত অৰ্থ বা পাৰস্পৰিক যোগাযোগৰ কোনো চেষ্টা নাছিল - মাত্ৰ মনৰ আনন্দদায়ক অৱস্থান কাৰণে আপোন-আপুনি ওখ ঠাইৰ তললৈ পানী বাগৰি অহাৰ দৰে ধ্বনি বা ধ্বনিপুঞ্জ মুখৰ পৰা ওলাই আহিছিল; এনেকৈয়ে মানুহে ধ্বনি উচ্চাৰণ কৰিবলৈ শিকিলে আৰু পাছত তাৰ পৰাই বোধগম্য ভাষাৰ সূত্ৰপাত হয়। পোনে প্ৰথম উচ্চাৰণ কৰা এই আবেগময় ধ্বনিসমূহ আছিল বিশৃংখল, সংগতিহীন আৰু অৰ্থহীন, মাত্ৰ সেইবোৰৰ মাজেদি মনৰ হৰ্ষ বা উৎফুল্লতাৰ বহিঃপ্ৰকাশ ঘটিছিল। শিশুৱে যিদৰে বয়সস্থসকলৰ পৰা ধ্বনি শুনি শুনি সিবোৰত নিহিত বিশিষ্ট অৰ্থ বুজিব পাৰে, কালক্ৰমত তেনেদৰে আদিম মানুহেও একে ধৰণৰ ধ্বনি একো একোজনৰ মুখত শুনি শুনি সেইবোৰেৰে একো একোটা বিশেষ বস্তু বা অৱস্থা বুজাব পৰা হ'লগৈ। এই তথ্যৰ সমৰ্থনত যিকেইটা যুক্তি আগবঢ়োৱা হৈছে তাৰ ভিতৰত (ক) যিহেতু প্ৰত্যেক দেশৰ সাহিত্যৰ বুৰঞ্জীত গদ্যতকৈ পদ্যৰ জন্ম আগতে দেখা যায়, সেইকাৰণে ভাষাৰ ক্ষেত্ৰতো গদ্যময় ভাষাতকৈ কাব্যময় বা লয়যুক্ত ভাষাহে আগতে জন্ম হোৱাতো নিশ্চিত। (খ) চিন্তা বা যুক্তিতকৈ আৱেগ-অনুভূতি বেছি আদিম আৰু মানৱ জীৱনত আৱেগ-অনুভূতিৰ স্থান অতি গুৰুত্বপূৰ্ণ। আৱেগ-অনুভূতিয়ে যিমান সহজে বহিৰ্প্ৰকাশ বিচাৰে ভাব চিন্তাই তেনেদৰে নহয়। ক্ষুধা-যন্ত্ৰণা, আনন্দ-বিষাদ, প্ৰেম-ভালপোৱা আদিৰ ভিতৰত প্ৰেমৰ অনুভূতি অতি তীব্ৰ আৰু কাব্য ৰূপময় হিচাপে সহজতে আত্মপ্ৰকাশ কৰে। আনহাতে ক্ষুধা বা যন্ত্ৰণা, সন্তুষ্টি বা অসন্তুষ্টি আদি অনুভূতি বাস্তৱ জীৱনৰ কঠিন গদ্যময় ভংগীৰ লগত সংস্পৰ্শিত আৰু একক শব্দবিশিষ্টৰে তাক প্ৰকাশ কৰিব পাৰি। '...the genesis of lan- gage is not tobe sought in the prosaic, but in the poetic side of life, the source of speech is not gloomy seriousness, but merry play and youth hi- Inity. And among the emotions which were most powerful in eliciting outbursts of music and of song, we must be placed in the front rank... Language was born in the courting days of mankind.....' (Jesperson)

(গ) সুৰাঘাত (pitch accent) যিহেতু প্ৰায়বোৰ উন্নত ভাষাৰে প্ৰাচীন স্তৰত লক্ষ্য কৰা যায় আৰু এতিয়াও আদিম অবস্থাত থকা লোকসকলৰ ভাষাতো সুৰাঘাত ঘাইকৈ পৰিলক্ষিত হয়। সেই কাৰণে ভাষাৰ জন্ম সংগীতময় ধ্বনিৰ পৰা হয় বুলি সিদ্ধান্ত কৰিব পাৰি।

(ঘ) আদিম মানুহৰ ভাষা কঠিন আৰু বিভিন্ন প্ৰকাৰৰ ধ্বনি সমষ্টিৰে দীঘল দীঘল শব্দৰে গঠিত হৈছিল আৰু সেইবোৰ কোৰাতকৈ গোৰা হৈছিল বেছি।

(ঙ) আদিম ভাষাৰ জন্ম হৈছিল বহু পৰিমাণে ধেমালি সুলভভাৱে হৈছিল। কাৰণ আপোনা-আপুনি উচ্চাৰিত হোৱা ধ্বনিয়ে মনলৈ আনি দিছিল আশ্চৰ্যবোধ আৰু নতুন উন্মাদনা। নতুন উদ্ভাৱনাক আনন্দৰে কওঁতে কওঁতে সি বাকযন্ত্ৰক কাৰ্যক্ষম কৰি ভাষাৰ উৎপত্তি বাস্তৱ কৰি তুলিলে।

(চ) আৱেগে ভাষাৰ উৎপত্তিৰ প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল বুলি ভবা কাৰণে আবেগময়ভাষা সাংগীতিক হোৱা স্বাভাৱিক।

এই মতবাদৰ বিৰুদ্ধে ক'ব পাৰি যে ভাষা উৎপত্তি হোৱাৰ আগতে যিসময়ত মানুহৰ চিন্তা, কল্পনা বা সৌন্দৰ্যবোধৰ কোনো কোনো চেতনা উদয় হোৱা নাছিল আৰু য'ত কোনো শৃংখলিত সমাজ নাছিল, সমাজৰ কোনো অনুশাসন নাছিল - যৌন জীৱন য'ত আছিল মুক্ত, অবাধ আৰু উদ্দাম প্ৰকৃতিৰ নীতি-নৈতিকতাৰ কোনো প্ৰশ্ন নাছিল, মানুহৰ প্ৰকৃতি আছিল বন্য - সেই সময়ৰ প্ৰেমৰ নিচিনা হৃদয়ৰ সূক্ষ্ম অনুভূতি গা কৰিব পাৰিব - কল্পনা কৰিব নোৱাৰি। প্ৰেম-ভালপোৱাৰ অনুভূতি যৌন চেতনাৰ লগত সংস্পৰ্শিত। আদিম গভীৰ অৰণ্যানীৰ গুহা, গছৰ তলত বা মুকলি ঠাইত থকা বন্য প্ৰকৃতিৰ মুক্ত মানুহৰ অবাধ মিলনৰ সুবিধা থাকোঁতে ডেকা-গাভৰুৰ হৃদয়ৰ বিনিময়ৰ কিবা প্ৰয়োজন আছিল বুলি ভাবিব নোৱাৰি। তদুপৰি ক্ষুধা বা আশ্ৰয়, হিংস্ৰ জন্তু বা বৰ্হিশত্ৰুৰ আক্ৰমণ যিমান বাস্তৱ সমস্যা আছিল প্ৰেম-ভালপোৱা তাৰ তুলনাত নগণ্য। সৌন্দৰ্যবোধ, কল্পনাপ্ৰৱণতা মানুহৰ মানসিক শক্তিৰ বিকাশৰ লগত ওতপ্ৰোতভাৱে জড়িত। পাৰ্থিৱ অস্তিত্বৰ সংগ্ৰামক নেওচা দি হৃদয়ৰ ভাৱাবেগক নিশ্চয় আদিম মানুহে প্ৰাধান্য দিয়া নাছিল। এই গোটেই মতবাদটো ইমানধৰণেৰে ৰোমান্টিক ৰহনেৰে ৰহনীয়া যে বাস্তৱ অস্তিত্বক আওকাণ কৰি কল্পনাৰ ডেউকাৰে দূৰ-দূৰণিলৈ উৰি যোৱাৰ নিচিনা হৈছে।

**সংস্পৰ্শবাদ (The contact Theory) ঃ**

Prof. G. Revesz নামৰ মনস্তত্ত্ববিদ পণ্ডিত এগৰাকীয়ে এই মতবাদ অৱতাৰণা কৰি কৈছে যে মানুহৰ এজনৰ আন এজনৰ লগত সম্পৰ্ক স্থাপন কৰাৰ যি সহজাত প্ৰবৃদ্ধি বা স্বাভাৱিক ইচ্ছা তাৰ ফলতে ভাষাৰ উৎপত্তি হয়। দলবদ্ধভাবে বাস কৰা জীৱ-জন্তুৱে যিদৰে চিঞৰি বিভিন্ন মনোভাৱ ব্যক্ত কৰি পৰস্পৰৰ মাজত সম্পৰ্ক গঢ়ি তোলে তেনেদৰে কিছুমান ধ্বনিৰেও প্ৰথম অৱস্থাত মানুহে প্ৰকাশ কৰি লগৰীয়াসকলৰ লগত সম্পৰ্ক স্থাপন কৰিছিল। দ্বিতীয় অৱস্থাও চিৎকাৰ কৰি বা উচ্চ শব্দ কৰি সমূহীয়া উদ্দেশ্যত বা পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত যোগাযোগ স্থাপন কৰিছিল; তাৰ পাছত অৱস্থাত শিশুৱে কান্দি মাকক বিচৰাৰ দৰে কণ্ঠস্বৰৰ যোগেদি আদিম মানুহে কোনো ইচ্ছা, অভিপ্ৰায়, আকাংক্ষা আমি আন এজনৰ আগত প্ৰকাশ কৰিছিল, ইয়াৰ পাছত শব্দৰ যোগেদি কোনো বস্তুক নিৰ্দিষ্টকৈ বুজাই কথা ক'ব পৰা শক্তি সম্পূৰ্ণকৈ আয়ত্ত কৰে। মুঠতে সমাজবদ্ধ মানুহৰ মাজত সৃষ্টি হোৱা কণ্ঠৰ ধ্বনিবোৰ উমৈহতীয়া প্ৰয়োগ ঘটি ভাষা সৃষ্টি সম্ভৱ হৈ উঠিল। Revesz য়ে এতিয়া চোৱা যাওক, কেতিয়াৰ পৰা কেনেকৈ মানুহে কথা ক'বলৈ শিকিলে। মানুহ যিদৰে বিৱৰ্তনৰ অৱদান, ভাষাও তেনেদৰে বিভিন্ন পৰিৱৰ্তিত অৱস্থাৰ দ্বাৰা বহু যুগৰ ক্ষুদ্ৰ ক্ষুদ্ৰ উপাদানেৰে গঢ় লোৱা এক বিকশিত ফলহে। প্ৰাক্‌মানৰ কালত কোনো প্ৰকাৰ অৰ্থপূৰ্ণ ধ্বনিৰে ভাৱ প্ৰকাশ কৰা সম্ভৱ নাছিল। প্ৰাক মানৱ কাল - যি সময়ত যাৰ আকৃতি অৰ্ধমানৱ-অৰ্থ বন মানুহ আছিল বুলি ধৰি ল'ব পাৰি, সি আছিল বাকশক্তিহীন বন মানুহ মানৱ (ape-man)। Envest Harckel য়ে এনে আধা মানুহ-আধা বনমানুহৰূপী আনুমানিক জীৱক নাম দিছে পিথেকানথ্ৰপাছ এলালাছ (pradhecanthropus alalus) বা বাকশক্তিহীন বনমানুহ মানৱ (speechless ape- man) এই আদিম মানৱে অংগি-ভংগিৰে লগৰটোক ভাৱ প্ৰকাশ কৰাৰ বাহিৰে মুখেৰে কোনো প্ৰকাৰ ধ্বনি নিশ্চয় উচ্চাৰণ কৰা নাছিল। খোজকাঢ়ি ফুৰিবলৈ লোৱাৰ পাছত মগজুৰ সম্প্ৰসাৰণ হোৱাৰ লগে লগে কৰ্মতৎপৰতা আৰু অনুভূতিৰ বিকাশ হোৱাৰ ফলত প্ৰাচীন মানৱে সাংকেতিক প্ৰচেষ্টাৰে ভাৱ প্ৰকাশ কৰিবলৈ ধৰে বুলি অনুমান কৰিব পাৰি। গিবন, ওৰাং-ওটান, চিম্পাজী, গৰিলা আদি বন মানুহৰ আচৰণ লক্ষ্য কৰিলেই এই সত্যতা ধৰা পৰে। প্ৰাক্-মানৱ আদিম মানৱ স্তৰত ধ্বনিৰ দ্বাৰা ভাব ব্যক্ত কৰিব পাৰিছিল বুলি কল্পনা কৰিব নোৱাৰি। প্ৰাচীন মানৱ স্তৰত অংগি-

ভংগীয়ে গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল বুলি ধৰিব পাৰি আৰু প্ৰকৃত মানৱ স্তৰত অংগি-ভংগিৰ লগতে সাংকেতিক ধ্বনি বা ধ্বনিপুঞ্জৰে ভাৱ প্ৰকাশৰ প্ৰচেষ্টা হ'বলৈ ধৰে আক বহু শ বছৰ এই ধ্বনি বা ধ্বনিপুঞ্জ একো একোটা দলৰ মাজত একেদৰে চলি যোৱাৰ পাছত একোটা বিশেষ ৰীতি বা বৈশিষ্ট্য গঢ় লৈ উঠে; তাৰে সেই দলৰ লোকসকলে পুৰুষানুক্ৰমে ভাব প্ৰকাশ কৰি অহাৰ ফলত নিৰ্দিষ্ট গঢ় লৈ উঠে; শেষত পৰস্পৰৰ মাজত অৰ্থ বুজা ধ্বনি সমষ্টিয়েই সেই জনসমষ্টিৰ ভাষা বুলি জনাজাত হয়। এনেদৰে ভাষা হ'বলৈ বহু হেজাৰ বছৰ লাগিছিল। প্ৰাচীন প্ৰস্তৰ যুগতে যি সময়ত শিল, হাড়, দাঁত, শিং আদিৰে অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিব জানিছিল, জুই জ্বলাব জানিছিল আৰু তাৰ পিছৰ কালত অৰ্থাৎ নৱ প্ৰস্তৰ যুগত যি সময়ত মানুহে কৃষি-কৰ্মকে ধৰি ঘৰ-দুৱাৰ সজা, জুইৰ ব্যৱহাৰ শিকা, মিহি অস্ত্ৰৰ ব্যৱহাৰ জনা কামবোৰ কৰিব পাৰিছিল, সেই তেতিয়া সুশৃংখলিত নহ'লেও ধ্বনি উচ্চাৰণ কৰি ভাব প্ৰকাশ কৰা ৰীতি নিশ্চয় প্ৰতিষ্ঠা হৈছিল; কাৰণ কেৱল অংগি-ভংগিকে আশ্ৰয় কৰি মুখৰ পৰা উচ্চাৰিত ধ্বনিৰে ভাব প্ৰকাশ নকৰাকৈ সমন্বয় আৰু সমবায়ৰে জীৱন নিৰ্বাহ কৰিবলৈ স্বতঃপ্ৰণোদিত হোৱা সম্ভৱপৰ কথা নহয়।

মানুহৰ আদি পুৰুষৰ মাজত কোন সময়ত ভাষাৰ উৎপত্তি হৈছিল তাক নিৰ্দিষ্টকৈ ঠাৱৰ কৰিব নোৱাৰি যদিও প্ৰয়োজনীয়তাৰ কাৰণেই বুদ্ধিবান মানুহে ধ্বনিৰ মাজেদি মনৰ ভাব প্ৰকাশ কৰিবলৈ প্ৰচেষ্টা কৰাৰ ফলতে ভাষাৰ উৎপত্তি হয় বুলি ক'ব পাৰি। বুদ্ধি-বিকাশৰ ফলত বাকযন্ত্ৰ স্বতঃস্ফূৰ্তভাৱে সক্ৰিয় হৈ অংগি-ভংগি ধ্বনিৰ মাধ্যমেৰে প্ৰস্ফুটিত হৈ উঠিল আৰু এনেকৈয়ে উৎপত্তি হয় ভাষাৰ। ই বিকাশৰ ফল। ভাবব্যঞ্জক সাংকেতিক প্ৰচেষ্টাই ভাষা উৎপত্তিৰ মূল।

**ভাষাৰ প্ৰথম অৱস্থাৰ আনুমানিক ৰূপ ঃ**

যিহেতু আমাৰ পূৰ্বপুৰুষসকলে কেনেদৰে প্ৰথম অৱস্থাত কথা কৈছিল তাৰ কোনো নিদৰ্শন এৰি থৈ যোৱা নাই, সেই কাৰণে ভাষাৰ প্ৰথম অৱস্থাৰ ৰূপ কেনেধৰণৰ আছিল সেই কথাৰ সকলোবোৰ অনুমান নিৰ্ভৰ। ভাষাৰ প্ৰথম অৱস্থাত যিবোৰ শব্দাংশ বা শব্দৰে মনৰ ভাব প্ৰকাশ কৰিবলৈ বিচৰা হৈছিল সেইবোৰ জটিল ধ্বনি বা ধ্বনিপুঞ্জৰে গঠিত হোৱা বুলি ক'ব পাৰি। কেৱল ভাৱ প্ৰকাশৰ কাৰণেই ধ্বনি উচ্চাৰিত হৈছিল কাৰণে সেইবোৰ সুশৃংখলিত বা সুবিহিত আছিল বুলি ক'ব নোৱাৰি। অধিকাংশই আছিল জটিল জটিল ধ্বনিপুঞ্জৰে গঠিত শব্দ - যিবোৰৰ মাজত অৰ্থতকৈ মনৰ অৱস্থা প্ৰস্ফুটিত কৰিবলৈ বিচৰা হৈছিল বেছি। বৰ্তমান কালৰ ভাষাত ব্যৱহৃত অধিকাংশ ধ্বনিয়েই শ্বাসত্যাগ কৰি উচ্চাৰিত কৰা হয়, মাত্ৰ আনন্দ-উত্তেজনা-বিস্ময় আদি প্ৰকাশ কৰিবলগা অৱস্থাতহে শ্বাস টানি আশ্চৰ্যবোধক ধ্বনি উচ্চাৰণ কৰা হয়। কিন্তু আদিম কালত নিশ্বাস টানি কৰা ধ্বনি, টোকাললিন, ধ্বনি (chicks), চোষণধ্বনি (suction sounds) আদিৰ প্ৰাদুৰ্ভাৱ আছিল বুলি অনুমান কৰা হৈছে। দক্ষিণ আফ্ৰিকাৰ আদিম অধিবাসী বুশমান (Bushman) সকলৰ বিভিন্ন ফৈদৰ বিভিন্ন ভাষাত টোকাললিন ধ্বনি এক বৈশিষ্ট্যমূলক ধ্বনি। এই ধ্বনি দন্ত্য, মূৰ্ধণ্য, পাৰ্শ্বিক, তালব্য, ওষ্ঠ্য বিভিন্ন প্ৰকাৰৰ আছে। ঝুলু (Zulu) সকলৰ ভাষাৰ মাজতো এই ধ্বনি বিদ্যমান। ভাষাৰ আদিম স্তৰত এনে জটিল ধ্বনিৰ পৰিমাণ যে বিস্তৃত আছিল সেই কথা এনে আদিবাসীসকলৰ ভাষা অধ্যয়নৰ দ্বাৰা সুন্দৰ ৰূপত প্ৰতীয়মান হয়।

প্ৰাচীন গ্ৰীক-লেটিন-সংস্কৃত আদি উন্নত ভাষাত সুৰাঘাতে (tone or pitch-accent) প্ৰাধান্য লাভ কৰা কথাৰ পৰা আৰু আদিবাসীসকলৰ ভাষাত সুৰাঘাতৰ প্ৰাবল্য দৃষ্টিগোচৰৰ পৰা আদিম ভাষা যে কিছু পৰিমাণে লয়যুক্ত আছিল সেই কথা ভাৱিবৰ অৱকাশ আছে। সকলো ভাষাই জটিল অৱস্থাৰ পৰা ক্ৰমশঃ সৰলতৰ ৰূপলৈ অগ্ৰসৰ হৈ আহা কথাৰ দ্বাৰা প্ৰতীয়মান হয় যে আদিম শব্দবোৰ জটিল ধ্বনিসমষ্টিৰে গঠিত বহুঅক্ষৰবিশিষ্ট দীৰ্ঘজাতীয় শব্দ আছিল। বৈদিক সংস্কৃত আৰু ইয়াৰ পৰৱৰ্তী বিভিন্ন প্ৰাকৃত ভাষা, আধুনিক ভাৰতীয় আৰ্য ভাষা ক্ৰমশঃ সৰলৰ পৰা সৰলতৰ হৈ অহাৰ নিদৰ্শনে এই যুক্তিৰ সপক্ষে সুন্দৰ অভিমত প্ৰকাশ কৰে।

এস্কিমো, উত্তৰ আমেৰিকাৰ আদিবাসীসকলৰ ভাষা লক্ষ্য কৰি ভাষাবিদসকলে ক'বলৈ বিচাৰে যে আদিম অৱস্থাত ভাষাৰ শব্দ আৰু বাক্যৰ সীমাৰেখা স্পষ্ট নাছিল; শব্দীয়-বাক্য (sentence-word) জাতীয় আছিল। ইয়াৰ ফলত ধ্বনিৰ ফালৰ পৰা যিদৰে দীঘলীয়া আছিল, অৰ্থৰ ফালৰ পৰাও হৈ উঠিছিল জটিলধৰ্মী।

আদিম ভাষা অনিয়মীয়া বা বেমেজালিপূৰ্ণ আছিল, কাৰণ আদিম মানুহৰ মন সুবিহিত, সুচিন্তিত বা প্ৰণালীবদ্ধ নাছিল। যিহেতু চিন্তাশক্তিৰ বিকাশ ব্যাপক হোৱা নাছিল, বুদ্ধি আৰু কল্পনাৰ গতি আছিল ধীৰ, জীৱন ধাৰণৰ প্ৰণালী আছিল অনিয়মিত, মনৰ ৰূপ আছিল বিশৃংখলাপূৰ্ণ, সেই কাৰণ প্ৰথম

অৱস্থাত ভাষাৰ গতিও আছিল বিশৃংখলধৰ্মী আৰু অসামঞ্জস্যপূৰ্ণ। ভাব অনুযায়ী অৰ্থবোধক অৱস্থা বা কাৰ্য নিৰ্দিষ্ট ৰূপত প্ৰস্ফুটিত কৰা সম্ভৱ নাছিল।

প্ৰথম অৱস্থাৰ শব্দবোৰ আছিল ব্যৱহাৰিক জীৱনৰ লগত সম্বন্ধ থকা বস্তু বা অৱস্থাজাতীয়। চকুৰ আগত দেখা বাস্তৱ বস্তুৱে মনত ৰেখাপাত কৰিছিল কাৰণে নিৰ্দিষ্ট বা বিশেষ বস্তু বুজোৱা শব্দৰ সৃষ্টি যিমান সহজে হোৱা সম্ভৱ নাছিল। বিমূৰ্ত বা নিৰ্বিশেষ ভাৱ প্ৰকাশক শব্দৰ জন্ম বহু পিছত হয়। মানুহৰ কল্পনা শক্তি বিকাশৰ লগে লগে বিমূৰ্ত ভাব প্ৰকাশক শব্দৰ জন্ম হয় বুলি ক'ব পাৰি। বহু ভাষাত 'ভাই' বুজোৱা শব্দ নাই, কিন্তু 'ডাঙৰ ভাই', 'সৰু ভাই' বুজোৱা শব্দ পোৱা যায়। আমেৰিকাৰ আদিম ভাষাৰ অন্তৰ্গত 'চেৰোকী' (Cherokee) ভাষাত 'ধোৱা' বুজোৱা একক শব্দ নাই; কিন্তু তাৰ লগত সম্পৰ্কিত হৈ বিভিন্ন অৰ্থ প্ৰকাশ কৰা শব্দ প্ৰচুৰ পৰিমাণে পোৱা যায়; যেনে ঃ Kutuwa, kulestula, kukuswo, takasula, takunkela, takutega, tsejuwa, kowela আদি শব্দবোৰে যথাক্ৰমে - 'মই নিজে ধোও', 'মই মোৰ মূৰ ধোও', 'মই মোৰ মুখ ধোওঁ', 'মই হাত বা ভৰি ধোওঁ', 'মই কেঁচুবা এটা ধুৱাও', 'মই মাংস ধোওঁ' এনে অৰ্থ প্ৰকাশ কৰে। ঝুলুসকলৰ মাজত প্ৰচলিত ভাষাতো 'গৰু' বুজোৱা সাধাৰণ ৰূপৰ শব্দ নাই, কিন্তু বিশেষভাৱে বুজোৱা 'ৰঙা গৰু', 'বগা গৰু' শব্দ আছে। লিথুৱানীয় ভাষাতো বিভিন্ন ৰং বুজাব পৰা সাধাৰণ নাম নাই, কিন্তু বিশেষ নাম আছে। তাছমানিয়া (Tasmania) সকলৰ ভাষাত 'গছ' বুজোৱা সাধাৰণ শব্দ নাই, কিন্তু বেলেগ বেলেগ গছ বুজোৱা শব্দৰ ব্যৱহাৰ আছে। এস্কিমোসকলৰ ভাষাতো 'বৰফ' বুজাব পৰা একক শব্দ নাই, কিন্তু 'নতুনকৈ পৰা বৰফ', 'কঠিন বৰফ' এনে শব্দ আছে। এইবোৰে প্ৰমাণ কৰিব পাৰে যে আদিম ভাষা প্ৰথম অৱস্থাত বিশেষ বস্তু বুজোৱা শব্দমালা ঘাইকৈ গঢ়ি উঠিছিল। প্ৰথম অৱস্থাত যিবোৰ ধ্বনি বা শব্দাংশ বা শব্দ উচ্চাৰণ কৰা হৈছিল, সেইবোৰ বেছিভাগেই হয়তো অৰ্থশূন্য আছিল। মনৰ হৰ্ষ, উল্লাস, উত্তেজনা, ক্ৰোধ, ঘৃণা আদি প্ৰকাশ কৰিব লগা হওঁতে বিভিন্ন ধ্বনি উচ্চাৰণ কৰিছিল যদিও সেইবোৰৰ মাজত মনৰ আকস্মিক ভাববোৰ প্ৰকাশ হৈছিল-চিন্তাগ্ৰথিত বা যুক্তিগ্ৰথিত শব্দ বহু কালৰ পিছতহে হয় বুলি অনুমান কৰিব পাৰি। কাৰণ মনৰ আবেগ-অনুভূতিৰ বহিঃপ্ৰকাশ যিমান স্বতঃস্ফূৰ্তভাৱে হ'ব পাৰে যুক্তি বা চিন্তা সিমান সহজতে নহয়। প্ৰথম অৱস্থাৰ অৰ্থহীন গুঞ্জনময় ধ্বনিগুচ্ছ বহুকাল কোৱাৰ অভ্যাসৰ পৰিণতিতহে ভাৱৰ স্থায়ী বাহক হৈ উঠে। এক নিৰ্দিষ্ট ৰূপত বহুত দিন ব্যৱহৃত হোৱাৰ পাছত এক নিৰ্দিষ্ট জনগোষ্ঠীৰ মাজত ভাব প্ৰকাশৰ নিৰ্দিষ্ট গঢ় লয়। শিশুৱে যিদৰে ডাঙৰসকলৰ শব্দ শুনি শুনি একোটা অৰ্থ বুজিব পৰা হয়, তেনেদৰে আদিম মানুহেও টুকুৰাটুকুৰ বিশৃংখল ধ্বনিগুচ্ছকো সময়ত একোটা নিৰ্দিষ্ট অৰ্থবোধক ৰূপ দিবলৈ সমৰ্থ হয়। কোনো এটা বস্তু দেখি কোনো এজনে যিদৰে ধ্বনি উচ্চাৰণ কৰিছিল, পিছত লগৰ আন এজনে বা আনসকলেও তেনে বস্তু দেখি তেনে অনুৰূপ ধ্বনি উচ্চাৰণ কৰি বস্তুটোৰ স্বৰূপ বুজাবলৈ যোৱাৰ ফলত সেই বস্তুৰ নাম প্ৰকাশক ৰূপ এটাই নিৰ্ধাৰিত গঢ় লৈ উঠে। আমাৰ বৰ্তমানৰ ভাষাত যিদৰে বুদ্ধি-চিন্তা, যুক্তি-ক্ৰম নিহিত আছে আদিম ভাষাত তেনেবোৰ নাছিল। ঘঁহি খাঁই খহটা শিল মিহি কৰি তুলিব পৰাৰ দৰে বহুকালৰ অভ্যাসৰ ফলতহে বিশৃংখল, অনিয়মিত ধ্বনিসমষ্টিয়ে একো একোটা নিৰ্দিষ্ট অৰ্থবোধক ৰূপ বা শব্দ গঢ় লৈ উঠিব পাৰিছিল - সময়ত যি সুবিহিত সুশৃংখলিত আৰু নিয়মিত হিচাপে ব্যৱহৃত হৈ উঠিল সেই আদিম কালৰ পৰা বৰ্তমানৰ ব্যৱহৃত ভাষাপৰ্যন্ত, এই সুদীৰ্ঘ হেজাৰ হেজাৰ বছৰৰ পথত নিহিত আছে বহু শতাব্দীৰ মানুহৰ মনৰ পৰিৱৰ্তন, পৰিৱৰ্ধন, লগতে আছে যুক্তিগ্ৰথিত চিন্তা, কল্পনা, উদ্ভাৱনাৰ অফুৰন্ত অৱদান। একেদিনাই বা একে বছৰে কোনো ভাষাই প্ৰকাশিকা শক্তি আয়ত্ত কৰি স্বয়ংসম্পূৰ্ণ হৈ প্ৰাণৱন্ত হৈ উঠিব পৰা নাই। প্ৰকৃতপক্ষে কোনো ভাষাই স্বয়ংসম্পূৰ্ণ হৈ পূৰ্ণতা লাভ কৰিব পৰা নাই আৰু পাৰিছে বুলি দাবী কৰিব নোৱাৰে। ভাষাৰ ক্ৰমোন্নতিৰ গতিপথ দুৰন্ত প্ৰয়াসেৰে অবিৰতভাৱে অবিৰাম চলি আহিব ধৰিছে। মানসিক শক্তিৰ বিকাশৰ লগত, ন ন উদ্ভাৱনাৰ মহান অভিযানৰ লগত ভাষাৰ প্ৰকাশিকা শক্তি ওতপ্ৰোতভাৱে জড়িত। ⌘

---

*(ড° নগেন ঠাকুৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক আৰু বিশিষ্ট ভাষাবিদ)*



# জ্ঞানপীঠ বঁটা বিজয়ী নীলমণি ফুকনৰ কবিতাত জাতীয় চিত্ৰ ঃ লোকজীৱন লোকমন ইত্যাদি

০ সুৰেন্দ্ৰ মোহন হাজৰিকা

কবি একোজন তেজ মঙহৰ মানুহ। সমাজত আনৰ দৰেই সুখ-দুখৰ দ্যোতনাত ডুলি ডুলি জীয়াই থকা মানুহৰ প্ৰকৃত প্ৰতিনিধি। স্বকাল- স্বদেশ-স্বজাতিৰ ইতিহাস চেতনাৰে উদ্বুদ্ধ কবিৰ আছে বিশিষ্ট কণ্ঠ - যি কণ্ঠ, হৈ উঠিব পাৰে সমাজ তথা জনসাধাৰণৰ জীৱনৰ অমোঘ মন্ত্ৰ, কাৰণ সমাজ আশ্ৰয় কৰিয়েই গঢ়ি উঠে শিল্প-সাহিত্য। সেই শিল্প-সাহিতাই সমাজত বাস কৰা মানুহক প্ৰকৃত পথৰ সন্ধান দিয়ে আৰু অতীতৰ বুকুৰ পৰা আজুৰি অনা সমল সংগ্ৰহে বৰ্তমানত ন-ৰূপত চোৱাৰো অৱকাশ দিয়ে। সেইবাবেই নিজৰ সমাজখনেই কবি-শিল্পীসকলৰ বিচৰণ ভূমি আৰু জীৱন সংগ্ৰামৰ সমৰ থলি। সমাজৰ আটাইবোৰ দিশৰ টুকুৰা টুকুৰ ছবিকে কবিয়ে শব্দৰ সমলেৰে শিল্পীক ৰূপ দিয়ে। ‘Art for arts sake’ৰ পৰিবৰ্তে ‘Art for life sake’ বুলি গণ্য কৰা আজিৰ কবিৰ দৃষ্টিত দলিত, নিষ্পেষিত, শোষিত মানুহৰ হা-হুতাশবোৰ প্ৰদীপ্ত শব্দ হৈ সৃজনশীল, মননশীল আৰু বিচিত্ৰ ভাবনাৰ বাহন হিচাপে ৰূপায়িত হৈ উঠে। প্ৰতীকবাদৰ নিপুন খনিকৰ নীলমণি ফুকনৰ দৃষ্টিতো স্বকাল স্বদেশ-স্বজাতিৰ প্ৰতিচ্ছবি অনেক কবিতাৰ মাজত সমুজ্জ্বল হৈ উঠিছে। তেখেতৰ স্বকীয় কাব্যশৈলীৰ মাজেৰে সমকালীন সমাজ, মানুহ আৰু পৃথিৱীৰ প্ৰতিচ্ছবি বৰ কৌশলগতভাৱে অংকিত হৈছে। গাঁৱৰ ধূলি-বালিতেই শিশুকাল আৰু যৌৱন মধুৰ দিনবোৰ মুঞ্জৰিত হোৱাৰ বাবে কবি ফুকনৰ গাঁও, গ্ৰাম্য জীৱন, গ্ৰাম্য প্ৰকৃতি, গ্ৰাম্য

কৃষ্টি-সংস্কৃতি, লোককথা-লোকমাত-লোকগীত কবিতাৰ প্ৰধান বিষয় হৈ পৰিল। অধ্যাপক লঙে ঠিকেই কৈছিল যে 'প্ৰতিখন কিতাপৰ আঁৰত একোজন মানুহ আছে, মানুহজনৰ আঁৰত প্ৰাকৃতিক আৰু সামাজিক বাতাবৰণ আছে। অজ্ঞাতসাৰে এই আটাইবোৰ প্ৰভাৱ একোখন কিতাপত প্ৰতিফলিত হয়।' 'সূৰ্য হেনো নামি আহে এই নদীয়েদি', 'নিৰ্জনতাৰ শব্দ আৰু কি নৈঃশব্দ', 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে', 'কঁাইট গোলাপ আৰু কাইট', 'কবিতা', 'নৃত্যৰতা পৃথিৱী', 'অলপ আগতে আমি কি কথা পাতি আছিলো' আদি কাব্যপুথিৰ মাজত কবিয়ে 'মাটি-মানুহ, প্ৰকৃতি, ভাস্কৰ্য স্থাপত্য শিল্প আৰু লোককথা-লোকগীত, লোকপৰম্পৰাক নিটোল ৰূপ দিছে। আমাৰ এই লেখাত কবিগৰাকীৰ কবিতাসমূহত জাতীয় জীৱন, লোকমন, লোকগীত-কথাৰ কিদৰে চিত্ৰ সংযোগ ঘটিছে সেই সম্পৰ্কে কিঞ্চিত ভাৱে দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

আন্তৰ্জাতিক খ্যাতি সম্পন্ন কবি নীলমণি ফুকনৰ কবিতাৰ মুকলি আলোচনা কৰাটো আমাৰ বাবে বৰ সহজসাধ্য কাম নহয়। বিংশ আৰু একবিংশ শতিকাৰ আলিদোমোজাত থিয় দিয়া ভাৰতীয় কবি সমাজৰ প্ৰতীকবাদৰ অন্যতম শ্ৰেষ্ঠ কবি ফুকনদেৱে কবিতাৰ আঙ্গিক আৰু বিষয়বস্তুৰ ক্ষেত্ৰত ন-ন পৰীক্ষা-নিৰীক্ষাৰে অসমীয়া কবিতাক ঐশ্বৰ্যশালী আৰু মননশীল কৰি তুলিছে। নানান বিদেশী ভাষাৰ কবিতাৰ হৃদয় স্পৰ্শ কৰি সেই সমূহ পঠন-পাঠনে কবিক অভিজ্ঞতা পুষ্ট কৰি তুলিছে বাবেই হয়তো ফ্ৰান্স, স্পেইন, চীনীয়, ইঙ্গ-মাৰ্কিন, জাপানীয় আদিৰ কাব্যিক শৈলীৰ আৰ্হিৰে প্ৰতীক, চিত্ৰকল্প আদিৰ সফল প্ৰয়োগেৰে অসমীয়া কবিতাৰ ভাববস্তু, ৰূপ-ৰস বৈচিত্ৰ্য, মেটাফৰ চিত্ৰ, ভাস্কৰ্য স্থাপত্যৰ উপজীব্য সমলেৰে পাৰ ওপচাই দিছে। ফুকন কবিৰ কবিতাৰ শিল্প কলাৰ উপৰি উদ্ভিদ জগত, প্ৰকৃতি জগত, লোকমন, লোকজীৱন কথা, স্বজাতীয় চিত্ৰৰ সুষম প্ৰকাশে অভিনৱ ৰূপত বিকশি উঠিছে। কবি গৰাকীৰ কবিত্ব শক্তিৰ ওপৰত বক্তব্য ৰাখি সমালোচক প্ৰবোধ চন্দ্ৰ গোস্বামীয়ে কৈছেঃ, 'ফুকন কবিৰ জনজীৱনৰ আৰ্তিৰ প্ৰতি আসক্তি হোৱাৰ মূল কাৰক হিচাপে চিনাক্ত কৰিব পাৰি জাপানী চিত্ৰময় হাইকু কবিতা, চীনৰ ইঙ্গিতময় পুৰণি কবিতা, স্পেইনৰ লকাৰ ৰসঘন সঙ্গীৰ কবিতাত প্ৰকাশ পোৱাত লোকজীৱনৰ স্পন্দন।' সেই একে প্ৰসঙ্গতে কবি সমালোচক ভবেন বৰুৱাই কোৱা এষাৰ অনুপম বক্তব্য দাঙি ধৰিব পাৰি ঃ 'ফুকনৰ কবিতাৰ এটা প্ৰধান বৈশিষ্ট্য এয়ে যে ইয়াৰ মাজত অসমীয়া ভাষাৰ কালিকা আৰু অসমীয়া জাতীয় মানসৰ গোপন সুৰ অনুভৱ হয়।' সঁচা কথা যে প্ৰতিজন লেখকেই জনমভূমিক হৃদয় ভৰি ভাল পায়, দেশৰ মাটি-মানুহ-প্ৰকৃতি, সমাজ-সংস্কৃতি আৰু ঐতিহ্য গৰিমাক নিজ হাতেৰে বৰ্ণিল ৰূপত প্ৰকাশ কৰে। কবি নীলমণি ফুকনৰ আটাইবোৰ কবিতা নিৰীক্ষণ কৰিলে দেখা যাব যে সেই সমূহ জাতীয় জীৱন কথাৰে সমুজ্জ্বল আৰু স্পন্দিত হৈছে নিজৰ কলা কৌশলেৰে। অসমীয়া জাতীয় জীৱনৰ সুৰ 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'ৰ দিনৰে পৰা সাম্প্ৰতিক সময়লৈকে অনুৰণীত হোৱা দেখা যায়। লক্ষ্মীনাথ হেমচন্দ্ৰৰ দিনৰে পৰা একবিংশ শতিকাৰ অনেক লেখকলৈকে জাতীয় চেতনাই কাব্যত জুমুৰি পাতিছে আৰু সেই চেতনাই জাতিক সঞ্জীৱনী দান কৰি আহিছে। প্ৰতীক বাদৰ পাকৈত শিল্পী নীলমণি ফুকনো ইয়াৰ পৰা আঁতৰি থাকিব পৰা নাই, বৰং তেখেতৰ কবিতাত জাতীয় জীৱন প্ৰবাহ অতীব প্ৰবল ৰূপতহে দেখা যায়। অসমীয়া সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰিলে দেখা যাব যে, অনাক্ষৰী যুগৰ অসমীয়া লোক সাহিত্যৰ মজিয়া তেতিয়াই উৰ্বৰা হৈ আছিল, আনকি ৰমন্যাসিক যুগতো অসমীয়া কবিতাত তাৰ সম্যক প্ৰকাশ ঘটিছিল আৰু আজিৰ নতুন কবিতাতো লোকমন-লোককথা, ভাস্কৰ্য স্থাপত্য শিল্পই বহু কেইজন কবিৰ হাতত প্ৰাণ পাই উঠিছে। সেইসকলৰ ভিতৰত নীলমণি ফুকনেই স্বকীয় আৰু বুদ্ধিদীপ্ততাৰে জাতীয় জীৱন শৈলীক নিটোল ৰূপত সজাই তোলা সাৰ্থক কবি শিল্পী। স্বৰ্ণ শিল্পীয়ে কেঁচা সোণৰ পৰা বহু সময় ধৰি জুই আৰু হাতুৰীৰ কৰ্ষণ-স্পৰ্শৰে আৰু শিল্পীত মনেৰে আটক ধুনীয়া অলংকাৰ গাঢ়ি তোলাৰ দৰে নীলমণি ফুকনে কবিতাত লোক সাহিত্যৰ অনেক উপাদান নিজস্ব প্ৰজ্ঞাৰে সুষম ৰূপ দিয়াত সক্ষম হৈছে। তেখেতৰ কবিতাসমূহত লোকচেতনা আৰু ঐতিহ্যবোধ ইমান গভীৰলৈ শিপা প্ৰসাৰিত হৈ পৰিছে যেন তেজ মঙহৰ শৰীৰ এটাৰ মগজুৰ পৰা ভৰিৰ পতালৈকে বিস্তাৰিত হৈ থকা অসংখ্য স্নায়ুমণ্ডলিছে। সেইবাবেই তেখেতৰ কবিতা সমসাময়িক বা পৰৱৰ্তী কবি সকলতকৈ সম্পূৰ্ণ পৃথক।

অসমীয়া জাতীয় জীৱন প্ৰধানতঃ অসংখ্য জাতি-জনজাতি, বহু সম্প্ৰদায় অথবা ধৰ্মীয় ভিত্তিক একতা সম্প্ৰীতিৰ বাবে বৰণীয়া ৰূপজেউতিৰে সমুজ্জ্বল। বহুতো ঘাত-প্ৰতিঘাতে আঁচুৰি যোৱা অসমীয়া জনজীৱনৰ ইতিহাস সমৃদ্ধ আৰু সুদূৰ প্ৰসাৰী। সময়ে সময়ে আক্ৰমণ-প্ৰত্যাক্ৰমণ, বিদ্ৰোহ-বিপ্লৱ, ৰাজনীতিক ধামখুমীয়াত অসমৰ সমাজ জীৱন বাৰুকৈয়ে প্ৰভাৱান্বিত হৈ আহিছে।। কবি ফুকনৰ লোকজীৱন, লোকমনৰ ওপৰতো তাৰেই প্ৰলেপ পৰিছে। অসমৰ মানুহৰ মুখে মুখে বিহুগীত, নিচুকনী গীত, ৰূপকথা, ফকৰা যোজনা, সাঁথৰ আদি বাগৰি বাগৰি কোনো মনত নপৰা কালৰে পৰা চলি আহিছে। অসমীয়া লোকমন লোককথা লোকগীত তথা জাতীয় জীৱন সম্বলিত সজলচিত্ৰ

নীলমণি ফুকনৰ কবিতাত মনোকাৰ্যক ৰূপত প্ৰকাশমান হৈছে। অৱশ্যে কবিগৰাকীৰ কবিতাত সেই উপাদান সম্বলিত চিত্ৰ সংযোগ প্ৰথম অৱস্থাত পাঠকৰ অবোধ্য যেন লাগিলেও কিন্তু পিছলৈ চিনাকি আৰু আপোন আপোন ভাবত গ্ৰহণীয় আৰু হৃদয়ঙ্গম হৈ পৰে। কবি ফুকনৰ খনিকৰী হাতৰ পৰশত মুঞ্জৰী উঠা উল্লেখযোগ্য কবিতাংশ উদ্ধৃতিলৈ আনি তাত প্ৰাণ পোৱা অসমীয়া সমাজ-সংস্কৃতি আৰু লোককলাৰ ঐতিহ্যবোধৰ চানেকি দাঙি ধৰিব পাৰি—

‘বকুলে মেলক পাহি
কৃষ্ণ উপজিব আজি ৰাতি।’

‘গছৰ আগত দোলে ধুমুহাৰ মুকুট।
মই বোলো কি দোলে
গুলঞ্চ কি গোলাপ হৈ সন্ধ্যাজ্বলে
অন্ধ নয়নত
হঠাত পানীপিয়া হ’ল নদী
............
.............
নদীয়ে খহায় পাৰ
বহি আছে খহি পৰে
ভুবনেশ্বৰী পাহাৰ

ক’লৈ গ’ল গৰখীয়া ল’ৰাহঁত
বকুল সৰা ৰাতিপুৱা এটি
আনক গৈ মাতি
শিৰত ধৰ্ম থাপনা পাতি।

কলৈ যাব হেৰ’ উন্মাদিনী
ঘৰত সোঁত
বাটত সোঁত
সোঁতৰ কি ঘিলাবৰণীয়া পানী।

প্ৰথম কবিতাংশত দেখুওৱা হৈছে অসমীয়া জনজীৱনত ‘কৃষ্ণ’ৰ (ঈশ্বৰ) সীমাহীন প্ৰভাৱ, য’ত জড়িত হৈ আছে গভীৰ আধ্যাত্মিক চেতনা আৰু প্ৰগাঢ় ভক্তি ভাৱনা আৰু লগতে বিকশি উঠিছে গভীৰ প্ৰত্যাশা, কাৰণ কৃষ্ণ অসমীয়া জনগণৰ উপাস্য দেৱতা, তেৱেঁই সৰ্বস্ব আৰু ভাৰসা। কবিতাটিত ‘বকুল ফুল’ আৰু ‘কৃষ্ণ উপজক’ প্ৰতীকী কথাৰে দুখ দাৰুণ্যতাৰে ভৰা দিনবোৰ অতিক্ৰম কৰাৰ আশা কৰিছে, লগতে অনুপম জতুৱা ঠাঁচৰো সুপ্ৰয়োগ ঘটিছে। দ্বিতীয় কবিতাংশত প্ৰতিভাত হৈছে জীৱনৰ সংঘাতময় আৰু পঙ্কিলময় আন্ধাৰ ফালটো, য’ত বুদ্ধিদীপ্ত কবিয়ে জীৱনবোধৰ চেতনা প্ৰবাহক কৌশলগতভাৱে প্ৰোথিত কৰিছে। সঁচা কথা- মানুহৰ জীৱনো হৈ পৰে কেতিয়াবা অবৰ্ণনীয়, বৰনৈত দুকুলঢকা প্লাৱন অহাৰ দৰে জীৱনলৈকো আহে দুখৰ প্ৰবল বন্যা। আকাশে আকাশে তৃষ্ণাতুৰ পানীপিয়াৰ ওঁঠত নিনাদি উঠে নিছিগা চিঞৰ, প্ৰচণ্ড ধুমুহাত মুৰ্মুষ হোৱা জীৱন আৰ্তি আৰু কামনাৰ বানপানীত আদৰ্শৰ পাহাৰ (ভুৱনেশ্বৰ পাহাৰ) চপৰা চপৰে খহি পৰাৰ পিছতো প্ৰত্যাশা প্ৰয়াসী কবিয়ে ধুমুহাত ক্ষত-বিক্ষত আৰু জীৱনৰ গড়া খহনীয়া স্বত্বেও এফেৰি আশাৰ পোহৰ অথবা গুলঞ্চ নাইবা সুগন্ধি গোলাপ ফুলিব, এয়া নিশ্চয় প্ৰখৰ বুদ্ধিসম্পন্ন কবিগৰাকীৰ গভীৰ নিৰীক্ষণ শক্তিৰ সবল প্ৰকাশ আৰু মনোৰম কাব্যিক অভিব্যঞ্জনা। কবিতাটিত অংকিত হৈছে অসমৰ ভৌগোলিক অৱস্থিতিৰ এখন প্ৰতিচ্ছবি। আনহাতেদি তৃতীয় কবিতাংশত কবিৰ লোকজীৱন-লোকমনৰ দুখৰীয়া ছবিও পৰিষ্কাৰ হৈ প্ৰতিভাত হৈছে। অসমীয়া সহজ-সৰল চহা জীৱনত কেৱল ঈশ্বৰৰ আশীস আধ্যাত্মিক ভাবনাৰে জীৱন-মন শান্ত-স্নিগ্ধ আৰু ৰসসিক্ত কৰাব অফুৰন্ত প্ৰয়াস, য’ত প্ৰকাশ পাইছে সৰল প্ৰাণৰ গ্ৰামীণ জীৱনত আধ্যাত্মিক চেতনা আৰু তাৰেই স্বাক্ষৰ বহন কৰিছে গৰখীয়াৰ আশীৰ্বাদ লৈ জীৱন ধন্য কৰাৰ প্ৰয়াস আৰু লগতে সূৰ্য উঠাৰ মুহুৰ্তত বকুল ফুলৰ আমোলমোল সুঘ্ৰানে সূচনা কৰা সজীৱ পুৱাৰ পৰিবেশ আৰু তাৰ লগতে প্ৰত্যাশাৰ চেতনাবোধ। চতুৰ্থ কবিতাংশত নৈৰ ধাৱাল গতিক জীৱন ধাৰাৰ লগত তুলনা কৰা হৈছে। নৈ বৈ যাঁওতে অনেক বাধাৰ সন্মুখীন হৈও সাগৰলৈ ধিয়াই যোৱাৰ দৰে ঘাত-প্ৰতিঘাত, দুখ বেদনা নেওচি হ’লেও জীৱনে লক্ষ্য পূৰণৰ বাবে গতি কৰে, গতিকে নৈ জীৱনৰ সমাৰ্থক, উজ্জ্বল প্ৰতীক। উদ্ধৃত স্তৱকটিত কবিৰ মন গহনত উদ্ভাসিত হৈছে অন্তৰৰ বেদনাবোধ আৰু আনহাতেদি প্ৰকৃতিৰ লগত সহৰস্থানৰ প্ৰত্যাশা। ‘আৰু কি নৈঃশব্দ’ কাব্যপুথিৰ অন্তৰ্গত ‘ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত’ কবিতাটি কবিৰ আপোন দেশৰ বুকুৱেদি নিৰৱধি বৈ যোৱা বৰনৈৰ বৰ্ণনাত অসমীয়া জনজীৱনৰ বহুল প্ৰকাশে নিটোল ৰূপ লৈছে। কবি নিজে নৈপৰীয়া গাঁৱৰ পৰিবেশত ডাঙৰ-দীঘল হোৱা বাবেই হয়তো তেখেতৰ কবিতা অসমৰ পৰম্পৰাগত গ্ৰাম্যজীৱন পৰিক্ৰমাত সজীৱ আৰু সমৃদ্ধ। প্ৰকৃতিৰ প্ৰেক্ষাপটত বিপন্ন মানুহৰ সকৰুণ প্ৰতিচ্ছবি অনুপম নিৰুপম ৰূপত উপযুক্ত প্ৰতীক আৰু শক্তিশালী কল্পচিত্ৰৰ সমাহাৰত উজ্জ্বলি উঠিছে। দেখা যায় ‘ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত’ কবিতাটিত সুকৌশলী কবিয়ে ৰূপকৰ চলেৰে বক্তব্য বিষয় দাঙি ধৰিছে য’ত অনুৰণিত হৈছে এক মহাজীৱনৰ দ্যোতনা ঃ

'শূন্যতাৰ হাতৰ পৰা সৰি পৰিল
দিনৰ হিৰণময় হৃদয় পাত্ৰ
নিঃশব্দে সৰি পৰিল
আৰু বুৰ গ'ল
বুৰবুৰণিত বিৰিঙি উঠিল
পাত্ৰৰ ৰক্তিম আধেয়
মৰ্মন্তুদ তাৰ উজ্জ্বলতা।'

নৈৰ সৈতে ল'ৰালিৰ ধেমালী আৰু যৌৱনৰ আহ্বান গ্ৰহণ কৰা কবি ফুকনদেৱে জানে যে 'ব্ৰহ্মপুত্ৰ' অসমীয়া সমাজ-সভ্যতা-সংস্কৃতিৰ তেজৰ ধমনী, অসমীয়াৰ সম্ভাৱনী, আৰ্থ-সামাজিক জীৱনৰ প্ৰবহমান শক্তি। উক্ত কবিতাটিত ৰূপকৰ চলেৰে কোৱা কথাখিনিয়ে গভীৰ অৰ্থ বহন কৰিছে আৰু কবিতাটিৰ নামকৰণ অন্তৰ্নিহিত ভাৱৰাশি চিত্ৰসংযোগ, শব্দ সংযোজনাৰ অভিনৱ কলা-কৌশলে 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত'ক মননশীল আৰু ৰসাস্বাদনযুক্ত কৰি তুলিছে। অসমৰ জাতীয় জীৱন প্ৰবাহৰ এই ব্ৰহ্মপুত্ৰ লোক সাহিত্যত অনেকবোৰ নামেৰে সমৃদ্ধ। লুইত, ছিৰী লুইত, বৰ লুইত, বৰ নৈ, বহ্নিমান ব্ৰহ্মপুত্ৰ আদি অনেক নামৰ এই নদী। কবি ফুকনৰ আন এক কবিতাত লুইত (ব্ৰহ্মপুত্ৰ) শব্দৰ ব্যৱহাৰে লোকমনৰ স্বাক্ষৰ বহন কৰাৰ লগতে চিত্ৰ ভাস্কৰ্য শিল্পৰো মনোৰম প্ৰকাশ ঘটিছে ঃ

'দেওপৰ্বতৰ পৰা নামি আহে
হাত ভঙা বিষ্ণু মূৰ্তিবোৰ
উৰি আহে পদ্ম হস্তা
এখন বিদ্যাধৰি আকাশ

ফেনে ফুটকাৰে ভৰা
লুইতৰ ওপৰেদি।'

ফুকনদেৱৰ কবিতাত চিত্ৰ ভাস্কৰ্যশিল্পৰ উপৰি লোকগীত, বনগীত, বিহুগীত, দেহ বিচাৰ গীত আদিৰ উপাদান প্ৰচুৰ ৰূপত সংযুক্ত হোৱা দেখা যায়। অসমীয়া কবিতাত সেইখিনি সফল সংযোজন ঘটাই কবিগৰাকীয়ে বৈচিত্ৰ্যময় আৰু সৌন্দৰ্যময় কৰি তুলিছে। সাম্প্ৰতিক কালত জনপ্ৰিয় কাব্য সমালোচক মৃণাল কুমাৰ গগৈয়ে ফুকনৰ কবিতাৰ জাতীয় চেতনাক প্ৰধানকৈ তিনি ভাগত ভাগ কৰিছে, সেয়া হ'ল— (১) লোকগীত বিষয়ক, (২) স্থাপত্য-ভাস্কৰ্য বিষয় আৰু (৩) জনশ্ৰুতিমূলক ঘটনা বিষয়ক। স্বীকাৰ কৰিবই লাগিব যে ফুকনদেৱে সাম্প্ৰতিক কবিতাত লোকজীৱন লোককলাক উপযুক্ত শাব্দিক সুষমাৰে ভৰাই তুলি পাঠকৰ ৰুচিসম্পন্ন কৰি তোলাৰ লগতে কলাত্মক সাৰ্থক ৰূপো প্ৰদান কৰিছে ঃ

'আঙুলিবোৰ মেলি দিয়া
বতাহ বলক নবলক
বুকু ফুটক
..............................
..............................
আঙুলিবোৰ মেলি দিয়া
ফুল ফুলক নুফুলক
বুকু ফুটক।'

কবিৰ ওপৰৰ কবিতাংশত গম্ভীৰ আশাবাদ বিকশি উঠিছে। কবিৰ ধাৰণাত একোকে ফুটি মুঠিলেও অন্ততঃ বুকু যদি ফুটে তেন্তে তাতেই জীৱনটো উক্‌মুকাই উঠিব, মুঞ্জৰীত হ'ব, প্ৰাণ প্ৰাচুৰ্যৰে ভৰিব, সেয়ে নহয় বাসনাও পূৰ্ণ হ'ব। কবিতাটিত প্ৰকাশ পাইছে অসমীয়া মানুহৰ অৱচেতনত জাগ্ৰত হোৱা গম্ভীৰ গূঢ়তত্ত্ব। আধুনিক অসমীয়া কবিতাত অসমৰ মাটিৰ গোন্ধ, অসমৰ মাটিত লহপহ কৈ বাঢ়ি উঠা আমাৰ চিনাকি গছ-ফুল, গাত সনা মাহ-হালধি জেতুকা আদিৰ বৰ্ণনা কবি ফুকনৰ হাতত নিটোল ৰূপত অংকিত হৈছে। কবিৰ এইখিনিতে জাতীয় মানস চিত্ৰৰ বাখৰমণি সদৃশ উদাহৰণ কেইটিমান তুলি দিব পাৰি—

(১) 'মুঠি মুঠিকে কাটি-তোৰ ঢেঁকীয়াৰ আঙুলি
আজাৰৰ আন্ধাৰত তয়ে বেচ
বাই তোৰ কোন গাঁৱত ঘৰ
মৰেনে মানুহ তাত
ঢাপত ৰোৱণে আকন গছ
পুখুৰীত জীয়াৱনে মাছ
......................
......................
বাই তোৰ আখলৰ লাওত খোলাত
সাঁচ দিন।
উজাগৰে দুচকুৰে জ্বলাব
পদূলিৰ কাঞ্চন গছৰ আন্ধাৰ
বাই তোৰ কোন গাঁৱত ঘৰ
পিন্ধনে জেতুকা তই ফাটি যোৱা কলিজাত।'

(২) 'লঘোণীয়া বুঢ়ীজনীয়ে ক'লে
বোপাই আৰু নক'বি
পানী গুছি শিল হ'ল
অন্ন গুছি বিহ হ'ল।'

(৩) ‘তুমি হাত মেলিলে কলাপাতখন।
লৰে কি চৰে
চকু মেলিলেই বৰষুণ জাক
গাত আহি পৰে
বুকুৰ মাজতে মোৰ কিবা
গুটি এটা গজে
মানুহে খাই পাহৰি পেলোৱা
নোখোৱা এটা গুটি।

(৪) ‘টোপনিৰ মাজতে দুপৰীয়া নদী এখন পালো
নদীৰ কলকল বাট য’ত মই বান্ধিছিলো প্ৰাণ
গঙা চিলনী এটা দীঘে দীঘে
হিয়াখন দুফাল কৰি যোৱা।’ ইত্যাদি

প্ৰথম কবিতাংশত ঢেঁকীয়া বেচি জীৱন-নিৰ্বাহ কৰা অসমীয়া গ্ৰাম্য জীৱনৰ এটি দুখৰীয়া ছবি কবিয়ে প্ৰত্যক্ষ কৰিছে। কবিৰ অনুভৱত য’তে-ত’তে গজা ঢেঁকীয়া পাতৰ দৰেই মানুহৰ জীৱন। সঁচা কথা যে দিন-ৰাতিৰ সমস্ত জীৱনৰ ভেটিত গজি উঠে লহপহকৈ ঢেঁকীয়া। কোনো কোনোৰ বাবে সকলো হেৰুৱাই ঠেৰুছিগা জীৱনটো চলাই নিবলৈ ঢেঁকীয়া শাকেই যেন প্ৰধান সমল। কবিয়ে নিৰীক্ষণ কৰিছে গাঁৱৰ গৰীব জীৱনৰ জৰৌৰোৱা পঁজাৰ চালেদি আকাশ দেখা আৰু মাজৰাতিৰ বেৰৰ জলঙাৰে বানপানী সোমোৱা জুপুৰী ঘৰত বসবাস কৰা ঢেঁকীয়া বেচা ‘বাইটি’ৰ ঠেৰুছিগা জীৱনৰ দাৰুণ্যতাখিনি। ইয়াত অসমীয়া গাঁৱলীয়া জীৱনৰ পৰা সংগ্ৰহ কৰা চিত্ৰকল্পবোৰে কবিতাটিক ব্যঞ্জনাময় কৰাৰ লগতে জীৱনবোধৰ অমোঘ মন্ত্ৰও দান কৰিছে। আনহাতেদি ২ নং কবিতাংশত প্ৰতিভাত হৈছে জীৱনৰ কৰুণতম এখন ছবি, য’ত জীৱন নৈৰ জাঁজীত উটিবুৰি হাবুডুবু খাইও এটুপি পানী খাবলৈ নোপোৱা ট্ৰেজিক দিশটো বৰ মাৰ্মিকভাৱে উন্মোচিত হৈছে, লগতে কবিতাটিত প্ৰতিভাত হৈছে জীৱনৰ যথাসৰ্বস্ব হেৰুৱাই চৌদিশে আন্ধাৰ দেখা মুৰ্মুধু জীৱন আৰ্তি। ৩ নং কবিতাংশত কবিয়ে অংকন কৰিছে কুৰি শতিকাৰ অষ্টম দশকত বিধস্ত হোৱা অসমৰ সমাজ জীৱনৰ এখনি বাস্তৱ আৰু সংবেদনশীল ছবি। ক’বলৈ গ’লে ইয়েই আনি দিছে নীলমণি ফুকন কবিৰ কাব্য পৰিক্ৰমাৰ পূৰ্ণতা— যি পূৰ্ণতা উত্তৰণৰ। একেদৰে ৪ নং কবিতাংশতো অংকিত হৈছে জীৱনবোধৰ ৰৈখিক চিত্ৰ। তেজ-মঙহৰ মানুহ কামনা-বাসনাৰে পৰিচালিত, এই কামনা-বাসনাই মানুহক মৰুছায়াৰ পিছে পিছে দৌৰাই, জীৱনৰ এই বক্ৰগতিত মানুহে উজুটি খাই। চিৰদিন দূৰকপলীয়া আৰু দীঘে দীঘে হিয়াখন দুফাল কৰি যোৱা জীৱন নদীৰ মোহনাত গঙা চিলনীৰ উৰণৰ কথা কবিতাংশত বুদ্ধিদীপ্তভাৱে প্ৰকাশ পাইছে, য’ত যথোপযুক্ত চিত্ৰকল্প আৰু প্ৰতীকৰ সদ্ব্যৱহাৰ হৈছে। আগতেই উল্লেখ কৰা হৈছে যে, সাম্প্ৰতিক অসমীয়া কবিতাত ফুকনদেৱৰ হাততেই অধিকভাৱে জাতীয় চিত্ৰ, লোককথা-লোকমন-লোকগীতৰ স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটিছে। চহা জীৱনৰ বৰ্ণাঢ্যতা, লোককথা-লোকমনৰ মনোৰম চিত্ৰ কবি গৰাকীৰ প্ৰায় সত্তৰ শতাংশ কবিতাতেই মুঞ্জৰী উঠিছে বুলিব পাৰি, তাৰেই কেইটিমান অনুপম উদাহৰণ হ’ল—

(১) ‘কিন্ কিন্ হেঙুলিয়াৰ মাজত
হঠাৎ উধাও
মোৰ তই সৰু চৰাই।’ (কাঁইট গোলাপ আৰু কাঁইট)

(২) ‘এই যে প্ৰথম শুনিলো সেই মাত
ইমান নিজান
... ক’ৰৈ নাৱৰীয়া তই।’
(ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে)

(৩) ‘তুমি হাত মেলিলেই কলাপাতখন
লৰে কি চৰে
চকু মেলিলেই বৰষুণ জাক।
গাত আহি পৰে।’ (নৃত্যৰতা পৃথিৱী)

(৪) ‘মালিনী মালিনী
হেৰ তই দেওনে মনিচ
আঙুলিৰ পাবে পাবে তই
কি ফুল ফুলালি’
(অলপ আগতে আমি কি কথা পাতি আহিলো)

(৫) ‘নুৰুৱানে সেই বুলি
আকৌ সোন্দাকলৰ পুলি’ (নৃত্যৰতা পৃথিৱী)

(৬) ‘হেমন্তৰ পথাৰত লাহ লৈ তুমি মোৰ
কোন জনমৰ আই
মোৰ বুকুৰ কেঁচা হালধি বতা।’
(কাঁইট গোলাপ আৰু কাঁইট)

(৭) ‘দেখিবি একেটা অজাতি কাউৰী
তেজেৰে বোলোৱা ঠোঁট।’
(নৃত্যৰতা পৃথিৱী)

(৮) 'ফুলবাৰীলৈ যাম
ফুলবাৰীত তোৰ কোন আছে
টুনী চৰাইবোৰ আছে
কি কৰিবিগৈ তেনে তাত
পথাৰলৈ যাম
পথাৰলৈ গৈনো কি কৰিবি।'
(নৃত্যৰতা পৃথিৱী) ইত্যাদি।

ওপৰত তুলি ধৰা স্তৱক সন্দৰ্ভত কবিৰ লোকমনৰ স্বতস্ফূৰ্ত প্ৰকাশ ঘটিছে। কবিৰ প্ৰাণ গঙ্গাত বৈ আছে লোকজীৱনৰ এটি চিৰ প্ৰবহমান সোঁত। 'কিন্‌কিন হেঙুলিয়াৰ মাজত... মোৰ তই সৰু চৰাই' স্তৱকটিয়ে অতীত দিনৰ সাধুকথাৰ ভঁৰাল বেজবৰুৱাৰ চম্পাৱতী কবিতাটিলৈ মনত পেলাই দিছে। লোককথাৰ 'চম্পাৱতী' বহু চৰ্চিত কাহিনী, যিটো প্ৰতিজন অসমীয়া পাঠকৰে অতিকে চিনাকি আৰু মননশীল। সৰু চৰাইটোৰ লগত চম্পাৱতীৰ জীৱনত সংঘটিত হোৱা অকথনীয় ঘটনা সাঙোৰ খাই আছে। অসমীয়া লোকগীতত উজ্জ্বলি থকা 'হুৰ্‌হুৰ' বতা চৰাই/ মোৰ ধান নাখাবি/তোক দিম গোটা কৰাই।' শীৰ্ষক কথাটি কবি নীলমণি ফুকনে আধুনিক অসমীয়া কবিতালৈ টানি আনিছে। কেইবাটিও স্তৱকেৰে পৰিপূৰ্ণ কবিতাটিৰ পৰিৱৰ্তনশীল সময়ৰ সঁচা ছবি অংকন কৰিছে। মৌচুমীয়ে পৰশা কৃষিৰ পথাৰত ডগ্‌দগ্ আশাগ্ৰ কৃষকে ধান ৰোৱে, ক্ৰমাৎ সেউজঘন হৈ ধান গছবোৰ আঘোণত সোণগুটি হৈ আধাপকা হ'বলৈ ধৰে, কিন্তু জাউৰীয়ে জাউৰীয়ে বতা চৰাই আহি ধানবোৰ খায় কৃষকৰ সপোন চুচুৰ্মৈ কৰি দিয়ে। সময়মতে ধানো নপকে। ধান পকা নপকাৰ লগত যেন বতা চৰাইৰ কিবা এক সম্পৰ্ক আছে। কবিয়ে গভীৰভাৱে আশা কৰিছে যে বতা চৰাইৰ কোবাল ডেউকাৰে ক্ষয়িষ্ণু সমাজৰ সৰ্বনাশী জুই নুমুৱাই দিয়কহি আৰু যেন ক্ৰমাৎ অৱক্ষয়ৰ কৰাল গ্ৰাসলৈ গতি কৰা সমাজখন উদ্ধাৰৰ পথ উদ্ভাৱন কৰিবলৈকো বতা চৰাইক আহ্বান জনাইছেঃ 'তইহে জানিলিহেঁতেন/এতিয়ানো কি ঋতু/মোৰ তই সৰু চৰাই/ সাত সমুদ্ৰত শংখ বাজিছেনে নাই।' ঠিক একেদৰে ফুকন কবিয়ে বেজবৰুৱাদেৰৰ 'তেজীমলা' সাধুৰ পটভূমিকাত সৃষ্টি কৰিছে অন্য এক অনুপম কবিতা 'এই যেন প্ৰথম শুনিলো সেই মাত', তেজীমলা সাউদৰ জীয়ৰী তেজ- মঙহৰে গঠিত এগৰাকী অবিবাহিতা নাৰী। মাহী আইৰ হাতত নিষ্ঠুৰ নিৰ্মম অমানৱীয়ভাৱে জীৱন ত্যাগ কৰি লাও হৈ, জৰা হৈ, পদুম হৈ, অশৰীৰি ৰূপত থাকি যোৱা তেজীমলা এটি সৰ্বকালৰ অমৰ নাম। তেজীমলা যেন আজিও আছে গাঁৱে-ভূঞে, নগৰে-চহৰে, সৰ্বত্ৰতে গীত হৈ, কথা হৈ ছবি হৈ কবিতা হৈ তেজীমলা সৰ্বকাল ছাঁয়া হৈ আমাৰ সমাজতে আছে। কুটুমৰ তেজেৰে মজিয়া ৰাঙলি কৰি আটাহ পৰা শিলাময় হৃদয়ৰ মানুহৰ অমানৱীয়তাৰ কবলত নিৰপৰাধী বহু তেজীমলাৰ কৰুণ আৰ্তি বাস্তৱত আজিও নিনাদিত হয়। নিপীড়িত, অৱহেলিত, শোষিত নিঃস্ব জীৱনৰ কৰুণ প্ৰতিচ্ছবি অংকন কৰিবলৈকে কবিয়ে আশ্ৰয় ল'লে অসমীয়া লোককথাৰ। 'হাতো নেমেলিবি/ফুলো নিচিঙিবি/তেজীমলাহে মই।'— এই চিৰপৰিচিত গীতিকথাতে 'এই যেন প্ৰথম শুনিলো/ ইমান নিজান / ক'ৰে নাৱৰীয়া তই/খৰ হ'ল মন মোৰ /বন জুয়ে আধা পোৰা/থেৰেজু পাতত/ ভটিয়াই গ'লগৈ চ'ৰা নাওখনি। ভটিয়াই গ'ল বেলি/তোমাৰ হেৰোৱা দুখত।' এই যেন প্ৰথম শুনিলো সেই মাত/ ইমান নিজান/নিজৰে মাতত।' ঠিক সেইদৰে ওপৰত তুলি দিয়া বাকী কবিতাংশতো অসমীয়া কবি ফুকনদেৱে স্বদেশ-স্বজাতিৰ জীৱন ধাৰাক মনোমুগ্ধকৰভাৱে চিত্ৰায়িত কৰিছে। সেই সমূহত অসমীয়া জনজীৱনৰ প্ৰতিচ্ছবি পৰ্যাপ্তভাৱে ভৰাই তোলাৰ উপৰি অসমীয়া আধুনিক কবিতাক ৰূপময়, বৈচিত্ৰ্যময় আৰু সৌন্দৰ্যশালী কৰি তোলাত সাৰ্থকতা লাভ কৰিছে। 'অলপ আগতে আমি কি কথা পাতি আছিলো' নামৰ কাব্য পুথিখনিতো অসমীয়া জনজীৱনৰ চিত্ৰ প্ৰচুৰভাৱে ৰূপায়িত কৰিছে, য'ত অসমীয়া কাব্য পাঠকে সহজে বিচাৰি ল'ব পাৰে আমাৰ জাউতিযুগীয়া চিনাকি আপোন লোকগীত লোককথাৰ আঁত—

'সন্ধ্যাৰ তেজে তুমুৰলি সেই গৰখীয়া
ল'ৰাটো মৱেই
হাবিতলীয়া বাটেৰে
জিলি এটা হাতৰ মুঠিত লৈ
নিতৌ গধূলি ঘৰলৈ ওভতো
........................
........................
অ' কেতেকী
মই কেতেকী
চিঞৰি ফুৰোঁ
...................
...................
ক'লা জামু খাই জিভা ক'লা কৰোঁ।
আইতাৰ মাত বুলি
দেউতিহঁতৰ এৰাবাৰীত
ফুটুকা ছিঙো
................
.....................

মই দেও ল'ৰা
মূৰত কোঁটকোৰা কাঁইটৰ মুকুট।
কেতিয়াবাই ক'ৰবাত হেৰুৱালো
নিজানত নিজকে এতিয়া
ৰিঙিয়াই মাতো।'

ওপৰৰ কবিতাংশত কবিৰ অতীত প্ৰীতি মনোৰমকৈ ফুটি উঠিছে। বসন্তৰ বন বননিত বন কুঁৱৰী হৈ কেতেকী চৰাইটোৱে মই কেতেকী মই কেতেকী মৌ বৰষা কণ্ঠেৰে দিন-ৰাতি আমাৰ মনৰ মাজুলীত ৰোমাঞ্চ সৃষ্টি কৰি অনুভৱত একাকাৰ হয়। কবি ফুকনৰ হাতত কেতেকী যেন সুখ-দুখৰ লগৰীয়া। সেয়াই যথেষ্ট নহয় গৰখীয়াৰ বাঁহীটো, ম'হৰ শিঙৰ পেঁপাটো, ফুটুকানিত ফুটুকা খাই অপাৰ আনন্দ লাভ কৰা গৰখীয়া ল'ৰাটো কবিৰ কবিতাত বাখৰ মণি হৈ উজলি উঠিছে, যিয়েই অসমীয়া জাতীয় জীৱনৰ লগত নিৰৱচ্ছিন্নভাৱে অনুৰণিত হৈ আছে অমিয়া সুৰ হৈ। আনহাতেদি ব্যক্তিসত্তাৰ সৃষ্টিশীল হেঁপাহ জাতীয় সত্তাত সুমধুৰ সুৰধ্বনি হৈ বাজি আছে কোনো কাহানিয়েই স্বভাৱ শিল্পীৰ মুখত বাগৰি বাগৰি যোৱা লোকগীত লোককথা লোকমাত হৈ, আৰু গৰখীয়াৰ বাঁহীটো অসমীয়াৰ মানসত কৃষ্ণৰ বাঁহী হৈ সকলোকে মনোমুগ্ধ কৰি তোলে, সিয়েই হৈ পৰে ভাৰতীয় জীৱন ধাৰাত কৃষ্টি-সংস্কৃতিৰ বিমল আনন্দ আৰু আধ্যাত্ম চেতনাৰ প্ৰতীক। কাব্য সমালোচক অনুভৱ তুলসীয়ে তাকেই যেন ক'লো ঃ 'গৰখীয়া বাঁহীটো কৃষ্ণ গোঁসাইৰ বাঁহী হৈ পৰে, ৰাষ্ট্ৰীয় কৃষ্টি-সংস্কৃতি সত্তাৰ প্ৰতীক হৈ পৰে, সেই বাঁহীত যি সুৰ বাজে সেই সুৰ সনাতন, সেই সুখে অতীত বৰ্তমান আৰু ভৱিষ্যতৰ গণ্ডী সহজেই অতিক্ৰম কৰে।'

অসমীয়া লোক সাহিত্যৰ বিশেষ অঙ্গ নিচুকনী গীতৰ সৰ্বকালৰ এক আবেদন আছে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন ফুকন কবিয়ে নিজৰ কবিতাৰ মাজলৈ নিচুকণী গীতৰ যথাযোগ্য টুকুৰাবোৰ টানি আনি বিষয়বস্তু অধিক মননশীল কৰি তোলাত গুৰুত্ব আৰোপ কৰিছে—

১) 'ফুলবাৰীলৈ যাম
ফুলবাৰীত তোৰ কোন আছে
টুনী চৰাইবোৰ আছে।'

২) 'চোতালত জলজলীয়া জোনাকত
দেখিবি একেটা অজাতি কাউৰী
তেজেৰে বোলোৱা ঠোঁট।'

৩) 'চকুৰে চকুৰে জ্বলাই সোণৰ মণিটি
গৈ থাকে গৈ থাকে গুণগুণাই
গাছ পাকা ফল মিষ্ট হয় মিষ্ট হয়।'

অসমীয়া আধুনিক কবিতাত নিচুকণী গীতৰ যথাযোগ্য প্ৰয়োগ ৰীতিৰে নীলমণি ফুকনে এক নতুন মাত্ৰা প্ৰদান কৰিলে বুলি ক'লে ভুল কোৱা নহ'ব। কবিয়ে সকলো ধৰণৰ মৃত্যুক অতিক্ৰম কৰি জীৱনৰ ফুলবাৰীলৈ যোৱাৰ কথাত 'জোনবাই এ বেজী এটি দিয়া' শীৰ্ষক জনপ্ৰিয় নিচুকনী গীতৰ পটভূমিতেই 'ফুল বাৰীলৈ যাম/ফুলবাৰীত তোৰ কোন আছে/ টুনী চৰাইবোৰ আছে।' কবিতাটি সৃষ্টি কৰিছে। ইয়াত 'ফুলবাৰীলৈ যাম' অৰ্থাৎ ফুলবাৰী মানে জীৱনৰেই পৰিপূৰ্ণতাক বুজাইছে। 'ফুলবাৰী' কবিৰ শিল্পীত ৰূপ, এটি অনুপম নিৰূপম প্ৰতীক আৰু লগতে গভীৰ দাৰ্শনিক তত্ত্বও প্ৰকাশিত হৈছে। আনহাতেদি 'অজাতি কাউৰীৰ তেজেৰে বোলোৱা ঠোঁট' ব্যাকাংশই বহন কৰিছে এক অশুভ শক্তিক, য'ত প্ৰকাশ পাইছে জীৱনৰ এখনি ট্ৰেজিক ছবিৰ কথাখিনি সুষম ৰূপত প্ৰকাশ কৰিবলৈ কবিয়ে প্ৰয়োগ কৰিছে সুপ্ৰতুল প্ৰতীক, যাৰ মাজেদি জীৱনৰ ৰক্তক্ষয়ী মুহূৰ্তৰ অন্তৰ্নিহিত ভাৱৰাশি অৰ্থপূৰ্ণভাৱে প্ৰকাশ পাইছে।

কবি ফুকনৰ দৃষ্টিভঙ্গী, তথ্যানুসন্ধানী আৰু প্ৰজ্ঞাপূৰ্ণ মনটোৱে ব্ৰহ্মাণ্ডখন, পৃথিৱীখন, বিভিন্ন দেশ, নিজৰ দেশ, ওপজা মাটি অসমৰ বিবিধ সমল সংগ্ৰহত ব্যগ্ৰ হৈ পৰিছে। কবি ৰবীন্দ্ৰ বৰাই তেখেতৰ কবিতাৰ বিষয়বস্তু সম্পৰ্কে মত প্ৰকাশ কৰিছে যে 'চিত্ৰকলা, ইতিহাস, দৰ্শন, সংগীত, পুৰাতত্ত্ব, নৃতত্ত্ব, জনসংস্কৃতি, চলচ্চিত্ৰ আদি বিষয়ত অনুসন্ধান আৰু অনুৰাগে তেওঁৰ কবিতাক দিছে গভীৰতা আৰু বিস্তৃতি।' মন কৰিবলগীয়া যে, দেশ-বিদেশৰ খ্যাত-অখ্যাত অনেক চিত্ৰ ভাস্কৰ্যই কবি ফুকনৰ অন্তদৃষ্টিক অধিক প্ৰখৰ কৰি তুলিছে। তেখেতৰ স্থাপত্য- ভাস্কৰ্যৰ প্ৰতি থকা গভীৰ অন্তদৃষ্টি আৰু আন্তৰিকতাই নিজৰ কবিতাসমূহত ঐতিহ্যবোধৰ উপাদানসমূহৰ সমাহাৰ ঘটিছে। মদন কামদেৱৰ শিৱ-পাৰ্বতী, দেও পৰ্বতৰ বিষ্ণুমূৰ্তি, পদ্মহস্তা বিদ্যাধৰী, ফুলকোঁৱৰৰ ঘোঁৰা, চাৰিহাটীৰ নামসিংহ কমলা কুঁৱৰী, কৃষ্ণ, যমুনা, অমৃতপুত্ৰ, ভূতনাথৰ অন্ধকালী, বিফুল নাভীকমল, যশোধৰা, নন্দলালৰ চিত্ৰশালা, ইলোৰাৰ ইন্দ্ৰসভা, দ- পৰ্বতীয়া হীৰাবাই ৰাদেকাৰৰ সংগীত, সপ্তমাতৃ-সপ্তমানুহ আদি অনেক চিত্ৰভাস্কৰ্য-কলা কবি ফুকনদেৱৰ কবিতাত জুমুৰী পাতিছেহি। 'নৃত্যৰতা পৃথিৱী' আৰু 'অলপ আগতে আমি কি কথা পাতি আছিলো' নামৰ কাব্যপুথি দুখনিত প্ৰতীক কল্পচিত্ৰৰ মাধ্যমত ভাস্কৰ্য চিত্ৰৰ প্ৰয়োগ বুদ্ধিদীপ্ত কৰি ফুকনে কৌশলপূৰ্ণভাৱে ৰূপ দিছে —

১) 'দেওপৰ্বতৰ পৰা নামি অহা
হাত ভঙা বিষ্ণু মূৰ্তিবোৰ।'

(২) 'দ' পৰ্বতীয়াৰ সেই ছোৱালী দুজনী
হাতৰ মুদ্ৰা আৱাহনী।'

(৩) 'পৃথিৱীখন আকৌ ঘাঁহে
ছাটি ধৰে
নৰকাসুৰ পাহাৰত থকা
নিসঙ্গ টাৱাৰটোত।'

(৪) '... হৈ ৰ'বি তই শিলৰ দাক্ষায়িনী।
বিশাল চিলা পথাৰত,
দেও-ডৰিকণাৰ খলকনি। ইত্যাদি।

কবিৰ আটাইকেইখনি কাব্যগ্ৰন্থৰ পাতে পাতে মনোৰমকৈ প্ৰকাশ পাইছে লোকগীত-লোককলা-লোককথাৰ সুপ্ৰতুল উপকৰণ, সেই সমূহৰ মাজৰ পৰা দুটিমান উদাহৰণ দাঙি ধৰা হ'ল—

(১) 'আবেলিটো যোৱাৰ বাটেৰে
ঘূৰি আহিব মোৰ আই তেজা।'

(২) 'সাতখলপীয়া জীৱনৰ
সিংহাসনৰ আমহী ঘৰ।'

(৩) 'বিষ্ণুৰ নাভীকমলত জন্ম হৈছিল।'

(৪) নৈত পানী বাঢ়িলে/ কপৌফুল এবাৰ ফুলিলে।

(৫) 'বিষয় বিষধৰ বিষে জৰাজৰ।'

(৬) ম'হৰ শিঙৰ পেঁপাটিত নিশাটি বজোৱা মানুহজন।'

(৭) কলৈ গ'ল গৰখীয়া ল'ৰাহঁত/বকুল সৰা ৰাতিপুৱা এটা।

(৮) 'বাই তোৰ কোন গাঁৱত ঘৰ
পিন্ধনে জেতুকা তই ফাটি যোৱা কলিজাত।'

(৯) 'মেঘে গাজে / কপৌ ফুল ফুলে/
ডিমক ডালিমেৰে / কনাই বান্ধে।'

(১০) 'আই তই ৰহঢলা পথাৰত
উলঙ্গ হৈ নাচিবি/নাচিবি পৃথিৱীৰ নৃত্য।'

(১১) 'মূৰফুলনিৰ এটা শিলঘৰীয়া মাছ
... এটা জীৱন্ধৰী মণি।'

(১২) 'অ' কেতেকী/মই কেতেকী বুলি/চিয়ঁৰি ফুৰো।'

(১৩) 'মৰা মানুহৰ চকুবোৰৰ দৰে
জেটুলি পকা কাঁইটৰ দৰে
ইত্যাদি ইত্যাদি

নীলমণি ফুকনৰ কবিতাৰ ভালেখিনি উপাদান নিভাঁজ অসমীয়া গ্ৰামীণ জীৱন আৰু সমাজ-সংস্কৃতিৰ অঙ্গ। অতীত, ঐতিহ্য আৰু লোককলা-লোককৃষ্টি-সংস্কৃতিয়েই কবি গৰাকীৰ আশ্ৰয়, কাব্যিক অনুভূতি প্ৰকাশৰ অন্যতম মাধ্যম, তাতেই তেখেতে কবি জীৱনৰ পৰিপূৰ্ণতা আৰু সফলতাৰ তেজস্বী খোজবোৰ প্ৰোথিত কৰিছে। এটা কথা স্বীকাৰ্য যে, ফুকনদেৱৰ সমকালীন অন্যান্য অসমীয়া কবিৰ হাতত অসমীয়া জাতীয় জীৱন আৰু লোকগীত-লোককথা অথবা অসমীয়া কৃষ্টি- সংস্কৃতিৰ উপাদানবোৰ বহুল ৰূপত প্ৰকাশ ঘটা নাই, কিন্তু কেৱল নীলমণি ফুকনেই লোককলা- লোকসংস্কৃতিৰ অপৰ্যাপ্ত কবিতাৰ মাজত যথাযোগ্য আৰু সুন্দৰোপমভাৱে প্ৰয়োগ ঘটোৱা একমাত্ৰ বিশিষ্ট কবি শিল্পী। প্ৰয়াত কবি নীলমণি ফুকন আন্তৰ্জাতিক খ্যাতিসম্পন্ন মহান কবি- যিজনৰ মাজত নিহিত হৈ আছে বহুতো গুণ, অসমীয়া সন্তান হিচাপে বিৰল প্ৰতিভাৰ অধিকাৰী সৃজনীশীল, সমৃদ্ধিশালী, সৌন্দৰ্যশালী লোকপৰম্পৰা অনুৰাগী আৰু নিৰন্ন বিপন্ন মানুহৰ যন্ত্ৰণাময় অভিজ্ঞতাৰে বাস্তৱ নিটোল ছবি আঁকোতা অসমীয়া কাব্যবাণীত অপ্ৰতিদ্বন্দ্বী হৈ ৰ'ব। ⌘

<u>**সহায়ক গ্ৰন্থপঞ্জী ঃ**</u>

১। অসমীয়া কবিতা ৰূপান্তৰ পৰ্ব ঃ ভবেন বৰুৱা
২। আধুনিকতাবাদ আৰু অন্যান্য প্ৰবন্ধ ঃ হৰেকৃষ্ণ ডেকা
৩। অসমীয়া কবিতাৰ আলোচনা ঃ প্ৰবোধ চন্দ্ৰ গোস্বামী
৪। সাহিত্যৰ সত্য ঃ ড° হীৰেণ গোঁহাই
৫। আধুনিক অসমীয়া কবিতাৰ গতি বৈচিত্ৰ্য ঃ ড° প্ৰহ্লাদ কুমাৰ বৰুৱা
৬। সাগৰ তলিৰ শংখ ঃ সম্পাদনা ড° হীৰেণ গোঁহাই
৭। সূত্ৰধাৰ ঃ ১৯৯০ ডিচেম্বৰ সংখ্যা
৮। সাতসৰী ঃ অক্টোবৰ সংখ্যা ২০০৯, গৰীয়সী ইত্যাদি

*সুৰেন্দ্ৰমোহন হাজৰিকা ঃ এগৰাকী বিশিষ্ট সাহিত্যিক আৰু শিক্ষাবিদ।*



# উত্তৰ পূৱ ভাৰতৰ জনজাতি ঃ
# তিৱা, গাৰো আৰু ৰাভাসকলৰ
# উৎসৰ পৰম্পৰা সম্পৰ্কে এক চমু আলোকপাত

○ মণিপ্ৰভা বৰা,

প্ৰাক্তন অধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ অঞ্চল বুলি ক'লে অসম, অৰুণাচল, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নগালেণ্ড, চিকিমকে ধৰি এই আঠখন ৰাজ্যৰ সম্পদ সমৃদ্ধ ভৌগোলিক পৰিবেশৰ ছবি এখন যেনেকৈ মনলৈ আহে তেনেকৈ মনলৈ আহে এই বিশাল ভূমিভাগত বসবাস কৰা হাজাৰ-বিজাৰ জাতি জনগোষ্ঠীৰ বৰ্ণময় সমাজ আৰু সাংস্কৃতিক পৰম্পৰাৰ এক ঐশ্বৰ্যময় চিত্ৰ। বহুতো দেশী-বিদেশী নৃতত্ত্ববিদ, সমাজতত্ত্ববিদে এই অঞ্চলটোত বসবাস কৰা নৃগোষ্ঠীয় ভিন্ন প্ৰসঙ্গত অধ্যয়নৰ অজস্ৰ সমল আছে বুলি স্বীকাৰ কৰি গৈছে। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই এই অঞ্চলটোক নৃ-গোষ্ঠীয় যাদুঘৰ বুলি অভিহিত কৰিছে। ম্যানমাৰ, চীন, ভুটান, নেপাল, বাংলাদেশ আদি কেইবাখনো বিদেশী ৰাষ্ট্ৰৰে পৰিবেষ্টিত এই অঞ্চলটো ভাৰতবৰ্ষৰ মূল ভূ-ভাগৰ পৰা ভৌগোলিকভাৱে প্ৰায় বিচ্ছিন্ন। বিভিন্ন প্ৰকাৰ প্ৰাকৃতিক সম্পদ সমৃদ্ধ এই অঞ্চলটোৰ মুঠ ভৌগোলিক আয়তন ২৬২১৭৪ বৰ্গ কিল'মিটাৰ। অসমৰ বাহিৰে আটাইকেইখন ৰাজ্যত ভৈয়ামতকৈ পাহাৰীয়া অঞ্চলৰ পৰিমাণেই বেছি। এই অঞ্চলটোৰ প্ৰায় ২০০০ কিঃ মিঃ আন্তৰাষ্ট্ৰীয় সীমাই স্পৰ্শ কৰি আছে। ভাৰতবৰ্ষৰ মূল ভূ-খণ্ডৰ লগত চিতাগং অঞ্চলত মাত্ৰ ৫৬ কিঃ মিঃ মাটিকালিয়ে এই উত্তৰ পূৰ অঞ্চলটোক সংযোজিত কৰিছে। বৰ্তমানৰ যিটো অঞ্চলক আমি ভাৰতবৰ্ষৰ উত্তৰ পূৰ অঞ্চল বুলি অভিহিত কৰিছো এই অঞ্চলটোক পূৰ্বতে কামৰূপ বা প্ৰাগজ্যোতিষপুৰ বুলি জনা গৈছিল আৰু সেই সময়ত এই অঞ্চলটোক — কামপীঠ,

ৰত্নপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ নামেৰে চাৰিটা ভাগত ভাগ কৰা হৈছিল। কৰতোৱা আৰু স্বৰ্ণকোষ নৈৰ মাজত ৰত্নপীঠ, স্বৰ্ণকোষ আৰু কপিলী নৈৰ মাজত কামপীঠ, পুষ্পিকা আৰু ভৈৰৱী নৈৰ মাজত স্বৰ্ণপীঠ আৰু ভৈৰৱী আৰু দিক্রং নৈৰ মাজত সৌমাৰপীঠ।

পৃথিৱীৰ মানৱ সভ্যতাৰ ইতিহাস মানেই প্ৰব্ৰজনৰ ইতিহাস। বিভিন্ন কাৰণৰ পৰিপ্ৰেক্ষিতত পৃথিৱীৰ এটা প্ৰান্তৰৰ মানুহৰ যুগে যুগে অন্য এটা প্ৰান্তৰলৈ প্ৰব্ৰজন কৰি অহাটো কাৰো অজানা নহয়। অৱশ্যে কোনো একোটা অঞ্চলত অৱশেষত একোটা জনগোষ্ঠীয়ে নিগাজীকৈ বাস কৰিবলৈ লয়। পৃথিৱীৰ মানৱ প্ৰজাতি সম্পৰ্কে বহু জন নৃতত্ত্ববিদে অধ্যয়ন কৰি তেওঁলোকৰ অধ্যয়নপ্ৰাপ্ত প্ৰজাতীয় মূলৰ ভাগ বিভাজন সমূহ আগবঢ়োৱা দেখা গৈছে। বৃটিছৰ আমোলত ভাৰতবৰ্ষত প্ৰথমে জনগোষ্ঠীসমূহৰ প্ৰসঙ্গত নৃ-তাত্ত্বিক অধ্যয়ন আৰম্ভ কৰা হৈছিল। বিদেশী নৃ-তত্ত্ববিদসকলৰ ভিতৰত ডেল্টন, স্মিথ, এইচ, ছি হেডন, চাৰ হাৰ্বাট ৰিজ্‌লি আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। অন্যহাতেদি ভাৰতীয় নৃ-তত্ত্ববিদ সকলৰ বিৰজা শংকৰ গুহ, শশাঙ্ক শেখৰ চৰকাৰ, সুনীতি কুমাৰ চেতাৰ্জী, এন. কে. দত্ত (সমাজতত্ত্ববিদ), জি. এচ. ঘুৰী, এচ. চি ডুবে, ডি. এন মজুমদাৰ, এচ. চি. ৰয়, এম. এন. শ্ৰীনিবাস, ইৰাৱতী কাৰ্বে আদিৰ নামো বিশেষভাৱে উল্লেখযোগ্য। Anthropological Survey of India ৰ সঞ্চালক ড° বিৰজা শংকৰ গুহই পৃথিৱীৰ মানৱ গোষ্ঠীক মুঠ ৬টা ভাগত ভাগ কৰিছে। সেই ভাগ কেইটা হ'ল—

(১) নেগ্ৰিটো (The Negrito)
(২) প্ৰটো-অষ্ট্ৰলয়দ (Proto-Austroloid)
(৩) মঙ্গোলয়দ (The Mongoloid)
(৪) ভূ-মধ্য সাগৰীয় (The Mediterranean / The Dravidi)
(৫) পশ্চিমীয়া প্ৰশস্ত মস্তকী (The Western Brachycephals)
(৬) নৰ্ডিক /আৰ্য /ককেচয়দ (The Nordic / Aryan / The Caucasoid)

অন্যহাতেদি Sir Herbert Risley এ তেওঁৰ অধ্যয়নত পৃথিৱীৰ মানৱ প্ৰজাতিক প্ৰদানকৈ সাতটা ভাগত ভাগ কৰিছে। সেই সাতটা ভাগ বিভাজন তলত উল্লেখ কৰা ধৰণৰ —

(১) মঙ্গোলয়দ (The Mangoloid)
(২) ইন্দো-এৰিয়ান (The Indo-Aryan)
(৩) দ্ৰাবিড়ীয়ান (The Dravidian)
(৪) মঙ্গোলীয় দ্ৰাবিড়ীয়ান (The Mongolo-Dravidian)
(৫) স্কাই থ' দ্ৰাবিড়ী (The scytho- Dravidian)
(৬) আৰ্য-দ্ৰাবিড়ীয়ান (The Arya- Dravidian)
(৭) তুৰ্কী ইৰাণীয় (The Turko-Iranina)

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ এটা বিখ্যাত কবিতাত কৈছিল —

*"কেহ নাহি জানে কার আহ্বানে কত মানুষের হারা,*
*হেথায় আৰ্য, হেথায় অনাৰ্য, হেথায় দ্ৰাবিড়, চীন,*
*হক-হুণ-দল, পঠান-মোগল, এক দেহে হ'ল' লীন।*
*পশ্চিম আজি খুলিয়াছে দ্বার, সেথা হতে সবে আনে উপহার*
*দিবে আর নিবে, মিলাবে মিলিবে, যাবে না ফিরে*
*এই ভারতের মহা মানবের সাগর তীরে।"*

— প্ৰকৃততে কোনেও নাজানে কিহৰ আহ্বানত, কিহৰ তাড়ণাত বা কিহৰ আশাত যুগ-যুগান্তৰ ধৰি হাজাৰ-বিজাৰ মানুহ আহি এই ভাৰতভূমিত মহামানৰৰ সমুদ্ৰত একো একোটা মহাজনস্ৰোত লীন হৈ গ'ল। নৃতত্ত্ববিদসকলে দেখুওৱা প্ৰতিটো মানৱ প্ৰজাতিয়েই ভাৰতবৰ্ষত আজি বসবাস কৰি আহিছে।

সুনীতি কুমাৰ চেতাৰ্জীৰ "কিৰাট জনকীৰ্তি ঃ ইন্দো-মঙ্গোলীয় জনগোষ্ঠীসমূহ, ভাৰতীয় ইতিহাস, ভাষা আৰু সংস্কৃতিলৈ সেইসকলৰ অৱদান" নামৰ গ্ৰন্থত কৈছে যে কিৰাট বা প্ৰাচীন মঙ্গোলীয় লোকসকল অসমৰ মাজেদিয়েই ভাৰতৰ অন্যস্থানলৈ প্ৰব্ৰজন কৰিছিল। খ্ৰীষ্ট জন্মৰ প্ৰায় এহেজাৰ বছৰৰ আগতে পশ্চিমেদি ভাৰতত প্ৰৱেশ কৰা আৰ্যসকল মঙ্গোলয়দ লোকসকলৰ সমসাময়িক আছিল। যৰ্জুবেদ, অথৰ্ববেদৰ লগতে ৰামায়ণ, মহাভাৰত, বিষ্ণু পুৰাণ, কালিকা পুৰাণ, যোগিনীতন্ত্ৰ আদিত উল্লেখ থকালৈ চাই এই ম্লেচ বা কিৰাটসকল উত্তৰ-পূৰৰ প্ৰাচীন অধিবাসী বুলি ঠাৱৰ কৰিব পাৰি। মংগোলয়ড প্ৰজাতীয় মূলৰ — তিব্বত-মঙ্গোলীয় বা ইন্দো-মঙ্গোলীয় শাখাৰ বড়ো জনগোষ্ঠীৰ লোকসকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ আদিম অধিবাসী। সুনীতি কুমাৰ চেতাৰ্জীৰ মতে প্ৰাগ-ঐতিহাসিক কালতে মংগোলয়ড ঠালৰ মানুহখিনিয়ে তেওঁলোকৰ পূৰ্বভূমি দক্ষিণ-পশ্চিম চীনৰ পৰা দক্ষিণ-পূৱ এচিয়াত বিয়পি পৰে। সম্প্ৰতি উত্তৰ পূৰ্বাঞ্চলত বসতি কৰা জনগোষ্ঠীসমূহ —

অসমৰ - আহোম, চুতীয়া, কোচ, কলিতা, বড়ো, মৰাণ, মটক, তিৱা, ৰাভা, কাৰ্বি, মিচিং, দেউৰী, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, হাজং, মেচ, মাৰ, হালাম, ডিমাচা, চিংফৌ, নিছি।

অৰুণাচলৰ - আদি, আপাটানি, চিংফৌ, মন্‌পা, নিছি,

মিছিমি, টাংচা, নক্‌টে, বাংচু, গালং, টাগিন, চেৰডুকপেন, খামটি, পাদাম, আঁকা বা হঞ্জু।

নগালেণ্ডৰ - আও, আঙ্গামী, চেমা, ল'ঠা, কন্যাক, চাকেচাং, চাংতাম, ফোম, চাং, খেইমুংগ্ৰাম, ৰেংমা, জেলিফাং, চিৰ', কুকি, মকবেৰ, পচুই, চিৰ, মাও, মাৰাম, টাংখুল, টাৰাও, টিখিৰ, জেমিনগা।

মণিপুৰৰ - মেইটে, ত্ৰিপুৰী, টাংখুল, মাৰাম, কুকি, জেমি আদি লোকসকলে বাস কৰা দেখা যায়। অন্যহাতেদি মিজোৰামত মিজো আৰু ত্ৰিপুৰাত ত্ৰিপুৰী, বৰ্মন সকলেই প্ৰধান। তথাপি ৰাল্‌টে, লুচাই, মাৰ, চাকুমা, পাইটে, লাখেৰ, মান, পাৱৈ, কুকি, জয়ন্তীয়া আদিৰ উমৈহতীয়া বাসস্থান। মেঘালয়ত বসবাস কৰা প্ৰধান জনগোষ্ঠীবোৰ হ'ল - খাচী, গাৰো, জয়ন্তীয়া, চিকিমৰ মুখ্য জনগোষ্ঠীসমূহ হ'ল - চিকিমি, লেপচা, ভূটীয়া আৰু নেপালী। "পশ্চিম আৰু খুলিয়াছে দ্বাৰ / সেথা হতে সবে আনে উপহাৰ।" বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা হাজাৰ-বিজাৰ জাতি-জনগোষ্ঠীয়ে লৈ অহা উপহাৰৰ কথা বাস্তৱিকতে কোনো বৈষয়িক সা-সম্পদৰ কথা কোৱা নাই। ভিন্ন প্ৰজাতীয় মূলৰ মানৱসমূহে তেওঁলোকৰ লগত বহন কৰি অনা কৃষ্টি-সংস্কৃতি, ভাৱ-ভাষা, সামাজিক ৰীতি-নীতি, পৰম্পৰা, উৎসৱ-পাৰ্বন, লোক-সাধু, লোক-কথা, সাজ-পোছাক, ধৰ্মীয় ক্ৰিয়া-কৰ্মৰ কথাহে উল্লেখ কৰিছে। যি সমূহ প্ৰব্ৰজিত জনগোষ্ঠী, সেইসকল আৰু পূৰ্বৰ পৰাই বসবাস কৰি অহা জনগোষ্ঠীৰ স'তে যুগ যুগ ধৰি একেলগে বসবাস কৰাৰ ফলত প্ৰতিটো জাতি জনগোষ্ঠীৰ ভাষা-কৃষ্টি আৰু সামাজিক পৰম্পৰাৰ আদান-প্ৰদান ঘটিল। উত্তৰ-পূৰ ভাৰতত বসবাস কৰা প্ৰায়বিলাক জনজাতিৰে উৎসৱ-পাৰ্বন, খোৱা-বোৱা, বিয়া-বাৰু পৰম্পৰাত কিছু সমিলমিল দেখিবলৈ পোৱা যায়। এই লেখাত তিৱা, ৰাভা আৰু গাৰো জনজাতিৰ উৎসৱসমূহৰ বিষয়ে সামান্য আলোকপাত কৰা হৈছে।

তিৱাসকলৰ বিভিন্ন উৎসৱ ঃ তিৱাসকল প্ৰধানতঃ এক কৃষিজীবি সম্প্ৰদায়। প্ৰকৃতিৰ লগতে কৃষিকাৰ্যৰ লগত সংগতি ৰাখি তেওঁলোকে বছৰটোত বিভিন্ন প্ৰকাৰৰ দেৱ-দেৱতাৰ উদ্দেশ্যে পূজা-সেৱা আগবঢ়ায় আৰু উৎসৱ আনন্দ কৰে। তেওঁলোকৰ মাজত প্ৰচলিত উৎসৱসমূহ - ছংখং পূজা, অগ্ৰামিছাৱা, লাংখুন পূজা, বানছাৱা, বিহু উৎসৱ, মেলা বা গোসাঁই উলিওৱা উৎসৱ, ববত পূজা, ৰাতিসেৱা, খাপলাং ৰাৱানে ফুজা, বানচাৱা বা বানজোৰা উৎসৱ, জোনবিল মেলা আদি। তিৱাসকলৰ মাজত প্ৰচলিত 'বিচু' উৎসৱ হৈছে বিহু। তেওঁলোকৰ সমাজতো নিজা নিজা পৰম্পৰাৰে মাঘ বিহু, বহাগ বিহু আৰু কাতি বিহু উদ্‌যাপন কৰে। তিৱাসকলৰ মাজত প্ৰচলিত এটা গুৰুত্বপূৰ্ণ উৎসৱ হৈছে 'ছগ্ৰামিছাৱা' উৎসৱ। ছগ্ৰামিছাৱা বসন্তকালীন উৎসৱ। 'ছগ্ৰা' মানে সমূহীয়া আৰু 'মিছাৱা' মানে নৃত্য। অৰ্থাৎ এই উৎসৱ সমূহীয়াভাৱে কৰা আনন্দ উৎসৱ। এই উৎসৱ ফেব্ৰুৱাৰীৰ শেষ আৰু মাৰ্চ মাহৰ আৰম্ভণিতে উদ্‌যাপন কৰা দেখা যায়। এই উৎসৱত সকলোৱে তিৱাৰ পৰম্পৰাগত পোছাক 'টাগলা' পৰিধান কৰাটো বাধ্যতামূলক। এই উৎসৱ দেওবাৰ বা বুধবাৰে আৰম্ভ কৰি এসপ্তাহলৈ অনুষ্ঠিত কৰে। লাংখুন ফুজাত বছেৰেকীয়া বাঁহ কটা আৰম্ভণী কৰে। ছংখং ফুজা বা ছংথং পূজা এক প্ৰকাৰ লখিমী পূজা। ব'হাগ বিহুৰ পিছতে এই পুজা পাতে। ৰান চাৱা বা ৰান জোৱা উৎসৱ। এই উৎসৱত ওচৰ-চুবুৰীয়া, এখন গাঁৱৰ মানুহ আন এখন গাঁৱলৈ আহি, ইগাঁও-সিগাঁৱৰ মানুহ আহি সমূহীয়াকৈ পিঠা খুন্দে। আহিন আৰু কাতি মাহৰ ভিতৰতে কোনো এটা মঙ্গলবাৰৰ পৰা আৰম্ভ কৰি এসপ্তাহ জুৰি এই উৎসৱ পালন কৰে। কৃষিকাৰ্যৰ মঙ্গলৰ বাবে এই উৎসৱ আয়োজন কৰে। এই উৎসৱতো নৃত্য-গীত কৰাৰ লগতে পিঠাগুৰি গোলা পানী ইজনে সিজনৰ গালৈ ছটিয়ায়, লালি হিলালী গীত পৰিৱেশন কৰে, পিঠাগুৰি খুন্দি লখিমী পূজাও কৰে। মৰণা মৰা উৎসৱতো গাঁৱৰ ডেকা লগ লাগি ৰং ৰহইচ কৰি একোঘৰ গৃহস্থীক গোটাই থোৱা ডাঙৰীৰ মৰণা মাৰি দিয়ে। অৰশ্যে গৃহস্থই শ্ৰম কৰা ডেকাসকলক ভোজভাতৰ লগত 'পহন' অৰ্থাৎ লাওপানী আগবঢ়োৱা নিয়ম। খাপলাং ৰাৱানে ফুজা হৈছে খেৰ কটা পুজা। কাতিমাহত এই পূজা কৰিহে খেৰ কটা কাম কৰিব পাৰিব। ভিতৰ সেৱা পূজাও তিৱাসকলৰ এটা লেখত ল'বলগা উৎসৱ। এই পূজা তিৱাসকলে কেঁচাইখাতী গোঁসানীৰ উদ্দেশ্যে কৰা পূজা।

**গাৰোসকলৰ লোক উৎসৱ ঃ** ওৱানগালা গাৰোসকলৰ প্ৰধান উৎসৱ। ইতিমধ্যে আমি দেখা পাইছো যে তিৱাসকলৰ কৃষি নিৰ্ভৰশীল এক জনজাতি আৰু যেনেকৈ তেওঁলোকৰ প্ৰতিটো উৎসৱ কৃষিকৰ্মৰ লগত জড়িত একেদৰে গাৰো সকলৰো প্ৰায় প্ৰতিটো উৎসৱ কৃষি আৰু প্ৰকৃতিৰ লগত জড়িত। ওৱানগালাও এটা কৃষিভিত্তিক উৎসব। ঝুম খেতি সামৰি এওঁলোকে "আহায়া" বুলি এটা উৎসৱ পালনৰ বাবে ঘৰে ঘৰে ঘৰুৱা চাউলৰ মদ 'চু' তৈয়াৰ কৰে। এই 'আহায়'ৰ পিছতে 'ওৱানগালা' উৎসৱ আৰম্ভ হয়। এই উৎসৱত নতুন কাপোৰ-কানি পিন্ধি ইষ্ট-মিত্ৰৰ ঘৰলৈ অহা-যোৱা কৰে, ঘৰ-দুৱাৰ, বাৰীৰ হাবি-বন চাফা কৰে। দোচীয়া গাৰোসকলৰ বিয়া উৎসৱ। গাৰো সমাজক চাংমা, মাৰাক, মোমিন, চিৰা আৰু আৰেং — এই পাঁচোটা গোত্ৰত বিভক্ত কৰা হৈছে। একেটা গোত্ৰৰ ভিতৰত

বিবাহ নিষিদ্ধ। আচোংটাটা, আমুৱা, অথলা এই কেইটা গাৰোৰ ধৰ্মীয় আৰু ভক্তিমূলক উৎসৱ। গাৰোসকলে ঘৰুৱা জীৱন আৰু সামাজিক জীৱন সুখে-শান্তিৰে চলিবলৈ নানা দেৱ-দেৱীক পূজা কৰা নিয়ম আক প্ৰতিটো পূজাতে 'চু' অপৰিহাৰ্য। আগালমাকা, দামাগোগাতা হৈছে জুম খেতি আৰম্ভণিতে পতা উৎসৱ। আগালমাকা উৎসৱত "আচিৰোকা" — কৃষিৰ লগত জড়িত গীত গায়। আনন্দ-উৎসৱ গীত-নৃত্য কৰিলেও এই উৎসৱ অতিশয় আড়ম্বৰপূৰ্ণ নহয়। দ্বিতীয় দিনা নিশালৈ উৎসৱৰ সামৰণি পৰে। সামৰণি উৎসৱক 'দামা গোগাতা' বুলি কোৱা হয়। ৰংচুগালা কৃষি কৰ্ম চপোৱা উৎসৱ। শস্য পকিবলৈ ধৰিলে ঘৰে ঘৰে 'চু' তৈয়াৰ কৰে আৰু পকা ধৰা ধান কাটি চিৰা খুন্দি দেৱ-দেৱীলৈ আগবঢ়াই দি লৈহে গৃহস্থই ন-খোৱা নিয়ম। জামে গাপ্‌পা নামৰ জুম খেতি চপোৱাৰ এটা প্ৰাৰম্ভিক উৎসৱ গাৰোসকলে উদ্‌যাপন কৰে। অৱশ্যে এই উৎসৱত প্ৰধানকৈ ডেকাসকল জড়িত। 'মাঙোনা' নামৰ উৎসৱটো সাধাৰণতে মৃতকৰ সকাম সম্পৰ্কীয়। সাধাৰণতে গাৰো সমাজত কোনো ব্যক্তিৰ মৃত্যু হ'লে শিঙা বজাই গাঁৱত জাননী দিয়াৰ লগে লগে উমৈহতীয়া সৎকাৰৰ ব্যৱস্থা কৰে। 'দেলং' নামৰ এটা সৰু ঘৰত মৃতকৰ পূজাৰ সামগ্ৰী আগবঢ়াই দিয়া হয়। একেবাৰে শেষত এবছৰৰ মূৰত গাঁৱত কিমান ব্যক্তিৰ মৃত্যু হয় সকলোৰে আত্মাৰ সদ্‌গতিৰ বাবে "মাঙোনা" অনুষ্ঠিত কৰা হয়। এওঁলোকৰ ঘোঁৰাৰ লগত নৃত্য কৰা 'ঘোঁড়া-ৰআ' নামৰ এটা উৎসৱো আছে।

**ৰাভা জনজাতিৰ উৎসৱ ঃ** ভাৰতীয় সংবিধানে ৰাভাসকলকো জনজাতি স্বৰূপে গণ্য কৰিছ। ১৯০৩ চনত প্ৰকাশিত Linguistic Survey of India ৰ Vol. III Pt. II ত (Grierson) ৰ মানচিত্ৰত গাৰোপাহাৰ জিলাৰ 'ফুলবাৰী' নামৰ অঞ্চলৰ পৰা দক্ষিণ কামৰূপন 'ৰাণী' নামৰ ঠাইলৈকে আৰু খাচীয়া পাহাৰ জিলাৰ উত্তৰ সীমান্তৱৰ্তী ঠাইলৈকে ৰাভাসকলৰ বাসভূমি বিস্তৃত হৈ আছে। ৰাভাসকল হৈছে মঙ্গোলীয় প্ৰজাতি বড়ো মূলৰ লোক। নিজা সুকীয়া কলা-কৃষ্টি, ধৰ্মীয় পৰম্পৰা তথা উৎসৱ পাৰ্বনেৰে নিতান্তই চহকী এটা জনগোষ্ঠী। উৎসৱসমূহৰ ভিতৰত "খোক্‌চি বা বায়খো" পূজা প্ৰধান। বায়খো তেওঁলোকৰ কৃষি অধিষ্ঠাত্ৰী দেৱী। এই পূজাৰ নানা ভাগ আছে। বায়খোৰ পিছতে হাছং পূজাত কেইবাপ্ৰকাৰো দেৱ-দেৱীক পূজা অৰ্চনা কৰে। গাঁৱত হাছং পূজাৰ বাবে থান থাকে। জেঠ মাহত উমৈহতীয়াকৈ থান পৰিষ্কাৰ কৰি বিধিমতে বলি-বিধান দি পৱিত্ৰভাৱে পুজা অৰ্চনা কৰি মানুহে আনন্দ-উৎসৱ, খোৱা-বোৱা কৰে। ৰাভাসকলৰ মাজত প্ৰচলিত অন্য এবিধ পুজা হৈছে ৰুম্ভক বা ৰোন্তাক পূজা। ইয়াৰ অৰ্থ হৈছে ঘৰ গোসাঁনী পূজা। ছোংবায় তাৰঙি গ্ৰহ দেৱতাৰ পূজা। লাঙা পূজা পাতি ৰাভাসকলে ব'হাগ আৰু জেঠ মাহত কৰে। এই পূজা প্ৰধানকৈ মহাদেউ বা শিৱৰ বাবে কৰে যদিও ঠাকুৰানী, মহাদেউ লাঙা, ধনকুবেৰ, খোক্‌ছি আদিৰ নামত বলি দিয়াৰ নিয়ম থাকে। লাঙা পূজা সাধাৰণতে গাঁৱৰ বাহিৰত হাবিৰ কাষত বা নৈৰ পাৰত কৰা হয়। 'কাঁচা খাঁইতি পূজা' ৰাভাসকলে ভাগৱতীক 'কেচাইখাঁইতি' ৰূপত পূজা কৰে। ব'হাগ-জেঠ মাহত কৰা এই পূজাক বহুতে ডিঙাপূজা বুলিও কয়। 'মাৰাই (মনসা) পূজা', 'দাৰমাংবায় পূজা', 'বেৰা হাচুৰায় পূজা', 'লাঙ্গাচাৰা বায় পূজা, 'হায় খায়ৰং বায় পূজা', 'খেলাৰামবায় বায় পূজা, 'মাৰাংবায় পূজা', 'বিহকৰাম দেৱতাৰ পূজা' আদিকে ধৰি নৰান্নৰ দেৱতাসমূহ — সুবচনী, ধৰ্ম, লাঙা, বুঢ়াদেও, পীৰবাসু আদিক পূজা কৰাৰ নিয়ম আছে।

উত্তৰ-পূৰ ভাৰতত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ নানা প্ৰকাৰৰ সামাজিক ৰীতি-নীতি, পূজা-অৰ্চনা, উৎসৱ-পাৰ্বণ আৰু ধৰ্মীয় পৰম্পৰা আছে। এই আচাৰ-অনুষ্ঠান আৰু জীৱনশৈলীয়ে প্ৰতিটো জনগোষ্ঠীকে একোটা সুকীয়া পৰিচয় দিছে। তথাপি বৰ্ণ-বৈচিত্ৰ্যৰ মাজতো বৃহত্তৰ অসমীয়া সমাজত ঐক্য চিৰ বিৰাজমান হৈ আহিছে। ⌘

**প্ৰসঙ্গ অধ্যয়ন ঃ**

১। অসমৰ সাংস্কৃতিক ইতিহাস, সংঘাত আৰু সমন্বয়ৰ ঐতিহাসিক বিশ্লেষণ - যতীন্দ্ৰ কুমাৰ বৰগোহাঞি।
২। উত্তৰ কাছাৰ পাহাৰৰ লোক-সংস্কৃতি - ধৰ্মেশ্বৰ দুৱৰা।
৩। জনজাতি আৰু গাৰো জনজাতি ড° বিমল মজুমদাৰ।
৪। ৰাভা জনজাতি - ৰাজেন ৰাভা।
৫। অসমৰ লোক-সংস্কৃতি-২ — চাও লোকেশ্বৰ গগৈ।
৬। তিৱা সমাজ - মনেশ্বৰ দেউৰী (অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত)
৭। অসমৰ জনজাতিসকলৰ উৎসৱ-অনুষ্ঠান - ধৰ্মেশ্বৰ দুৱৰা।
৮। অসমৰ উৎসৱ আৰু পূজা - যতীন্দ্ৰ কুমাৰ বৰগোহাঞি।
৯। অসমীয়া জাতিৰ ইতিবৃত্ত - (অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত) প্ৰধান সম্পাদক ঃ জগদীশ পাটগিৰি।



# অসমীয়া লিপি

০ ড° অমৰ শইকীয়া, ড° হিমাদ্ৰী দত্ত
সহকাৰী অধ্যাপক

**১.০ লিপিৰ সাধাৰণ পৰিচয় ঃ**

মানুহে মনৰ ভাৱ-অনুভূতি প্ৰকাশৰ বাবে উচ্চাৰণ কৰা ধ্বনিসমূহক যিবিলাক প্ৰতীক চিহ্ন অথবা ৰেখা চিত্ৰৰ সহায়ত শব্দ, বাক্য আদি ৰূপেৰে লিখা হয় বা লিপিৱদ্ধ কৰা হয়, তাকে লিপি বুলিব পাৰি। ব্যক্তিয়ে নিজৰ ব্যক্তিগত জীৱনত লাভ কৰা জ্ঞানৰাজিক সুৰক্ষিত কৰি ৰাখিবলৈ আৰু সেইবোৰ স্মৃতিৰ পৰা আঁতৰি যাব নোৱাৰাকৈ ধৰি ৰাখিবলৈ; লগতে দূৰৈৰ ব্যক্তিৰ ওচৰত নিজৰ হৃদয়ৰ কথা ব্যক্ত কৰিবলৈ হৃদয়গ্ৰাহ্য কথাবোৰক ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ দিয়াৰ উদ্দেশ্যেৰে লিপিৰ সৃষ্টি হ'ল বুলি অনুমান কৰিব পাৰি। 'লিপি' শব্দৰ উৎপত্তি হৈছে সংস্কৃত 'লেপন' শব্দৰ পৰা। প্ৰাচীন ভাৰতত ধাতুৰে নিৰ্মিত জোঙাল মুখৰ কলমৰ সহায়ত ভূৰ্জপত্ৰ, তালপাত আদিত দাগ কাটি তাৰ ওপৰত চিয়াঁহী লেপি দিয়া হৈছিল। গতিকে এই লেপন কাৰ্যৰ পৰাই 'লিপি' শব্দৰ সৃষ্টি হয় বুলি ক'ব পাৰি।

## ২.০ লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ ঃ

মানুহে মনৰ ভাৱ প্ৰকাশৰ শক্তিশালী মাধ্যমৰূপে ভাষাক ব্যৱহাৰ কৰাৰ পাছত এই ভাৱবোৰক লিপিবদ্ধ কৰাৰ কথা ভাবিবলৈ ধৰে। মানুহে সভ্যতাৰ বিকাশৰ লগে লগে ভাষা একোটাত ব্যৱহৃত উচ্চাৰণ উপযোগী ধ্বনিসমূহ ভৱিষ্যৎ বংশধৰসকলৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ ধৰিলে। ইয়াৰ ফলতে লিপিৰ সৃষ্টি হ'ল। ভাষা আৰু লিপিৰ মাজত এক সম্বন্ধ আছে। ভাষাই মানুহৰ চিন্তা-ভাৱনা আৰু বিচাৰ-বিবেচনাক শ্ৰৱণগ্ৰাহ্য কৰে আৰু লিপিয়ে সেইবোৰক ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ দি চক্ষুগোচৰ কৰে।

লিপিৰ জন্ম আৰু বিকাশ সম্পৰ্কে বিভিন্ন লিপিবিদে গভীৰ অধ্যয়ন কৰিছে। বিভিন্ন লিপিৰ বিষয়ে অধ্যয়ন কৰি ড০ ভোলানাথ তিৱাৰীয়ে লিপি বিকাশৰ ঐতিহাসিক ৰূপটোক এনেদৰে ভাগ কৰি দেখুৱাইছে—

(১) চিত্ৰ লিপি
(২) সূত্ৰ লিপি
(৩) প্ৰতীকাত্মক লিপি
(৪) ভাৱমূলক লিপি
(৫) ভাৱ-ধ্বনিমূলক লিপি
(৬) ধ্বনিমূলক লিপি

এই ৰূপসমূহৰ ভিতৰত ধ্বনিমূলক লিপিকেই লিপি বিকাশৰ শেষ স্তৰ বুলি ধৰা হয়। ধ্বনিমূলক লিপিৰ স্তৰত এনে লিপিৰ জৰিয়তে কোনো প্ৰকাৰৰ বস্তু বা ভাৱ প্ৰকাশ কৰাতকৈ ধ্বনি প্ৰকাশ কৰাৰ প্ৰতিহে গুৰুত্ব দিয়া হয়।

## ৩.০ ভাৰতীয় লিপিৰ উদ্ভৱ আৰু বিকাশ ঃ

বিশ্বৰ সকলোবোৰ লিপিয়েই চিত্ৰলিপিৰ পৰা এক সুদীৰ্ঘ পথ অতিক্ৰম কৰি ধ্বনিমূলক লিপিৰ ৰূপ পাইছেহি। ভাৰতীয় লিপিৰ ক্ষেত্ৰতো দেখা যায় যে এক সুদীৰ্ঘ ইতিহাসেৰে এই লিপিয়ে ধ্বনিমূলক লিপিৰ ৰূপ লাভ কৰিছে। ভাৰতীয় লিপিৰ উদ্ভৱ আৰু বিকাশ খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকা কালৰ পৰাহে হয় বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। প্ৰাচীন ভাৰতীয় লিপিৰ ক্ৰমবিকাশত দুই ধৰণৰ লিপি পোৱা গৈছে। সেয়া হৈছে—

(ক) ব্ৰাহ্মী লিপি
(খ) খৰোষ্ঠী লিপি

### ৩.১ ব্ৰাহ্মী লিপি ঃ

সম্ৰাট অশোকৰ দিনৰ পৰাই ভাৰতীয় লিপিৰ এটা ধাৰাবাহিক ইতিহাস পোৱা যায়। ইয়াৰ পৰা অনুমেয় যে অশোকৰ শাসনকালৰে পৰা কেইবাশ বছৰৰ আগতেই ব্ৰাহ্মী লিপিয়ে নিজস্ব ৰূপ পৰিগ্ৰহ কৰিছিল। গতিকে ব্ৰাহ্মী লিপিক ভাৰতীয় লিপিৰ জননী বুলিব পাৰি।

ব্ৰাহ্মী লিপিৰ উদ্ভৱকাল আৰু উদ্ভৱস্থল সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মত আগবঢ়াইছে। এচাম পণ্ডিতে ব্ৰাহ্মীলিপিৰ মূল আৰু উদ্ভৱস্থল বহিঃভাৰত বুলি যুক্তি আগবঢ়োৱাৰ বিপৰীতে আন এচাম পণ্ডিতে ব্ৰাহ্মীলিপিৰ মূল আৰু উদ্ভৱস্থল ভাৰত বুলি প্ৰমাণসহকাৰে দেখুৱাইছে। ছাৰ উইলিয়াম জোনছ, এ. ৱেবাৰ, এচি বুৰ্ণেল আদিৰ মতে ব্ৰাহ্মী লিপিৰ মূল হৈছে বহিঃভাৰতীয় ফিনিচীয় লিপি। এই পণ্ডিতসকলে এসময়ত মত পোষণ কৰিছিল যে খ্ৰীষ্টপূৰ্ব এহেজাৰ বছৰমানৰ আগতে প্ৰাচীন ভাৰতীয়সকলে ফিনিচীয়সকলৰ পৰা লিখন পদ্ধতি গ্ৰহণ কৰিছিল। ভাৰতীয় বণিকসকলে সাগৰেদি বেবিলন আৰু মধ্যপ্ৰাচ্য অঞ্চলত বেপাৰ-বাণিজ্য কৰিবলৈ যাওঁতে ফিনিচীয়সকলৰ লিখন পদ্ধতি বা লিপিৰ লগত তেওঁলোকৰ পৰিচয় ঘটে আৰু সেই লিপিকেই কিছু পৰিৱৰ্তন কৰি ভাৰতত প্ৰৱৰ্তন কৰে। পিছত এই লিপিয়েই ব্ৰাহ্মী লিপিলৈ ৰূপান্তৰিত হয়। ড° আই টেলৰ, জৰ্জ বুহ্লাৰ আদি পণ্ডিতৰ মতে ছেমিটিক লিপি হৈছে ব্ৰাহ্মী লিপিৰ মূল আৰু ইয়াৰ উদ্ভৱস্থল হৈছে ছেমিটিক প্ৰদেশ। কিন্তু এই দুয়োটা মতেই আজিকালি কোনেও গ্ৰহণযোগ্য বুলি নাভাবে।

আনহাতে ভাৰতীয় ধৰ্মীয় ধাৰণা মতে ব্ৰাহ্মী লিপিৰ স্ৰষ্টা হৈছে ব্ৰহ্মা। 'নাৰদ-স্মৃতি' গ্ৰন্থত এই কথা পোৱা যায়। ভাৰতীয় আৰ্যসকলে 'বেদ' সংৰক্ষণ কৰিবলৈ সৃষ্টি কৰা লিপিয়েই সময়ৰ সোঁতত ব্ৰাহ্মী লিপি হিচাপে পৰিচিত হ'ল। এ. কানিং হাম, জন ডচন আদি পণ্ডিতে ভাৰতেই ব্ৰাহ্মীলিপিৰ উদ্ভৱস্থল বুলি উল্লেখ কৰিছে। লিপিবিদ লংডনে ব্ৰাহ্মীলিপিৰ মূল সিন্ধুলিপি বুলি মত প্ৰকাশ কৰে। সিন্ধুলিপি, চিত্ৰ লিপি, ভাৱ লিপি আৰু ভাৱধ্বনিমূলক লিপিৰ সমাহাৰত ব্ৰাহ্মীলিপিৰ উদ্ভৱ আৰু বিকাশ ঘটিছে বুলি তেওঁ উল্লেখ কৰিছে। ভাৰতীয় ভাষাবিদ সুনীতি কুমাৰ চট্টোপাধ্যায়ে এই মত সমৰ্থন কৰিছে। ভোলানাথ তিৱাৰীয়েও সিন্ধু লিপি আৰু ব্ৰাহ্মী লিপিৰ মাজত যথেষ্ট সাদৃশ্য আছে আৰু ব্ৰাহ্মী লিপি সিন্ধু লিপিৰেই পৰৱৰ্তী স্তৰ বুলি মত

প্ৰকাশ কৰিছে।

ব্ৰাহ্মীলিপিৰ উদ্ভৱ স্থান আৰু উদ্ভৱকাল লৈ যিবিলাক মত প্ৰচলন হৈ আছে, এইসমূহৰ অধ্যয়ন আৰু বিচাৰ বিশ্লেষণৰ পৰা আমি এটা সিদ্ধান্তত উপনীত হ'ব পাৰোঁ। সেয়া হৈছে— ব্ৰাহ্মীলিপিৰ জন্ম আৰু বিকাশ হৈছে সিন্ধুলিপিৰ পৰা। ইয়াৰ জন্মস্থান ভাৰত আৰু এই লিপি ভাৰতৰ সকলো লিপিৰে জননী।

ব্ৰাহ্মীলিপিৰ বিকাশৰ স্তৰসমূহক চাৰিটা স্তৰত ভাগ কৰা দেখা যায়। ভাগকেইটা হৈছে—

(ক) অশোকৰ অনুশাসন লিপি

(খ) কুষাণ যুগৰ লিপি

(গ) গুপ্ত যুগৰ লিপি

(ঘ) প্ৰাচীন আঞ্চলিক লিপি

**ব্ৰাহ্মী লিপিৰ বিশেষত্ব ঃ**

(ক) ব্ৰাহ্মীলিপি সাধাৰণতে বাঁওফালৰ পৰা সোঁফাললৈ লিখা হয়।

(খ) ব্ৰাহ্মী লিপিৰ আখৰৰ গঢ় সুন্দৰ আৰু সু-পৰিকল্পিত।

(গ) ব্ৰাহ্মী লিপিত দীৰ্ঘস্বৰ আৰু সংযুক্ত স্বৰৰ ব্যৱহাৰ পোৱা যায়।

(ঘ) ব্ৰাহ্মী লিপি এক পূৰ্ণাংগ লিপি।

(ঙ) ব্ৰাহ্মী লিপি ভাৰতৰ প্ৰায় সকলো আঞ্চলিক লিপিৰে জননী।

**৩.২ খৰোষ্ঠী লিপি ঃ**

ভাৰতৰ এক প্ৰাচীন লিপি হৈছে খৰোষ্ঠী লিপি। এই লিপিৰ উৎপত্তি সম্পৰ্কে বুহ্লাৰ আদি পণ্ডিতে মত দাঙি ধৰিছে যে এই লিপি অৰমইক লিপিৰ লগত ঘনিষ্ঠভাৱে জড়িত। পণ্ডিতসকলৰ অনুমান মতে খৃঃপূঃ পঞ্চম শতিকামানত খৰোষ্ঠী লিপিৰ বিকাশ হয়। পুৰণি গান্ধাৰ প্ৰদেশত এই লিপি প্ৰয়োগৰ প্ৰচুৰ তথ্য পোৱা যায়। সুনীতি কুমাৰ চেটাৰ্জীৰ মতে খৰোষ্ঠ শব্দ হিব্ৰু শব্দ 'খৰোশেথ'ৰ ভাৰতীয় ৰূপ আৰু ইয়াৰ অৰ্থ লিখা। খৰোষ্ঠী লিপিৰ নামকৰণৰ আন এটা কাৰণ হৈছে— এই লিপি গাধৰ ওঁঠৰ নিচিনা। দ্বিতীয়তে, গাধৰ (খৰ) ছালৰ ওপৰত এই লিপি লিখা হৈছিল বাবে ইয়াৰ নাম খৰোষ্ঠী লিপি।

খৰোষ্ঠী লিপিৰ প্ৰয়োগ প্ৰাচীন গান্ধাৰ প্ৰদেশৰ লগতে অশোকৰ অভিলেখত, শিলেকাই মুদ্ৰাত কিছুমান ধাতুৰ পাতত, উৎকীৰ্ণ পাথৰত, আফগানিস্তানৰ স্তূপৰ এটি ভোজপত্ৰৰ সৰু টুকুৰাত, খোটানত প্ৰাপ্ত ধম্মপদ পুথিত পোৱা গৈছে।

খৰোষ্ঠী লিপিৰ বিকাশৰ ধাৰাটোক জৰ্জ বুহ্লাৰে চাৰিটা ভাগ কৰি দেখুৱাইছে। ভাগকেইটা হ'ল—

(ক) শাহবাজগঢ়ী অভিলেখ

(খ) ইন্দো-গ্ৰীক ৰজাৰ মুদ্ৰালিপি

(গ) তক্ষশীলাৰ তাম্ৰপত্ৰ আৰু গান্ধাৰ মূৰ্তিৰ লিপি

(ঘ) কণিষ্কৰ অভিলেখ।

**খৰোষ্ঠী লিপিৰ বিশেষত্ব ঃ**

(ক) খৰোষ্ঠী লিপি সোঁফালৰ পৰা বাঁওহাতলৈ লিখা হয়।

(খ) খৰোষ্ঠী লিপিত দীৰ্ঘস্বৰৰ প্ৰয়োগ দেখা নাযায়।

(গ) খৰোষ্ঠী লিপিত সংযুক্ত ব্যঞ্জনৰ প্ৰয়োগ কম, ইয়াত একক ব্যঞ্জনৰ ব্যৱহাৰহে বেছি।

(ঘ) খৰোষ্ঠী লিপিৰ গঢ় সুন্দৰ আৰু পৰিকল্পিত নহয়। এই লিপি অত্যন্ত ঘঁহাই লিখা হয়।

(ঙ) খৰোষ্ঠী লিপিয়ে ভাৰতীয় আঞ্চলিক লিপিৰ বিকাশলৈ বিশেষ অৱদান আগবঢ়োৱা নাই।

**৪.০ অসমীয়া লিপিৰ মূল আৰু উদ্ভৱ ঃ**

ভাৰতীয় সকলো লিপিৰে মূল ব্ৰাহ্মী লিপি। ভাৰতৰ এটা বৈশিষ্ট্যপূৰ্ণ লিপি হৈছে অসমীয়া লিপি। ভাৰতীয় সকলো লিপিৰ মূল ব্ৰাহ্মীলিপিয়েই অসমীয়া লিপিৰো মূল। ব্ৰাহ্মী লিপিৰ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপেই অসমীয়া লিপিয়ে স্বকীয় ৰূপ গ্ৰহণ কৰে।

অসমীয়া লিপিৰ উদ্ভৱৰ ক্ষেত্ৰত পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। অসমত লিপি বিষয়ক চিন্তা-চৰ্চাৰ পথ প্ৰদৰ্শক ড০ সৰ্বেশ্বৰ শৰ্মা কটকী ডাঙৰীয়াই তেখেতৰ 'প্ৰাচীন অসমীয়া লিপি' নামৰ গ্ৰন্থত লিখিছে— 'গুপ্তযুগৰ পূব ভাৰতীয় লিপিৰ পৰিৱৰ্তন আৰু সংমিশ্ৰণ ঘটি কুটিল লিপিৰ পৰা কামৰূপী লিপি বা পুৰণি অসমীয়া লিপিৰ উৎপত্তি হৈছে।" কটকীদেৱৰ এই মন্তব্যক ড° সত্যেন্দ্ৰনাথ শৰ্মা, ড° ঠাকুৰ প্ৰসাদ বৰ্মা আদি কেইবাগৰাকীও পণ্ডিতে সমৰ্থন কৰিছে।

আন এক মত অনুযায়ী ব্ৰাহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ জন্ম হৈছে। ড° উপেন্দ্ৰনাথ গোস্বামীয়ে 'অসমীয়া লিপি' নামৰ গ্ৰন্থত লিখিছে— 'এই লিপিৰ মূল ব্ৰাহ্মী আৰু তাৰ পৰৱৰ্তী

গুপ্ত লিপি। ইয়াক কুটিল লিপিৰ লগত সাঙোৰাৰ বিশেষ যুক্তি নাই। উমাচল শিলালিপি আৰু নগাজৰী খনিকৰ গাঁৱৰ লিপিত পোৱা আখৰবোৰক গুপ্তলিপিৰ আখৰবোৰৰ সৈতে ৰিজাই চালে শিলালিপি দুখনৰ প্ৰায়বোৰ আখৰেই গুপ্তলিপিত পোৱা আখৰৰ সৈতে একেটা ৰূপতে পোৱা যায়।' ড° গোস্বামীৰ আগতেই সমালোচক ড° ডিম্বেশ্বৰ নেওগে অসমীয়া লিপিৰ উৎপত্তি গুপ্ত লিপিৰ পৰা হোৱা বুলি মত প্ৰকাশ কৰিছিল। এই মতৰ প্ৰতি সমৰ্থন আগবঢ়াইছে— ড° মুকুন্দ মাধৱ শৰ্মা, বিশ্বেশ্বৰ হাজৰিকা আদি পণ্ডিতে।

অসমীয়া লিপিৰ মূল আৰু উদ্ভৱ সম্পৰ্কীয় এই দুই মতৰ সমৰ্থক পণ্ডিতসকলে অৱশ্যে এটা কথাত একমত যে অসমীয়া লিপিৰ মূল ব্ৰাহ্মী লিপিয়েই। তেওঁলোকৰ মতবিৰোধ ইয়াতে যে এটা দলে ব্ৰাহ্মী লিপিৰ কুটিল লিপিৰ পৰা অসমীয়া লিপিৰ উৎপত্তি হোৱা বুলি কৈছে, আনটো দলে ব্ৰাহ্মী লিপিৰ গুপ্ত লিপিৰ পৰা অসমীয়া লিপিৰ উৎপত্তি হোৱা বুলি কৈছে।

ড° সৰ্বেশ্বৰ কটকীৰ ব্ৰাহ্মী লিপিৰ কুটিল লিপিৰ পৰাই অসমীয়া লিপিৰ উদ্ভৱ হোৱা মতৰ প্ৰতি সমৰ্থন আগবঢ়াই ড° ডিম্বেশ্বৰ নেওগ, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা আদি পণ্ডিতে কুটিল লিপিৰ পৰাই অসমীয়া লিপিৰ উৎপত্তি হৈছে বুলি মত পোষণ কৰিছে। আনহাতে ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে— 'হৰ্ষবৰ্দ্ধনৰ ৰাজত্বকালত অবিভক্ত ব্ৰাহ্মীলিপিৰ অন্তিম ৰূপটো আদিম 'সিদ্ধ-মাতৃকা' আৰু এই 'সিদ্ধ মাতৃকা'ৰ পৰাই শাৰদা, শ্ৰীহৰ্ষ আৰু কুটিল লিপিৰ উদ্ভৱ আৰু বিকাশ ঘটে। গতিকে সিদ্ধ-মাতৃকা লিপিৰ পৰা উদ্ভৱ হোৱা কুটিল লিপিয়েই হ'ল অসমীয়া লিপিৰ মূল উৎস।"

দ্বিতীয় মতৰ সমৰ্থকসকলে দেখুৱাইছে যে গুপ্ত লিপিৰ বিকাশ কাল খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকা। আনহাতে খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত কুটিল লিপিৰ বিকাশ আৰম্ভ হৈছিল। গতিকে অসমীয়া লিপি সিদ্ধ মাতৃকা বা কুটিল লিপিৰ পৰা জন্ম হোৱা নাই। তেওঁলোকে ব্ৰাহ্মী লিপিৰ গুপ্তলিপিৰ পৰা অসমীয়া লিপিৰ উৎপত্তি হোৱাৰ সপেক্ষেহে মত আগবঢ়াইছে।

অসমীয়া লিপিৰ উদ্ভৱৰ ক্ষেত্ৰত উল্লেখিত দুয়োটা মতৰ সপক্ষে বিপক্ষে থকা বিভিন্ন পণ্ডিতৰ যুক্তিসমূহ আলোচনা কৰি চালে এটা কথা স্পষ্ট হৈ পৰে যে কুটিল লিপিৰ পৰা অসমীয়া লিপিৰ উদ্ভৱ হোৱাৰ মতটো সম্পূৰ্ণ গ্ৰহণযোগ্য হ'ব নোৱাৰে। কাৰণ অসমীয়া লিপিয়ে নিজস্ব বৈশিষ্ট্যৰে বিকাশৰ পথত আগবাঢ়ে কুটিল লিপিয়ে নিজস্ব ৰূপ লাভ কৰাৰ আগতেই। দৰাচলতে ব্ৰাহ্মীলিপিৰ পৰৱৰ্তী স্তৰ গুপ্তলিপিৰ পূৰ্বশৈলীয়ে বিভিন্ন ৰূপান্তৰৰ মাজেদি সৰকি আহি দ্বাদশ শতিকাৰ কানাই বৰশীবোৱা শিলালিপিত অসমীয়া লিপিৰূপে আত্মপ্ৰকাশ কৰিলে।

**৫.০ অসমীয়া লিপিৰ বিকাশ ঃ**

ভাৰতীয় ব্ৰাহ্মী লিপিৰ সৈতে অসমীয়া লিপিৰ মূলটো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। 'অশোকৰ অনুশাসনমালা'ত ব্যৱহাৰ হোৱা আৰু কুশান বংশৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত বিকশিত হৈ উঠা ব্ৰাহ্মীলিপিৰ বিৱৰ্তনৰ ফলত অসমীয়া লিপিয়ে খ্ৰীষ্টীব্দ চতুৰ্থ-পঞ্চম শতিকা মানত নিজা ৰূপ গ্ৰহণ কৰে। ব্ৰাহ্মী লিপিৰ উত্তৰ ব্ৰাহ্মী শৈলীৰ অন্তৰ্গত হৈছে গুপ্ত লিপি আৰু কুটিল লিপি। এই কুটিল লিপিৰ পৰাই অসমীয়া লিপিৰ উদ্ভৱ হোৱা বুলি সৰ্বেশ্বৰ কটকীয়ে মত দাঙি ধৰিছে। মহেশ্বৰ নেওগে কটকীৰ এই মতৰ সৈতে অনুৰূপ মত প্ৰকাশ কৰিছে।

অসমীয়া লিপিৰ ক্ৰমবিকাশ সম্পৰ্কীয় অধ্যয়নত খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা নৱম শতিকালৈ আৱিষ্কৃত শিলালিপি, তাম্ৰলিপি আদিয়ে বিশেষভাৱে সহায় কৰিছে। এনে অধ্যয়নত সবাতোকৈ প্ৰাচীন নিদৰ্শন হিচাপে পোৱা গৈছে নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ খণ্ডৰ লিপি। এই লিপিৰ সময় পঞ্চম শতিকাৰ আদিভাগ বুলি ঠাৱৰ কৰা হৈছে। ইয়াৰ পৰৱৰ্তী লিপিৰ নিদৰ্শন হৈছে আনুমানিক পঞ্চম শতিকাৰ শেষ ভাগৰ সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপি।

পুৰণি অসমীয়া লিপিৰ আকাৰ বহু পৰিমাণে কুটিল লিপিৰ ওচৰ চপা যদিও কুটিল লিপিৰ উদ্ভৱৰ আগতেই নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি আৰু উমাচল লিপি বিচাৰি পোৱা গৈছিল। কুটিল লিপিৰ জন্ম আৰু বিকাশৰ সময় খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকা। কিন্তু নগাজৰী খনিকৰ গাঁৱৰ লিপি আৰু উমাচল লিপিৰ আখৰৰ গঢ়ে এই দুয়ো লিপি ষষ্ঠ শতিকাৰ আগৰ বুলি স্পষ্টভাৱে প্ৰমাণ কৰে। এই লিপি দুখনত কুটিল লিপিৰ সলনি প্ৰাচ্য ৰীতিৰ ব্ৰাহ্মী বা গুপ্ত শৈলীৰ নমুনাহে পোৱা যায়। বিশেষকৈ নগাজৰী খনিকৰ গাঁৱৰ শিলালিপিত পুৰণি কামৰূপী লিপিৰ প্ৰাচীনত্ব আৰু স্বকীয়তাৰ চিন স্পষ্টভাৱে দেখা যায়। প্ৰাচীন কামৰূপৰ আটাইকেইখন শিলালিপি বা তামৰ ফলিতে ব্ৰাহ্মী 'ব' আৰু 'ৰ' আখৰৰ পাৰ্থক্য ৰখা নাই। যিহেতু

পৰৱৰ্তী কালৰ অসমৰ লিপিবোৰত এই ‘ব’ আৰু ‘ৰ’ ৰ পাৰ্থক্য ৰখা নাই আৰু সুৰেন্দ্ৰ বৰ্মা ওৰফে মহেন্দ্ৰ বৰ্মাৰ (৪৫০-৮৫) উমাচল শিলালিপিতো ‘ব’ আৰু ‘ৰ’ৰ পাৰ্থক্য ৰখা নাই, গতিকে নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি নিশ্চয় তাতকৈ আগৰ হ’ব।

উমাচলৰ শিলালিপি আৰু নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি দুখনৰ পাছত সপ্তম শতিকাৰ ভাস্কৰবৰ্মাৰ তামৰ ফলিৰ আখৰবোৰ চালে সেইবোৰত ব্ৰাহ্মী আৰু গুপ্তলিপিৰ আখৰৰ পৰম্পৰা ৰক্ষিত হোৱা দেখা যায়। ভাস্কৰবৰ্মাৰ তাম্ৰ শাসন কেইখন, ডুবিৰ তাম্ৰশাসন আৰু নিধনপুৰ তাম্ৰ শাসনৰ আখৰৰ গঢ় সুকীয়া হৈ পৰিছে। নিধনপুৰ আৰু ডুবিৰ তাম্ৰ শাসনত আখৰৰ পাৰ্থক্য আ, ক, ব, ঘ, ৰ আদি আখৰত দেখা যায়। নিধনপুৰ তাম্ৰ শাসনৰ ক, ব, ল আদি আখৰবোৰ একেবাৰে আধুনিক ৰূপৰ। ব্ৰাহ্মী আৰু গুপ্ত আখৰৰ নিচিনা ভাস্কৰবৰ্মাৰ শিলালিপিতো কোনো এটা আখৰৰ শেষৰ অংশ সচৰাচৰ ৰূপতকৈ বেছি তললৈ নি উকাৰান্ত কৰা ৰীতি সংৰক্ষিত হৈছে। এই সময়লৈকে ব্যঞ্জন বৰ্ণৰ পাছত লগ লগা ‘আ’ কাৰ, ‘ই’ কাৰ আদিৰ ৰূপে পূৰ্ববৰ্তী যুগৰ শিলালিপিত পোৱা পৰম্পৰা বহন কৰিছে।

সপ্তম শতিকাৰ পৰা নৱম শতিকালৈ গতি কৰিলে তাম্ৰ শাসনবোৰৰ আখৰৰ এটা আমূল পৰিৱৰ্তনৰ ধাৰা চকুত পৰে। নৱম শতিকা আৰু দশম শতিকাৰ আগভাগৰ তামৰ ফলিৰ আখৰবোৰে আধুনিক অসমীয়া আখৰৰ গঢ় ল’বলৈ চেষ্টা কৰে। ভাস্কৰবৰ্মাৰ সময়লৈকে পোৱা আ-কাৰ, ই-কাৰ আদিৰ গঢ়ৰ এই সময়ত সম্পূৰ্ণ সলনি ঘটে। ব্যঞ্জন বৰ্ণবোৰৰ বহুখিনি আধুনিক ৰূপৰ কাষ চাপে। যুক্ত ব্যঞ্জনৰ আধুনিক গঢ়ৰ কথাও এই ক্ষেত্ৰত বিশেষভাৱে মন কৰিবলগীয়া। বনমালি বৰ্মাদেৱৰ পৰ্বতীয়া তাম্ৰ-শাসন, তৃতীয় বলবৰ্মাৰ উত্তৰ বৰবিল, উলুবাৰী আৰু নগাঁও তাম্ৰ শাসনবোৰে ইয়াৰ সাক্ষ্য বহন কৰিছে। এই তামৰ ফলিবোৰৰ অ, আ, উ, ঊ, খ, গ, ঞ, ত, থ, দ, ম, ল, ষ, ৎ, ং আৰু কৃ, ৰু, ৰূ আদি আখৰবোৰে আধুনিক গঢ় লৈছে। গতিকে খ্ৰীষ্টীয় নৱম-দশম শতিকাতে অসমীয়া লিপিয়ে এই সুকীয়া ৰূপ লয় বুলি নিঃসন্দেহে ক’ব পাৰি।

**৫.১ অসমীয়া লিপিৰ ক্ৰমবিকাশৰ স্তৰঃ**

খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা সাম্প্ৰতিক কাললৈকে অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰাটোক বিভিন্নজনে বিভিন্নধৰণে ভাগ কৰিছে। বিশ্বেশ্বৰ হাজৰিকাৰ মতে অসমীয়া লিপিৰ বিকাশৰ স্তৰ ছটা। সেয়া হ’ল—

(ক) প্ৰাচীন কামৰূপী লিপি (পঞ্চম শতিকাৰ পৰা অষ্টম শতিকালৈ)

(খ) নব্য কামৰূপী লিপি (নৱম শতিকাৰ পৰা একাদশ শতিকাৰ প্ৰথম চাৰি দশকলৈ)

(গ) প্ৰাক্ অসমীয়া লিপি (একাদশ শতিকাৰ ষষ্ঠ দশকৰ পৰা দ্বাদশ শতিকালৈ)

(ঘ) প্ৰাচীন অসমীয়া লিপি (ত্ৰয়োদশ শতিকাৰ পৰা চতুৰ্দশ শতিকালৈ)

(ঙ) মধ্যযুগীয় অসমীয়া লিপি (পঞ্চদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ প্ৰথম চাৰি দশকলৈ)

(চ) আধুনিক অসমীয়া লিপি (ঊনবিংশ শতিকাৰ শেষ চাৰি দশকৰ পৰা বৰ্তমানলৈ)

ৰামচৰণ ঠাকুৰীয়াই অসমীয়া লিপিৰ বিকাশৰ ইতিহাসক দুটা প্ৰধান যুগত ধৰি প্ৰত্যেকক আকৌ কেইটামান উপ-বিভাগত ভাগ কৰি দেখুৱাইছে। সেইবোৰ এনেধৰণৰ—

(১) কামৰূপী লিপি—

(ক) প্ৰাচীন কামৰূপী বা ভৌম লিপি
(৫ ম - ৭ ম শতিকা)

(খ) নব্য কামৰূপী লিপি (৮ ম- ১২ শ শতিকা)

(২) অসমীয়া লিপি—

(ক) আদি অসমীয়া লিপি (১৩ শ - ১৫ শ শতিকা)

(খ) মধ্য অসমীয়া লিপি (১৬ শ - ১৯ শ শতিকা)

(গ) আধুনিক অসমীয়া লিপি (১৯ শ - শতিকাৰ পৰা)

ড° উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া লিপিৰ ইতিহাসক তিনিটা ভাগত ভগাইছে। সেয়া হ’ল—

(ক) পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি (খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈ)

(খ) মধ্যযুগীয় অসমীয়া লিপি (ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ মাজভাগলৈ)

(গ) আধুনিক অসমীয়া লিপি (অৰুণোদয়ৰ জন্মকাল (১৮৪৬ চন)ৰ পৰা বৰ্তমানলৈ)

অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত বিভিন্ন পণ্ডিতে বিভিন্ন স্তৰ দেখুৱাইছে যদিও তলত ড° উপেন্দ্ৰনাথ গোস্বামীয়ে

দেখুওৱা স্তৰসমূহৰ বিষয়ে একোটিকৈ চমুটোকা আগবঢ়োৱা হৈছে।

### ৫.১.০ প্ৰাচীন অসমীয়া লিপি বা কামৰূপী লিপি ঃ

খ্ৰীষ্টীয় পঞ্চম শতিকাৰ আগভাগৰ নগাজৰী খনিকৰ গাঁৱৰ শিলালিপিৰ পৰা দ্বাদশ শতিকাৰ কানাই বৰশীবোৱা শিলালিপিলৈকে এই সময়ছোৱাৰ লিপিৰ বুৰঞ্জীক প্ৰাচীন অসমীয়া লিপি বা কামৰূপী লিপিৰ অন্তৰ্ভুক্ত কৰিব পাৰি। এই সময়ৰ বিভিন্ন লিপিবোৰৰ ভিতৰত নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ শিলা লিপি, সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপি, হৰ্ষবৰ্মণৰ তাম্ৰশাসন, বনমালি বৰ্মাৰ পৰ্বতীয়া তাম্ৰশাসন, ৰত্নপাল বৰ্মাৰ তামৰ ফলি, ইন্দ্ৰপাল বৰ্মাৰ তামৰ ফলি, কানাই বৰশী বোৱা শিলালিপি আদি উল্লেখযোগ্য। এই লিপিসমূহত অ, আ, উ,ঊ, এ, ঔ, খ, গ, ঘ, জ, ঞ, ত, থ, দ, ন, ফ, ব, ম, য, শ, স, হ, ন্ত আদি আখৰ আৰু যুক্তাক্ষৰে আধুনিক অসমীয়া ৰূপ লৈছে।

খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা শিলালিপিত অসমীয়া আখৰ সম্পূৰ্ণ বিকাশপ্ৰাপ্ত হয় বুলি ধৰা হয়।

এই যুগৰ অসমীয়া লিপিসমূহৰ ভিতৰৰ দুখনমান প্ৰধান লিপিৰ একোটিকৈ চমু পৰিচয় তলত আগবঢ়োৱা হ'ল—

### ৫.১.১ নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ শিলালিপি ঃ

গোলাঘাট সৰুপথাৰ অঞ্চলৰ নগাজৰী খনিকৰ গাঁৱৰ নিবাসী স্বৰ্গীয় লুডুৰাম শইকীয়াৰ ঘৰত উক্ত প্ৰস্তৰ শিলালিপিখন পোৱা গৈছিল। ১৯৭২ চনৰ উক্ত শিলালিপি ড° মোহিনী কুমাৰ শইকীয়াই উদ্ধাৰ কৰি আনে। প্ৰাপ্ত লিপিখণ্ডৰ বিষয়ে গৱেষক-পণ্ডিতসকলে বিভিন্ন পৰীক্ষা-নিৰীক্ষা তথা অধ্যয়ন কৰে আৰু তাৰ ওপৰত অনেক প্ৰবন্ধ পাতি লিখে। ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে এই লিপিখনৰ প্ৰথম পাঠ চিনাক্ত কৰে আৰু লিপিখনৰ আখৰবোৰ ভাস্কৰবৰ্মাৰ তাম্ৰশাসনৰ আখৰতকৈ কিছু পুৰণি বুলি অনুমান কৰিছে। ড° চৌধুৰীয়ে ফলিখনৰ ক, খ, জ, দ, প, ব, ভ, ম, ৰ আৰু হ আদি কেইটামান আখৰ অতি প্ৰাচীন বুলি মন্তব্য কৰিছে। লিপিবোৰ গুপ্ত আৰু প্ৰাক্‌গুপ্ত যুগৰ বুলি অনমুান কৰিছে। উক্ত লিপিবোৰ প্ৰথম-দ্বিতীয় শতিকাৰ কুষাণ কলিংগ লিপিৰ লগত সাদৃশ্য আছে বুলিও কয়। এই ফলিখনৰ লিপি ড০ দীনেশ চন্দ্ৰ সৰকাৰেও পৰীক্ষা-নিৰীক্ষা কৰে। ড০ মুকুন্দ মাধৱ শৰ্মাদেৱেও প্ৰস্তৰ খণ্ডৰ লিপিখনি পৰীক্ষা-নিৰীক্ষা কৰি সেই বিষয়ে একাধিক নিৱন্ধ প্ৰকাশ কৰে। উল্লেখিত প্ৰস্তৰ খণ্ড লেখখনৰ ওপৰ আৰু তলফালৰ উপৰি সোঁফালটোও ভাগি গৈছে। প্ৰস্তৰ খণ্ডত খোদিত লিপিখনিও অসম্পূৰ্ণ। বৰ্তমান অৱস্থাত লিপিখনিত পাঁচটা শাৰী আছে। তাৰে প্ৰথম শাৰীৰ ওপৰৰ আধা ভাগি গৈছে। পঞ্চম শাৰীৰ বাওঁফালৰ পৰা দহোটামান আখৰহে পোৱা গৈছে। ড° চৌধুৰীৰ মতে চৈধ্যটা আখৰযুক্ত তৃতীয় শাৰীটো অক্ষত অৱস্থাত আছে। ড° দীনেশ চন্দ্ৰ সৰকাৰৰ মতে ই এখন বৃহৎ শিলালিপি আছিল আৰু তাৰে বাঁওফালৰ তলৰ অংশটিহে বৰ্তমান সংৰক্ষিত হৈছেহি। এই লিপিখনি খ্ৰী. পঞ্চম শতাব্দীৰ বুলি ড° সৰকাৰে মত পোষণ কৰিছে। ড° মুকুন্দ মাধৱ শৰ্মাইও লিপিখন সম্পূৰ্ণ নহয় বুলি ধাৰণা কৰিছে। তেখেতে লিপিখনিৰ বৈশিষ্ট্য আৰু খোদিত কৰাৰ সময় সম্পৰ্কে এইদৰে কৈছে— 'উমাচল আৰু বৰগংগা শিলালিপিৰ লগত এইখন লিপিৰ যথেষ্ট সাদৃশ্য আছে। তথাপি 'ব' আৰু 'ৱ' আখৰৰ পাৰ্থক্য ৰখালৈ চাই ইয়াক সংস্কৃত ভাষাত লিখিত বৰ্তমানলৈকে আৱিস্কৃত অসমৰ প্ৰাচীনতম লিপি বুলি ভাবিবৰ অৱকাশ আছে।'

### ৫.১.২ সুৰেন্দ্ৰবৰ্মাৰ উমাচল শিলালিপি ঃ

১৯৯৫ চনৰ জুন মাহত স্বামী শিৱানন্দই সুৰেন্দ্ৰ বৰ্মাৰ উমাচল শিলালিপিখনক পোহৰলৈ আনে। তাৰ পিছত প্ৰত্নতাত্ত্বিক ৰাজমোহন দাস, ড° দীনেশ চন্দ্ৰ সৰকাৰ, প্ৰেমধৰ চৌধুৰী আদিয়ে লিপিখনৰ বিচাৰ-বিশ্লেষণ কৰি সুধীসমাজৰ আগত অৱগত কৰে। তাৰ পিছত ড° মুকুন্দ মাধৱ শৰ্মা আৰু ড০ ডিম্বেশ্বৰ শৰ্মাই 'কামৰূপ শাসনাৱলী' শীৰ্ষক গ্ৰন্থত ইংৰাজী আৰু অসমীয়া দুয়ো ভাষাতে লিপিখনৰ বিষয়ে সবিস্তাৰে প্ৰকাশ কৰে।

উক্ত লিপিখনত মাত্ৰ চাৰিটা শাৰী খোদিত হৈছে আৰু সি সম্পূৰ্ণ বুলি ধাৰণা কৰিছে। ফলিখনত পোৱা আখৰ চাৰিশাৰী হৈছে—

(ক) মহাৰাজধিৰাজ শ্ৰী
(খ) সুৰেন্দ্ৰ বৰ্ম্মণা কৃত্তম্
(গ) ভাগৱত ৰলভদ্ৰ
(ঘ) স্বামিনায় ইদং গুহং।।

পৰৱৰ্তী কালত ভৌমবংশীয় শাসনমালাত উল্লেখিত

মহেন্দ্র বৰ্মাক সুৰেন্দ্ৰ বৰ্মা বুলি ধাৰণা কৰা হৈছে। ভৌমবংশৰ মহেন্দ্ৰ বৰ্মাৰ ৰাজত্বকাল খ্ৰীঃ ৪৫০-৪৮০। গতিকে নীলাচল পাহাৰৰ উত্তৰ-পূব কোণত অৱস্থিত উমাচলৰ ভগৱান বলভদ্ৰৰ পূজা-সেৱাৰ অৰ্থে নিৰ্মিত গুহা মন্দিৰৰ শৈললেখখনি উক্ত সময়ৰেখাৰ ভিতৰত উৎকীৰ্ণ বুলি পণ্ডিতসকলে অনুমান কৰিছে। লিপিখনৰ মুঠ আখৰৰ সংখ্যা তেত্ৰিশটা। ইয়াৰ পুনৰুক্ত আখৰ বাদ দিলে ভিন্ন অক্ষৰৰ সংখ্যা তেইশটা হয়গৈ। ইয়াৰ সোতৰটা একক অক্ষৰ, পাঁচোটা যুক্তাক্ষৰ আৰু এটা হলন্ত। সোতৰটা অক্ষৰৰ ভিতৰত— ই, ক, জ, ত, ন, ভ, ম, ৰ আৰু ৱ- এই নটা গুপ্তলিপিৰ সৈতে একে আৰু বাকী অক্ষৰ কেইটাৰ ৰূপ প্ৰাক্-গুপ্তযুগৰ আখৰৰ লগত মিল আছে।

### ৫.১.৩ কানাই বৰশী বোৱা শিলালিপি ঃ

উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা শিলাখণ্ডত খোদিত হৈ থকা শিলালিপিখনেই হৈছে কানাই বৰশী বোৱা শিলালিপি। ১২০৫ খ্ৰীষ্টাব্দৰ অৰ্থাৎ ত্ৰয়োদশ শতিকাৰ এই শিলালিপিখনত দুটা শাৰী লিপিৱদ্ধ হৈ থকা পোৱা গৈছে। এই বাক্যদুশাৰী হৈছে—

"শাকে তুৰগ যুগ্মেশে মধুমাস ত্ৰয়োদশে।
কামৰূপং সমাগত্য তুৰস্কাঃ ক্ষয়মাযযুঃ।।"

এই বাক্য দুশাৰীৰ অৰ্থ হৈছে— '১১২৭ শকৰ চ'ত মাহৰ ১৩ দিনৰ দিনা কামৰূপলৈ আহি তুৰস্কসকল ধ্বংসপ্ৰাপ্ত হয়।'

বুৰঞ্জীৰ মতে ১২০৫-০৬ খ্ৰীষ্টাব্দত তুৰস্কসকলৰ সেনাপতি বখ্‌তিয়াৰে সসৈন্যে কামৰূপ আক্ৰমণ কৰে আৰু ৰণত পৰাজয় বৰণ কৰে। কানাই বৰশী বোৱা শিলালিপিত এই কথাকে পোৱা যায়।

কানাই বৰশী বোৱা শিলালিপি ত্ৰয়োদশ শতিকাৰ আদিভাগৰ অসমীয়া লিপিৰ নিদৰ্শন। আধুনিক অসমীয়া লিপিয়ে ইয়াতে পূৰ্ণবিকাশ লাভ কৰিছিল বাবে, এই লিপিৰ বহুতো আখৰৰ লগত অসমীয়া লিপিৰ সাদৃশ্য দেখা যায়।

কানাই বৰশী বোৱা শিলালিপিৰ কেইটামান বিশেষত্ব হৈছে—

(১) শ, ম, ত, ক— আদি আখৰ আধুনিক অসমীয়া আখৰৰ সৈতে প্ৰায় একে।

(২) 'ক্ষ' আখৰটোৱে সম্পূৰ্ণ আধুনিক ৰূপ লাভ কৰিছে।

(৩) 'শ' আৰু 'গ' আখৰকেইটাত শুঁৰ আছে।

(৪) 'ধ' আখৰটোৰ আকৃতি মাত্ৰাহীন 'য'ৰ দৰে।

### ৫.২.০ মধ্যযুগীয় অসমীয়া লিপি ঃ

কানাই বৰশীবোৱা শিলালিপিৰ পৰাই অসমীয়া লিপিৰ মধ্যযুগৰ আৰম্ভ হৈছে। ইয়াৰ পিছতেই আমবাৰী আৰু গছতল শিলালিপি, ৰাউতকুচি আৰু নীলাচলত পোৱা মাধৱ ৰজাৰ তামৰ ফলি, শ্ৰীকৃষ্ণ কীৰ্ত্তন, চৰ্যাচৰ্য বিনিশ্চয় গ্ৰন্থৰ লিপিৰ কথা উল্লেখ কৰিব পৰা যায়।

১২২৮ খ্ৰীষ্টাব্দৰ পৰা ছশ বছৰ ধৰি আহোম স্বৰ্গদেউসকলে অসমত ৰাজত্ব কৰে। তেওঁলোকৰ শ্ৰেষ্ঠ ৰচনা হ'ল বুৰঞ্জী সাহিত্য। বুৰঞ্জীসমূহ ৰচনা কৰোঁতে মধ্যযুগীয় অসমীয়া লিপি গ্ৰহণ কৰিলেও নিজা টাই বা আহোম লিপিক এৰা নাছিল। টাই লিপিকেই 'অসমাক্ষৰ' বা 'হিন্দু অক্ষৰ' বোলা হৈছিল। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে পুথিসমূহক তিনিটা ভাগত ভগাইছে—

(ক) গড়গঞা লিপি
(খ) বামুণীয়া লিপি
(গ) কাইথেলী বা লহকৰী লিপি

### (ক) গড়গঞা লিপি ঃ

আহোম ৰাজধানী গড়গাঁওক কেন্দ্ৰ কৰি গঢ় লৈ উঠা মধ্যযুগীয় অসমীয়া লিপিটোকে গড়গঞা লিপি বুলি কোৱা হয়। আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত এই লিপিত বহুতো বুৰঞ্জী ৰচিত হৈছিল। 'লেখাৰু' নামৰ এটা খেলক লিপিকাৰ হিচাপে নিযুক্তি দিয়াত আৰু এনে লেখাৰুৱে পুথিবোৰ লেখাৰ বাবে গড়গঞা লিপিৰ আখৰবোৰ ধুনীয়া আৰু একে গঢ়ৰ। কেইটামান সংযুক্তাক্ষৰ আৰু বৰ্ণ— ঠ, ন, ল আদিৰ বাহিৰে বাকীবোৰ বৰ্ণই আধুনিক অসমীয়া লিপিৰ আৰ্হি পৰিগ্ৰহ কৰিছে। ড° মহেশ্বৰ নেওগৰ মতে এই লিপি বৰ সৰল আৰু নিৰলংকাৰ। গড়গঞা লিপিৰ অ, আ, ই, ঈ প্ৰায় আধুনিক গঢ়ৰ। তদুপৰি আখৰৰ কোণ আৰু বক্ৰৰেখা স্পষ্টৰূপে চিহ্নিত কৰিব পৰা বিধৰ।

### (খ) বামুণীয়া লিপি ঃ

বামুণীয়া লিপি হৈছে অসমীয়া আৰু নাগেৰী লিপিৰ

সংমিশ্ৰণত গঢ় লৈ উঠা লিপি। এই লিপিয়ে বিকাশ লাভ কৰিছিল সংস্কৃত টোলবোৰক কেন্দ্ৰ কৰি। সংস্কৃত পুথি নকল কৰোঁতে বা লিখোঁতে ব্ৰাহ্মণসকলে এই লিপিৰ ব্যৱহাৰ কৰাৰ বাবেই হয়তো ইয়াক বামুণীয়া লিপি বোলে। এই লিপিৰ অ, আ, দ, ম, ট, ই আদি সংস্কৃত নাগেৰী আৰ্হিৰ। তদুপৰি বামুণীয়া লিখন ৰীতিত সংস্কৃত বানান পদ্ধতি অনুসৰণ কৰা দেখা যায়। বামুণীয়া লিপিৰ আখৰবোৰ লতীয়া পাকৰ।

**(গ) কাইথেলী লিপি ঃ**

কায়স্থসকলে পুথি-পাঁজি ৰচনা কৰোঁতে তথা হিচাপ-পত্ৰ ৰাখোঁতে ব্যৱহাৰ কৰা লিপিয়েই হৈছে কাইথেলী লিপি। কিতাবৎমঞ্জৰী, হস্তী বিদ্যাৰ্ণৱ আৰু অন্যান্য কাইথেলী বিদ্যাৰ পুথি আদিত এই লিপি ব্যৱহৃত হৈছিল। এই লিপিক 'লহকৰী' নামেৰেও জনা যায়। কাইথেলী লিপিৰ আখৰ লতীয়া। ইয়াত পাকৰ সংখ্যা বেছি। আখৰ সমান গঢ়ৰ; সুন্দৰ আৰু ফটফটীয়া।

**৫.৩.০ আধুনিক অসমীয়া লিপি ঃ**

অসমত ব্ৰিটিছ ৰাজত্বৰ আৰম্ভণিৰ লগে লগে অসমীয়া লিপিৰো আধুনিক যুগৰ সূচনা হ'ল বুলি ক'ব পাৰি। আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলে অসমীয়াত কিতাপ-পত্ৰ, আলোচনী আদি ছপাবৰ বাবে মেছিনত কটা লিপিয়েই হ'ল আধুনিক অসমীয়া লিপি। মিছনেৰীসকলৰ হাততেই সাঁচিপতীয়া অসমীয়া আখৰে ছপাৰূপ লাভ কৰে। ১৮১৩ খ্ৰীষ্টাব্দত ছপাৰূপ লাভ কৰা আত্মাৰাম শৰ্মাৰ বাইবেলৰ প্ৰথম সংস্কৰণত সাঁচিপাতৰ আখৰৰ ছপা গঢ় ব্যৱহৃত হৈছিল। অসমীয়াত ছপা আখৰ প্ৰচলন হোৱাৰ লগে লগে অসমীয়া আখৰৰ গঢ়ে সুকীয়া ৰূপ ধাৰণ কৰে।

গতিকে ক'ব পাৰি যে অসমীয়া লিপি পূব ভাৰতৰ এটা স্বতন্ত্ৰ লিপি। ব্ৰাহ্মী লিপি আৰু ইয়াৰ পৰৱৰ্তী বিকশিত ৰূপ গুপ্তলিপি হৈছে অসমীয়া লিপিৰ মূল। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা আৰম্ভ কৰি উনবিংশ শতিকালৈকে বিভিন্ন সময়ত অসমত পোৱা শিলালিপি, তামৰ ফলি আৰু সাঁচিপতীয়া পুথিৰ মাজেদি বিকাশ লাভ কৰি অসমীয়া লিপিয়ে বৰ্তমানৰ আধুনিক ৰূপ লাভ কৰিছে। ⌘

**প্ৰসংগ সূত্ৰ ঃ**


১। গোস্বামী, ড° উপেন্দ্ৰনাথ, অসমীয়া লিপি, পৃ. ১৩

২। দাস, ড° নাৰায়ণ, বিশ্বলিপিৰ ভূমিকা, পৃ. ৫০

৩। শৰ্মা, ড° সত্যেন্দ্ৰনাথ, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তি, পৃ. ৪৪১

৪। দাস, ড° নাৰায়ণ, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩১

৫। দাস, ড° নাৰায়ণ, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৫০

৬। শৰ্মা, ড° সত্যেন্দ্ৰনাথ, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৪৪০

৭। গোস্বামী, ড° উপেন্দ্ৰনাথ, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৪

৮। কটকী, সৰ্বেশ্বৰ, অসমীয়া প্ৰাচীন লিপি, পৃ. ২১

৯। গোস্বামী, ড° উপেন্দ্ৰনাথ, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৪, ২৫

১০। শৰ্মা, সত্যেন্দ্ৰনাথ, পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৪৪২


**সহায়ক গ্ৰন্থপঞ্জী—**


কটকী, সৰ্বেশ্বৰ ঃ অসমীয়া প্ৰাচীন লিপি, গুৱাহাটী, তৃতীয় প্ৰকাশ, ২০০৩

গোস্বামী, উপেন্দ্ৰনাথ ঃ অসমীয়া লিপি, মণিমাণিক প্ৰকাশ, গুৱাহাটী, অষ্টম সংস্কৰণ, ২০১০

দাস, নাৰায়ণ ঃ বিশ্বলিপিৰ ভূমিকা, বীণা লাইব্ৰেৰী, গুৱাহাটী, ষষ্ঠ সংস্কৰণ, ২০০৪

বৰুৱা, ড০ অনুপ ঃ অসমীয়া ভাষা আৰু লিপি, কৌস্তভ প্ৰকাশন, ডিব্ৰুগড়

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, গুৱাহাটী, দশম সংস্কৰণ, ২০১১

কোঁৱৰ, অৰ্পণা ঃ অসমীয়াৰ উপভাষা আৰু লিপি, বনলতা, ডিব্ৰুগড়।





# মুন্সী প্ৰেমচন্দ আৰু তেওঁৰ গল্প ‘খুৰী আইতা’ (বুঢ়ী কাকী)

০ ড° ৰীতা বৰা,
উপাধ্যক্ষ

হিন্দী আৰু উৰ্দু দুয়োটা ভাষাতে গল্প আৰু উপন্যাস ৰচনা কৰি আধুনিক ভাৰতীয় সাহিত্য জগতত নিজৰ নাম প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা মুন্সী প্ৰেমচন্দৰ প্ৰকৃত নাম আছিল ধনপত ৰায় শ্ৰীবাস্তৱ। এই গৰাকী বৰেণ্য সাহিত্যিকৰ জন্ম হৈছিল ১৮৮০ চনৰ ৩১ জুলাইত উত্তৰ প্ৰদেশৰ বাৰাণসীৰ লমহী নামে গাঁৱত। তেওঁৰ পিতৃৰ নাম অজায়ত ৰায়, তেওঁ এগৰাকী ডাকঘৰৰ কৰ্মচাৰী আছিল আৰু মাতৃ আনন্দী দেবী এগৰাকী গৃহিণী। মুন্সী প্ৰেমচন্দ পিতৃ-মাতৃৰ চতুৰ্থ সন্তান আছিল। প্ৰেমচন্দই তেওঁৰ শৈশৱ গাঁৱৰ পৰিৱেশত আৰু যৌথ পৰিয়ালত পাৰ কৰিছিল। পঢ়াশলীয়া শিক্ষাও আৰম্ভ কৰিছিল গাঁৱৰ এখন মাদ্ৰাছা স্কুলত। ইয়াতে তেওঁ উৰ্দু আৰু পাৰ্চী ভাষা শিকিছিল। পৰৱৰ্তী তেওঁ মিছনেৰী স্কুলত ভৰ্তি হয় আৰু তাতে ইংৰাজী ভাষা শিকে। তেওঁৰ আঠ বছৰ বয়স হওঁতে মাতৃৰ বিয়োগ হয়। মাতৃৰ মৃত্যুৰ পাছত প্ৰেমচন্দৰ প্ৰতিপালৰ দায়িত্ব আইতাকে মূৰ পাতি লয়। কিন্তু আইতাকৰো সোনকালে মৃত্যু হয়। এনে পৰিস্থিতিত উপায়ন্তৰ হৈ প্ৰেমচন্দৰ দেউতাকে দ্বিতীয় বিবাহ কৰে। উল্লেখ্য যে মাহী মাকৰ লগত শিশু প্ৰেমচন্দৰ কোনো মমতাপূৰ্ণ সম্পৰ্ক গঢ় লৈ নুঠিল। সেই সময়ত প্ৰেমচন্দ আছিল মানসিকভাৱে অকলশৰীয়া আৰু উদাস।

জীৱন সম্পৰ্কে বহুতো অভিজ্ঞতা প্ৰেমচন্দই অতি কম বয়সতে লাভ কৰিছিল। মাতৃৰ মৰমৰ পৰা বঞ্চিত হোৱা প্ৰেমচন্দই নৱম শ্ৰেণীত পঢ়ি থাকোতে মাত্ৰ পোন্ধৰ বছৰ বয়সতে বিয়া কৰাইছিল। ১৮৯৭ চনত তেওঁ মেট্ৰিক পাছ কৰিছিল আৰু সেই বছৰতে তেওঁৰ পিতৃৰো মৃত্যু হৈছিল। সেই কাৰণে তেওঁ উচ্চশিক্ষাৰ বাবে কোনো শিক্ষা অনুষ্ঠানত ভৰ্তি হ'ব নোৱাৰিলে। ইটোৰ পাছত সিটোকৈ প্ৰেমচন্দৰ জীৱনলৈ বিভিন্ন সমস্যা আহিল। সংসাৰ চলোৱাৰ গধুৰ দায়িত্ব তেওঁৰ ওপৰতে ন্যস্ত হ'ল। ঘৰ চলাবলৈ উপায়হীন প্ৰেমচন্দে প্ৰথমে এগৰাকী ঘৰুৱা শিক্ষক ৰূপে বাৰাণসীৰ এগৰাকী উকীলৰ পুত্ৰক পঢ়ুৱাবলৈ লয়। মাহে পাঁচ টকা পাৰিশ্ৰমিকত। ঘৰুৱা শিক্ষকৰূপে কাম কৰাৰ কেইবছৰমান পাছত ১৯০০ চনত তেওঁ এখন চৰকাৰী স্কুলৰ সহকাৰী শিক্ষকৰূপে নিযুক্তি লাভ কৰে। সেই সময়ৰ পৰাই তেওঁৰ আৰ্থিক জীৱন কিছু সুস্থিৰ হয় আৰু লিখা-মেলা কৰ্মত মনোনিবেশ কৰে। লেখক জীৱনৰ প্ৰথমচোৱাত তেওঁ 'নবাব ৰায়' এই ছদ্ম নামেৰে উৰ্দু ভাষাত লিখিবলৈ লয়। পৰৱৰ্তী সময়ত তেওঁ 'নবাব ৰায়'ৰ পৰিৱৰ্তে মুন্সী প্ৰেমচন্দ এই ছদ্মনাম লয় আৰু এই নামেৰে তেওঁৰ লেখক জীৱনৰ সৌভাগ্যৰ দুৱাৰ মুকলি হয়। আধুনিক ভাৰতীয় সাহিত্যত মুন্সী প্ৰেমচন্দ নামেৰে তেওঁ প্ৰতিষ্ঠা আৰু জনপ্ৰিয়তা লাভ কৰে। তেওঁৰ প্ৰথমখন উপন্যাস উৰ্দু ভাষাত লিখা। উপন্যাসখনৰ নাম 'অসৰাৰে ম-আবিদ (Asrar-e Ma'bid), হিন্দীত উপন্যাসখনৰ নাম 'দেৱস্থানৰ ৰহস্য'। উপন্যাসখনত মন্দিৰৰ পূজাৰীসকলৰ লোভ-লালসা আৰু মহিলাসকলৰ লগত তেওঁলোকৰ যৌন ব্যভিচাৰীৰ কথা উপস্থাপন কৰা হৈছে। প্ৰেমচন্দই বহুকেইখন উপন্যাস আৰু প্ৰায় তিনিশমান গল্প ৰচনা কৰাৰ লগতে নাটক, প্ৰবন্ধ, শিশু সাহিত্য, অনুবাদ গ্ৰন্থ ৰচনা কৰি ভাৰতীয় সাহিত্যক সমৃদ্ধিশালী কৰি গৈছে। প্ৰেমচন্দৰ মৃত্যু হয় ৮ অক্টোবৰ, ১৯৩৬ চনত বাৰাণসীত।

**প্ৰেমচন্দ্ৰৰ সাহিত্য কৃতি ঃ**

**উপন্যাস ঃ** (১) অসৰাৰে ম-আবিদ (২) গবন (৩) গোদান (৪) কৰ্মভূমি (৫) কায়াকল্প (৬) মনোৰমা (৭) মঙ্গলসূত্ৰ (৮) নিৰ্মলা (৯) প্ৰতিজ্ঞা (১০) প্ৰেমাশ্ৰম (১১) ৰংগভূমি (১২) বৰদান (১৩) মেৰা খুন ইত্যাদি।

**গল্প সংকলন ঃ** (১) সপ্ত সৰোজ (২) নমক কা দাৰোগা (৩) প্ৰেম পচিসী (৪) প্ৰেম সূদন (৫) সোজে ৱটন (৬) নৱনিধি (৭) প্ৰেম পূৰ্ণিমা (৮) প্ৰেম দ্বাদশী (৯) প্ৰতিমা (১০) প্ৰেম প্ৰমোদ (১১) প্ৰেম তীৰ্থ (১২) প্ৰেম চতুৰ্থী (১৩) প্ৰেম পঞ্চমী (১৪) প্ৰেমেৰ অঙ্গীকাৰ (১৫) নৱজীৱন (১৫) পঞ্চ প্ৰসূন আদি।

**শিশু সাহিত্য ঃ** (১) বাল কাহানীয়া সম্পূৰ্ণ (২) মন মুদক (৩) ৰাম চৰ্চা।

**জীৱনী ঃ** মহাত্মা শেখসাদী।

**অনুবাদ গল্প সংকলন ঃ** (১) টলষ্টয়ৰ গল্প (২) সুখদাস (৩) অহংকাৰ (৪) ছান্দ কী ডিবিয়া (৫) ন্যায় বিচাৰ (৬) হৰটাল ইত্যাদি।

**সম্পাদক ৰূপে ঃ** (১) 'জাগৰণ' বাতৰি কাকতৰ সম্পাদনা। (২) 'হংস' নামেৰে মাহেকীয়া সাহিত্য পত্ৰিকাৰ সম্পাদনা।

তেওঁৰ কাহিনীৰ আধাৰত নিৰ্মিত কেইখনমান চিনেমা — (১) মজদুৰ (২) সেৱাসদন (৩) গোদান (৪) গবন (৫) শতৰঞ্জকে খিলাড়ী।

মুন্সী প্ৰেমচন্দৰ বৈচিত্ৰ্যপূৰ্ণ আৰু বৰ্ণাঢ্য সৃষ্টিশীল সাহিত্যই ভাৰতীয় সাহিত্য চহকী কৰি গৈছে। প্ৰখ্যাত ভাৰতীয় তথা বাংলা সাহিত্যিক শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ে হিন্দী উপন্যাস সাহিত্যৰ 'উপন্যাস সম্ৰাট' বুলি প্ৰেমচন্দক অভিহিত কৰিছে। হিন্দী গল্প আৰু উপন্যাস সাহিত্যৰ বুৰঞ্জীত ১৯১৮ চনৰ পৰা ১৯৩৬ চনলৈকে এই সময়ছোৱাক প্ৰেমচন্দৰ যুগ বুলি নামকৰণ কৰিছে। এই কথাই সাহিত্যিকগৰাকীৰ প্ৰভাৱশালী প্ৰতিভাৰ কথাকে প্ৰতিপন্ন কৰে।

এইগৰাকী মহান লেখকৰ ব্যক্তিগত জীৱনৰ বিষয়ে অধ্যয়ন কৰিলে দেখা যায় যে তেওঁৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ কিছু সময় একেবাৰে সুখৰ নাছিল। তেওঁৰ পত্নী আৰু মাহীয়েকৰ মাজত অলপো সদ্ভাৱ নাছিল, তেওঁলোকৰ মাজত অহৰ্নিশে কন্দলেই হৈ আছিল আৰু এটা সময়ত মুন্সীৰ পত্নীয়ে তেওঁক আৰু সংসাৰ ত্যাগ কৰি পিতৃ গৃহলৈ গুছি গৈছিল। প্ৰেমচন্দই আৰ্য সমাজৰ নীতি আদৰ্শক শ্ৰদ্ধা কৰিছিল আৰু বিধবা বিবাহৰ সমৰ্থন কৰিছিল। সেয়ে তেওঁ ১৯০৬ চনত শিৱৰাণী দেৱী নামৰ এগৰাকী বিধবাক বিয়া কৰাইছিল।

প্ৰেমচন্দৰ সৃষ্টিশীল সাহিত্যৰ সকলো সমল তেওঁৰ সমসাময়িক সমাজখনৰ পৰাই সংগ্ৰহ কৰিছিল। তেওঁ সমকালীন সমাজখনত জাত-পাতৰ বিচাৰ, ৰক্ষণশীল দৃষ্টিভংগী, মহিলা নিগ্ৰহ, শ্ৰমজীৱি মহিলাসকলৰ দুৰ্দশাগ্ৰস্ত জীৱন, শিক্ষা, সংস্কাৰ, অস্পৃশ্যতা, গ্ৰামীন জীৱন আৰু সমাজ আদিৰ বিষয়ে সমাজক সজাগ কৰিবলৈ কলম হাতত তুলি লৈছিল। তেওঁৰ গল্পসমূহ আৰু উপন্যাসসমূহত এনে বিষয়বস্তুৱে স্বাভাবিকতে অগ্ৰাধিকাৰ লাভ কৰিছিল। তেওঁৰ উৎকৃষ্ট আৰু সৰ্বজন সমাদৃত গল্পসমূহৰ ভিতৰৰে এটা গল্প হ'ল 'বুঢ়ী কাকী'।

‘বুঢ়ী কাকী’ গল্পটো ‘খুৰী আইতা’ নাম দি অসমীয়া ভাষালৈ অনুবাদ কৰিছে ড° নীৰাজনা মহন্ত বেজবৰাই। গল্পটোৰ কাহিনী অতি মৰ্মস্পৰ্শী। গল্পটোত মানৱ জীৱনৰ বৃদ্ধ কালৰ এখন কৰুণ ছবি অংকন কৰা হৈছে। গল্পটোত মূল চৰিত্ৰ ‘খুড়ী আইতা’ৰ নিঃসংগ জীৱনৰ বেথাভৰা কাহিনীৰ সুন্দৰ প্ৰতিফলন ঘটিছে। খুড়ী আইতা এগৰাকী বয়সে গৰকা বৃদ্ধা। এই সংসাৰত তেওঁৰ নিকট আপোন কোনো নাই। স্বামী আৰু দুগৰাকী পুত্ৰৰ ইতিমধ্যে মৃত্যু ঘটিছে। আপোন বুলিবলৈ আছে এজন ভতিজাক - নাম বুদ্ধিৰাম। এই বুদ্ধিৰামৰ নামতে তেওঁ সমস্ত সম্পত্তি লিখি দি তেওঁৰ আশ্ৰয়তে দিন অতিবাহিত কৰিছে। কোনো আশা, কল্পনা, সপোন নথকা খুৰী আইতাৰ এতিয়া মাথো এটি শিশুৰ দৰে সু-স্বাদু আহাৰ খোৱা জিভাৰ জুতিহে আছে আৰু আছে অলপতে ঠেহ-পেচ লগা, দুখ লগা স্বভাৱ। কিন্তু এই স্বভাৱো দীৰ্ঘস্থায়ী নহয়; খন্তেকীয়াহে। গল্পটোৰ বহু ঠাইত এই কথা স্পষ্ট হৈছে।

খুড়ী আইতাৰ গল্পটোৰ কাহিনী চমুকৈ এনে ধৰণৰ - ‘বুঢ়ী কাকী’ বা খুৰী আইতাৰ এই পৃথিৱীত একমাত্ৰ ভতিজাক পণ্ডিত বুদ্ধিৰাম আৰু তেওঁৰ পৰিয়ালটো আছে। তেওঁলোকৰ আশ্ৰয়তে খুৰী আইতাই জীৱন অতিবাহিত কৰিছে। কিন্তু এইয়া তেওঁৰ প্ৰতি বুদ্ধিৰাম আৰু তেওঁৰ পৰিয়ালৰ দয়া অথবা মৰম একো নহয়। খুড়ী আইতাক আশ্ৰয় দিছে তাৰ বিনিময়ত তেওঁৰ সমস্ত সম্পত্তি লাভ কৰিছে। বুদ্ধিৰামৰ বাৰ্ষিক উপাৰ্জনৰ গৰিষ্ঠ সংখ্যকেই খুড়ী আইতাৰ সম্পত্তিৰ পৰা অহা। তৎস্বত্বেও এই পৰিয়ালটোৰ পৰা বৃদ্ধা আইতাই আন্তৰিক মৰম শুশ্ৰূষা আৰু সময়মতে পেট পুৰাই খাবলৈ নাৰায়। অৱশ্যে মাজে মাজে বুদ্ধিৰামে এই কথা ভাবে যে তেওঁৰ আৰ্থিক অৱস্থা টনকিয়াল হোৱাৰ মূলতে খুড়ী আইতাৰ সম্পত্তিহে, সেয়ে খুড়ীয়েকক শ্ৰদ্ধা কৰাৰ কথা ভাবিলেও এইভাৱ খন্তেকীয়াহে। ৰূপা বুদ্ধিৰামৰ পত্নী, তাইয়ো স্বভাৱত উগ্ৰ আৰু স্বামীৰ অনুগামী। অৱশ্যে ৰূপাই ভগৱানলৈ ভয় কৰে। তেওঁলোকৰ ল’ৰা দুটাৰ আইতাকৰ প্ৰতি কোনো মৰম বা অনুকম্পা নাই। কিন্তু বুদ্ধিৰামৰ অকণমানি ছোৱালীজনীৰ কেৱল আইতাকৰ প্ৰতি নিঃস্বাৰ্থ ভালপোৱা আছে। খুড়ী আইতাৰ এতিয়া কেৱল এটাই চিন্তা কেনেকৈ ভাল খোৱা বস্তু পেট পুৰাই খাবলৈ পায়। ভোক সহ্য কৰিব নোৱাৰা খুড়ী আইতাই খাবলৈ নেপালে ৰাউচি জুৰি কান্দে। এই সৰল মনৰ শিশুৰ দৰে তেওঁ ভোকত কান্দে আৰু খাবলৈ পালে সন্তুষ্ট হয়। এইখিনি খুড়ী আইতাৰ বাৰ্দ্ধক্য জীৱনৰ দৈনন্দিন ঘটনা। গল্পৰ কাহিনীয়ে নতুন গতি লৈছে বুদ্ধিৰামৰ ঘৰত আয়োজিত হোৱা তিলক উৎসৱৰ দিনা। বুদ্ধিৰামৰ ডাঙৰ পুত্ৰ সুখৰামৰ ‘তিলক উৎসৱৰ বিৰাট আয়োজন। নিমন্ত্ৰিত অতিথিসকল আহিছে, আহিছে গাঁও আৰু তেওঁলোকৰ চুবুৰীৰ মানুহবোৰ। সন্ধিয়া পৰত ঘৰত চেনাই বাজিছে, গাঁৰৰ ল’ৰা-ছোৱালীহঁতে চাৰিওফালে ঘেৰি লৈ গান বাজনা উপভোগ কৰিছে। তিৰোতা বিলাকে তিলক উৎসৱৰ গীত গাইছে। গৃহিণী ৰূপা অতিথি শুশ্ৰূষাৰ বাবে বৰ ব্যস্ত হৈ পৰিছে। ঘিঁউ মচলাৰে বিধে বিধে সুস্বাদ্য আহাৰ প্ৰস্তুত হৈ আছে বুদ্ধিৰামৰ গৃহত। কচুৰি, লুচি, জেলেপীৰ ‘মোক খা’ ‘মোক খা’ গোন্ধে অকলশৰীয়া আন্ধাৰময় কোঠাত শুই থকা খুড়ী আইতাক অস্থিৰ কৰিছে। তেওঁৰ ভোকটো দুগুণে বাঢ়িবলৈ ধৰিলে। মনতে ভাবিলে কিয় কোনেও তেওঁলৈ খোৱা বস্তু লৈ অহা নাই। এতিয়া মানে সকলোৱে খালেই চাগৈ। তেওঁলৈ থাকিবনে বাৰু এই সু-স্বাদ্যু খাদ্যবোৰ। এনেভাৱে বৃদ্ধাৰ মনটো ব্যাকুল কৰিলে। তেওঁৰ চিঞৰি চিঞৰি কান্দিবৰ মন গ’ল, কিন্তু উৎসৱৰ পৰিবেশত অমঙ্গল পৰিস্থিতিৰ সৃষ্টি হোৱাৰ ভয়তে তেওঁ নিজক সম্বৰণ কৰিলে।

বুদ্ধিৰামৰ ঘৰৰ সেই উৎসৱৰ পৰত সকলো নিজৰ কামত ব্যস্ত হৈ থাকিল। কাৰো বৃদ্ধাক এষাৰ মাতো দিবলৈ অৱকাশ নহ’ল। আনফালে বন্ধকোঠাৰ শেতেলীত পৰি থকা আইতাই কোনোবা আহিব, তেওঁক লুচি জেলেপী, কচুৰি খাবলৈ দিবহি বুলি বাট চাই ভাগৰি পৰিল। তেওঁ ভাবিলে - “পুৱা গধুলি শুকান ৰুটি এডোখৰৰ মুখ দেখাও টান হৈছে যি ক্ষেত্ৰত, পেট ভৰাই লুচি ভাজি খাবলৈনো আমাৰ কপালে সাধি আহিছেনে”। অৱশেষত খুড়ী আইতাই কিন্তু নিজক চম্ভালিব নোৱাৰি হাতেৰে বগুৱা বাই বাই বেলেগ বেলেগ সময়ত দুবাৰ বাহিৰলৈ ওলাই গ’ল। প্ৰথমবাৰ বোৱাৰীয়েক ৰূপাৰ দ্বাৰা তেওঁ চূড়ান্ত অপমানিত হ’ল। ৰূপাই গাঁৰৰ মানুহৰ আগতে খঙত উগ্ৰমূৰ্তি ধৰি বৃদ্ধাগৰাকী দুইহাতে ধৰি জোকাৰি জোকাৰি অনেক অপমান কৰিলে। এই অপমানত খুড়ী আইতাই একো এফাকি নক’লে আৰু নাকান্দিলে। সমস্ত দুখ-অপমান বুকুত সামৰি অহা বাটে চুচৰি চুচৰি কোঠালৈ গ’লগৈ। কোঠাত সোমাই খুড়ী আইতাৰ মনে মনে অনুশোচনাহে হ’ল। তেওঁ বোৱাৰীয়েকক অকণো দোষ নিদিলে। মনতে ভাবিলে এইবাৰ কোনোবাই মাতিলেহে তেওঁ খাবলৈ ওলাই যাব। কিন্তু কোনো নাহিল। সময় যথেষ্ট হ’ল। খুড়ী আইতা এইবাৰো আগৰদৰে চুচৰি চুচৰি ৰভাৰ তল পালেগৈ। সেই সময়ত সকলোৱে খাই আছিল। নিমন্ত্ৰিত আলহীসকলে বৃদ্ধাক চিনি নাপায়। সেয়ে দুজনমানে খোৱাৰ পাতৰ পৰা থিয় হৈ - “আৰে আৰে এইজনী ক’ৰ বুঢ়ী? কেনেকৈ সোমালহি ইয়াত? চাব চাব দেই, জাত-পাত বা কি?

কি কথা কি বতৰা, কাৰোবাক চুব লাগিলে সৰ্বনাশ” বুলি চিঞৰিলে। সেই সময়তে বুদ্ধিৰামে সেই দৃশ্য দেখি খঙত খুড়ীয়েকক চোচৰাই নি কোঠালিত গতামাৰি সুমুৱাই থৈ আহিল। বৃদ্ধাগৰাকী তেতিয়া অচেতন হৈ পৰিল। কিমান পৰ তেওঁ সংজ্ঞাহীন হৈ আছিল নাজানে। যেতিয়া সাৰ পালে তেতিয়া বুদ্ধিৰামৰ ঘৰৰ পৰিৱেশ শান্ত, নিস্তব্ধ। মাজনিশা নাতিনী কণমানি লাড়লীয়ে তাইৰ নিজৰ ভাগৰ অলপমান লুচি মনে মনে আইতাকক দিলেগৈ। বৃদ্ধকালটো যেন এক ভয়ঙ্কৰ ভোক আৰু তৃষ্ণাৰ অসুৰহে। সেই সময়ত মনৰ সকলো ইচ্ছা খোৱা কথাতেই কেন্দ্ৰীভূত হয়। দুখনমান লুচিয়ে খুড়ী আইতাকৰ ভোকৰ প্ৰৱণতা বৃদ্ধিহে কৰিলে। মাজনিশা ভোক সহিব নোৱাৰি তেওঁ লাড়লীৰ সহায়ত বগুৱা বাই গৈ চুৰাপাতনি পালেগৈ আৰু তাত পৰি থকা এৰেহা পাতৰ লুচি আৰু কচুৰিৰ টুকুৰা বিচাৰি বিচাৰি পৰম তৃপ্তিৰে খাবলৈ ধৰিলে।

দিনটোৰ পৰিশ্ৰমৰ বাবে ৰূপা লাল-কাল টোপনিত আছিল; হঠাতে সাৰ পাই তেওঁৰ কাষত কণমানি লাড়লীক নেদেখি বিচাৰ-খোচাৰ কৰোতে সেই ভয়ঙ্কৰ দৃশ্য চকুত পৰিল। মাজনিশা এগৰাকী বৃদ্ধা ব্ৰাহ্মণীয়ে চুৰাপাতনিত লোকৰ এৰেহা খাই থকা দৃশ্যই ৰূপাক আতংকিত কৰিলে; ভয়ানক বিপদৰ আগজাননীৰ সংকেত যেন অনুমান কৰি তাই কঁপিবলৈ ধৰিলে। তাই ভাবিলে এনে অধৰ্ম কৰ্মৰ পাপৰ ভাগ কোনে ল'ব। ৰূপাই বিধে বিধে খোৱা বস্তুৰে এখন কাঁহী সজাই আনি খুৰীয়েকক খাবলৈ মাতিলে। নিজৰ স্বাৰ্থপৰতা আৰু বুঢ়ীৰ প্ৰতি কৰা চৰম অনিহাৰ বাবে খুড়ীয়েকৰ ওচৰত ক্ষমা বিচাৰিলে। আৰু ভগৱানেও যাতে এনে পাপ কৰ্মৰ বাবে ৰূপাক ক্ষমা কৰে তাৰ বাবে শাহুয়েকক ভগৱানক প্ৰাৰ্থনা কৰিবলৈ ক'লে। এটা কণমানি শিশুৱে যেনেকৈ খাবলৈ পালে ঠেহ-পেছ, দুখ-অভিমান সকলো পাহৰি যায় ঠিক একেদৰে খুৰী আইতায়ো সকলো পাহৰি পৰম তৃপ্তিৰে খাবলৈ ধৰিলে আৰু পৰিয়ালটোৰ প্ৰতি সদিচ্ছা আৰু কৃতজ্ঞতাত অভিভূত হৈ পৰিল, খুড়ী আইতাৰ মুখখন উজ্জ্বলি উঠিল। সেই সৰগীয় দৃশ্য বোৱাৰী ৰূপাই উপভোগ কৰিলে একান্তমনে। গল্পটোৰ মূল কথা ইমানেই।

প্ৰেমচন্দ হিন্দী সাহিত্যৰ এগৰাকী প্ৰসিদ্ধ গল্পকাৰ আৰু ঔপন্যাসিক। তেওঁ সমকালীন সমাজ জীৱনৰ পৰা সাহিত্যৰ সমল বুটলি লৈছিল। তেওঁৰ প্ৰতিখন উপন্যাস বা প্ৰতিটো গল্পৰ সৃষ্টিৰ আঁৰত একোটা উদ্দেশ্য আছিল। তেওঁৰ কাহিনীৰ উদ্দেশ্য কেৱল মনোৰঞ্জন বা সাহিত্যৰ সোৱাদ দিয়াই নহয়। তেওঁৰ গল্প উপন্যাসৰ কাহিনীৰ উদ্দেশ্য হ'ল জীৱনৰ লগত জড়িত যিকোনো সমস্যা উদ্‌ঘাটন কৰা আৰু তাৰ এটা সমাধান সূত্ৰ উলিওৱা। পাঠকক সাহিত্যৰ নান্দনিক আনন্দ দান কৰাৰ লগতে সমাজ সংস্কাৰ কৰিব পৰা কিছুমান দিশো তেওঁৰ সাহিত্যৰ মাজতে উন্মোচিত হৈছে। তেওঁৰ বাছকবনীয়া গল্পসমূহৰ মাজৰে এটা শ্ৰেষ্ঠ গল্প গ'ল 'বুঢ়ী কাকী' বা 'খুৰী আইতা' গল্পটো। এই গল্পটোত গল্পকাৰ মুন্সী প্ৰেমচন্দে এটা সামাজিক বাতাবৰণ বা সামাজিক পৰিৱেশ চিত্ৰণ কৰিছে। এই বাতাবৰণ যথেষ্ট প্ৰভাৱশালী। কাৰণ 'খুৰী আইতা' কেৱল এগৰাকী ব্যক্তি নহয়। তেওঁ এখন সমাজৰ সেই স্তৰৰ অৰ্থাৎ বৃদ্ধ মানুহৰ প্ৰতিনিধি। গতিকে খুৰী আইতাৰ মাজত সমাজৰ বয়সস্থ পুৰুষ-নাৰীৰ বিভিন্ন সমস্যা, শাৰীৰিক, মানসিক স্থিতি, বাসনা, লোভ আদি সকলো কথাই প্ৰকাশ পাইছে। বৃদ্ধকালতো জীৱনৰ সন্ধ্যাকাল। গল্পকাৰে ক'বলৈ বিচাৰিছে যে মনুষ্য জীৱনৰ এই সময়চোৱাত মন, শৰীৰ সকলো প্ৰকাৰে দুৰ্বল হৈ পৰে, ব্যৱহাৰ শিশুৰ দৰে হয়। বৃদ্ধ-বৃদ্ধাসকল সকলোৱে পৰা উপেক্ষিত হয়, ঘৰুৱা বা সামাজিক অনুষ্ঠানসমূহত তেওঁলোকক সহযোগ কৰিবলৈ দিয়া নহয় বা তেওঁলোকে অসুবিধা পাব বুলি পৰিয়ালৰ লোকে তেওঁলোকক আঁতৰাই ৰাখে। এনেদৰে উপেক্ষিত হৈ তেওঁলোক মানসিকভাৱে দুখী হয় আৰু অস্তিত্বহীন হৈ পৰে। এই সমস্ত কথা খুৰী আইতাৰ ক্ষেত্ৰতো প্ৰযোজ্য হৈছে। গল্পটোৰ এইখিনি বক্তব্যই এক বিশ্বজনীন ৰূপো লাভ কৰিবলৈ সক্ষম হৈছে কাৰণ এয়া সকলো বৃদ্ধ মানুহৰ সমস্যা। খুৰী আইতাক পৰিয়ালে উপেক্ষা কৰিছে, মানসিকভাৱে কষ্ট দিছে। প্ৰেমচন্দই ইয়াৰ মাজেৰে সকলো সমাজলৈ এনে এক বাৰ্তা দিব বিচাৰিছে যে কেতিয়াও বৃদ্ধলোকসকলক উপেক্ষা আৰু নিঃসংগ কৰিব নালাগে, নালাগে মানসিক কষ্ট দিব।

'খুৰী আইতা' গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ খুৰী আইতা। এই চৰিত্ৰটোক কেন্দ্ৰ কৰিয়েই কাহিনী নিৰ্মাণ হৈছে, কাহিনীত সংঘাত সৃষ্টি হৈছে এইটো চৰিত্ৰক লৈয়ে। কিন্তু খুৰী আইতা এটা সৎ চৰিত্ৰ। পৰিস্থিতিত নিজক পৰিৱৰ্তন কৰিব পৰা চৰিত্ৰ। তেওঁৰ বাবে আনে অশান্তি পালেও তেওঁ কাকো অশান্তি দিয়া নাই। তেওঁ ভাতিজা বুদ্ধিৰামৰ আশ্ৰয়ত আছে তাৰ বিনিময়ত তেওঁৰ সমস্ত মাটি-সম্পত্তি বুদ্ধিৰামক লিখি দিছে। বুদ্ধিৰাম আৰু তেওঁৰ পত্নীৰ কেটেৰা-জেঙেৰা সহি কোনো প্ৰতিবাদ নকৰাকৈ তেওঁ তাতে আশ্ৰয় লৈছে। মাথো বিচাৰিছে পেট পুৰাই আৰু জুতি লগাই এসাজ খাবলৈ। ৰূপাৰ উগ্ৰমূৰ্তি, কঠোৰ ব্যৱহাৰ আৰু বুদ্ধিৰামৰ তেওঁৰ প্ৰতি কৰা অসৎ আৰু অপমানজনক আচৰণৰ পাছতো তেওঁ ভগৱানক পৰিয়ালটোৰ মঙ্গলৰ বাবে প্ৰাৰ্থনা কৰিছে।

গল্পটোৰ আন এটা চৰিত্ৰ বুদ্ধিৰাম। তেওঁ অতি

স্বাৰ্থপৰ। লোভ-লালসাৰে ভৰা এক বিচিত্ৰ চৰিত্ৰ তেওঁৰ। প্ৰথমে খুড়ীয়েকৰ পৰা মাটি-সম্পত্তি সৰকাবলৈ বৰ মিঠা ব্যৱহাৰ। বৃদ্ধাক আশ্ৰয় দিয়া আৰু খুৱাই-বুৱাই ৰখাৰ বাবে খঙাল ব্যৱহাৰ। মাজে মাজে খুড়ীয়েকৰ প্ৰতি কৃতজ্ঞতাৰ ভাৱ আহিলেও বাস্তৱত কিন্তু তেওঁ খুড়ীয়েকক ৰূঢ় ব্যৱহাৰ আৰু অপমানহে কৰে। বুদ্ধিৰামক এটা অকৃতজ্ঞ বা অশলাগী চৰিত্ৰৰূপে অংকন কৰা হৈছে।

'খুৰী আইতা' গল্পটোৰ কাহিনীত সংঘাত সৃষ্টি কৰাত ভতিজা বোৱাৰী ৰূপাৰ ভূমিকা অন্যতম। তেওঁ স্বামীৰ স্বভাৱৰ অনুগামী, খঙাল। শাহুয়েকৰ প্ৰতি কোনো সময়তে দয়াশীল বা শ্ৰদ্ধাশীল নহয়। কিন্তু তেওঁ ভগৱানক ভয় কৰে আৰু পাপলৈও ভয় কৰে। গল্পৰ কাহিনীৰ শীৰ্ষ বিন্দুত ৰূপাৰ পাপ আৰু ভগৱানলৈ ভয় কৰা কথা অৱতাৰণা কৰা হৈছে প্ৰসংগক্ৰমে। যেতিয়া খুড়ী আইতাই চুৰা-পাতনিত লোকে খোৱা খাদ্যৰ অৱশিষ্ট বিচাৰি খাই আছিল তেতিয়া ৰূপাৰ অন্তৰাত্মা কঁপি উঠিছিল। তেতিয়াহে তেওঁ এগৰাকী বিধৱা ব্ৰাহ্মণ বৃদ্ধাই এনে কাৰ্য কৰাটো কিমান ভয়ানক আৰু তেওঁনো কিয় এনে কাৰ্য কৰিব লগা হ'ল সেই কথা ভাবি ভয় খালে। তেওঁ ভয় খালে তেওঁৰ পৰিয়ালক খুড়ী আইতাই অভিশাপ দিব বুলি। প্ৰেমচন্দৰ গল্পত প্ৰায়ে এনে আত্মগ্লানিত দগ্ধ হোৱা চৰিত্ৰ উপস্থাপন কৰা হয়। তেওঁ গল্পৰ মাজেৰে এটা কথাই ক'বলৈ যত্ন কৰিছিল যে যেতিয়ালৈকে মানুহে নিজৰ দোষ স্বয়ং উপলব্ধি কৰিব নোৱাৰে তেতিয়ালৈকে তেওঁ সংশোধন নহয়। ৰূপা তাৰে উদাহৰণ।

লাড়লী চৰিত্ৰৰ মাজেৰে প্ৰেমচন্দই মানৱীয় গুণ আৰু মানৱীয় সহানুভূতিৰ ভাৱ সৃষ্টি কৰিছে। লাড়লীৰ আইতাকৰ প্ৰতি থকা মৰম ভালপোৱাৰ মাজেৰে এটা কথা গল্পকাৰে ক'ব বিচাৰে যে সমাজ আৰু সম্পৰ্ক বৰ্তি থাকিবলৈ এই মানৱীয় প্ৰমূল্য থাকিবই লাগিব।

প্ৰেমচন্দৰ গল্পবোৰত ভাৰতীয় সমাজ জীৱনৰ বিচিত্ৰৰূপ প্ৰতিফলিত হৈছে। বিশেষকৈ সমাজৰ নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ জীৱন আৰু সংগ্ৰাম, সমাজত তেওঁলোকৰ স্থান, সংস্কাৰ, পৰম্পৰা এই সকলোবোৰ তেওঁৰ কাহিনীৰ মাজত প্ৰত্যয়জনক ৰূপত প্ৰতিফলিত হৈছে। 'খুৰী আইতা' গল্পটোত সমাজত থকা উচ্চ-নীচ ভেদাভেদৰ ছবি এখনো সুন্দৰকৈ প্ৰকাশ পাইছে। ভোক আৰু লোভতে অস্থিৰ হৈ যেতিয়া খুড়ী আইতাই বগুৱা বাই বাই ৰভাৰ তল পাইছিল সেই সময়ত তাত থকা অতিথিসকলে তেওঁক লেই লেই, চেই চেই কৰিছিল। আকৌ ৰভাৰ তলত নিমন্ত্ৰিত অতিথিসকলে পৃথকে পৃথকে খাইছিল, কাৰণ তাত সাধাৰণ, নিম্নবিত্ত, মধ্যবিত্ত আৰু ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকসকল আছিল। সমাজত থকা জাত-পাত, উচ্চ-নীচৰ প্ৰাচীৰখন আঁতৰ হোৱাটো আৰু সমাজত সাম্য ভাৱৰ সৃষ্টি হোৱাটো প্ৰেমচন্দই বাস্তৱ জীৱনতো বিচাৰিছিল। তেওঁ সমাজ সংস্কাৰ কৰিবলৈ বিচাৰিছিল কলমেৰে আৰু সৃষ্টিশীল সাহিত্যৰ মাজেৰে।

মুন্সী প্ৰেমচন্দে 'খুৰী আইতা' গল্পটোৰ মাজেৰে আৰু এটা কথা উপস্থাপন কৰিবলৈ বিচাৰিছিল। সেয়া হ'ল মানৱ জীৱনৰ বৃদ্ধ কালৰ সমস্যা আৰু সেয়া কিদৰে সমাধান কৰিব পাৰি। খুৰী আইতাৰ যি সমস্যা সেয়া কেৱল নিৰ্দিষ্ট সমাজ বা ব্যক্তিকেন্দ্ৰিক নহয়। বৃদ্ধ কালৰ সমস্যা সমাজত আগেয়েও আছিল, বৰ্তমানেও আছে আৰু ভৱিষ্যতেও থাকিব। মানৱীয় গুণসমূহেৰে বৃদ্ধ লোকসকলৰ প্ৰতি সহানুভূতিশীল হৈ তেওঁলোকৰ দুৰ্বল আৰু শিশুসুলভ মনবোৰক, স্বভাৱবোৰক বুজিবলৈ যত্ন কৰিলে জীৱনৰ বৃদ্ধ কালটো সুখৰ হ'ব। মুঠতে প্ৰেমচন্দৰ 'খুৰী আইতা' বিশ্বজনীন আবেদনযুক্ত এটা সাৰ্থক গল্প। ভাৰতীয় কাহিনী সাহিত্য আৰু সহৃদয় পাঠকৰ কাষত ইয়াৰ মূল্য আৰু গৰিমা সদায়ে অক্ষুণ্ণ থাকিব। ⌘




# ধ্ৰুপদী ভাষাৰূপে অসমীয়া ভাষাৰ স্বীকৃতি ঃ এটি আলোচনা

০ ড° ববিতা দত্ত
সহকাৰী অধ্যাপক

বিশ্বৰ ভিতৰত সৰ্বপ্ৰথম ভাৰততে 'ব্যাকৰণ' চৰ্চাৰ জৰিয়তে ভাষা অধ্যয়নৰ ব্যাপক চৰ্চা আৰম্ভ হৈছিল। ভাৰতৰ পাছত গ্ৰীছদেশত মহান দাৰ্শনিক সকলৰ দ্বাৰা ভাষা চিন্তাৰ উন্মেষ ঘটিছিল। মানৱ সমাজৰ সকলো দিশকে প্ৰভাৱিত কৰা প্ৰধান বিষয়টো হৈছে ভাষা আৰু ভাষাৰ ব্যৱহাৰ। ভাষা এটাৰ ঐতিহাসিক বিৱৰ্তনৰ স্বৰূপ প্ৰকাশ কৰোতে তাৰ লিখিত আৰু কথিত দুয়োটা ৰূপেই চোৱা হয়। ঊনবিংশ শতিকাত যেতিয়া অসমত ইউৰোপীয় সভ্যতা -সংস্কৃতিৰ প্ৰভাৱ পৰিল,তাৰ লগে লগে মানুহৰ কথ্য ভাষাও কিছু সলনি হোৱা পৰিলক্ষিত হ'ল। ভাষাৰ লিখিত ৰূপতো 'অৰুণোদই' কাকতৰ জৰিয়তে আধুনিকতাৰ বীজ অংকুৰিত হ'ল। 'জোনাকী' কাকতে অসমীয়া সাহিত্যক এক পূৰ্ণ ৰূপ দিলে। বিংশ শতিকাৰ শেষৰফালে ভাষাটোৱে নব্য ৰূপ পৰিগ্ৰহণ কৰিছে বুলি ক'ব পাৰি। এইক্ষেত্ৰত লেখকৰ সৃষ্টিশীল গদ্যই বিশেষ ভূমিকা পালন কৰিছে। অসমীয়া ভাষাত পৰিশীলিত , শুদ্ধ, সকলোৱে গ্ৰহণ কৰিব পৰা সাহিত্য সৃষ্টি হোৱা প্ৰয়োজন। তেতিয়াহে ভাষাটোৱে নিজৰ শক্তিশালী স্থিতি লাভ কৰিব

ধ্ৰুপদী ভাষা মানে স্বতন্ত্ৰতা আৰু মৌলিকতা থকা উচ্চ পৰ্যায়ৰ ভাষা। এটা ভাষাক দেশখনে ধ্ৰুপদী ভাষাৰূপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত চাৰিটা নিয়ম বা চৰ্ত বান্ধি দিছে। সেই চৰ্ত সমূহ হৈছে।

১. সংশ্লিষ্ট ভাষাটোৰ ১৫০০-২০০০ বছৰৰ লিপিবদ্ধ ইতিহাস বা লিপি থাকিব লাগিব,

২.পিছৰ প্ৰজন্মই ঐতিহ্য ৰূপত গ্ৰহণ কৰিব পৰা বুজন সংখ্যক প্ৰাচীন সাহিত্য বা পুথি থাকিব লাগিব,

৩. শিলালিপি, দেৱাল লেখক, জ্ঞানযুক্ত গদ্য থাকিব লাগিব আৰু

৪. প্ৰাচীন ৰূপটোৰ এক নতুন ৰূপ বৰ্তমান থাকিব লাগিব।

অসমীয়া ভাষাত ধ্ৰুপদী শব্দৰ অৰ্থ হৈছে উচ্চ বা মাৰ্গীয় ।অসমৰ বিভিন্ন ঠাইত উদ্ধাৰ হোৱা শিলালিপি, তাম্ৰলিপি আদিয়ে অসমীয়া ভাষাৰ মৌলিকতা আৰু প্ৰাচীন ঐতিহ্যৰ কথা প্ৰমাণ কৰিছে। ৫৯৪ খ্ৰীষ্টাব্দত বৰ্মন বংশৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্বকালৰ পৰা এক নতুন যুগৰ সূচনা হৈছিল,যাক ভাস্কৰাব্দ বুলি কোৱা হয়। তেওঁৰ ৰাজত্বকালতে অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ কামৰূপ ভ্ৰমণৰ বৃত্তান্ত উল্লেখযোগ্য। হিউৱেন চাঙে কামৰূপৰ ভাষা মধ্য ভাৰতৰ অন্য ভাষাত কৈ বেলেগ বুলি উল্লেখ কৰি গৈছে। সংস্কৃত ভাষাৰ সমান্তৰালকৈ তিব্বত বৰ্মীয় ভাষা আৰু পুৰণি অসমীয়া ভাষাই প্ৰাচীন কামৰূপত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল। কামৰূপী লিপি আৰু মধ্যযুগীয় অসমীয়া লিপিৰ আৰ্হি চতুৰ্থ -পঞ্চম শতিকাৰ কামৰূপী লিপি, ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে ব্যৱহৃত অসমীয়া লিপি আৰু ঊনবিংশ শতিকাৰ পৰা বৰ্তমানলৈকে চলিত আধুনিক অসমীয়া লিপি বিলাকত পোৱা যায়। অষ্টাদশ শতিকাত ভাষাবিজ্ঞানৰ তুলনামুলক অধ্যয়নৰ লগে লগে পৃথিবীৰ প্ৰধান ভাষা সমূহৰ মূল বিচাৰ কৰিবলৈ যাওঁতে বহু ইউৰোপীয় ভাষাৰ মূল গ্ৰীক আৰু লেটিন ভাষা বুলি চিহ্নিত কৰা হয়। ভাষাৰ তুলনামুলক অধ্যয়নত সংস্কৃত ভাষাকো সামৰি লৈ গভীৰ অধ্যয়ন কৰা হয়। অষ্টাদশ শতিকাৰ মাজভাগৰ পৰা ঊনবিংশ শতিকাৰ প্ৰায় শেষ ভাগলৈ তুলনামূলক ব্যাকৰণসমূহত ইণ্ডো ইউৰোপীয় ভাষাৰ তুলনামুলক অধ্যয়নৰ জৰিয়তে গ্ৰীক , লেটিন আৰু সংস্কৃত ভাষাৰ মাজত সম্পৰ্ক স্থাপন কৰি তিনিওটা ভাষাকে বিশ্বৰ ধ্ৰুপদী ভাষাসমূহৰ ভিতৰত প্ৰধান ভাষা হিচাপে ভাষাতাত্বিক সকলে স্বীকৃতি দিয়ে।

ভাৰত চৰকাৰে ২০০৪ চনৰ পৰা ২০১৪ চনলৈকে মুঠতে তামিল, সংস্কৃত, তেলেগু, কানাড়া, মালয়ালম আৰু ওড়িয়া এই ছটা ভাষাক ধ্ৰুপদী ভাষাৰূপে স্বীকৃতি দিছিল। ইয়াৰ পাছত ২০২৫ চনৰ ৩ অক্টোবৰ তাৰিখে মাৰাঠী,পালি, প্ৰাকৃত, বাংলা আৰু অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰে।এই ভাষাকেইটাৰ ভিতৰত বাংলা, অসমীয়া আৰু মাৰাঠী ভাষাৰহে বৰ্তমান কথিত আৰু লিখিত ৰূপ আছে। কিন্তু আন দুটা ভাষা পালি আৰু প্ৰাকৃতৰ ঐতিহাসিক সমল আছে আৰু অন্য ভাষাৰ ক্ৰমবিকাশ আৰু উৎপত্তিত অধিক অৰিহণা আগবঢ়াইছে। ভাৰতীয় সংবিধানত ভাষাৰ বিকাশৰ বাবে কেইবাটাও অনুচ্ছেদ আছে। সংবিধানৰ অষ্টম অনুসূচীত ২২টা চৰকাৰী ভাষা সন্নিৱিষ্ট হৈছে।

যিকোনো এটা ভাষা লিখিত ৰূপত পোৱাৰ আগতে তাৰ কথিত ৰূপৰ প্ৰচলন পুৰুষানুক্ৰমে চলি অহা কথাটো গ্ৰহণযোগ্য। অসমীয়া ভাষাৰ ক্ষেত্ৰতো ইয়াৰ কথিত ৰূপ লিখিত ৰূপৰ আগৰে চলি আছিল বুলি মানি লোৱা হৈছে। বিভিন্ন শিলালিপি যেনে চতুৰ্থ শতিকাৰ পূৰ্বৰে বুলি অনুমান কৰা দুবৰণি শিলালেখৰ পৰা আৰম্ভ কৰি নগাজৰি খনিকৰ গাঁৱৰ শিলালিপি,উমাচল লিপি, বিভিন্ন সাঁচিপাত,তুলা পাত আদিৰ লিখিত সমলৰ ভিত্তিত অসমীয়া লিপিৰ লগতে অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ ৰূপ দাঙি ধৰে। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা বিকাশৰ নানা স্তৰৰ মাজেদি আহি অসমীয়া ভাষা বৰ্তমান পৰ্যায়ত উপনীত হৈছে,যি ভাষা পৃথিৱীৰ বহু প্ৰচলিত ভাষাৰ ভিতৰত সমৃদ্ধিশালী ভাষা।

অসমীয়া ভাষা আৰু সাহিত্য মূলতে সংস্কৃত পৰম্পৰা উদ্ভূত হ'লেও ইয়াৰ এটা বিশাল অংশ অনাৰ্য মূলীয় উপাদানেৰে ভৰপূৰ। নিজস্ব ভাষিক তথা ব্যৱহাৰিক বৈশিষ্ট্যৰে এটা জাতিক সংস্কৃতিবান কৰি তোলাটো ভাষাটোৰ ধ্ৰুপদী গুণৰ অন্যতম। উদ্ভৱ কালৰ চৰ্যাপদৰ ভাষা,প্ৰাচীন ব্ৰজাৱলী ভাষা, মধ্যযুগৰ আহোম বুৰঞ্জীৰ ভাষা, আধুনিক সাহিত্যৰ ভাষাই অসমীয়া ভাষাক ক্ৰমবিৱৰ্তিত সুকীয়া ভাষা ৰূপে প্ৰতিষ্ঠা কৰিছে ।

ধ্ৰুপদী ভাষাৰূপে অসমীয়া ভাষাই স্বীকৃতি লাভ কৰাৰ লগে লগে ভাষাটো ঐতিহ্যমণ্ডিত ভাষাৰূপে স্বীকৃত হ'ল। ইয়াৰ ফলত- ভাষাটোৱে প্ৰায় দুহাজাৰ বছৰ জুৰি নিজৰ জ্ঞান, দৰ্শন, পৰম্পৰা, প্ৰমূল্যৰে স্থিতি সবল কৰি ৰাখিছে বুলি প্ৰমাণিত হ'ল।

ভাষাটোৰ প্ৰাচীন ভাষিক,সাহিত্যিক, সাংস্কৃতিক দিশে ভাৰতীয় সংস্কৃতিক চহকী কৰিছে বুলি স্বীকৃতি পালে। অসমীয়া ভাষাটোৱে ধ্ৰুপদী মৰ্যদা পোৱাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে ভাষাটোক ৰাষ্ট্ৰীয় সম্পদ ৰূপে গ্ৰহণ কৰিব ভাষাটোৰ গৱেষণা, সংৰক্ষণ, সংবৰ্ধনৰ চিন্তাও কৰা হ'ব।কাৰণ ভাৰতৰ ইতিহাস আৰু সংস্কৃতিত ধ্ৰুপদী ভাষাৰ বিশেষ অৱদান থাকে। ধ্ৰুপদী মৰ্যদা থাকিলে ভাষাটোৰ ঐতিহাসিক আৰু সাংস্কৃতিক অৱদানৰ বাবে আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় স্বীকৃতি লাভত সহায়ক হয়।

ঊনবিংশ শতিকাৰ পৰা অসমীয়া ভাষা সাহিত্যই এটা নতুন ৰূপ লাভ কৰিলে আৰু বিৱৰ্তনৰ পথেৰে আহি বৰ্তমান ধ্ৰুপদী ভাষাৰূপে স্বীকৃতি পালে।এই যাত্ৰাত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ বৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, বেণুধৰ ৰাজখোৱা আদিৰ ভাষিক জাতীয়তাবাদী চিন্তাধাৰাই ভাষাটোক আজিৰ পৰ্যায়ত উপনীত কৰাইছে। অসমীয়া হৈ মূৰ তুলি জীয়াই থাকিবলৈ হ'লে ভাষাটো আমি সমৃদ্ধ কৰি ৰাখিব লাগিব। বৰ্তমান দেখা গৈছে ভাষাটো শুদ্ধভাৱে চৰ্চা কৰা লোকৰ সংখ্যা সংকুচিত হৈ গৈড আছে। প্ৰয়োজনত ব্যৱহাৰ কৰাৰ বাদে নৱপ্ৰজন্মৰ মাজত ভাষাটোৰ চৰ্চা অতি সীমিত। অসমীয়া ভাষাৰ শুদ্ধ উচ্চাৰণ কৰা, শুদ্ধ বানানেৰে লিখাৰ প্ৰয়াস দেখা নাযায়। ধ্ৰুপদী ভাষাৰূপে স্বীকৃতি লাভ কৰাৰ পাছত আমি বহি থাকিলে নহ'ব। অসমীয়া ভাষালৈ অন্যান্য ভাষাৰ সাহিত্যৰ অনুবাদ, পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি , ভাষাৰ বিভিন্ন দিশৰ আলোচনা চক্ৰ , গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তোলা আদিয়ে ভাষাটোৰ মান উন্নত কৰিব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰ আৰু জাতীয় সংগঠন, অনুষ্ঠানসমূহৰ ভূমিকা শক্তিশালী হ'ব লাগিব। ⌘



## মানসিক চাপ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত

# অষ্টাংগ যোগৰ ভূমিকা

০ শ্ৰী অতুল গগৈ, যোগ প্ৰশিক্ষক



**পৰিচয় ঃ**

আধুনিক বিজ্ঞানৰ অগ্ৰগতি অতি বেছি দ্ৰুতগতিত হৈছে আৰু ইয়াৰ সৈতে মানৰ জীৱনো জড়িত হৈ পৰিছে। এই বেগৰ ফলত অস্থিৰতা বৃদ্ধি পায়। স্বভাৱতে উচপিচাই থকা মনটো জীৱনৰ বেগ আৰু অগ্ৰগতিৰ বাবে অধিক পৰিৱৰ্তনশীল হৈ পৰে। এই পৰিস্থিতিয়ে মানুহক স্থিৰতা আৰু মানসিক শান্তি অনাৰ প্ৰয়োজনীয়তা সৃষ্টি কৰিছে। এই পৃথিৱীত সকলোৰে কম-বেছি পৰিমাণে মানসিক অশান্তিৰ চিকাৰ হয় আৰু যোগে প্ৰশান্তি আনিব পাৰে বোলা কথাটোৰে প্ৰমাণ লাভ কৰিছে। সেয়ে গৰিষ্ঠ সংখ্যক লোকে এই উদ্দেশ্যৰে যোগৰ প্ৰতি আকৰ্ষিত হৈছে।

যদিও বিজ্ঞানৰ অগ্ৰগতি মানুহৰ জীৱনত সুখ সৃষ্টিৰ উদ্দেশ্য হয়, তথাপিও মানুহে সচাঁকৈয়ে সুখ উপভোগ কৰেনে? বিজ্ঞানে মানুহৰ জীৱনলৈ বস্তুবাদী সমৃদ্ধি কঢ়িয়াই আনিছে আৰু শাৰীৰিক পৰিশ্ৰম কমাই দিছে। কিন্তু এই বিকাশৰ বাবেই মানুহে সচাঁকৈয়ে সুখ-শান্তি আনিব পাৰে নে? ক্ৰমাৎ বৃদ্ধি পোৱা উত্তেজনা আক মানসিক চাপৰ উপজাত হিচাপে সৃষ্টি হোৱা ৰোগবোৰ আধুনিক বিজ্ঞানৰ উপহাৰ। এই ৰোগবোৰক মনোদৈহিক ৰোগ বুলি কোৱা হয়। হৃদৰোগ, ডায়েবেটিছ, উচ্চ ৰক্তচাপ, এচিডিটি আৰু আলচাৰ এনে ৰোগৰ কিছুমান নাম। তদুপৰি হতাশা আৰু হতাশাৰ দৰে মানসিক বিকাৰবোৰ

যি কোনো বস্তুৰ দৰেই বৃদ্ধি পাইছে। এই বিকাৰসমূহৰ কোনো ফলপ্ৰসূ চিকিৎসানাই। যিহেতু আধুনিক বিজ্ঞানে মনটোৰ স্থান নিৰূপন কৰিব পৰা নাই। গতিকে ইয়াৰ চিকিৎসা কেনেকৈ কৰিব পাৰিব? এনে এক জটিল পৰিস্থিতিৰ সন্মুখীন হ'বলৈ যোগৰ অনুশীলন সচাঁকৈয়ে উপযোগী।

যোগ হৈছে প্ৰাচীন মন শৰীৰৰ গতিবিধিৰ প্ৰথা যিটো ভাৰতত পাঁচ সহস্ৰাব্দকৈ অধিক পূৰ্বে আৰম্ভ হৈছিল। ই হৈছে অতি ফলপ্ৰসু চিকিৎসা যাৰ জৰিয়তে এজন ব্যক্তিয়ে সুস্থ জীৱন লাভ কৰে। যোগ হৈছে শৰীৰৰ অনুশীলন যিয়ে আমাৰ মন আৰু শৰীৰত ভাৰসাম্য সৃষ্টি কৰাত সহায় কৰে। ই এক অতি শক্তিশালী প্ৰতিকাৰ যিয়ে আমাৰ শৰীৰ মন আৰু আত্মাক ৰূপান্তৰিত আৰু বিশুদ্ধ কৰিবলৈ অনুমতি দিয়ে। গতিকে ই শৰীৰ, মন আৰু আত্মাক সংযোগ কৰা এক অনুশীলন। যোগ কেৱল মানসিক স্বাস্থ্যৰ বাবেই নহয় আনকি মানসিক নিয়ন্ত্ৰণৰ বাবেও ফলপ্ৰসু।

বশিষ্ঠ মুনিৰ মতে - "মনঃ প্ৰশমনোপায়ঃ যোগঃ।।" অৰ্থাৎ মনক প্ৰশমন মানে শান্ত কৰাৰ উপায় হৈছে যোগ। সেয়েহে যোগে কেৱল ভাৰততে নহয়, সমগ্ৰ বিশ্বতে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

**যোগৰ অৰ্থ ঃ**

ভাৰতীয় দৰ্শনৰ ছটা পদ্ধতিক ষড়দৰ্শন বুলি চিনাক্ত কৰা হৈছে। যোগো তাৰ ভিতৰত অন্যতম এই শব্দটো সংস্কৃত শব্দৰ পৰা উদ্ভৱ হৈছে। যোগ (সংযোগ কৰা, ব্যৱহাৰ কৰা, নিজৰ মনোযোগ কেন্দ্ৰীভূত কৰা) মানে যোগ কৰা, আক্ৰমণ কৰা আৰু যোৰ কৰা যাতে নিজৰ মনোযোগ নিৰ্দেশিত আৰু কেন্দ্ৰীভূত কৰা, ব্যৱহাৰ কৰা আৰু প্ৰয়োগ কৰা। ব্যুৎপত্তিগতভাৱে "যুজ" ধাতুৰ পৰা যোগ শব্দৰ উৎপত্তি। যুজ মানে যুক্ত কৰা (জোৰা লগোৱা) আত্মতত্বক পৰম তত্বৰ লগত যুক্ত কৰাই যোগৰ অন্তিম লক্ষ্য।

যোগ হৈছে জীয়াই থকাৰ কলা। ইয়াৰ ভিত্তি হৈছে ভাৰতীয়সকলৰ সৰল জীৱন, উচ্চ চিন্তাধাৰাৰ জীৱন প্ৰদ্ধতি। ই শৰীৰ, মন আৰু আত্মাৰ এক সংহত ব্যৱস্থা। এই সংহত ব্যৱস্থা বা সঠিক জীৱন ব্যৱস্থাৰ কলা ভাৰতত হাজাৰ হাজাৰ বছৰৰ আগতে নিখুত আৰু অনুশীলন কৰা হৈছিল কিন্তু যিহেতু যোগ সাৰ্বজনীন সত্যৰ সৈতে জড়িত, সেয়েহে ইয়াৰ জ্ঞান সমগ্ৰ বিশ্বতে অধিক গুৰুত্বপূৰ্ণ। যোগ হৈছে একক অনুশাসন যি ধৰণৰ অনুশাসনে আভ্যন্তৰীন আৰু বাহ্যিকমিলন সমন্বয় আৰু আনন্দলৈ লৈ যায়। আমাৰ শৰীৰ আৰু অংগ সমূহক অধিক শক্তিশালী কৰি শাৰীৰিক প্ৰক্ৰিয়াৰ ওপৰত ইতিবাচক প্ৰচেষ্টাৰ সৃষ্টি কৰে।

যোগে মানুহৰ জীৱনৰ প্ৰতি দৃষ্টি শক্তি আৰু দৃষ্টি ভংগীৰ ইতিবাচক পৰিৱৰ্তন ঘটায়। যোগে মানুহক অমৰ কৰি তোলে। ই আমাৰ দাৰ্শনিক বিজ্ঞানৰ অন্যতম বিজ্ঞান।

যোগ এক গুৰুত্বপূৰ্ণ বিষয় যিয়ে বৰ্তমান সমগ্ৰ বিশ্বতে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। যোগ হৈছে এনে এক বিষয় যিয়ে ব্যক্তিৰ শাৰীৰিক আৰু মানসিক বিকাশ আনিব পাৰে। যোগে মানুহক আধ্যাত্মিক শক্তিৰ সৈতে পৰিচয় কৰাই দিব পাৰে আৰু তেওঁক আধ্যাত্মিক স্তৰলৈ লৈ যাব পাৰে। যোগে ব্যক্তিৰ মানসিক শক্তি বৃদ্ধি কৰি উন্নত জীৱন প্ৰদান কৰিব পাৰে। ইয়াৰ দ্বাৰা ব্যক্তিজনে জীৱনৰ প্ৰতিটো দিশ সুচাৰুৰূপে সমাধান কৰিব পাৰে আৰু নিজকে ইতিবাচক দিশত পৰিচালনা কৰিব পাৰে। নিয়মীয়া যোগাভ্যাসৰ জৰিয়তে এজন ব্যক্তিয়ে নিজৰ শৰীৰৰ জৰিয়তে জীৱনত সফলতা লাভ কৰিব পাৰে। যোগাভ্যাসৰ জৰিয়তে এজন ব্যক্তিয়ে এজন সুস্থ আৰু সৱল ব্যক্তি হিচাপে সমাজৰ কোনো কামত অংশ ল'ব পাৰে।

আজি কালি মানুহে অতি কম সময়ৰ ভিতৰতে বিচলিত হোৱা দেখা যায়, লক্ষ্যত উপনীত হোৱাৰ আগতেই ভাগি যায়। মন বিবেক আৰু শৰীৰক একত্ৰিত কৰিবলৈ অক্ষম, এনে ক্ষেত্ৰত যোগাভ্যাসে ব্যক্তিজনক এনে সমস্যাৰ পৰা পৰিত্ৰান পোৱাত সহায় কৰিব পাৰে। কাৰণ যোগে মানুহৰ মনত সদায় নতুন আশাৰ সৃষ্টি কৰিব পাৰে। প্ৰতিটো দিনেই এজন ব্যক্তিৰ ব্যক্তিত্বক নতুন শক্তি দিয়ে। ই ব্যক্তিৰ মনত একাগ্ৰতা বৃদ্ধি কৰে, যাৰ ফলত ব্যক্তিজনে লক্ষ্যত উপনীত হোৱাত সহায় কৰে। যোগ এনে এক অনুশীলন যাৰ অনুশীলনৰ বাবে বয়সৰ কোনো সীমা নাথাকে। শিশুৰ পৰা বৃদ্ধলৈকে সকলো বয়সৰ মানুহে অনুশীলনৰ জৰিয়তে সুস্থ সুন্দৰ শৰীৰ লাভ কৰিব পাৰে। ইয়াৰ উপৰিও বৰ্ত্তমান সময়ত দৈনন্দিন শাৰীৰিক আৰু মানসিক ৰোগ প্ৰতিৰোধৰ একমাত্ৰ উপায় যোগ। ইয়াৰ দ্বাৰা এজন ব্যক্তিৰ মনোভাৱ উন্নত হোৱাত সহায়ক হ'ব পাৰে। ই এজন ব্যক্তিক নতুন জীৱন আৰু উন্নত জীৱনো দিব পাৰে।

বৰ্তমান সময়ত বিশ্বৰ প্ৰতিখন দেশে যোগক দৈনন্দিন

জীৱনৰ অংশ হিচাপে গণ্য কৰে। প্ৰতিখন দেশে যোগৰ জৰিয়তে উন্নত জীৱন অৰ্জন কৰাত মনোনিৱেশ কৰিছে। তদুপৰি যোগাসনৰ শিক্ষা ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰা হৈছে। বৰ্ত্তমান যোগ জগতৰ অধিক গুৰুত্বপৰ্ণ দিশ।

**যোগৰ সংজ্ঞা ঃ**

মহৰ্ষি পতঞ্জলি যোগৰ প্ৰতিষ্ঠাপক। তেওঁ যোগৰ মূল সংজ্ঞা দিছিল। সংজ্ঞাটো হ'ল "যোগচিত্ত বৃত্তি নিৰোধ" ইয়াৰ অৰ্থ হ'ল যোগ হৈছে মনৰ নিৰপেক্ষ সংযম। শ্ৰীমদ্ভাগৱত গীতাত কৈছে যে - "সমত্বমযোগ উচ্চতে" ইয়াত সমত্বৰ প্ৰাপ্তি যোগ প্ৰাপ্তি বুলি গণ্য কৰা হয়। শ্ৰীমদ্ভাগৱত যোগৰ আন সংজ্ঞাত কোৱা হৈছে য'ত কোৱা হৈছে যে - "যোগ কৰ্মসুকৌশলম" মানে যোগ হৈছে প্ৰতিকাৰ, যিয়ে কৰ্মৰ দক্ষতা প্ৰদান কৰে। এইবোৰ যোগৰ কিছুমান সংজ্ঞা।

**অষ্টাংগ যোগ ঃ**

যোগ দৰ্শন অনুসৰি এজন পুৰুষ বা আত্মা আৰু মায়াৰ বন্ধনৰ পৰা মুক্ত হ'ব পাৰে যদিহে তেওঁ সঠিক জ্ঞান, বিশ্বাস, সংযম আদিৰ জৰিয়তে মনলৈ বিচ্ছিন্নতাৰ ভাৱ আনিব পাৰে। শাৰিৰীক স্বাস্থ্য বজাই ৰখাটোৱেই চূড়ান্ত লক্ষ্য নহয় মানৱ জীৱনৰ। তথাপিও মনৰ সংযম শাৰিৰীক সংযমৰ দ্বাৰাহে সম্ভৱ বুলি গণ্য কৰা হয়। যোগ দৰ্শনে কেৱল পাৰ্থিৱ শৰীৰ এৰি আধ্যাত্মিক জীৱনৰ প্ৰকাশৰ বাবেহে শৰীৰক মূল অস্ত্ৰ হিচাপে গ্ৰহণ কৰে। গতিকে, যোগ দৰ্শনত শৰীৰ, ইন্দ্ৰিয় আৰু মন নিয়ন্ত্ৰণৰ বাবে ব্যৱহৃত আঠ প্ৰকাৰৰ উপায়ক অষ্টাংগ যোগ বোলা হয়।

**যম (Abstation) ঃ**

যম মানে সংযম। সেয়া হ'ল শৰীৰ, মন আৰু সংযম। এই যমৰ অন্তৰ্গত ক্ৰিয়াবোৰ পাঁচ প্ৰকাৰৰ, যি বোৰক জৈন দৰ্শনত পঞ্চ ব্ৰত বোলা হয়। এই প্ৰকাৰবোৰ হ'ল -

১। অহিংসা বা হিংসা নকৰা ঃ কোনো জীৱক হত্যা নকৰা আৰু দুখ কষ্ট, সকলো জীৱৰ প্ৰতি দয়া, প্ৰেম আৰু দয়ালু মনোভাৱ ইত্যাদি বুজায়।

২। সত্য ঃ কেতিয়াও মিছা আশ্ৰয় নোলোৱা।

৩। অস্তেয় ঃ কেতিয়াও আনৰ পৰা বস্তু চুৰি নকৰাটো অস্তেয়।

৪। ব্ৰহ্মচৰ্য্য ঃ কামনা বা ঘৰুৱা জীৱনৰ ভ্ৰমৰ পৰা আঁতৰি থকাটোৱেই হৈছে ব্ৰহ্মচৰ্য্য।

৫। অপৰিগ্ৰহ ঃ লোভত অপ্ৰয়োজনীয় বস্তু আনৰ পৰা নোপোৱা কাৰ্যক অপৰিগ্ৰহ বোলে।

এই পাঁচবিধ আচৰণক একেলগে যম বোলা হয়।

**নিয়ম (পৰ্য্যবেক্ষণ) ঃ**

আভ্যন্তৰীণ আৰু বাহ্যিক অনুশাসনৰ জৰিয়তে অভ্যাস গঢ়ি তোলাৰ স্ব-অভ্যাস হ'ল নিয়ম বা পৰ্য্যবেক্ষণ। নিয়ম হৈছে ধৰ্ম (ধৰ্ম-কৰ্ম)ৰ লালন-পালন, সৎকৰ্ম পালন। নিয়মৰ পাঁচটা অংগ, এইবোৰ হৈছে—

(১) শৌচ ঃ শৰীৰ আৰু মন পৰিস্কাৰ কৰি ৰখা, ইয়াৰ অৰ্থ হ'ল, শৰীৰৰ বাহিৰৰ আৰু ভিতৰৰ মন পৰিস্কাৰ আৰু নিৰ্মল কৰি ৰখা।

(২) সন্তোষ ঃ যি পায় তাত সন্তুষ্ট হোৱা।

(৩) তপ ঃ তপ মানে ধ্যান (তপস্যা)। ইয়াৰ অৰ্থ পৰিস্কাৰ আৰু নিৰ্মল কৰি ৰখা। অত্যাধিক পৰিমাণৰ ঠাণ্ডা তাপ সহ্য কৰা, কঠিন উপবাস। কোনো এটা কামত মনোনিৱেশ কৰি নিষ্ঠাৰে একান্তভাৱে নেৰানেপেৰাকৈ লাগি থকা কাৰ্য।

(৪) স্বধ্যায় ঃ অন্য বিষয়ৰ স্ব-অধ্যয়ণ, ইয়াৰ অৰ্থ বেদ অধ্যয়ণ।

(৫) ঈশ্বৰ প্ৰণিধান ঃ ইয়াৰ অৰ্থ হৈছে, ঈশ্বৰক নিজকে সোঁৰৱাই দিয়া। ঈশ্বৰ বা ঈশ্বৰৰ ধ্যান কৰা।

এই পাঁচবিধ কৰ্মৰ অভ্যাসক নিয়ম বোলা হয়।

৩। আসন (Posture) ঃ আসন এনে কিছুমান কাম যাৰ সহায়ত শৰীৰ আৰু মনক সুস্থ আৰু সুদৃঢ় কৰি তোলা সম্ভৱ। আসন মানে শৰীৰক কিছুমান বিশেষ অৱস্থাত ৰাখি শৰীৰ আৰু মনৰ মংগল কৰাৰ প্ৰয়াস। আসনে শৰীৰৰ অংগ সমূহ ভালদৰে নিয়ন্ত্ৰিত কৰি ৰাখে। মনটোক সুখী কৰি ৰাখে, ৰোগ নিৰাময় কৰে আৰু আয়ুস বৃদ্ধি কৰে। কিছুমান আসন হ'ল পদ্মাসন, ময়ুৰাসন, শৱাসন গৰুড়াসন আদি।

৪। প্ৰাণায়াম ঃ (শ্বাস প্ৰশ্বাসৰ নিমন্ত্ৰণ) প্ৰাণায়াম মানে শ্বাস নিয়ন্ত্ৰণৰ পদ্ধতি। ই হৈছে সেই ধৰণৰ কাৰ্য্যকলাপ যাৰ সহায়ত শৰীৰ আৰু মনক একত্ৰিত কৰিবলৈ নিয়ন্ত্ৰণ শ্বাস-প্ৰশ্বাসৰ নিয়ম মানি চলা হয়। প্ৰাণায়াম হৈছে আত্মাৰ সংযম। প্ৰাণায়ামৰ তিনিটা ভাগ আছে -

(ক) পূৰক ঃ উশাহটো সম্পূৰ্ণ ভিতৰলৈ টানি অনা।

(খ) কুম্ভক ঃ শৰীৰৰ ভিতৰত উশাহ আৱদ্ধ কৰি ৰখা।

(গ) ৰেচক ঃ ই হৈছে কিছুমান নিয়ম অনুসৰি এৰি দিয়া।

প্ৰাণায়ামে মনৰ চঞ্চলতা দূৰ কৰে, দেহ আৰু মনলৈ দৃঢ়তা আহে, গতিকে শৰীৰ আৰু মনলৈ একগ্ৰতা অনাৰ বাবে প্ৰাণায়াম অপৰিহাৰ্য।

৫। প্ৰত্যাহাৰ (ইন্দ্ৰিয়ৰ প্ৰত্যাহাৰ) ঃ প্ৰত্যাহাৰ মানে ইন্দ্ৰিয়ৰ কাৰ্য-কলাপক বাহ্যিক বিষয়ৰ পৰা আঁতৰাই নি অন্তৰ্মুখী কৰা। ইয়াৰ অৰ্থ হৈছে বাহ্যিক বস্তুতকৈ মনৰ দ্বাৰা ইন্দ্ৰিয়ক নিয়ন্ত্ৰণ কৰা। প্ৰত্যাহাৰৰ যোগেদি অনুভূতিৰ নিচা নাইকীয়া হৈ মনটো স্থিৰ হৈ পৰে।

৬। ধাৰণা ঃ চিন্তা-ধাৰণা মানে মনক কোনো বিশেষ স্থানত স্থাপন কৰা। ধ্যান-ধাৰনাৰ জৰিয়তে মনক বিষয়ৰ ওপৰত কেন্দ্ৰীভূত কৰাৰ একমাত্ৰ অভ্যাস হ'ল ধাৰণা। এই বিশেষ স্থান বা বিন্দুটো নিজৰ শৰীৰৰ যি কোনো অংশ হ'ব পাৰে, যেনে - নাকৰ আগফাল, হৃদয়, নাড়ীচক্ৰ, চন্দ্ৰ, দেৱতা, শিল, গছ, জন্তু। তাৰ যিকোনো বিন্দুতে মনটোক সুমুৱাই দিব পাৰে ধাৰণাই।

৭। ধ্যান ঃ নিৰ্দিষ্ট মনোযোগ - ধ্যান মানে বিষয়টোৰ ওপৰত মনৰ একাগ্ৰতাক পদাৰ্থ আৰু গভীৰ অনুশীলন। অৰ্থাৎ একাগ্ৰতাৰে সাৱলীল গতিত ধ্যেয় বস্তুৰ ওপৰত মন প্ৰৱাহিত হোৱা অৱস্থাই হৈছে ধ্যান।

৮। সমাধি ঃ সমাধি হৈছে ধ্যানৰ চৰম অৱস্থা যি অৱস্থাত ধ্যানীয়ে নিজৰ অস্তিত্ব পাহৰি যায়। ধ্যেয় বস্তুতে ধ্যানীৰ সমস্ত চিন্তাধাৰা লীন হৈ থাকে। ফলত ধ্যেয় বস্তু সম্পৰ্কে সম্যক জ্ঞান লাভ হয়। সমাধি দুবিধ ঃ সম্প্ৰজ্ঞাত সমাধি ধ্যান বস্তুৰ সমৰ্থন আৰু ধ্যান বস্তুৰ সমৰ্থন নোহোৱাকৈ অসম্প্ৰজ্ঞাত সমাধি।

**যোগ চিকিৎসাৰ উপাদান ঃ**

১। জীৱনশৈলীৰ অনুশীলন ঃ যম নিয়ম হৈছে অষ্টাংগ যোগৰ ১ আৰু ২ য় পৰ্যায়। যিয়ে জীৱনশৈলীৰ মানদণ্ড উন্নত কৰাত সহায় কৰে। যম মানে আত্মসংযম, যম হৈছে মানুহৰ মনক ইতিবাচক মনোভাৱৰ প্ৰশিক্ষণ দিয়া। অসত্য হিংসা স্বত্বাধিকাৰ আৰু ঈৰ্ষাৰ দৰে মনোভাৱ সলনি কৰিব পাৰে। যম নিয়মৰ অভ্যাস কৰি সুস্থ মনৰ লগতে সুস্থ শৰীৰো লাভ কৰিব পাৰি।

আমি যম নিয়মক ব্যক্তিগত পালন আৰু সাৰ্বজনীন নীতি হিচাপে বিবেচনা কৰিব পাৰো। আমাৰ চৌপাশৰ মানুহৰ লগত মিলি চলাত সহায় কৰে। যমৰ দ্বাৰা আমি আমাৰ চৌপাশৰ মানুহৰ সৈতে সুস্থ সম্পৰ্ক স্থাপন কৰিব পাৰোঁ। আনহাতে নিয়মৰ সৈতে আমি নিজৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰো।

২। আসনৰ অভ্যাস ঃ সৰল শব্দত আসন মানে শাৰীৰিক ভংগীমাৰ অভ্যাস। মহৰ্ষি পতঞ্জলীয়ে তেওঁৰ যোগসূত্ৰত আসনৰ সংজ্ঞা দিছে যে, "স্থিৰ সুখম্ আসনম্"। আসনবোৰে এটা অৱস্থা অতি আৰামত দীৰ্ঘদিন বহিব পৰা ক্ষমতা গঢ়ি তোলাত সহায় কৰে। আসনৰ নিয়মীয়া অনুশীলনৰ জৰিয়তে মানসিক কেন্দ্ৰ আৰু শক্তিৰ মাধ্যম মুকলি কৰা হয়। ই ৰক্ত সঞ্চালন আৰু নমনীয়তা বৃদ্ধি কৰাত সহায় কৰে। নিয়মীয়া আসন অনুশীলনে ব্যক্তিৰ মন শৰীৰ আৰু আত্মা নিয়ন্ত্ৰণত সহায় কৰে। ই শাৰীৰিক আৰু মানসিক অনুশাসন সমূহক একত্ৰিত কৰে, যাৰ জৰিয়তে আমি শান্তিপূৰ্ণ শৰীৰ আৰু মন লাভ কৰিব পাৰো। ই শ্বাস-প্ৰশ্বাস, শক্তি আৰু সজীৱতা বৃদ্ধি কৰে। আসনে নিতম্ব, আঁঠু, গোৰোহা আৰু শৰীৰৰ পেশীবোৰক নমনীয়তা আৰু শিথিলতা প্ৰদান কৰে। বিভিন্ন ধৰণৰ আসন আছে, যিয়ে শক্তি গঢ়ি তোলে, ভাৰসাম্য সৃষ্টি কৰাৰ লগতে আমাৰ শৰীৰত একাগ্ৰতাৰ মাত্ৰা বিকশিত কৰে। আসন অনুশীলনৰ জৰিয়তে আমি বিভিন্ন ধৰণৰ স্বাস্থ্যজনিত সমস্যাৰ পৰা উপশম পাব পাৰি।

৩। প্ৰানায়ামৰ অনুশীলন ঃ প্ৰানায়াম যোগ চিকিৎসাৰ আন এটা উপাদান। ই হৈছে শ্বাস-প্ৰশ্বাসৰ কৌশল, যিয়ে বায়ুৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰি উশাহ নিশাহ নিয়ন্ত্ৰণ কৰে। প্ৰানায়াম দুটা শব্দৰ পৰা উদ্ভৱ হৈছে প্ৰাণ আৰু আয়ামৰ। প্ৰাণ হৈছে এনে এক জীৱন শক্তি যিয়ে মনক অৰ্ন্তমুখী কৰি আমাৰ সমগ্ৰ শৰীৰক শক্তি প্ৰদান কৰাৰ লগতে আমাৰ জীৱন প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰে। প্ৰাণায়ামে প্ৰত্যক্ষ আৰু প্ৰাণ নিয়ন্ত্ৰণৰ স্বেচ্ছামূলক প্ৰচেষ্টাক বাধা কৰে। প্ৰানায়ামৰ নিয়মীয়া অনুশীলনে উদ্বেগ হতাশা আৰু অন্যান্য ধৰণৰ শাৰীৰিক আৰু মানসিক ৰোগ দূৰ কৰাত যথেষ্ট ফলপ্ৰসু হ'ব পাৰে। আজিকালি প্ৰানায়াম হৈছে এক অতি ফলপ্ৰসু শ্বাস-প্ৰশ্বাসৰ কৌশল যিয়ে অনুশীলনকাৰীক জীৱনীশক্তিৰ নিয়ন্ত্ৰণ প্ৰদান কৰাত সহায় কৰে।

প্ৰানায়াম অনুশীলনে শক্তিশালী ইচ্ছাশক্তি স্থিৰমন, আৰু সুস্থ বিচাৰ বিকাশ কৰে, যিয়ে উপলব্ধি বৃদ্ধি কৰে আৰু আয়ুস বৃদ্ধি কৰে। মানসিক চাপৰ পৰিস্থিতিত এজন ব্যক্তিৰ সমগ্ৰ শৰীৰ বিজ্ঞান, মগজু আৰু অন্তঃস্ৰাৱী গ্ৰন্থি নেতিবাচক

ভাবে প্ৰভাৱিত হয়, তেতিয়া প্ৰানায়ামে সমগ্ৰ শৰীৰক শিথিলতা প্ৰদান কৰিব পাৰে আৰু মন, শৰীৰ আৰু আত্মাৰ মাজত ইতিবাচক সম্পৰ্ক সৃষ্টি কৰিব পাৰে।

৪। ধ্যান অনুশীলন ঃ ধ্যান বা ধ্যানক এনে এক কৌশল হিচাপে সংজ্ঞায়িত কৰিব পাৰি য'ত শিথিলতা, মনোনিবেশ আৰু সচেতনতা জড়িত হৈ থাকে। ই শান্তি আৰু ভাৰসাম্যতা অনুভূতি দিয়ে যিয়ে আবেগিক সুস্থতাৰ লগতে শাৰীৰিক সুস্থতা দুয়োটাকে উপকৃত কৰিব পাৰে। অতি মানসিক চাপৰ জীৱন আৰু ব্যস্ত জীৱনত ধ্যান ধাৰণাই ব্যক্তিজনৰ সমগ্ৰ মন আৰু শাৰীৰিক শিথিলতা আৰু শান্তি প্ৰদান কৰে। মননশীল ধ্যান, আধ্যাত্মিক ধ্যান, গতি ধ্যান, মন্ত্ৰ ধ্যান আদি বিভিন্ন ধৰণৰ ধ্যান-ধাৰণাৰ বাবে বিভিন্ন দক্ষতা আৰু মানসিকতাৰ প্ৰয়োজন আৰু লগতে, ধ্যান কেনেকৈ আৰম্ভ কৰিব পাৰি তাৰ কিছুমান টিপছ আছে। প্ৰানায়ামৰ দৰেই ধ্যান-ধাৰনাই আমাৰ একাগ্ৰতাৰ স্তৰ বিকাশ কৰাত আৰু আমাৰ মন, শৰীৰ আত্মাত ভাৰসাম্য সৃষ্টি কৰাত সহায় কৰে। ই আমাৰ বিশেষ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হোৱাত সহায় কৰে। ধ্যানৰ নিয়মীয়া অনুশীলন কৰিলে আমি আমাৰ দিশটোৰ ওপৰত গুৰুত্ব দিব পাৰিম। ই ব্যক্তিজনৰ জীৱনৰ বিভিন্ন মানসিক লগতে শাৰীৰিক সমস্যা সামাধানত সহায় কৰে।

৫। শিথিলতা কৌশলৰ অনুশীলন ঃ শিথিলতা কৌশলৰ অভ্যাস যোগ চিকিৎসাৰ আন এক উপাদান। শৱাসন, মকৰাসন হ'ল শিথিলতাৰ কৌশল। এইটোৱেই হৈছে হঠ যোগৰ অংশ। যিয়ে শিথিলতা কৌশল হিচাপে অনুশীলন কৰিছিল। শিথিলতা কৌশলসমূহ অতি শান্তিপূৰ্ণ পৰিস্থিতি আৰু শান্তিপূৰ্ণ পৰিৱেশত অনুশীলন কৰা হয়। যিয়ে মানসিক আৰু শাৰীৰিক শিথিলতা প্ৰদান কৰিব পাৰে। শৱাসন আৰু মকৰাসনে মানুহক সতেজ আৰু শক্তিশালী কৰি তোলে বিভিন্ন ধৰণৰ মানসিক চাপ আৰু উত্তেজনা সকলো আঁতৰায়। এই শিথিলতা কৌশলে শাৰীৰিক আৰু মানসিক ক্লান্তি বা পৰিশ্ৰম কমোৱাত সহায় কৰে। যাৰ জৰিয়তে এজন ব্যক্তিয়ে কিবা এটা কৰিবলৈ নতুন শক্তি আৰু প্ৰেৰণা লাভ কৰে। শিথিলতা কৌশলে শৰীৰৰ সকলো অংশৰ লগতে মনকো শান্তি আৰু শিথিলতা প্ৰদান কৰে। এই কৌশলে ব্যক্তিজনক হৃদৰোগ আৰু বিষৰ দৰে বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ সৈতে জড়িত দীৰ্ঘম্যাদী মানসিক চাপ বা মানসিক চাপৰ সৈতে মোকাবিলা কৰাত সহায় কৰে। এই শিথিলতা কৌশলসমূহ নিয়মিতভাৱে অভ্যাস কৰিলে এজন ব্যক্তিয়ে খং আৰু হতাশাৰ সমস্যা সামাধান কৰিব পাৰে। ৰক্তচাপ কমোৱা ভাগৰ কমোৱা, সমস্যা চম্ভালিব পৰাকৈ আত্মবিশ্বাস বৃদ্ধি কৰা টোপনিৰ মান উন্নত কৰা, প্ৰধান পেশীলৈ তেজৰ সোঁত বৃদ্ধি কৰা তেজৰ চেনিৰ মাত্ৰা নিয়ন্ত্ৰণ কৰা আৰু লগতে আমাৰ হজম শক্তিও উন্নত কৰা আদি দিশত ই এক অতি ফলপ্ৰসু কৌশল।

**মানসিক চাপৰ অৰ্থ ঃ**

মানসিক চাপ হ'ল কোনো দাবীৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ সময়ত হতাশা খং বা বায়ুজনিত বিকাৰৰ অৱস্থাৰ পৰা ওলাই অহা মানসিক অৱস্থা। বৰ্তমান দিনত মানসিক বৰ্তমান চাপ জীৱনৰ এক স্বাভাৱিক অংশ। সকলোৱে কিছু পৰিমাণে মানসিক চাপৰ সন্মুখীন হয়। এজন ব্যক্তিয়ে হেঁচাত পৰা বা মোকাবিলা কৰিব নোৱাৰা অনুভৱ কৰিলে এজন ব্যক্তিয়ে জীৱন নষ্ট কৰি পেলোৱাটো সাধাৰণ কথা। গতিকে, মানসিক চাপ হৈছে আৱেগিক বা শাৰীৰিক উত্তেজনাৰ অনুভৱ। কোনো ব্যক্তিক হতাশা, খং বা নাৰ্ভাছ অনুভৱ কৰা যিকোনো পৰিঘটনা বা চিন্তাৰ পৰাই ই আহিব পাৰে।

মানসিক চাপ হৈছে মানুহৰ এক স্বাভাৱিক মানৱীয় প্ৰতিক্ৰিয়া যিটো সকলোৰে লগত ঘটে। আৰু লগতে, আমি ক'ব পাৰো যে, আমাৰ শৰীৰটো মানসিক চাপ অনুভৱ কৰিবলৈ আৰু ইয়াৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ ৰূপাংকণ কৰা হৈছে। যেতিয়া কোনো ব্যক্তিয়ে পৰিৱৰ্তন বা প্ৰত্যাহ্বানৰ সন্মুখীন হয় তেতিয়া তেওঁৰ শৰীৰে শাৰীৰিক আৰু মানসিক প্ৰতিক্ৰিয়া সৃষ্টি কৰে, যিটো হ'ল মানসিক চাপ। সামান্য পৰিমাণৰ চাপ প্ৰতিজন ব্যক্তিৰ বাবে ভাল হ'ব পাৰে। ই ইতিবাচক হ'ব পাৰে। মানসিক চাপৰ প্ৰতিক্ৰিয়াই ব্যক্তিৰ শৰীৰক কেৱল নতুন পৰিস্থিতিৰ প্ৰতি সহায় কৰে আৰু লগতে খংৰ পৰা হাত সাৰিবলৈ প্ৰেৰণা দিয়ে আৰু সাজু হয়। উদাহৰণস্বৰূপে, যদি কোনো ব্যক্তিৰ কোনো গুৰুত্বপূৰ্ণ পৰীক্ষা আহি আছে, তেন্তে মানসিক চাপৰ সঁহাৰিয়ে ব্যক্তিজনৰ শাৰীৰক অধিক কঠোৰ পৰিশ্ৰম কৰাত আৰু বেছি সময় সাৰ পাই থাকিবলৈ সহায় কৰিব পাৰে। গতিকে কোনো পৰিস্থিতিত সামান্য পৰিমাণৰ মানসিক চাপ ব্যক্তিৰ বাবে ভাল।

কিন্তু ইয়াত সমস্যা হৈ পৰে যেতিয়া মানসিক চাপৰ কাৰকবোৰ সকাহ বা শিথিলতাৰ সময়সীমা নোহোৱাকৈয়ে চলি থাকে। গতিকে, যেতিয়া মানসিক চাপ দীৰ্ঘদিনলৈ থাকে, তেতিয়াই ই আমাৰ শৰীৰৰ ক্ষতি কৰিব পাৰে, ই কিছু সমস্যাৰ সৃষ্টি কৰিব পাৰে।

**মানসিক চাপৰ প্ৰকাৰ ঃ**

আমেৰিকান ছাইক'লজিকেল এ'ছচিয়েশ্যনৰ মতে, মানসিক চাপ তিনি প্ৰকাৰৰ। এইবোৰ হ'ল -

**(ক) তীব্ৰ চাপ ঃ** তীব্ৰ চাপ অতি সাধাৰণ ধৰণৰ। মানুহে তীব্ৰ মানসিক চাপক তাৎক্ষণিকভাৱে অনুভূত ভাবুকি হিচাপে অনুভৱ কৰে, শাৰীৰিক, আৱেগিক বা মানসিক। এই মানসিক চাপৰ ভাবুকিবোৰক তীব্ৰ ভাবুকি দিয়াৰ প্ৰয়োজন নাই। এইবোৰ মৃদু চাপৰ কাৰণ হ'ব পাৰে, যেনে - এটা কামত নতুন এচাইনমেন্ট, এটা কামত এটা নতুন প্ৰজেক্ট, এটা এলাৰ্ম ঘড়ী চলি থকা ইত্যাদি। যেতিয়া এজন ব্যক্তি এই মানসিক চাপৰ সন্মুখীন হয়, তাৰ পিছত স্বয়ংক্ৰিয় স্নায়ুতন্ত্ৰ সক্ৰিয় হয় ব্যক্তিজনৰ শৰীৰত কৰ্টিছলৰ মাত্ৰা বৃদ্ধি পায়, আৰু লগতে এড্ৰিনেলিন আৰু অন্যান্য ধৰণৰ হৰম'নে হৃদস্পন্দন বৃদ্ধি, উচ্চ ৰক্তচাপ, উশাহ-নিশাহৰ হাৰ দ্ৰুত উৎপন্ন কৰে। এই ধৰণৰ মানসিক চাপে মানুহৰ বিশেষ ক্ষতি নকৰে কাৰণ ই আৰম্ভ হোৱাৰ পিছত শেষ হয়। গতিকে, কিছুমান ফলপ্ৰসূ প্ৰতিকাৰ গ্ৰহণ কৰিলে এজন ব্যক্তিয়ে এই ধৰণৰ সমস্যা সামাধান কৰিবলৈ সক্ষম হ'ব পাৰে।

**তীব্ৰ চাপৰ শাৰীৰিক লক্ষণসমূহ ঃ**

তীব্ৰ চাপৰ শাৰীৰিক লক্ষণসমূহ হ'ল—

১। পৰ্যাপ্ত টোপনিৰ অভাৱ।
২। একাগ্ৰতাৰ অভাৱ।
৩। অকলে থাকিব বিচৰা।
৪। খিংখিভীয়া হোৱা।
৫। মূৰৰ বিষ।
৬। বুকুৰ বিষ।
৭। উশাহ-নিশাহ লোৱাত অসুবিধা।

**(খ) এপিচ'ডিক একুইট ষ্ট্ৰেছ ঃ** আন এটা প্ৰকাৰৰ চাপ হ'ল এপিচ'ডিক একুইট ষ্ট্ৰেছ। যিসকল লোকে সঘনাই তেওঁলোকৰ দৈনন্দিন জীৱনত তীব্ৰ মানসিক চাপৰ সন্মুখীন হয় বা যিসকল ব্যক্তি জীৱনত সঘনাই মানসিক চাপত থাকে, তেন্তে এই ব্যক্তিজনৰ এপিচ'ডিক তীব্ৰ মানসিক চাপ থাকে। এই ধৰণৰ মানসিক চাপ প্ৰায়ে সেই ধৰণৰ ব্যক্তিৰ ক্ষেত্ৰত দেখা যায় যিয়ে নিজৰ ওপৰত কিছুমান অবাস্তৱ আৰু অযুক্তিকৰ দাবী কৰে, যাৰ ফলত মানসিক চাপৰ সৃষ্টি হয় নিজৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস দেখা যায়। এই ধৰণৰ মানসিক চাপত এজন ব্যক্তি তীব্ৰ চাপতকৈ অনিষ্টকৰ বেছিকৈ ক্ষতিগ্ৰস্ত হয়। কিন্তু এই ধৰণৰ মানসিক চাপ অনিষ্টকৰ নহয়। এই ধৰণৰ মানসিক চাপ সময়ে সময়ে বন্ধ হৈ যায়, যেনে - প্ৰকল্পৰ শেষত বা কোনো গুৰুত্বপূৰ্ণ কামৰ শেষত ইত্যাদি।

**এপিচচডিক তীব্ৰ চাপৰ শাৰীৰিক লক্ষণসমূহ ঃ**

এপিচ'ডিক একুইট ষ্ট্ৰেছৰ শাৰীৰিক লক্ষণসমূহ হ'ল—

১। অনিয়ন্ত্ৰিত কোম্পানী।
২। হৃদস্পন্দন দ্ৰুত।
৩। আতংকৰ আক্ৰমণ।
৪। পেশীৰ বিষ।
৫। হৃদৰোগ।
৬। মূৰৰ বিষ অনুভৱ কৰা।

**(গ) দীৰ্ঘদিনীয়া মানসিক চাপ ঃ** দীৰ্ঘদিনীয়া মানসিক চাপ আন এক প্ৰকাৰৰ মানসিক চাপ। পৰিয়াল, কৰ্মৰ দৈনন্দিন হেচাঁ বা কিছুমান আঘাতজনক পৰিস্থিতিৰ বাবে ইয়াৰ সৃষ্টি হ'ব পাৰে। এই ধৰণৰ মানসিক চাপ তেতিয়া হয় যেতিয়া ব্যক্তিৰ শৰীৰে ইমান। সঘনাই বা তীব্ৰতাৰে মানসিক চাপৰ সন্মুখীন হয় যাৰ ফলত স্বয়ংক্ৰিয় স্নায়ুতন্ত্ৰই নিয়মীয়াকৈ শিথিলতা প্ৰতিক্ৰিয়া সক্ৰিয় কৰাৰ পৰ্যাপ্ত সুযোগ নাপায়। অৰ্থাৎ যেতিয়া ব্যক্তিজনৰ শৰীৰটো শাৰীৰিক উত্তেজনাৰ অবিৰত অৱস্থাত থাকে। এই ধৰণৰ মানসিক অনুভৱ যিয়ে এজন ব্যক্তিৰ চাপ দীৰ্ঘদিনীয়া আৰু স্থিৰ। প্ৰায়ে মানসিক চাপৰ দৈনন্দিন জীৱনত নেতিবাচক প্ৰভাৱ পেলাব পাৰে। তীব্ৰ মানসিক চাপ হ'ল অল্পকালীন মানসিক চাপৰ অনুভৱ। গতিকে, মানুহে এই ধৰণৰ মানসিক চাপ চম্ভালিব পাৰে কিন্তু মানুহে দীৰ্ঘদিনীয়া মানসিক চাপ চম্ভালিব নোৱাৰে, কাৰণ ই দীৰ্ঘ সময়ৰ ভিতৰত স্থিৰ হৈ থাকে। গতিকে, যদি কোনো ব্যক্তিয়ে এই সমস্যা সমাধানৰ বাবে কোনো ধৰণৰ প্ৰতিকাৰ গ্ৰহণ নকৰে, তেন্তে ই শৰীৰৰ

প্ৰায় প্ৰতিটো ব্যৱস্থাতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে তে প্ৰভাৱিত কৰে। ই মানুহৰ মন আৰু শৰীৰ দুয়োটাতে প্ৰভাৱ পেলায়।

**দীৰ্ঘদিনীয়া মানসিক চাপৰ শাৰীৰিক লক্ষণসমূহ ঃ**

দীৰ্ঘদিনীয়া মানসিক চাপৰ শাৰীৰিক লক্ষণসমূহ হ'ল—

১। খিংখিঙীয়া হোৱা, যিটো চৰম হ'ব পাৰে।

২। মূৰৰ বিষ।

৩। মনোনিৱেশ কৰাত অসুবিধা।

৪। কিবা এটা কৰিবলৈ অক্ষমতা।

৫। টোপনি অহাত অসুবিধা।

৬। পাচনতন্ত্ৰৰ কিছু সমস্যা সন্মুখীন হোৱা।

৭। অসহায় অনুভৱ কৰা।

৮। অস্থিৰতা অনুভৱ কৰা।

**চাপৰ সংজ্ঞা ঃ**

১। আৰ, এছলাজাৰছৰ মতে (১৯৮৪) "মানসিক চাপৰ সৃষ্টি হয়, যেতিয়া ব্যক্তিসকলে অনুভৱ কৰে যে তেওঁলোকে তেওঁলোকৰ ওপৰত কৰা দাবী বা তেওঁলোকৰ মংগলৰ প্ৰতি ভাবুকিৰ সৈতে পৰ্যাপ্তভাৱে মোকাবিলা কৰিব নোৱাৰে।"

২। আৰ, এছ, লাজাৰ আৰু ফ'কমেণৰ মতে (১৯৮৪) "চাপ আৰু সম্পদৰ ভাৰসাম্যহীনতাৰ ফলত হয়"।

**মানসিক চাপৰ উৎস ঃ**

(১) হতাশা ঃ যেতিয়া কোনো ব্যক্তিৰ লক্ষ্যমুখী আচৰণ বিফল হয়। তাৰ পিছত হতাশাৰ সৃষ্টি হয়। পৰিৱেশগত সীমাবদ্ধতা, জৈৱিক অৱস্থা আৰু মানসিক বাধাৰ ৰূপত আভ্যন্তৰীণ কাৰকে ব্যক্তিজনৰ প্ৰয়োজন, উদ্দেশ্য আৰু প্ৰচেষ্টাৰ প্ৰতি হতাশাৰ সৃষ্টি কৰে, পাৰে। আৰু এই হতাশাৰ বাবে কেতিয়াবা মানুহে মানসিক চাপৰ সন্মুখীন হ'ব পাৰে।

(২) চাপ (Pressure) ঃ চাপ হৈছে মানসিক চাপৰ আন এক উৎস। ই বাহ্যিক বা আভ্যন্তৰীণ হ'ব পাৰে। পৰিৱেশ, দায়িত্ব, বাধ্যবাধকতাৰ পৰাই বাহ্যিক চাপৰ সৃষ্টি হয় যিবোৰ মূলতঃ সামাজিক প্ৰকৃতিৰ। কেতিয়াবা আমাৰ জীৱনৰ কিছুমান উল্লেখযোগ্য ব্যক্তিৰ কিছুমান ধৰণৰ দাবী আৰু আশা থাকে যিয়ে ব্যক্তি এজন বাহ্যিক হেচাঁত পৰিব পাৰে। আনহাতে, আমি যি হ'ব পাৰিলোঁ আৰু হ'ব লাগে বুলি ভাবো, সেইদৰে আমাৰ আত্মাৰ ছবিখন বজাই ৰখাৰ বাবে আভ্যন্তৰীণ চাপ নিজৰ আত্মাই সৃষ্টি কৰে।

(৩) জীৱনৰ পৰিঘটনা ঃ জীৱনৰ পৰিঘটনা হৈছে মানসিক চাপৰ আন এক উৎস। আমাৰ জীৱনত সংঘটিত হোৱা বিভিন্ন জীৱনৰ পৰিঘটনাৰ বাবে মানসিক চাপৰ সৃষ্টি হ'ব পাৰে। এই জীৱনৰ পৰিঘটনাবোৰ হ'ব পাৰে আপোনজনৰ মৃত্যু, চাকৰি হেৰুওৱা, বিবাহ, হেষ ওৰা বিবাহ বিচ্ছেদ বা বিচ্ছেদ ইত্যাদি। এই জীৱনৰ পৰিঘটনাই মানসিক চাপৰ সৃষ্টি কৰিব পাৰে, যিয়ে আমাৰ দিনটোৰ কাৰ্যক্ষমতাৰ লগতে ব্যক্তিৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়।

(৪) দৈনিক হেঁচা ঃ দৈনিক হেঁচাত মানসিক চাপৰ সৃষ্টি কৰিব পাৰে। কিছুমান দৈনন্দিন হেঁচা যেনে সময়ৰ অভাৱ, কামৰ অতিৰিক্ত বোজা, দৈনন্দিন ভূমিকা, দায়িত্ব আৰু কৰ্তব্য আদিয়ে মানসিক চাপৰ সৃষ্টি কৰিব পাৰে।

(৫) আন্তঃ ব্যক্তিগত সম্পৰ্ক ঃ পৰিয়ালৰ সৈতে আৰু সমনীয়া গোটৰ সৈতে আন্তঃব্যক্তিগত সম্পৰ্কও মানসিক চাপৰ সৃষ্টি কৰিব পাৰে। সাধাৰণতে, ভুল বুজাবুজি আৰু নিৰ্যাতনৰ বাবে পৰিয়ালৰ সদস্য আৰু প্ৰতি গোটৰ মাজত সমস্যা আৰু সংঘাতৰ সৃষ্টি হয়, যাৰ ফলত আন্তঃ ব্যক্তিগত সম্পৰ্ক ভাঙি যায়, যিয়ে পাছলৈ মানসিক চাপৰ সৃষ্টি কৰে।

**যোগ অনুশীলনৰ দ্বাৰা মানসিক চাপ নিয়ন্ত্ৰণ ঃ** যোগৰ অনুশীলনবোৰে মানসিক চাপ নিয়ন্ত্ৰণ বা হতাশা গ্ৰস্তৰ মনত যোগাত্মক চিন্তাৰ বিকাশ ঘটাই প্ৰয়োজনীয় জীৱনী শক্তিৰ সঞ্চাৰ কৰে। তাৰ বাবে কিছুমান যোগাসন, প্ৰাণায়াম, ধ্যান, সৎকৰ্ম, মুদ্ৰা আদিৰ অনুশীলনৰ পৰামৰ্শ দিয়া হয়। এই অনুশীলনবোৰ সঠিক ভাবে অভ্যাস কৰিলে ইয়াৰ পৰা পৰিত্ৰান পাব পাৰি।

**আসন ঃ** সূৰ্য্য নমস্কাৰ, পদ্মাসন, বজ্ৰাসন, পশ্চিমোত্তানাসন, গোমুখাসন, উষ্ট্ৰাসন, শশাংকাসন, সেতুবন্ধনাসন, সৰ্বাংগাসন, শৱাসন, মকৰাসন, হলাসন, তড়াসন, বৃক্ষাসন, কটিচক্ৰাসন ইত্যাদি।

**প্ৰাণায়াম ঃ** নাড়ী-শুদ্ধি (অনুলোম-বিলোম) ভ্ৰামৰী, শীতলী, শীতকাৰী।

**ধ্যান ঃ** ওঁম কাৰ জপ, শ্বসন-ধ্যান, মন্ত্ৰ ধ্যান।

**মুদ্ৰা ঃ** জ্ঞান মুদ্ৰা।

**সতকৰ্ম ঃ** নেতি, ট্ৰাটক।

**খাদ্য তালিকা ঃ** চাহ, কফি, সুৰা, চ'কলেট, শীতলপানীয়, কৃত্ৰিম খাদ্যভ্যাস আদিবোৰ এৰাই চলিব লাগে। পাতল সহজে হজম হোৱা আহাৰ গ্ৰহণ কৰিব লাগে।

অন্যান্য ঃ মানসিক চাপত ভোগা সকলৰ বাবে যোগনিদ্ৰা বৰ উপকাৰী। দিনচৰ্যাৰ নীতি নিয়ম সমূহ পালন কৰি চলিবলৈ চেষ্টা কৰিব লাগে।

কোনো সৃষ্টিশীল কৰ্ম বা সামাজিক গঠন মূলক কামত নিজকে জড়িত কৰি ৰখা উচিত।

**সামৰণি ঃ** বৰ্তমান সময়ত সকলো শ্ৰেণী মানুহৰ লগতে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আমাৰ পূৰ্বপুৰুষ ঋষিমুনি সকলৰ মানৱ সমাজৰ বাবে অনবদ্য অবদান স্বৰূপ-যোগ চৰ্চাৰ জৰিয়তে সকলোবোৰ ৰোগ-ব্যাধি নিৰ্মূল কৰি এটি সুন্দৰ প্ৰশান্তিময় জীৱন অতিবাহিত কৰিব পাৰি সেয়া প্ৰতীয়মান হৈছে। ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ ফলাফল, পিতৃ-মাতৃৰ আবেগিক মানসিক হেচাঁ, হতাশা, ভয়-শংকা, দুখ-শোক, খোৱা-বোৱাত অৰুচি, শাৰীৰিক-মানসিক দুৰ্বলতা আদিবোৰ এশ এবুৰি সমস্যাৰ পৰা হাত-সাৰি নিজকে সুস্থ সবল কৰি কাৰ্য্যক্ষম কৰি তুলিবৰ বাবে নিতৌ যোগাভ্যাস আৰু ৰাতিপুৱা সোনকালে সদায় উঠা আৰু সময়মতে শোৱা অতিকৈ প্ৰয়োজন। ইংৰাজীত এষাৰ কথা আছে— Early to bed and early to rise, makes a man healthy, wealthy and wise, ই সম্পূৰ্ণৰূপে বিজ্ঞানসন্মত আৰু স্বাস্থ্যসন্মত। ছাত্ৰ-ছাত্ৰীসকলে নিয়মিত ৬-৭ ঘণ্টা টোপনি যোৱাটো মানসিক আৰু শাৰীৰিক সুস্থতাৰ বাবে অতিব প্ৰয়োজন। ভাল টোপনিয়ে মনৰ স্থিৰতা আৰু প্ৰশান্তি আনে। স্মৃতিশক্তি অটুত ৰাখে। কিন্তু আজিকালি ইয়াৰ ওলোটাটোহে পৰিলক্ষিত হোৱা দেখা যায়। ই কেতিয়াও শুভলক্ষণ হ'ব নোৱাৰে। সু-অভ্যাস গঢ়ি তোলাটো আমাৰ সকলোৰে বাবে অতি প্ৰয়োজন। যোগ হৈছে এক জীৱন পদ্ধতি। যি পদ্ধতি অৱলম্বন কৰি শাৰীৰিক, মানসিক, বৌদ্ধিক তথা আধ্যাত্মিক উন্নতি সাধন কৰি বৰ্তমান মানৱ প্ৰজন্মই জন্ম সাৰ্থক কৰি তুলিব পাৰে। বৰ্তমান ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, ডাক্তৰ, ইঞ্জিনিয়াৰ, সংগীতজ্ঞ, খেলুৱৈ, অভিনেতা-অভিনেত্ৰী, সৈনিক, বৃদ্ধ-অতিবৃদ্ধ সকলো ক্ষেত্ৰৰ ব্যক্তিয়ে যোগক জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে আকোঁৱালি লোৱা দেখা গৈছে।

যোগ এক সঠিক জীৱন শৈলী, যিটো "সৰল জীৱন উচ্চ চিন্তাধাৰা এই নীতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। ভাৰতৰতো ঋষিকেশ, উত্তৰাখণ্ড, উত্তৰপ্ৰদেশ, গুজৰাট আদিবোৰৰ দৰে কিছুমান ঠাই যোগৰ বাবে বিখ্যাত আৰু তেওঁলোকে নিজৰ শৈক্ষিক পাঠ্যক্ৰমত যোগক ঐচ্ছিক বিষয় হিচাপে গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে আয়ুস মন্ত্ৰালয়ৰ জৰিয়তে ভাৰতীয় পৌৰানিক চিকিৎসা পদ্ধতিসমূহৰ লগতে যোগক সমগ্ৰ বিশ্ববাসীৰ আগত পৰিচয় কৰাবৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ সমূহ স্কুল-কলেজ সমূহত যোগ বিষয়টো প্ৰৱৰ্ত্তন কৰিব বুলি ঘোষণা কৰিছে। তদুপৰি ভাৰতবৰ্ষৰ উদ্যাগতে ২১ জুন তাৰিখটো "আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস" সমগ্ৰ বিশ্বজুৰি পালন কৰা হয়। সেয়েহে মহৌষধ স্বৰূপ ভাৰতীয় যোগ শাস্ত্ৰৰ নীতি-নিয়ম সমূহ পালন কৰিলে বিশেষকৈ ছাত্ৰ-ছাত্ৰী তথা উত্তৰপ্ৰজন্মৰ মনৰ স্থিৰতা, একাগ্ৰতা আৰু বৰ্ত্তমান সময়ৰ নৈতিক আক উশৃংখলতা নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত এক আশাব্যঞ্জক ভূমিকা ল'ব বুলি আশা কৰিব পাৰি। আঁহক আমি সকলোৰে যোগাভ্যাসৰ জৰিয়তে এখন সুস্থ-সবল আৰু নিকা সমাজ গঢ়ি তোলাৰ বাবে আমাৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰোঁ। ⌘



# সপোনৰ পৰা দিঠকলৈ
# অসমীয়া বিষয়ৰ অধ্যয়নে গঢ়িব পৰা কেৰিয়াৰ

○ ড° প্ৰণৱ ঢেকিয়াল ফুকন
সহযোগী অধ্যাপক আৰু বিভাগীয় প্ৰধান, অসমীয়া বিভাগ

সাম্প্ৰতিক সময়ৰ প্ৰতিযোগিতাৰ দৌৰত আমি সকলোৱে অনুসৰণ কৰিছোঁ এক মনে বিচৰা কেৰিয়াৰ। কেৰিয়াৰ হ'ল অনৰ্গল দুই অধৰৰ চেপাত ওলমি থকা এক মায়াবী সুৰ। প্ৰাপ্তিৰ শিখৰলৈ প্ৰথম খোজ। কেৰিয়াৰহ'ল এক জীৱনজোৰা পৰিক্ৰমা। ছাত্ৰ-ছাত্ৰীৰ বাবে ই হ'ল বিদ্যায়তনিক পৰিক্ৰমা। অধ্যয়ন সমাপ্তিৰ পিছত কৰ্মজীৱনৰ পৰিক্ৰমা ইত্যাদি ইত্যাদি। কেৰিয়াৰৰ যাত্ৰা-পথত প্ৰতিকুলতাই পদে পদে বাধাৰ প্ৰাচীৰ গঢ়ে। যাত্ৰাৰ পথ দুৰ্গম আৰু দুৰ্বিসহ হয়। তথাপি বামাৰলিৰ বিপৰীতে খুপি খুপি আগবাঢ়ে শতজনৰ হেঙুল হেপাঁহ। কাৰণ কোনোজনৰ বাবেই কেৰিয়াৰ নহয় আকাশ কুসুম। অসমীয়াত এষাৰ কথা আছে "লক্ষ্যহীন জীৱন বঠাহীন নাৱৰীয়াৰ দৰে"। মানুহৰ জীৱনৰ যদি কোনো লক্ষ্য নাথাকে তেনেহ'লে মাজ সাগৰৰত নাও বাই যোৱা নাৱৰীয়াৰ বঠাহীন অৱস্থাৰ দৰে দশা হ'ব। বঠা অবিহনে নাৱৰীয়াই নিজৰ ইচ্ছা অনুসৰি নাও চলাই নিব নোৱাৰে। একেদৰেই যদি জীৱনত ছাত্ৰাৱস্থাতে এটা লক্ষ্য স্থিৰ কৰি সেই লক্ষ্যৰ পিছ লোৱা নহয় তেতিয়া জীৱনত প্ৰতিষ্ঠা লাভত বাধাৰ প্ৰাচীৰ থিয় হয়। অৱশ্যে এটা লক্ষ্য স্থিৰ কৰি ল'লেই সকলো শেষ নহয়। সেই লক্ষ্য প্ৰাপ্তিৰ বাবে কেনেদৰে আগবাঢ়িব লাগিব সেই সকলো কথা জানিব লাগিব। লগতে এটা কথা সততে মনত ৰাখিব লাগিব সি হ'ল লক্ষ্য প্ৰাপ্তিৰ কোনো চমু (short cut) পথ নাই। সপোনৰ বীজ সিঁচি দিঠকৰ ডাঙৰিৰে উকা ভঁৰাল ভৰাব

লাগিব। কেৰিয়াৰ গঢ়িবই লাগিব। মন বান্ধিব লাগিব - কিবা এটা কৰাৰ বাবে - কিবা এটা যে হ'বই লাগিব। বিদ্যায়তনিক পথ পৰিক্ৰমা বা কেৰিয়াৰ সচেতনতা ছাত্ৰ-ছাত্ৰীৰ মাজত সৰুৰে পৰাই গঢ় দিন লাগিব। অতি পৰিতাপৰ কথা যে অসমৰ গৰিষ্ঠসংখ্যক শিক্ষানুষ্ঠানত কেৰিয়াৰ সচেতনতা সম্পৰ্কীয় বাতাৱৰণেই অদ্যাপি গঢ় লৈ উঠা নাই। যাৰ বাবে আমাৰ ছাত্ৰ ছাত্ৰীৰ মেধা আৰু প্ৰতিভা থকাৰ পিছতো অজ্ঞতা আৰু কেৰিয়াৰ সচেতনতাৰ অভাৱৰ বাবেই ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাসমূহ আৰু বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত আমাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শন দুখ লগা। বিভিন্ন কেৰিয়াৰ তথা কৰ্ম সংস্থাপন সম্পৰ্কে উচ্চ শিক্ষা লাভ কৰাৰ পাছতো আমাৰ ছাত্ৰ-ছাত্ৰী জ্ঞাত নহয়। কেৰিয়াৰ সচেতনতাৰ লগতে আমাৰ গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীৰেই ভৱিষ্যত কোনো লক্ষ্য বান্ধি লোৱা দেখা নাযায়। আমি মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক যেতিয়া সোধো "তোমাৰ জীৱনৰ লক্ষ্য কি?" সৰহভাগ ছাত্ৰ ছাত্ৰীয়েই উত্তৰ দিয়ে, "একো ঠিক কৰা নাই ছাৰ"। তেওঁলোকৰ সন্মুখত থকা যিকোনো কৰ্মক্ষেত্ৰ তেওঁলোকে ভৱিষ্যতে নিৰ্বাচন কৰিব বুলি কয়। অৱশ্যে এটা কেৰিয়াৰ বাছি লোৱাৰ পথটো সহজ নহয়। বহুলোকে অনিচ্ছাৰেই এটা কেৰিয়াৰ বাছি ল'ব লগা হৈছে আৰু বছৰ বছৰ ধৰি অসন্তোষ লৈ জীৱন পাৰ কৰিব লগা হৈছে। সেয়ে কিছুমান ব্যক্তিয়ে সঘনাই কৰ্মক্ষেত্ৰ বা কেৰিয়াৰ সলাই থাকে। কেৰিয়াৰ নিৰ্বাচন এক দীঘলীয়া প্ৰক্ৰিয়া। মনোবিজ্ঞানীসকলে কেৰিয়াৰ নিৰ্বাচনৰ সময়ছোৱাক কেইটামান পৰ্যায়ত বিভক্ত কৰিছে। প্ৰথম পৰ্যায়ত সাধাৰণতে শিশু বা ব্যক্তি এগৰাকীৰ কেৰিয়াৰ সম্পৰ্কে কোনো ধাৰণা নাথাকে। আমি সৰু থাকোতে আমাক যেতিয়া বিভিন্নজনে ভৱিষ্যতে কি হ'ম সুধিছিল তেতিয়া আমি উত্তৰ দিছিলো, "হালোৱা হ'ম", "পুলিচ হ'ম" আৰু "ড্ৰাইভাৰ হ'ম"। আমাৰ পৃথিৱীখনত সেইসময়ত ড্ৰাইভাৰ, পুলিচ বা হালোৱাজনেই ডাঙৰ মানুহ আছিল। দ্বিতীয় পৰ্যায়ত বয়স আৰু শিক্ষা অনুসৰি এগৰাকী ব্যক্তি বিভিন্ন কেৰিয়াৰৰ প্ৰতি আকৰ্ষিত হয়। চিকিৎসক নহ'লে অভিযন্তাৰ কেৰিয়াৰ গঢ়াৰ চিন্তাৰ লগতে সাধাৰণভাৱে পঢ়ি প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হৈ বিষয়াৰ কেৰিয়াৰ নিৰ্বাচন কৰাৰ কথা ভাৱে। তৃতীয় পৰ্যায়ত শিক্ষাৰ্থী এজনে নিজৰ সীমাবদ্ধতাৰ লগতে বাস্তৱৰ জগতখনৰ বিষয়ে জ্ঞাত হৈ এটা বাস্তৱিক বাছনি (Realistic Choice) কৰে।

এটা কেৰিয়াৰ নিৰ্দিষ্ট কৰাৰ পূৰ্বে কিছুমান কথা চালি-জাৰি চোৱাটো নিতান্তই প্ৰয়োজন। সেইকেইটা হ'ল - অন্তঃকোণ, অনুশীলন, আদৰ্শৰ অনুসৰণ আৰু অধ্যৱসায়। এইকেইটা হ'ল কেৰিয়াৰ গঢ়াৰ অবিচ্ছেদ্য আহিলা। ইয়াৰ উপৰিও লাগিব নিয়মানুবৰ্তিতা আৰু বাহ্যিক প্ৰলোভনৰ প্ৰতি নিৰ্লিপ্ততা। তাৰ পিছতেই আহিব পদ্ধতিগত আলোকপাত। যেনে - ঠিৰাং কৰিব লাগিব নিজৰ ভাল লগা বিষয়। কাৰণ ভাল লগা বিষয়েৰে কেৰিয়াৰ গঢ়িবলৈ পথ সুগম হয়। ভাল লগা বিষয়ৰ লগত ৰজিতা খুৱাই গঢ়িব পৰা কেৰিয়াৰৰ দিগন্ত, স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠান আৰু আনুসংগিক খা-খৰচৰ বিশদ জ্ঞান সংগ্ৰহ কৰিব লাগে। একে সময়তে বহুকেইটা কেৰিয়াৰৰ বাবে বৰশী বোৱাতকৈ এক নিৰ্দিষ্ট কেৰিয়াৰৰ দিশত সম্পূৰ্ণ সময় আৰু প্ৰচেষ্টা নিয়োজন কৰিলে সফলতা লাভ কৰাটো নিশ্চিত। কেৰিয়াৰ গঢ়াৰ দিশত কইটামান দিশত মনোনিবেশ কৰিব লাগিব।

● বাতৰিকাকতৰ লগত নিবিড় বন্ধুত্ব গঢ়ি তুলিব লাগে। কাৰণ সময়ৰ বাটত খোজ কাঢ়িবলৈ বাতৰিকাকতেই শিকায়। বাতৰিকাকতৰ প্ৰয়োজনীয় খবৰসমূহ বহীত টুকি ৰাখিব লাগে। প্ৰয়োজনীয় লেখাসমূহ কাটি ৰাখি সংৰক্ষণ কৰিব লাগে।

● ইংৰাজী ভাষাৰ জ্ঞান কেৰিয়াৰৰ বাটচ'ৰা। বিভিন্ন বাচনি পৰীক্ষা তথা সৰ্বভাৰতীয় স্তৰৰ বিভিন্ন পৰীক্ষা যিহেতু ইংৰাজী ভাষাৰ মাধ্যমেৰে সন্মুখীন হ'ব লগা হয় সেয়ে ইংৰাজী ভাষাজ্ঞান আয়ত্ব কৰিবই লাগিব।

● কম্পিউটাৰ হ'ল যান্ত্ৰিক বন্ধু। আজিৰ যান্ত্ৰিক যুগৰ ই হ'ল অন্যতম তাগিদা। ইয়াক অৱসৰৰ সময়ত শিকি থলে সময়ত দবা খেলৰ ঘোঁৰাটোৰ দৰেই কামত আহে। লগতে ইন্টাৰনেটৰ যোগেদি বিভিন্ন কেৰিয়াৰ সমন্ধীয় খা-খবৰ থিতাতেই পাব পাৰি।

● বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক স্তৰৰ বিজ্ঞান, ভূগোল, বুৰঞ্জী, সমাজ বিজ্ঞান আদি বিষয়ৰ কিতাপসমূহ খৰচি মাৰি পঢ়ি থাকিব লাগে।

মুঠতে কেৰিয়াৰ মৰিচিকা নহয় - এক অলীক অবাস্তৱ নহয়। কৰাৰ বাসনা আৰু নিজৰ ওপৰত অফুৰন্ত বিশ্বাসেৰে সপোনৰ পৰা বাস্তৱলৈ কেৰিয়াৰ হ'ল এক সেন্দুৰীয়া সোপান।

বিভিন্ন পাঠ্যক্ৰম তথা কৰ্মসংস্থাপনৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সৰুৰেপৰাই সচেতন কৰিব লাগিব। কিয়নো ছাত্ৰ-ছাত্ৰীৰ আগত অধ্যয়নৰ ইমানবোৰ পথ আছে যে তেওঁলোকৰ অৱস্থা

"অধিক মাছত বগলী কণা' ৰ দৰে হ'ব। ওপৰত আলোচনা কৰা পৰ্যায় তিনিটাৰ সময়খিনিত শিক্ষাৰ্থী এগৰাকীৰ কেৰিয়াৰ বাছনিত বিশেষকৈ এটা আপেক্ষিক বাছনিৰ পৰা বাস্তৱিক বাছনিলৈ আগুৱাই নিওতে কেৰিয়াৰ সচেতনতা তথা পৰামৰ্শৰ অতি প্ৰয়োজন। এই দায়িত্ব প্ৰধানকৈ শিক্ষক তথা অভিভাৱকসকলৰ। কেৰিয়াৰ পৰামৰ্শদাতাসকলৰ গুৰুত্বও এই সময়ত অনস্বীকাৰ্য। কিন্তু গ্ৰাম্য, চহা তথা দৰিদ্ৰ অভিভাৱকসকলে এই দিশত নিজৰ সন্তানক অভিজ্ঞ কৰিব নোৱাৰাটো স্বাভাৱিক। শিক্ষকসকলেও নিজৰ দায়িত্ব পালনত ব্যৰ্থ হৈছে। অৱশ্যে সকলো শিক্ষককে সামৰি লোৱা নাই। গতিকে এই দিশত অসমৰ ছাত্ৰসংগঠন, শিক্ষকসমাজ আৰু বিভিন্ন দল-সংগঠনৰ এক গুৰু দায়িত্ব আছে। দুখৰ কথা অসমৰ অভিভাৱক, শিক্ষক, ছাত্ৰ সংগঠন বা আন সংগঠন তথা ৰাজনৈতিক দলসমূহেও এই ক্ষেত্ৰত একো কৰা নাই বুলিব পাৰি। ইয়াৰ প্ৰধান কাৰণ হ'ল চাৰিওফালে এক অধ্যয়নবিমুখ পৰিৱেশ গঢ় লৈ উঠিছে। বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতি ছাত্ৰ সমাজৰ নিৰ্লিপ্ততা অতি চিন্তনীয় বিষয়। অৱশ্যে ধনীক শ্ৰেণীটোৱে ব্যক্তিগত অৰ্থব্যয়ী বিদ্যালয়ত ল'ৰা-ছোৱালীক পঢ়ুৱাইছে আৰু মনোমত কেৰিয়াৰ গঢ় দিয়াবলৈ সক্ষম হৈছে।

ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ এটা লক্ষ্য স্থিৰ কৰি নিৰ্দিষ্ট প্ৰস্তুতিৰে আগুৱাই যাব লাগিব। ইয়াৰ লাগাতে যুৱসমাজৰ আৰু এটি প্ৰয়োজনীয় দিশ হ'ল ব্যক্তিত্ব বিকাশ। যুৱসমাজৰ উন্নয়নৰ এক প্ৰধান আধাৰ হ'ল এক সবল ব্যক্তিত্ব। এক সবল ব্যক্তিত্ব অবিহনে বিভিন্ন ক্ষেত্ৰত সফল হ'বলৈ কঠোৰ সংগ্ৰাম কৰিব লাগিব। প্ৰতিভা থাকিলেও তাক তুলি ধৰিব পৰা ব্যক্তিত্বৰ অধিকাৰী হ'ব লাগিব। সদাচাৰ, মিতাচাৰ গুণৰ অধিকাৰী হ'বলৈ ব্যক্তিত্বসম্পন্ন হ'ব লাগিব। ব্যক্তিত্ব বিকাশৰ বাবে কিছুমান গুণৰ অধিকাৰী হ'ব লাগিব তথা জীৱনত সদগুণৰ কৰ্ষণ কৰিব লাগিব। এই গুণসমূহৰ বিকাশেৰে যুৱসমাজে ব্যক্তিত্বৰ বিকাশ ঘটাই সমাজত প্ৰতিষ্ঠিত হ'ব লাগে। সমাজত অনেক কেৰিয়াৰ বা কৰ্মক্ষেত্ৰ পৰি আছে। এই কৰ্মক্ষেত্ৰসমূহৰ পৰা মনপচন্দৰ কেৰিয়াৰ এটা বাচি কৰ্ম কৰি যাব লাগে।

অসমৰ ৰাজ্যিক ভাষা অসমীয়া। কেৱল অসমৰে নহয় সমগ্ৰ পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যৰ জনসাধাৰণৰ মাজত অসমীয়া ভাষাটোৱে এক সংযোগী ভাষা হিচাপে ভূমিকা পালন কৰি আহিছে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰাদেশিক ভাষা আৰু সাহিত্যৰ তুলনাত অসমীয়া ভাষা-সাহিত্য প্ৰাচীন আৰু চহকী। অসমৰ বাহিৰতো অসমীয়া ভাষা সাহিত্য এটা বিদ্যায়তনিক বিষয় হিচাপে অধ্যয়ন হৈছে। এই নিবন্ধত অসমীয়া ভাষা-সাহিত্যৰ অধ্যয়নে সৃষ্টি কৰিব পৰা কৰ্মক্ষেত্ৰৰ বিষয়ে তলত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

**১) শিক্ষকতাৰ বৃত্তি ঃ**

এটা বিষয় হিচাপে অসমীয়া ভাষা-সাহিত্য অধ্যয়নৰ ফলত এই বিষয়ৰ শিক্ষক হিচাপে কৰ্মক্ষেত্ৰ বাচি ল'ব পৰাৰ সুবিধা আছে। প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় স্তৰৰ শিক্ষকতাৰ বৃত্তি গ্ৰহণ কৰিব পাৰি। শিক্ষকতাৰ বৃত্তি নিৰ্বাচনৰ বাবে এটা ভাল ফলাফলৰ অধিকাৰী হ'ব লাগিব। শিক্ষক প্ৰশিক্ষণ পাঠ্যক্ৰমো অধ্যয়ন কৰিব লাগিব লগতে শিক্ষকৰ যোগ্যতা আহৰক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। চৰকাৰী-বেচৰকাৰী বিদ্যালয়ৰ লগতে জৱাহৰ নবোদয় বিদ্যালয়, ৰেলৱে বিদ্যালয়, ডি.পি.এচ, অসম তেল আৰু গেছ নিগমৰ বিদ্যালয়, কেন্দ্ৰীয় বিদ্যালয়, অসমৰ মহাবিদ্যালয়সমূহ, আইন মহাবিদ্যালয়, শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, মেঘালয় বিষ্ণুপুৰ মহাবিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয়ৰ ডিফু আবাস, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগ, বিশ্বভাৰতী বিশ্ববিদ্যালয়, মহিলা বিশ্ববিদ্যালয় যোৰহাট আদিত শিক্ষকতা কৰাৰ সুবিধা ছাত্ৰ-ছাত্ৰীসকলে ল'ব পাৰে।

**১.১ নিম্ন প্ৰাথমিক আৰু উচ্চপ্ৰাথমিক স্তৰৰ শিক্ষকঃ** যিকোনো শাখাত স্নাতক হোৱাৰ পিছত বি এড, ডি.এল ই.ডি সম্পূৰ্ণ কৰি TET, CTET উত্তীৰ্ণ হৈ প্ৰাথমিক বিদ্যালয়ত শিক্ষকতাৰ কেৰিয়াৰ গঢ়িব পাৰি।

**১.২ মাধ্যমিক স্তৰৰ শিক্ষক ঃ** উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক হ'বৰ বাবে স্নাতক হোৱাৰ লগতে বি.এড ডিগ্ৰীধাৰী হ'ব লাগিব আৰু শিক্ষকৰ যোগ্যতা আহৰক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। আনহাতে উচ্চতৰ মাধ্যমিক আৰু কণিষ্ঠ মহাবিদ্যালয়ত শিক্ষকতা কৰিবৰ বাবে স্নাতকোত্তৰ ডিগ্ৰী আহৰণ কথাৰ লগতে বি.এড পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব লাগিব আৰু শিক্ষকৰ যোগ্যতা আহৰক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

**১.৩ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষক ঃ**

প্ৰাথমিক অৰ্হতা হিচাপে নুন্যতম ৫৫ শতাংশ নম্বৰেৰে স্নাতকোত্তৰ ডিগ্ৰী আহৰণ কৰিব লাগিব আৰু শিক্ষকৰ যোগ্যতা আহৰক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। পি.এইচ. ডি. ডিগ্ৰীধাৰীসকলে সাক্ষাৎকাৰ প্ৰক্ৰিয়াত নম্বৰ পোৱাৰ প্ৰাৱধান আছে। ইয়াৰ লগতে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় স্তৰৰ আলোচনা চক্ৰত অংশগ্ৰহণ, বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্বীকৃতিপ্ৰাপ্ত আলোচনী আৰু বিভিন্ন গ্ৰন্থত গৱেষণাধৰ্মী লিখনি প্ৰকাশ কৰিলে অগ্ৰাধিকাৰ পোৱাৰ সুবিধা আছে। কলা, বাণিজ্য আৰু বিজ্ঞান সকলো শাখাৰ মহাবিদ্যালয়তেই অসমীয়া বিষয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যাপনা কৰাৰ সুবিধা আছে কিন্তু আন বিষয়ৰ (ইংৰাজী বিষয়ৰ বাহিৰে) ছাত্ৰ-ছাত্ৰীৰ এই সুবিধা নাই।

**২। চৰকাৰী-বেচৰকাৰী খণ্ডত কৰ্মসংস্থাপনৰ সুবিধাঃ**

অসমীয়া বিষয় হিচাপে লৈ স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে আন বিষয়ৰ দৰেই চৰকাৰী-বেচৰকাৰী খণ্ডত আমোলাৰ (কাৰ্যালয় সহায়ক আদি) নিযুক্তি লাভ কৰিব পাৰে।

**৩। ভাৰতীয় প্ৰশাসনিক সেৱা আৰু অসম প্ৰশাসনিক সেৱাৰ বিষয়া হোৱাৰ সুবিধা ঃ**

অসমীয়া বিষয়ৰ স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত অসম প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অবতীৰ্ণ হ'ব পৰা যায়। আনহাতে অসমীয়া এটা বিষয় হিচাপে লৈও ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অবতীৰ্ণ হ'ব পৰা যায়। তাৰ উপৰিও অসমীয়া মাধ্যমতো ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অবতীৰ্ণ হোৱাৰ সুবিধা আছে।

**৪। অনাতাঁৰ কেন্দ্ৰ, দূৰদৰ্শন কেন্দ্ৰত বাতৰি পঢ়োতা আৰু ঘোষক-ঘোষিকাৰ কৰ্ম সংস্থাপনৰ সুবিধা ঃ**

অসমীয়া বিষয়ত স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত অনাতাঁৰ কেন্দ্ৰ আৰু দুৰদৰ্শন কেন্দ্ৰত বাতৰি পঢ়োতা আৰু ঘোষক-ঘোষিকাৰ কৰ্ম সংস্থাপন লাভত সুবিধা হয়।

**৫। বাতৰি কাকত, আলোচনীত কৰ্মসংস্থাপনৰ সুবিধাঃ**

অসমীয়া বিষয়ত শিক্ষা গ্ৰহণ কৰাৰ পাছত বাতৰিকাকত, আলোচনী আদিত কৰ্ম সংস্থাপনৰ সুবিধা পোৱা যায়। অসমীয়া বিষয়ৰ স্নাতক, স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত বাতৰিকাকতৰ আলোচনী আদিত উপসম্পাদক, প্ৰুফ ৰিডাৰৰ কৰ্ম সংস্থাপন পাব পাৰি।

ইয়াৰ উপৰিও বিভিন্ন প্ৰকাশনগোষ্ঠী, ছপাশাল আদিত আৰ্হি কাকত চাওতা আৰু অসমীয়া ডিটিপি অপাৰেটৰ পদত নিযুক্তিৰ সুবিধা আছে।

**৬। লিখা-মেলাক পেছা হিচাপে গ্ৰহণৰ সুবিধা ঃ**

অসমীয়া বিষয়ৰ পাঠ্যক্ৰমত যিহেতু সাহিত্যৰ জ্ঞান লাভৰ লগতে লিখন কলাৰো শিক্ষা গ্ৰহণৰ সুবিধা পোৱা যায়, সেয়ে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চাকি পেছা হিচাপে গ্ৰহণ কথাৰ সুবিধা লাভ কৰে।

**৭। ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, উপায়ুক্তৰ কাৰ্যালয় আদিত তৰণি কৰ্মক পেছা হিচাপে লোৱাৰ সুবিধা ঃ**

অসমীয়া বিষয়টো মেজৰ বা সন্মানীয় বিষয় হিচাপে লৈ অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, উপায়ুক্তৰ কাৰ্যালয় আদিত তৰণি হিচাপে কৰ্ম কৰাৰ সুবিধা গ্ৰহণ কৰিব পাৰে।

**৮। গ্ৰন্থ প্ৰকাশ ব্যৱসায়ৰ সুবিধা ঃ**

অসমীয়া বিষয়ত শিক্ষাগ্ৰহণ কৰাৰ পাছত গ্ৰন্থ প্ৰকাশৰ ব্যৱসায় কৰাৰ সুবিধা গ্ৰহণ কৰিব পাৰে।

**৯। অসমীয়া বিষয়ৰ ডি.টি. পি. কেন্দ্ৰ প্ৰতিষ্ঠাৰ কেৰিয়াৰ ঃ**

বৰ্তমান সময়ত বিভিন্ন কাৰ্যালয় আদিৰ প্ৰয়োজনীয় নথি-পত্ৰৰ অসমীয়া ডি.টি.পি কৰিবলৈ, ছাত্ৰ-ছাত্ৰীৰ প্ৰকল্প, আলোচনা-পত্ৰ আদি অসমীয়াত মুদ্ৰণৰ বাবে আৰু গল্প-কবিতা, প্ৰবন্ধ, গ্ৰন্থ আদিৰ মুদ্ৰণৰ বাবে ডিটি.পি কৰা দক্ষ লোক বিচাৰি ফুৰিব লগা হয়। অসমীয়া বিষয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা সমাপ্তিৰ পিছত কম্পিউটাৰৰ শিক্ষা গ্ৰহণ কৰি অসমীয়া বিষয়ৰ মুদ্ৰণ কেন্দ্ৰ প্ৰতিষ্ঠাৰ কেৰিয়াৰ গ্ৰহণ কৰিব পাৰে।

অসমীয়া বিষয়ত স্নাতক ডিগ্ৰী গ্ৰহণ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে আন ছাত্ৰ-ছাত্ৰীৰ দৰেই বিভিন্ন পাঠ্যক্ৰমত অধ্যয়ন কৰি কৰ্ম সংস্থাপন বাছি ল'ব পাৰে। তলত দুটামান পাঠ্যক্ৰমৰ চমু আভাস দাঙি ধৰা হ'ল—

● অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম
● আইন বিষয়ক পাঠ্যক্ৰম
● লাইব্ৰেৰী ছাইন্স বিষয়ক পাঠ্যক্ৰম
● সৃষ্টিশীল লিখনি বিষয়ক পাঠ্যক্ৰম
● গণসংযোগ আৰু সাংবাদিকতা বিষয়ক পাঠ্যক্ৰম
● শ্ৰম উন্নয়ন বিষয়ক পাঠক্ৰম
● সমাজ উন্নয়ন বিষয়ক পাঠ্যক্ৰম
● বিদেশী ভাষা শিক্ষণ বিষয়ক পাঠ্যক্ৰম
● পৰিবেশ্য কলা বিষয়ক পাঠ্যক্ৰম
● নাট্যকলা আৰু অভিনয় বিষয়ক পাঠ্যক্ৰম
● চিত্ৰশিল্প বিষয়ক পাঠ্যক্ৰম
● কথাছবি নিৰ্মাণ, সম্পাদনা আদি বিষয়ক পাঠ্যক্ৰম ইত্যাদি।

বৰ্তমান সময়ৰ ছাত্ৰ-ছাত্ৰী তথা যুৱসমাজৰ মাজত বৰ চিন্তনীয় ভাৱে তথ্য প্ৰযুক্তিৰ সহজ উপলব্ধ Internet ৰ সা-সুবিধাই গা কৰি উঠিছে। ভালেমান যুৱ ছাত্ৰ-ছাত্ৰী Internet আৰু ফেচবুক বা হোৱাটচএপত দিন-ৰাতি ব্যস্ত হৈ থকা দেখা যায়। যাৰবাবে তেওঁলোক হৈ পৰিছে অধ্যয়নবিমুখ আৰু কৰ্মবিমুখ। Internet ত সহজ উপলব্ধ নিষিদ্ধ সেৱাসমূহৰ কৱলত পৰি বহু যুৱক-যুৱতীৰ মাজত অপৰাধ প্ৰৱণতা গঢ় লৈ উঠাৰ লগতে উশৃংখলতাইও গা কৰি উঠিছে। বহুসংখ্যকে জীৱনৰ আদবয়সতে কিছুমান ভুল কৰি জীৱনটোকেই শুধৰাব নোৱাৰা কৰি পেলাইছে। বহু যুৱক আজি পিতৃ-মাতৃৰ বাবে মুৰৰ কামোৰণি হৈ পৰিছে। মবাইল বা দামী মটৰ চাইকেলৰ দাবীৰে পিতৃ-মাতৃক সংকটৰ মুখলৈ ঠেলি দিয়া এই যুৱ সমাজৰ বিষয়ে আমাৰ ছাত্ৰসংগঠনবোৰে একো পদক্ষেপেই লোৱা দেখা পোৱা নাই। খেলা-ধূলা কৰিবলৈ, কাম কৰিবলৈ আৰু পঢ়িবলে মন নকৰা এনে এচাম যুৱক-যুৱতীক লৈ গভীৰ ভাৱে চিন্তা আৰু গৱেষণা কৰাৰ সময় সমাগত। এই দিশত ছাত্ৰ সংগঠনবোৰৰ গুৰু দায়িত্ব অনস্বীকাৰ্য। ছাত্ৰ সংগঠনবোৰে ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন বৌদ্ধিক চিন্তা-চৰ্চাৰ অনুষ্ঠান, কৰ্মশালা পাতিব লাগে আৰু প্ৰতিখন শিক্ষানুষ্ঠানতে কেৰিয়াৰ পৰামৰ্শদানৰ ব্যৱস্থা কৰিব লাগে। কেৰিয়াৰ পৰামৰ্শকোষ স্থাপন কৰি অভিজ্ঞ ব্যক্তিসকলৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰতিখন চহৰতে ভাৰতীয় অসামৰিক সেৱা, অসম অসামৰিক সেৱা তথা প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিব লাগে। ছাত্ৰ সংগঠনবোৰে এইক্ষেত্ৰত আগভাগ লৈ কাম কৰিব লাগে।

সাধাৰণতে অসমীয়া বিষয়ৰ প্ৰতি গৰিষ্ঠ সংখ্যকৰে এক অৱহেলাৰ মনোভাৱ দেখা যায়। অসমীয়া পঢ়ি কি লাভ হ'ব বুলি ভবা বহু মানুহৰ আমি সন্মুখীন হওঁ। বগা বঙালে দি থৈ যোৱা নীচাত্মিকা মনোভাৱৰ পৰা যেন আমি এতিয়াও মুক্ত হ'বই পৰা নাই। এক ফোপোঁলা অভিজাত্যৰ বাবে বহু অভিভাৱকে নিজ সন্তানে অসমীয়া বেয়া পাই বুলি গৌৰৱ কৰে। অসমীয়া বিষয়ৰ প্ৰতি পোষণ কৰা অৱহেলাৰ বাবেই বিষয়টোত বহু ছাত্ৰ-ছাত্ৰীয়ে আন বিষয়ৰ দৰে ভাল ফলাফল প্ৰদৰ্শন কৰিব নোৱাৰে। ইয়াৰ বিপৰীতে কিন্তু অসমীয়া বিষয়টো প্ৰধান বিষয় হিচাপে লৈ অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে কৰ্ম সংস্থাপনৰ ক্ষেত্ৰখন আন বিষয়ৰ তুলনাত বহল। ⌘



# অতুলানন্দ গোস্বামীৰ "নামঘৰীয়া" এক অৱলোকন

○ সঞ্জীৱ দত্ত, ছাত্ৰ

অসমীয়া সাহিত্যত গল্পকাৰ ৰূপে প্ৰসিদ্ধি লাভ কৰা অতুলানন্দ গোস্বামীৰ অন্যতম সাহিত্য কৰ্ম 'নামঘৰীয়া'। ১৯৮৯ চনত যোগেশ দাসে সম্পাদনা কৰা 'অধিনায়ক' নামৰ মাহেকীয়া আলোচনীখনত নামঘৰীয়া খণ্ড খণ্ডকৈ প্ৰকাশ পায়। মহাপুৰুষীয়া ধৰ্মৰ প্ৰভাৱত থকা 'নামঘৰীয়া' উপন্যাসত অসমীয়াগাম্য সমাজ জীৱনৰ এখন নিখুঁত ছবি দাঙি ধৰিছে। গাঁৱলীয়া জীৱনব পূৰ্ণাংগ ৰূপ প্ৰতিফলিত হোৱা 'নামঘৰীয়া' অসমীয়া উপন্যাস সাহিত্যলৈ এক বিশিষ্ট সংযোজন।

নামঘৰ অসমীয়া জাতীয় জীৱনৰ পৰম সম্মদ। এই নাম ঘৰতে যুগ যুগ ধৰি গাৱৰ ঐক্য সাধনত বলিষ্ঠ ভূমিকা পালন কৰি আহিছে। এই নামঘৰ যি জনে পৰিচালনা কৰে তেওঁক 'নামঘৰীয়া' বুলি কোৱা হয়। নামঘৰৰ চোৰা- চিতাৰ ভাৰো এই, নামঘৰীয়াৰ হাতত অৰ্পন কৰা হয়। নামঘৰৰ এই ব্যক্তিজনক অতুলানন্দ গোস্বামীয়ে 'নামঘৰীয়া' উপন্যাসত তুলি ধৰিছে। এজন ধাৰ্মীক, পৰোপকাৰী, সৎ আৰু হৃদয়বান মানুহৰ কাহিনী হিচাপে 'নামঘৰীয়া'ই পাঠকৰ অন্তৰত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হয়। উপন্যাসখনত কেইবাটাও বেলেগ বেলেগ ঘটনা সন্নিবিষ্ট কৰা হৈছে যদিও প্ৰতিটো ঘটনাৰ লগত নামঘৰীয়া চৰিত্ৰটো জড়িত হৈ আছে।

উপন্যাসখন হৈছে ঘটনাংশত বিহু সন্মিলনৰ বিৱৰণ দিয়া হৈছে। গাওঁখনত প্ৰথমবাৰৰ বাবে ডেকা সকলে মহা উদ্যমেৰে বিহু সন্মিলনখন পাতিলে। বিহু সন্মিলনৰ ডেকাসকলৰ লগতে নামঘৰীয়াইও দেহে কেহে খাটিলে। কাৰণ গাওঁখনত নামঘৰীয়া নহ'লে কোনো অনুষ্ঠান সফল হ'ব নোৱাৰে। কাৰোবাৰ ঘৰৰ পৰা তুলখন আনিবলৈ নহ'লে জখলাডাল আনিবলৈ নামঘৰীয়াক লাগে। বিহু হৈ যোৱাৰ পাছত সকলোৰে ভোজে খায় কিন্তু নামঘৰীয়াই গ্ৰহণ নকৰে। নামঘৰৰ ভৰাঁলৰ কাষত নামঘৰীয়াৰ আখলঘৰ। তাতে তেওঁ ধুতিকৈ ৰান্ধিখায়। কিন্তু দিনটো কামৰ অন্তত তেওঁৰ ৰান্ধি খাবলৈ মন নগ'ল। খালী পেটে মনিকূটত থকা গোঁসাইৰ স'তে কথা পাতিছে। এই কথাগম পাই গাঁৱৰ সোনটিৰ মাকে নামঘৰীয়াক জলপান এবাটি দিলে। যিটো নামঘৰীয়াই গোঁসাইৰ কৃপা বুলি ধৰিলে।

উপন্যাসখনৰ দ্বিতীয় ঘটনাংশত বাখৰ নামৰ এটা কিশোৰৰ জীৱন সংগ্ৰাম। বাখৰৰ বাপেক

গভাইত চোৰ। তাৰ নাম ৰুদ্ৰ। পৰিয়ালৰ কথা চিন্তা নকৰি চুৰ কৰি জেলৰ ভাত খাব লগা হয়। নামঘৰীয়াই পৰিয়ালটোক অভাৱৰ দিনত আলু দি ৰন্ধা ভাত আৰু নৈবেদ্যৰ বাবে থোৱা কল বাখৰৰ হাতত পঠিয়ায়। পিছত বাখৰে বাৰীৰ বস্তু বজাৰত বিক্ৰী কৰিবলৈ সক্ষম হয়। এই খণ্ডত গাঁৱৰ অভাৱ-অনাটনৰ কথা দাঙি ধৰিছে।

উপন্যাসখনৰ তৃতীয়খণ্ডত আমি লগ পাওঁ কাকডোঙাৰ পৰা অহা বৰজনাক। বৰজনাই ভায়েকৰ ছোৱালী গাওঁৰ ডিম্বৰ ঘৰলৈ দিবলৈ নামঘৰীয়াৰ ওচৰ পায়। নামঘৰীয়াই ডিম্বৰ ল'ৰাৰ লগৰ লগত বিয়া ঠিক কৰে যদিও ছোৱালীজনী মুছলমান ল'ৰা এটালৈ পলাই যায়। মহা বিমোৰত পৰি নামঘৰীয়াই মিছাক আশ্ৰয় লৈ ডিম্বহঁতৰ মান সন্মান ৰক্ষা কৰিলে।

চতুৰ্থাংশত নামঘৰৰ কাষতে থকা মাটিকণত জলকীয়া দুজোপামান ৰুবলৈ মন কৰি বেৰা দিবৰ বাবে গাঁৱতে হেমকান্তক বাঁহ এটা বিচাৰিছিল, হেমকান্তই নিদিওঁ বুলি কলে। হেমকান্তই গাওঁৰ বাঁহবোৰ কাটি কাগজ কলত দিছে। নামঘৰীয়াই কথাটোও দুখ পায় কাৰণ বাহঁবোৰ কাঁটি থাকিলে গাৱঁত বাঁহৰ ৰত্নৰ অস্তিত্ব নাথাকিব। বাঁহৰ বংশ ৰক্ষা কৰিবলৈ নামঘৰীয়াই ৰুদ্ৰচোৰ লগত হেমকান্তৰ বাঁহৰ মুঢ়া চুৰ কৰে। যি নামঘৰীয়াই স্বীকাৰ কৰে।

পঞ্চম ঘটনাংশত কৰাইচ বৃদ্ধা এগৰাকীৰ জীৱনৰ সৰ্বস্ব দান দি সকলোৰে আদৰণীয় হৈ পৰাৰ সুন্দৰ বৰ্ণনা পোৱা যায়। মেছুৰ মাক নামে খ্যাত মালতীৰ জীৱন উপন্যাসখনৰ অন্যতম অংশ।

যষ্ঠ ঘটনাংশত কণ কণ ল'ৰা-ছোৱালীৰ প্ৰতিযে নামঘৰীয়াৰ মৰম তাৰ উমান পাওঁ। নামঘৰীয়াৰ সাঁচতীয়া পইচাৰে স্কুলৰ কণ কণ মইনাহঁতক কিতাপ, ফলি, পেঞ্চিল আদি যোগান ধৰে। নামঘৰীয়াই অভাৱগ্ৰস্ত খেতিয়কক জয়দ্ৰথে সহায় কৰা উপন্যাসখনৰ মনোৰম মানৱতাবাদী নামঘৰীয়াৰ ব্যক্তিত্ব ইয়াৰ দ্বাৰা প্ৰকাশ পাইছে। সপ্তম খণ্ডত বাখৰৰ অভিভাৱক স্বৰূপ নামঘৰীয়াই বাখৰক ঘৰখনৰ প্ৰতি থকা দায়িত্বৰ কথা সোঁৱৰাই দিয়ে। বাখৰে কষ্টত অৰ্জা ধন যাতে অবাবত খৰচ নকৰে তাৰ বাবে নামঘৰীয়াই বাখৰক সাৱধান বাণী শুনাইছে। কুসংগত পৰি বাখৰ যাতে অবাটে নাযায় তাৰ বাবে নামঘৰীয়াই বংশী গোপালৰ ওচৰত প্ৰাৰ্থনা কৰিছে।

অষ্টম অংশত গাঁৱৰ স্বাস্থ্য কেন্দ্ৰ উদ্বোধন অনুষ্ঠানৰ কথা বৰ্ণনা কৰা হৈছে। স্বাস্থ্য কেন্দ্ৰলৈ অহা ডাক্তৰ জনো ভাল। তেনেতে গাঁৱৰ সৰু গোসাঁইৰ বিষণ্ণ অৱস্থাত মৃত্যু ঘটে। ঠানুৰ ঘৈণীয়েকৰ সোণৰ ফুলি এযোৰ হেৰাল, এই কথাটোলৈ থৈয়া-নথৈয়া ৰণ। গাওঁখনত হোৱা গৃহ অশান্তিৰ ছবি উপন্যাসখনত বৰ্ণনা কৰিছে।

শেষত নামঘৰীয়াৰ জগন্নাথ দৰ্শনৰ হেঁপাহ জাগ্ৰত হয়। তীৰ্থ ভ্ৰমনলৈ যোৱা নামঘৰীয়া আকৌ গাঁৱলৈ উভতি আহে। নামঘৰীয়াই অনুভৱ কৰিলে সকলো জীৱতে ঈশ্বৰ বিদ্যামান। সেইদিনা ৰাতি নামঘৰীয়াই নামঘৰত মূৰ দোৱাই থকা অৱস্থাত মৃত্যু হয়। শেষত গাঁৱৰ ৰাইজ লগ হৈ শোকত আতুৰ হৈ নামঘৰীয়াক শেষ শ্ৰদ্ধা জনায় আৰু সকলো ৰাইজ হৈ নামঘৰীয়াৰ সৎকাৰ কৰা হয়। গাঁৱলীয়া জীৱণৰ পূৰ্ণাংগ ৰূপ উপন্যাসখনৰ মাজেৰে প্ৰতিফলিত হৈছে। গাওঁখনত বাস কৰা সহজ-সৰল মানুহখিনিৰ জীৱন-নিবাৰ্হ, খেতি-বাতি, উৎসৱ-অনুষ্ঠান, অভাৱ-অনাটন আদি উপন্যাসখনৰ মাজেদি দাঙি ধৰিছে। নামঘৰৰ উৎসৱ-পাৰ্বণ, বিহু তথা নিৰ্বাচনৰ মিটিং আদি উপন্যাসত বৰ্ণনা কৰিছে। উপন্যাসখনৰ কেইবা ঠাইত গ্ৰাম্য সমাজৰ অভাৱ-অনাটন দেখা পোৱা যায়। ৰুদ্ৰৰ পৰিয়ালৰ অভাৱ-অনাটনৰ দৃশ্য উপন্যাসখনত দেখা পোৱা গৈছে। উপন্যাসখনত বানপানীৰ ফলত পিষ্ট হোৱা জীৱনৰ ছবি বৰ্ণনা কৰিছে। বানপানীয়ে হালৰ গৰু লৈ যোৱা আৰু খেতি নষ্ট কৰাৰ কাৰণে গাঁৱৰ মানুহৰ হোৱা দুৰ্দশা বৰ্ণিত হৈছে।

নামঘৰীয়াই ৰুদ্ৰ পৰিয়ালক ভাত মুঠি দি বাখৰক স্বাৱলম্বী কৰাত সহায় কৰিছে। কেও কিছু নোহোৱা মেচুৰ মাকক নৰীয়া অৱস্থাত প্ৰতিপাল কৰা গ্ৰাম্য সমাজত থকা উদাৰ আৰু পৰোপকাৰী গুণৰ প্ৰতিফলন। দৰিদ্ৰ কৃষকক কঠিয়া দি সহায় কৰাৰ উপৰিও সৰু ল'ৰা-ছোৱালীক কিতাপ-বহী কিনি দিয়ালে নামঘৰীয়াই সহায় কৰে। গাঁৱৰ ৰাইজৰ সুখ-শান্তি অটুট থকাৰ বাবে বংশী গোপালৰ আগত চাকি জ্বলায়। গাওঁবাসীৰ কিবা হ'লে উধাতু খায় পৰা আদিত অসমীয়া সমাজ-জীৱনৰ প্ৰতিফলিত হৈছে। গৃহ অশান্তিৰ ছবি যেন উপন্যাসত বৰ্ণিত হৈছে। অসমীয়া সমাজলৈ অহা পৰিৱৰ্তন উপন্যাসখনত স্পষ্টভাৱে দাঙি ধৰিছে।

উপন্যাসখনত ভাটীয়ালী গীতৰ অপূৰ্ব সৌন্দৰ্য পোৱা যায়—

"এমন মন মোৰ কৰে ৰে বিধি, এমন মন কৰে।"

উপন্যাসখনত কীৰ্তন-ঘোষাৰ পদ অনুপম উক্তিৰ মাজত ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া বিশেষত্ব। নামঘৰীয়াৰ মুখে গোৱা—

"পঞ্চ তীৰ্থ কৰি বিষ্ণুক দেখিবা
ধৰ্ম নাহি আত পৰে"

পাঠকক মোহিত কৰিব পৰা বহু উপাদান 'নামঘৰীয়া'ত আছে। ভক্তিৰ দ্বাৰাই যেন ঈশ্বৰৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰি সেয়া 'নামঘৰীয়া' চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে বৰ সুন্দৰকৈ উপন্যাসখনত দেখুৱাইছে। ⌘



# নাৰী সবলীকৰণত সমাজৰ ভূমিকা

ৰিম্পী শইকীয়া, ছাত্ৰী

ভাৰতীয় সমাজ হ'ল - এক পিতৃ তান্ত্ৰিক সমাজ। অতীতৰে পৰা বৰ্তমানলৈকে ভাৰতীয় সমাজ ব্যৱস্থাত মহিলাসকল সদায় এক বঞ্চনাৰ বলি হৈ আহিছে। ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীক কোনো কোনো ক্ষেত্ৰত দেৱী, মাতৃ ইত্যাদিৰে এক উচ্চ স্থানত ৰখাৰ পৰিৱৰ্তে কোনো কোনো সমাজত মহিলাসকলক নিম্ন প্ৰস্থিতি প্ৰদান কৰা হৈছে।

নাৰী সবলীকৰণ বা Women Empowerment বুলিলে সমাজৰ মহিলা তথা নাৰীসকলক প্ৰত্যেকটো দিশতে অৰ্থাৎ শিক্ষা, সংস্কৃতি, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি সকলো ক্ষেত্ৰতে আগবঢ়াই নিয়াৰ এক প্ৰচেষ্টাক বুজা যায়। এই নাৰীসবলীকৰণৰ ধাৰণাটো বৰ বিশেষ পুৰণি নহয়। ই তুলনামূলকভাৱে এক নব্য চৰ্চিত বিষয়। সাম্প্ৰতিক সময়ত চৰকাৰে নাৰীৰ সবলীকৰণৰ ক্ষেত্ৰত বিভিন্ন প্ৰচেষ্টা হাতত লৈছে যদিও এই প্ৰক্ৰিয়াত সমাজৰ ভূমিকা অপৰিসীম।

সমাজ এখন হৈছে যিকোনো প্ৰচেষ্টাৰ প্ৰাথমিক স্থল। গতিকে মহিলা বা নাৰীসকলক প্ৰত্যেকটো ক্ষেত্ৰতে আগবঢ়াই নি সৰ্বাংগীন বিকাশ সাধনত সমাজে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সাধাৰণতে ভাৰতীয় সমাজ ব্যৱস্থাত পুৰুষৰ তুলনাত নাৰীসকলক এক অন্য দৃষ্টিৰে গণ্য কৰা হয়। বিশেষকৈ ভাৰতীয় গ্ৰাম্য সমাজত ইয়াৰ প্ৰাদুৰ্ভাৱ অত্যাধিক।

শিশু এটিক জন্মৰে পৰা সমাজত ল'ৰা বা ছোৱালী বুলি সুকীয়া সুকীয়া দৃষ্টিৰে লক্ষ্য কৰা হয়। বিশেষকৈ ল'ৰা শিশু এটিৰ লালন-পালনৰ ক্ষেত্ৰত যিখিনি যত্ন লোৱা হয় এটি কন্যা শিশুৰ ক্ষেত্ৰত যেন তেনে যত্ন লোৱাত কিছু কৃপণালি কৰা দেখা যায়। ছোৱালী এজনীয়ে ডাঙৰ হোৱাৰ পাছতো একে বয়সৰ ল'ৰা এজনক যিখিনি স্বাধীনতা বা মুক্তভাৱে ঘূৰা-ফুৰা বা কাম কৰাৰ ক্ষেত্ৰত স্বাধীনতা প্ৰদান কৰা হয়, সেইখিনি স্বাধীনতা উপভোগ কৰিব নোৱাৰে। ভাৰতীয় ৰক্ষণশীল মনোবৃত্তিৰ সমাজ ব্যৱস্থাই মহিলাসকলক সদায় এক দমনমূলক দৃষ্টিৰেই চাই আহিছে।

ভাৰত চৰকাৰে নাৰীৰ সবলীকৰণৰ বাবে বিভিন্ন ব্যৱস্থাৱলী গ্ৰহণ কৰিছে। যেনে - কন্যা সন্তানৰ আৰ্থিক নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি 'সুকন্যা সমৃদ্ধি যোজনা', স্ত্ৰী শিক্ষা প্ৰসাৰৰ বাবে 'বেটী বচাও, বেটী পঢ়াও' আদিৰ দৰে আচনিসমূহ গ্ৰহণ কৰি আহিছে। ভাৰতীয় সংবিধানেও এই ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছে।

প্ৰকৃতপক্ষে এখন দেশৰ চৰকাৰ বা সংবিধানে যিমানেই ব্যৱস্থাগ্ৰহণ নকৰক কিয়, সেই ব্যৱস্থাটো কেতিয়াও সফল হ'ব নোৱাৰে যেতিয়া ইয়াৰ সমাজখন আৰু ইয়াৰ জনসাধাৰণ সজাগ আৰু সচেতন হৈ নুঠে। গতিকে, নাৰীৰ সবলীকৰণৰ ওপৰতো সমাজৰ ব্যক্তিসকলৰ সচেতনতাৰ এক উল্লেখযোগ্য ভূমিকা আছে।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নৰ যুগতো ৰক্ষণশীল সমাজ ব্যৱস্থাই নাৰীক পুৰুষৰ সমপ্ৰস্থিতি প্ৰদান কৰা নাই। বিভিন্ন অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ কবলৰ পৰা মুক্ত হ'ব পৰা নাই ভাৰতীয় সমাজ।

যিহেতু, ভাৰতীয় সমাজ অন্ধবিশ্বাসৰ বলি হৈ আছে গতিকে, সমাজ ব্যৱস্থাই ৰক্ষণশীলতা দূৰ কৰি মহিলাক পুৰুষৰ সমপ্ৰস্থিতি প্ৰদান কৰি প্ৰত্যেকটো দিশতে আগবঢ়াই নিব লাগিব। তেতিয়াহে নাৰীৰ সবলীকৰণ সম্ভৱ হৈ উঠিব। ⌘



# যুৱশক্তি আৰু দেশৰ ভৱিষ্যত

০ প্ৰাচুৰ্য দত্ত, ছাত্ৰ

যুৱশক্তি এখন দেশৰ সঞ্জীয়নী বুনিয়াদ। যুৱকসকলৰ প্ৰজ্জ্বলিত নব্য চেতনাই দেশখনৰ সবাতোকৈ শক্তিশালী সম্পদ। যুৱশক্তিৰ প্ৰতিপালন, পথ প্ৰদৰ্শন তথা সহযোগিতামূলক চিন্তাৰ উদগ্ৰ উদ্যমে এখন গোলকীয় প্ৰতিযোগিতামূলক ৰাষ্ট্ৰৰ ৰূপৰেখা প্ৰদান কৰে। কোনো এখন ৰাষ্ট্ৰৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক বাতাবৰণৰ সৈতে লোকসমষ্টিৰ সমন্বয়, বিশেষকৈ যুৱ সমাজৰ আস্থাযুক্ত সহযোগিতাৰ জৰিয়তেহে ৰাষ্ট্ৰখনৰ গুণগত ভৱিষ্যতৰ আশা কৰিব পাৰি।

বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ সকলো দিশৰ উন্নতিৰ প্ৰসংগ প্ৰণিধানযোগ্য। লাখ লাখ তেজস্বী যুৱ শক্তিৰ আত্ম-বিকাশৰ উদ্দেশ্যে সুযোগ প্ৰদান কৰি দেশৰ সামগ্ৰিক পৰিৱৰ্তনত অংশগ্ৰহণ কৰাৰ উদেশ্য তথা লক্ষ্য ত্বৰান্বিত কৰি আত্মনিৰ্ভৰশীল ভৱিষ্যত ৰাষ্ট্ৰ গঢ়াৰ সপোনক উদ্‌গনি যোগাৱাত সফল হ'ব পৰা যাব। ইয়াৰ বিপৰীতে সমাজৰ বিভিন্ন সামাজিক, ৰাজনৈতিক ইত্যাদি সমস্যাসমূহে দেশৰ উন্নয়নৰ ক্ষেত্ৰত অন্তৰায় হিচাপে থিয় হৈ পৰে। উদাহৰণস্বৰূপে নিবনুৱা সমস্যাৰ পৰিণাম স্বৰূপে দৰিদ্ৰতা, অপৰাধ প্ৰৱণতা, মদ্যপায়িতা, নিম্ন মানৰ শাৰীৰিক তথা মানসিক ভাৱবৃত্তি আদিৰ দৰে সমস্যাৱলীয়ে গা কৰি উঠে। আকৌ বানপানী, দুৰ্ভিক্ষ, প্ৰবজনকাৰীৰ সমস্যা ইত্যাদিসমূহে দেশৰ আন্তঃগাঁথনিগত দিশত বিৰূপ প্ৰভাৱ বিস্তাৰ কৰে। গতিকে দেখা যায় যে, সামাজিক তথা ৰাজনৈতিক সমস্যাসমূহেও সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু ধৰ্মীয় তথা শৈক্ষিক পৰিৱেশৰ ওপৰতো স্থানিকাৰক প্ৰভাৱ পেলায়। সেয়েহে সমূহীয়া প্ৰচেষ্টাৰে এই সমস্যাসমূহ নিবাৰণ কৰিব পাৰিলেহে সমাজৰ উন্নতি সাধন হ'ব।

ড° এ পি জে আব্দুল কালামে কৈছিল - 'এখন দেশে যদি নিজকে দুৰ্নীতিমুক্ত হোৱাটো আৰু সুন্দৰ মনৰ মানুহেৰে ভৰি পৰাটো বিচাৰে, তেনেহ'লে সমাজৰ তিনি প্ৰকাৰৰ সদস্যৰ জৰিয়তে এয়া সম্ভৱ হ'ব বুলি দৃঢ় বিশ্বাস। তেওঁলোক হৈছে- পিতৃ, মাতৃ আৰু শিক্ষক।'

যুৱশক্তিৰ সঠিক পথ প্ৰদৰ্শন, তথা অনুশাসনৰ ক্ষত্ৰত এইসকল ব্যক্তিত্বৰ প্ৰচেষ্টাই এখন সৰ্বাংগসুন্দৰ সমাজ গঠনৰ বীজ ৰোপণত সাৰ-পানী যোগাব। চৰকাৰে মানৱ সম্পদ উন্নয়নৰ বাবে ঐক্যবদ্ধভাৱে কাম হাতত ল'ব লাগিব। চৰকাৰখন যিহেতু ৰাইজৰ বাবে ৰাইজলৈ তথা ৰাইজৰ দ্বাৰা গঠিত, গতিকে চৰকাৰৰ কৰণীয় বহুতো আছে। এই ক্ষেত্ৰত যুৱ সমাজ হ'ব লাগিব কৰ্তব্যনিষ্ঠাৰে দায়বদ্ধ।

যুৱসমাজে নিজৰ ব্যক্তিগত লক্ষ্যত উপনীত হোৱাৰ বাবে কঠোৰ পৰিশ্ৰমৰ লগতে সাক্ষৰতা, পৰিৱেশ, সামাজিক বৈষম্য দূৰীকৰণ, নগৰ আৰু গাঁৱৰ পাৰ্থক্য দূৰীকৰণ, ৰাষ্ট্ৰীয় লক্ষ্যৰ উদ্দেশ্যে কাম কৰা ইত্যাদি ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিব পাৰে। তদুপৰি তেওঁলোকে কৰ্ম সংস্থানৰ লক্ষ্যৰে জ্ঞান বৃদ্ধিৰ বাবে কঠোৰ পৰিশ্ৰম কৰাৰ লগতে পৰিয়ালৰ প্ৰতি সেৱা আগবঢ়াব পাৰে, সমাজৰ প্ৰতি সেৱা আগবঢ়াব পাৰে, ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবাঢ়িব পাৰে, সমগ্ৰ মানৱ জীৱনৰ প্ৰতি সেৱা আগবঢ়াব পাৰে। এইসকলোবোৰ সম্ভৱ যুৱ শক্তিৰ ঐক্যবদ্ধ সমন্বয়ৰ জৰিয়তেহে হ'ব।

বৰ্তমান যুৱ শক্তি জাগ্ৰত ৰূপত ত্বৰান্বিত হোৱাৰ ক্ষেত্ৰত প্ৰধান পৰিপন্থী হৈছে আত্মবিশ্বাসৰ অভাৱ। সাম্প্ৰতিক প্ৰেক্ষাপটত শিষ্ট মন আৰু নৈতিক মনৰ প্ৰয়োজনীয়তা অত্যন্ত গুৰুত্বপূৰ্ণ; কাৰণ অইনৰ স্বাৰ্থৰ প্ৰতি আওকাণ কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ যোৱাটোৱেই বহুতো সামাজিক সমস্যাৰ কাৰণ হৈ পৰিছে। শিক্ষা-ব্যৱস্থাই যুৱ-প্ৰজন্মৰ মাজত এনে মনৰ কৰ্ষণ কৰিব লাগিব, যাতে তেওঁলোকে তেওঁলোকৰ জীৱনৰ লক্ষ্য উপলব্ধিৰ ক্ষেত্ৰত অধ্যৱসায়ী হ'ব পাৰে। যুৱ শক্তিৰ মাজত এনে আদৰ্শৰ সঞ্চাৰ কৰিব পাৰিলেহে আশাকৰা মতে যুৱ সমাজ সুসজ্জিত হৈ পৰিব আৰু প্ৰত্যাশিত পথেৰে আগুৱাই গৈ দেশৰ ভৱিষ্যত নিৰ্মাণ কৰিব পৰা যাব। শৈক্ষিক, ৰাজনৈতিক, ব্যৱস্থাপনা পদ্ধতিয়ে ইতিবাচক সম্ভাৱনাৰ বাবে যুৱশক্তিক সঠিকভাৱে পৰিচালিত হ'বলৈ ভূমিকা গ্ৰহণ কৰিব লাগিব।

সমাজ তথা দেশৰ কল্যাণৰ দিশত মুৰ সমাজৰ অংশগ্ৰহণ তাৎপৰ্যপূৰ্ণ। দৰিদ্ৰতা, নিবন্ধবতা, বিশুদ্ধ খোৱা পানী, সম্পদৰ সমবিতৰণ, সকলোৰে বাবে গুণগত আক মূল্যবোধ আধাৰিত শিক্ষা, সামাজিক অসমতা দূৰীকৰণ, ৰোগমুক্তকৰণ, সকলোৰে বাবে গুণগত স্বাস্থ্যসেৱা আৰু ভাল জীৱন নিৰ্বাহৰ যাৰে প্ৰয়োজনীয় সমল যোগান — এইসমূহেই হৈছে সাম্প্ৰতিক বিশ্ব তথা দেশৰ প্ৰত্যাহ্বান। যুৱশক্তিৰ মাজত গৱেষণা, অনুসন্ধান, সৃজনীশীলতা, উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ, উদ্যম আৰু নৈতিক নেতৃত্ব ইত্যাদি সামৰ্থ্যসমূহৰ বিকাশ ঘটাবলৈ সক্ষম হ'ব পাৰিলেহে প্ৰত্যাহ্বানক সুযোগলৈ ৰূপান্তৰ কৰিব পৰা যাব। বৰ্তমানৰ বৈদ্যুতিনভাৱে সংযোগী পৃথিৱীত বহুতো দেশ ভৱিষ্যতৰ যুদ্ধ আৰু চাইবাৰ যুদ্ধৰ শক্তিৰ দ্বাৰা বিপদাপন্ন হোৱাৰ সম্ভাৱনাই গা কৰি উঠিছে। য'ত পোহৰৰ বেগত ধ্বংসকাৰ্য সংঘটিত হোৱাৰ সম্ভাৱনা, য'ত আই.চি.বি.এম আৰু অন্যান্য পাৰমানৱিক অস্ত্ৰ-শস্ত্ৰও হৈ পৰিব গুৰুত্বহীন। এনে এক পৰিস্থিতিত, এনে যুদ্ধক বাধা দিবৰ বাবে কূটনৈতিক সম্প্ৰদায়ে কৌশল উদ্ভাৱন কৰিব লাগিব, য'ত প্ৰয়োজন হ'ব উপযুক্ত নেতৃত্বৰ। গতিকে বিশ্বজনীনভাৱে চিন্তা আৰু স্থানীয়ভাৱে কাৰ্য কৰাটো বাস্তৱত উপনীত কৰাব লাগিব। সংযোগৰ ক্ষেত্ৰত পৰিধিবিহীন পৃথিৱীয়ে বিজ্ঞান, প্ৰযুক্তি, উদ্যোগ, অৰ্থনীতি আৰু ব্যৱসায় ক্ষেত্ৰত বৌদ্ধিক প্ৰতিভাৰ ব্যৱহাৰ কৰিছে। ভাৰতবৰ্ষয়ো ইয়াৰ শক্তিশালী গণতান্ত্ৰিক পদ্ধতিৰ পৃষ্ঠভূমিত অৰ্থনৈতিক বিকাশ, মহাকাশ গৱেষণা, ভেষজবিদ্যা, ইত্যাদি বিভিন্ন ক্ষেত্ৰত ডেউকাপ্ৰাপ্ত হৈছে। দেশৰ নৱপ্ৰজন্মৰ কলা, প্ৰযুক্তি, ব্যৱসায় তথা ক্ৰীড়াজগতৰ ক্ষেত্ৰত পাৰদৰ্শিতাই প্ৰবলভাৱে ভৱিষ্যত সম্ভাৱনাৰ দিশ উন্মোচিত কৰিছে। যুৱশক্তিক সন্মিলিত ৰূপত বিকাশৰ বাবে সুযোগৰ বাট মুকলি কৰিব লাগিব, যাৰ ফলস্বৰূপে যুৱ শক্তি হৈ পৰিব আত্ম-নিৰ্দেশিত, আত্ম-নিয়ন্ত্ৰিত আৰু স্বতঃপ্ৰণোদিত শিকাৰু, যিসকলে সৃজনশীল নেতৃত্বৰে একত্ৰিতভাৱে কৰ্ম কৰি যিকোনো ৰাষ্ট্ৰকে একোখন সমৃদ্ধিশালী ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰিব আৰু সেইসকলেই ভৱিষ্যতৰ নেতা।

যুৱসমাজৰ শক্তি উপলব্ধি কৰাৰ সময় আহি পৰিছে। সৃজনশীল প্ৰতিভা তথা নেতৃত্বৰে এখন সমৃদ্ধিশালী, স্বাস্থ্যবান, সুৰক্ষিত, শান্তিময় আৰু বহনক্ষম বিকাশেৰে এখন উৎকৃষ্ট ৰাষ্ট্ৰৰ নিৰ্মাতা হিচাপে যুৱশক্তিৰ ভূমিকা অনিবাৰ্য। আদেশৰ পৰিৱৰ্তে প্ৰশিক্ষণ, পৰিচালকৰ পৰিৱৰ্তে পথ-নিৰ্দেশক, অধ্যক্ষতাৰ পৰা দায়িত্ব অৰ্পন, সন্মান বিচৰাৰ পৰিৱৰ্তে সন্মান প্ৰদান সৃজনশীল নেতৃত্বই এনেদৰেই ভূমিকা পালন কৰে। শিক্ষানুষ্ঠানসমূহৰ পৰা সৃজনশীল নেতা সৃষ্টি কৰাটোৱেই হ'ব এখন সমৃদ্ধিশালী আৰু উন্নত ভাৰতবৰ্ষৰ বাবে আমাৰ প্ৰথম পদক্ষেপ। ইয়াৰ উপৰিও যুৱপ্ৰজন্মৰ মাজত "মই এয়া কৰিব পাৰোঁ, আমি এয়া কৰিব পাৰোঁ আৰু ৰাষ্ট্ৰই এয়া কৰিব পাৰে" - এই ভাবশক্তি জগাই তুলিব লাগিব। শৈক্ষিক প্ৰতিষ্ঠানসমূহে নেতৃত্ব বিকাশৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়াৰ প্ৰয়োজন, প্ৰত্যেক যুৱক-যুৱতীৰ মনত আত্মবিশ্বাসৰ ভাব অংকুৰিত কৰাটো অত্যন্ত প্ৰয়োজন। এনে গুণগত নেতৃত্বই দেশখনক নিশ্চিতভাৱে সবল কৰি তুলিব আৰু বহনক্ষম বিকাশৰ দিশে লৈ যাব। ⌘



# নাৰী সবলীকৰণ ঃ এটি বিশ্লেষণ

○ **প্ৰিয়ংকা বৰা,** ছাত্ৰী

**অৱতৰণিকা ঃ**

"নাৰী তুমি কৰুণাময়ী
তুমিয়েই শক্তি সবল
অযুত যুগত নিযুত কথাত
নোহোৱা তুমি দুৰ্বল।"

(উৎস - নাৰী তোমাক শতকোটি প্ৰণাম)

নাৰী সবলীকৰণ এনে এক প্ৰক্ৰিয়া যাব দ্বাৰা মহিলাসকলে নিজৰ জীৱনৰ ওপৰত নিয়ন্ত্ৰণ লাভ কৰাৰ লগতে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। সবলীকৰণৰ লগত নাৰীৰ আত্ম মূল্যবোধ বৃদ্ধি, সুযোগ আৰু সম্পদৰ সুবিধা লাভ কৰাৰ অধিকাৰ, সমাজৰ নীতি নিয়ম আৰু প্ৰতিষ্ঠানক প্ৰভাৱিত কৰাৰ ক্ষমতা আদি জড়িত হৈ থাকে।

**নাৰী সবলীকৰণ মানে কি ?**

নাৰী সবলীকৰণ হৈছে মহিলাসকলে কৌশলগত জীৱনৰ বাছনি কৰিবলৈ আৰু জীৱনৰ বিভিন্ন ক্ষেত্ৰত নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষমতা লাভ কৰা এক প্ৰক্ৰিয়া। ই মহিলাসকলক ৰাজহুৱা আৰু ব্যক্তিগত ক্ষেত্ৰত আংশগ্ৰহণ কৰাৰ বাবে সুযোগ তথা সুবিধা প্ৰদান কৰে।

নাৰী সবলীকৰণ সম্পৰ্কত বিভিন্ন পণ্ডিত, দাৰ্শনিক, সংগঠন তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে নিজৰ নিজৰ দৃষ্টিভংগীৰে বিভিন্ন মতামত আগবঢ়াইছে। তাৰে ভিতৰত Food and

Agriculture নামৰ অনুষ্ঠানটোৰ মতে, “Women's empowerment is essential for women's well-being and has a positive impact on agriculture production food security, diets and child nutrition.”

১৯৮৫ চনত নাইজেৰিয়াত অনুষ্ঠিত হোৱা, আন্তৰ্জাতিক মহিলা সন্মিলনে মহিলাসকলৰ সবলীকৰণৰ ধাৰণা প্ৰচলন কৰে। সাধাৰণ অৰ্থত মহিলাসকলক সামাজিক ক্ষমতা পুনৰ বিতৰণ কৰা আৰু তেওঁলোকৰ সপক্ষে নিয়ন্ত্ৰণ কৰাই নাৰী সবলীকৰণ।

**নাৰী সবলীকৰণৰ প্ৰকাৰ ঃ**

সবলীকৰণৰ যোগেদি মহিলাসকলে কোনো দিশ অথবা পক্ষৰ পৰা প্ৰতিবন্ধকতা নোপোৱাকৈ মুক্ত আৰু স্বাধীনভাৱে নিজ চিন্তা আৰু ক্ৰিয়া নিৰ্বাচন, সম্পাদন আৰু নিয়ন্ত্ৰণ কৰিব পাৰে। নাৰী সবলীকৰণক প্ৰধানকৈ চাৰিটা ভাগত বিভক্ত কৰা হয়—

**(ক) সামাজিক সবলীকৰণ ঃ** এই সবলীকৰণে মহিলাসকলে পাৰ হৈ যোৱা সামাজিক পাঠৰ কথা ক'ম। স্বাধীনতাৰ পিছত ভাৰতে বহুখিনি অগ্ৰগতি লাভ কৰিছে। তথাপিও দুই এঠাইত মহিলাসকলে স্বাস্থ্য, পাৰিবাৰিক সিদ্ধান্ত, বিবাহৰ সিদ্ধান্ত, প্ৰসৱ আদিৰ ক্ষেত্ৰত অন্যায়ৰ সম্মুখীন হয়। এইবোৰ বিষয়ত মতামত থকাটো নাৰীক সামাজিক সবলীকৰণ দিয়াৰ উপায় হ'ব পাৰে।

**(খ) শিক্ষা সবলীকৰণ ঃ** ঐতিহাসিক স্কাৰ পূৰাই শিক্ষা হৈছে মহিলাসকলৰ বাবে সম আৰ্থসামাজিক, মৰ্যাদা লাভৰ অন্যতম উপায়। পূৰ্বতে মহিলাসকলক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। সমাজত নিজৰ অধিকাৰ আৰু কৰ্তব্য বুজিবলৈ মহিলাসকলক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা।

**(গ) অৰ্থনৈতিক সবলীকৰণ ঃ** মহিলাসকলক আৰ্থিকভাৱে সবল কৰি তুলিবৰ বাবে কৰ্মৰ সমান সুযোগ, কৰ্মৰ বিনিময়ত পুৰুষ আৰু মহিলা উভয়কে সমান মজুৰি প্ৰদান, নিজৰ ঘৰ চলোৱাৰ ধৰণত নিজৰ সিদ্ধান্ত নিজে ল'ব পৰাকৈ সক্ষম কৰা। আৰ্থিকভাৱে স্বাধীন নাৰীক শক্তিশালী বুলি গণ্য কৰা হয়।

**(ঘ) ৰাজনৈতিক সবলীকৰণ ঃ** ৰাজনৈতিক সবলীকৰণে মহিলাসকলক সমাজত পুৰুষৰ সমান হ'বলে প্ৰয়োজনীয় আত্মবিশ্বাস আৰু দক্ষতা প্ৰদান কৰে। তদুপৰি ৰাজনৈতিক কাৰ্যকলাপত মহিলাৰ আংশগ্ৰহণত এক বহনক্ষম অৱস্থা চৰকাৰী সংস্থা গঠনৰ বাবে অতি গুৰুত্বপূৰ্ণ।

**নাৰী সবলীকৰণত সমাজৰ ভূমিকা ঃ**

এখন সবল সমাজ গঢ়াত নাৰীৰ ভূমিকা অপৰিসীম। স্বাধীনতা, সমতা আৰু সামাজিক ন্যায় গণতন্ত্ৰৰ আদৰ্শ সমূহ পুৰুষ আৰু মহিলাই এখন সমাজত সমানে লাভ কৰি উঠিব পাৰিলেহে সু সামঞ্জস্য ৰূপত সামাজিক বিকাশ সম্ভৱ হৈ উঠিব।

মহিলাসকলে পুৰুষৰ সমান অংশীদাৰস্বৰূপে সবল হৈ উঠিবৰ বাবে শিক্ষা, সা সুবিধা লাভ কৰি আগবাঢ়ি যাব পাৰিব লাগে। মহিলাৰ সবলীকৰণে এই কথাও স্পষ্ট কৰি তোলে সে তেওঁলোকৰ প্ৰতি পুৰুষসকলে প্ৰকাশ কৰা বিদ্বেষমূলক আৰু নেতিবাচক মনোভাৱ আদি আঁতৰাই মহিলাসকলৰ সামাজিক বিকাশ সুনিশ্চিত কৰি তুলিব লাগে।

**নাৰী সবলীকৰণত শিক্ষাৰ ভূমিকা ঃ**

শিক্ষা হৈছে এনে এক শক্তিশালী আহিলা যিয়ে মহিলাসকলক অধিক অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক সবলীকৰণ লাভ কৰিবলৈ সক্ষম কৰিব পাৰে। বিশ্বৰ বহু ঠাইত মহিলাসকলক ঐতিহাসিকভাৱে শিক্ষাৰ সুযোগৰ পৰা বাদ দিয়া হৈছে, যাৰ ফলত সম্পদ, সুযোগ আৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাৰ সুবিধাৰ ক্ষেত্ৰত লিংগ বৈষম্য সৃষ্টি হৈছে।

শিক্ষাই মহিলাসকলক এনে জ্ঞান আৰু দক্ষতা প্ৰদান কৰে যিয়ে তেওঁলোকৰ অৰ্থনৈতিক সুযোগ বৃদ্ধি কৰিব পাৰে। শিক্ষাই মহিলাসকলক উদ্যোগী হ'বলৈ আৰু নিজাকৈ ব্যৱসায় আৰম্ভ কৰিবলৈও সক্ষম কৰে যাৰ ফলত নিজৰ আৰু আনৰ বাবে অৰ্থনৈতিক সুযোগ সৃষ্টি হয়।

**নাৰী সবলীকৰণত ৰাজনীতিৰ ভূমিকা ঃ**

মহিলাসকলক বৰ্তমান আৰ্থ-সামাজিক উন্নয়ন আক ৰাজনৈতিক ক্ষেত্ৰখনত এক নিৰ্ণায়ক শক্তি বুলি গণ্য কৰা হয়। মহিলাসকল ৰাষ্ট্ৰ এখনৰ সংগঠক তথা চালিকাশক্তি। মহিলাসকলৰ ৰাজনীতিত অংশগ্ৰহণ তথা তেওঁলোকক ৰাজনৈতিক ক্ষমতা প্ৰদান বিষয়টো বৰ্তমান সময়ত অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। মহিলাসকলৰ ৰাজনীতিত অংশগ্ৰহণ কৰা আৰু ৰাজনৈতিক ক্ষমতাই মহিলা সবলীকৰণত অতি গুৰুত্বপূৰ্ণ ভূমিকা লয়। ৰাজনৈতিকভাৱে শক্তিশালী

মহিলাই সামগ্ৰিকভাৱে মহিলাসকলক সবলীকৰণত অৰিহণা যোগায়। সিহেতু এগৰাকী মহিলাই এজন পুৰুষতকৈ মহিলা এগৰাকীক ভালদৰে বুজি পায়। সেয়ে এগৰাকী ৰাজনৈতিক ক্ষমতা সম্পন্ন মহিলাই এজন পুৰুষতকৈ বহুগুণে মহিলা সবলীকৰণত সহায় কৰিব পাৰে।

**নাৰী সবলীকৰণৰ প্ৰতিবন্ধকতাসমূহ ঃ**

আমাৰ সমাজত নাৰীৰ প্ৰতি ভাবুকি অনা কিছুমান কাৰক আছে সিবিলাকে নাৰী সবলীকৰণত বাধাৰ সৃষ্টি কৰিছে। বৰ্তমান একবিংশ শতিকাৰ বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ এই যুগতো অবৈজ্ঞানিক চিন্তাধাৰাই বাহৰ পাতি আছেহি। এই কাৰকবোৰ হ'ল—

**(ক) লিংগ অসমতা ঃ** আমাৰ সমাজত ল'ৰা সন্তানক অধিক গুৰুত্ব আৰু ছোৱালী সন্তানক কম গুৰুত্ব দিয়া দেখা যায়। লিংগ অসমতাৰ ফলত মহিলাসকল পৰম্পৰাগত ধ্যান ধাৰণাতে ওৰে জীৱন বৰ্তি থাকিবলগা হয়।

**(খ) কুসংস্কাৰ আৰু অন্ধবিশ্বাস ঃ** আমাৰ সমাজত এনে কিছুমান কু-সাংস্কাৰ আৰু অন্ধবিশ্বাসৰ প্ৰচলন আছে যিবোৰে এগৰাকী নাৰীক বিস্তৰ ক্ষতি কৰিব পাৰে। ডাইনী সন্দেহত বহু মহিলা নিৰ্যাতিত হয় শাৰীৰিকভাৱে আৰু মানসিকভাৱে।

**(গ) শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত ঃ** পৃথিৱীত অজ্ঞানতা দূৰ কৰিবলৈ হ'লে শিক্ষা লাগিবই। শিক্ষা জ্ঞানৰ আধাৰস্বৰূপ। মহিলাসকলে কেতিয়াবা পুৰুষৰ সমানে শৈক্ষিক সুযোগ লাভ কৰাৰ পৰা বঞ্চিত হয়। ইয়ে নাৰী সবলীকৰণত বাধাৰ সৃষ্টি কৰে।

**(ঘ) অসমান নিয়োগৰ সুযোগ ঃ** কৰ্মক্ষেত্ৰত বৈষম্যই কেৰিয়াৰত প্ৰভাৱ পেলায়। বহুতো কোম্পানীয়ে মহিলাক নিয়োগ কৰিবলে অনিহা প্ৰকাশ কৰে। বহুক্ষেত্ৰত পুৰুষৰ তুলনাত মহিলাই কম বেতনতে সন্তুষ্ট হ'বলগীয়া হয়।

**(ঙ) সামাজিক নীতিৰ নিয়ম ঃ** সামাজিক নীতি-নিয়মবিলাক অতীজৰে পৰা আমাৰ সমাজত চলি আহিছে। উল্লেখযোগ্য যে সামাজিক ৰীতি-নীতিবিলাক সমাজৰ উৎকৰ্ষৰ বাবেই প্ৰচলন কৰা হয়। কিন্তু কিছুমান নিয়মে নাৰীসকলৰ উত্তৰণৰ প্ৰতি বাধাৰ সৃষ্টি কৰে।

**(চ) বাল্যবিবাহ ঃ** বাল্য বিবাহ বা Child Marriage হ'ল এহাল ল'ৰা-ছোৱালী বিবাহৰ বাবে শাৰীৰিকভাৱে আৰু মানসিকভাৱে প্ৰস্তুত নোহোৱা সত্বেও কৰা বিবাহ। বাল্য বিবাহৰ মুখ্য চিকাৰ হয় মহিলাগৰাকী। কিয়নো তেওঁ কম বয়সীয়া হোৱা বাবে সন্তান লালন-পালনৰ বাবে সাজু নাথাকে আৰু কাম-কাজো চাপত পৰি কৰিব লগা হয়।

**নাৰী সবলীকৰণৰ বাবে ভাৰতৰ চৰকাৰী আঁচনিসমূহ ঃ**

এগৰাকী নাৰীয়ে সমাজত যাতে পুৰুষৰ সম স্থান লাভ কৰিব পাৰে তাৰ বাবে ভাৰত চৰকাৰে কিছুমান বিশেষ আঁচনিৰ ব্যৱস্থা কৰিছে। নাৰী সবলীকৰণৰ বাবে ভাৰতৰ আঁচনিসমূহ ভাৰতীয় সমাজত নাৰী সবলীকৰণৰ বাবে আৰু পিতৃতান্ত্ৰিক ব্যৱস্থাৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰয়াসত চৰকাৰে তলত দিয়া আঁচনিসমূহৰ সৃষ্টি কৰিছে - 'বালিকা সমৃদ্ধি যোজনা' এই আঁচনিখন কন্যা শিশুৰ সামগ্ৰিক মৰ্যাদা উন্নত কৰিবলৈ স্থাপন কৰা হৈছিল। এই আঁচনিৰ মূল লক্ষ্য হৈছে শিক্ষাৰ ক্ষেত্ৰত গোটেই পৰিয়ালটোৰ বাবে ইতিবাচক পৰিৱৰ্তন অনা। ই ১৯৯৭ চনৰ ১৫ আগষ্টৰ পিছত জন্ম হোৱা অসুবিধাগ্ৰস্ত ছোৱালী শিক্ষাৰ বাবে ধন আগবঢ়ায়। 'মহিলা উদ্যম নিধি আঁচনি' এই আঁচনি ভাৰতৰ ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে আৰ্থিক সাহাৰ্য্য প্ৰদান কৰে। 'Udyogoni Scheme' সহায়ত কৃষি, খুচুৰা বা আন যিকোনো ব্যৱসায়ৰ ক্ষেত্ৰত মহিলাসকলৰ বাবে প্ৰস্তুত কৰা হৈছে। ১৮-৪৫ বছৰ ভিতৰৰ মহিলাসকলে এই আঁচনিৰ জৰিয়তে ১ লাখ টকা পৰ্যন্ত ঋণ লাভ কৰিব পাৰিব।

**উপসংহাৰ ঃ**

নাৰী সবলীকৰণ আমাৰ চিৰকাম্য। সঁচা অৰ্থত নাৰীৰ প্ৰতি উচিত সন্মান জনালেহে নাৰী সবলীকৰণ সাফল্যমণ্ডিত হ'ব। সেই সন্মান তেওঁৰ পদবী বা বাহ্যিক ৰাজকীয় প্ৰদৰ্শনৰ বাবে নহয়, সন্মানিত হব লাগিব তেওঁৰ বৌদ্ধিক উৎকৰ্ষতাৰে ভৰপূৰ এটি মন, মাৰাত সাকাৰাত্মক কৰ্মৰাজিৰ বাবে। হ'ব পাৰে সেইগৰাকী মহিলা নিৰক্ষৰ, হ'ব পাৰে তেওঁ পৰিয়ালৰ পেটৰ ভাত মুঠি মোকলাবলৈ লোকৰ বনকৰা মহিলা। যদি আমি প্ৰকৃত অৰ্থত নাৰী সবলীকৰণ আনিব বিচাৰোঁ তেন্তে পুৰুষৰ শ্ৰেষ্ঠত্ব আৰু পিতৃতান্ত্ৰিক মানসিকতা দূৰ কৰাৰ কান্দোনৰ প্ৰয়োজন আছে। লগতে মহিলাসকল কোনো ধৰণৰ বৈষম্যবোধ নোহোৱাকৈ শিক্ষা আৰু কৰ্মস্থাপনৰ সমান সুযোগ দিয়াটো প্ৰয়োজন। নাৰীৰ প্ৰতি সমাজত মনোভাৱৰ পৰিৱৰ্তন নহ'লে কেৱল আইনী আৰু সাংবিধানিক অধিকাৰেৰে সজ্জিত কৰাটোৰেই কেৱল অপৰ্যাপ্ত হ'ব। ⌘




# ড্ৰাগছ্ ঃ এক সামাজিক সমস্যা

০ **চিত্ৰলেখা খাখলাৰী**
ছাত্ৰী

**আৰম্ভণি ঃ**

এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকাশক্তি হৈছে যুৱ সমাজ। কিন্তু সম্প্ৰতি এই যুৱ সমাজতেই বিভিন্ন কেৰোণে ধৰিবলৈ আৰম্ভ কৰিছে। ঘাইকৈ চৈধ্য বছৰ বয়সৰ পৰা ত্ৰিশ বছৰৰ অনূৰ্দ্ধ তথা অবিবাহিত যুৱক-যুৱতীৰে যুৱ সমাজ গঠিত। পৰিৱেশ পৰিস্থিতিৰ প্ৰতিকূলতাত ইয়াৰে এচাম যুৱক-যুৱতীয়ে আত্মনিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলত বিপথে গতি কৰিছে আৰু উঠি অহা চামকো বিপথে যাবলৈ উদ্বুদ্ধ কৰিছে। বৰ্তমানৰ ভোগসৰ্বস্ব বস্তুবাদী সমাজৰ সৈতে ফেৰ মাৰিবলৈ গৈ এচাম যুৱক-যুৱতীয়ে আকৌ কৃত্ৰিম সুখানুভূতি লাভৰ বাবে সহজতে মাদকদ্ৰব্য গ্ৰহণ কৰিবলৈ লৈছে। এনে এক মাৰাত্মক বৰবিহস্বৰূপ মাদকদ্ৰব্য হৈছে ড্ৰাগ্ছ। ড্ৰাগ্ছৰ প্ৰভাৱে বৰ্তমানৰ যুৱ-চামক এক অনিশ্চিত ভৱিষ্যতলৈ লৈ গৈছে।

**ভয়াবহ সমস্যা হিচাপে ড্ৰাগ্ছ ঃ**

ড্ৰাগ্ছ আসক্তি বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে এক ভয়াবহ সমস্যা হিচাপে পৰিগণিত হৈছে। প্ৰথম অৱস্থাত বিশ্বৰ উন্নত দেশবিলাকত ড্ৰাগ্ছ আসক্তি প্ৰচুৰ আছিল যদিও পিছলৈ ই অনুন্নত আৰু উন্নয়নশীল দেশসমূহতো বিয়পি পৰে। ড্ৰাগ্ছ ব্যৱসায়ৰ লগত জড়িত হৈ আছে হাজাৰ হাজাৰ লোক আৰু বিলিয়ন ডলাৰ লেনদেন। প্ৰশ্ন হয় যে এই ব্যৱসায়ৰ সৰবৰাহ ৰোধ কৰিব নোৱাৰি নেকি? চৰকাৰীভাৱে ড্ৰাগ্ছ সৰবৰাহ বন্ধ ঘোষণা কৰিলেও বৰ্তমান ভাৰতবৰ্ষলৈ

অবৈধভাৱে পাকিস্তান, বাৰ্মা, থাইলেণ্ড, আফগানিস্তান, হংকং আৰু বহুতো লেটিন আমেৰিকান দেশৰ পৰা চোৰাং সৰবৰাহ ঘটে।

সাধাৰনতে ড্ৰাগ্‌ছ তৈয়াৰ হয় আফিম (apium) ৰ পৰা। অৱশ্যে ইয়াৰ লগত ৰাসায়নিক প্ৰক্ৰিয়াৰে অনান্য নিচাযুক্ত পদাৰ্থও সংযোগ কৰা হয়। বৰ্তমান বজাৰত উপলব্ধ এই মাৰাত্মক বৰবিহস্বৰূপ ড্ৰাগ্‌ছ বিভিন্ন প্ৰকাৰৰ পোৱা যায়; যেনে ঃ এল এছ ডি, হেৰোইন, ক'কেইন, চাৰাচ ইত্যাদি। উল্লেখযোগ্য যে এবাৰ ড্ৰাগ্‌ছ সেৱন কৰিলে, পিচত ইয়াক ত্যাগ কৰা অসম্ভৱ হৈ পৰে। ড্ৰাগ্‌ছ গ্ৰহণকাৰীয়ে সাধাৰণতে বেজিৰ ছিৰিঞ্জৰ দ্বাৰা দেহৰ ৰক্ত সিৰাত প্ৰয়োগ, ধূম্ৰপান নাইবা গিলি খোৱা আদি বিভিন্ন পদ্ধতিৰে গ্ৰহণ কৰে। আমাৰ দেশত ড্ৰাগ্‌ছৰ আদান-প্ৰদান হয় সাধাৰনতে পৰিত্যক্ত ঘৰ, নিৰ্জন ঠাই, হোটেল, পাৰ্ক আদিত। ড্ৰাগ্‌ছ যিহেতু ব্যয়বহুল নিচাযুক্ত দ্ৰব্য, এই দ্ৰব্য দুখীয়া শ্ৰেণীৰ বাবে সহজসাধ্য নহয়। সেয়ে দেখা যায় যে ড্ৰাগ্‌ছ ব্যৱসায়ীৰ প্ৰৰোচনাত পৰি সাধাৰণতে অধিক টকা থকা পিতৃ-মাতৃৰ সন্তানসকলেই প্ৰথমে ড্ৰাগ্‌ছ সেৱনৰ ক্ষেত্ৰত অভ্যস্ত হয়।

**ড্ৰাগ্‌ছ গ্ৰহণৰ ক্ষতিসমূহ ঃ**

ড্ৰাগ্‌ছ গ্ৰহণৰ ফলাফল অতি ভয়ানক। কাৰণ এনে আসক্তিৰ ফলশ্ৰুতিত এজন লোক তিল তিলকৈ মৃত্যুৰ মুখলৈ আগবাঢ়ে। বিশেষকৈ বেজীৰে ড্ৰাগ্‌ছ লোৱাৰ বাবে এইড্‌চৰ লগতে বিভিন্ন ৰোগৰ বীজাণুৰ সংক্ৰমণ ঘটে। সেইদৰে শৰীৰৰ দুৰ্বলতা, পেটৰ বিষ, ক্ষয় ৰোগ, হেপাটাইটিছ, শৰীৰ কঁপনি, অস্বাভাৱিক ৰক্তচাপ, যকৃতৰ বিভিন্ন ৰোগ, দৃষ্টিহীনতা, নিদ্ৰাহীনতা, আভোক আদি বিভিন্ন ৰোগৰ কাৰকেও কেতিয়াবা ড্ৰাগ্‌ছ সেৱনকাৰীৰ দেহত দেখা দিব পাৰে। ড্ৰাগ্‌ছ সেৱনৰ ফলত মানসিক দিশতো যথেষ্ট প্ৰভাৱ পৰে। মানসিক দিশত সাধাৰনতে আত্মহত্যাৰ প্ৰৱণতা, অকাৰণতে উত্তেজিত হোৱা, হতাশাত ভোগা, উদাসীনতা, অসংযত আচৰণ প্ৰভৃতি কাৰকে দেখা দিব পাৰে।

**ড্ৰাগ্‌ছৰ কবলত অসম ঃ**

সমগ্ৰ বিশ্ব তথা ভাৰতবৰ্ষৰ লগতে সম্প্ৰতি অসমতো বৰবিহস্বৰূপ ড্ৰাগ্‌ছ সেৱনৰ ফলত মানসিক আসক্তিয়ে ভয়াবহ ৰূপ লোৱাৰ উপক্ৰম হৈছে। অসমত মূলতঃ ড্ৰাগ্‌ছ সৰবৰাহ হয় মণিপুৰৰ সীমান্তইদি। বৰ্তমান অসমত ড্ৰাগ্‌ছৰ আসক্তি প্ৰচুৰ নহ'লেও উঠি অহা যুৱচামৰ মাজত ক্ৰমশঃ ইয়াৰ প্ৰভাৱ বাঢ়ি আহিছে। বিশেষকৈ অসম পুলিচ আদিয়ে মাজে সময়ে ড্ৰাগ্‌ছসহ ড্ৰাগ্‌ছৰ সৰবৰাহকাৰী ধৰা পৰাৰ কথা প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰচাৰ কৰিছে। ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত লোকপ্ৰিয়ল গোপীনাথ বৰদলৈ বিমান কোঠত ড্ৰাগ্‌ছসহ আটক হৈছিল সুদূৰ নাইজেৰিয়াৰ এজন লোক। এনেবোৰ দিশলৈ লক্ষ্য কৰিলে সহজেই অনুমান কৰিব পাৰি যে বৰ্তমান অসমত ড্ৰাগ্‌ছৰ চাহিদা বৃদ্ধি পাবলৈ ধৰিছে।

**প্ৰতিকাৰ ঃ**

ড্ৰাগ্‌ছৰ আসক্তিয়ে ব্যক্তিগতভাৱে ক্ষতি কৰাৰ লগতে সমাজ, অৰ্থনীতি, ৰাজনীতি আদি সকলোতে ঋণাত্মক প্ৰভাৱ পেলায়। সুস্থ চিন্তা অবিহনে সুস্থ সমাজ এখন কল্পনা কৰিব নোৱাৰি। ড্ৰাগ্‌ছৰ দৰে অশুভ আসক্তিক ৰোধ কৰাৰ প্ৰথম উপায় হৈছে যুৱশক্তিক সদায় সৎকৰ্ম, সৎ চিন্তাত প্ৰবৃত্ত কৰি ৰখা। দ্বিতীয়তে, পিতৃ-মাতৃ, সমাজৰ অগ্ৰণী লোক, শিক্ষক তথা চৰকাৰখনো সদায় সচেষ্ট হ'ব লাগিব। সেইদৰে আনুষ্ঠানিক শিক্ষাৰ উপৰি সুকুমাৰ কলা, দয়াশীল মনোভাৱ গঢ় ল'বৰ বাবে যুৱসমাজক উদ্‌গনি যোগাব লাগিব আৰু আৱেগক সংযত কৰি ৰাখিবলৈ চেষ্টা কৰিব লাগিব।

**মন্তব্য ঃ**

কৰ্মহীনতাই মনত আলস্য ভাব আনে। তদুপৰি বিবেকে সৃষ্টিশীল কৰ্মৰ চিন্তাচৰ্চা কৰিব নোৱাৰিলে আপোনা-আপুনি বদ অভ্যাস বা বদ চিন্তা কৰিবলৈ কৰে। ফলস্বৰূপে, বদ চিন্তাধাৰাই অসৎ পথত খোজ দিবলৈ অনুপ্ৰেৰণা যোগায়। কৰ্মসংস্কৃতিৰে যুৱ প্ৰজন্মক আগবঢ়াই নিয়াৰ দায়িত্ব আমাৰ সকলোৰে। সমাজৰ বুদ্ধিজীৱীসকলেও আগভাগ লৈ দেশ তথা জাতিৰ ভৱিষ্যৎ প্ৰজন্মক দিকদৰ্শন কৰি ড্ৰাগ্‌ছৰ দৰে বৰবিহক ৰোধ কৰিবলৈ ওলাই অহা উচিত। চৰকাৰেও অধিক গুৰুত্ব প্ৰদান কৰি ড্ৰাগ্‌ছৰ প্ৰচলন সমূলঞ্চে নাশ কৰিবলৈ তীব্ৰ প্ৰচেষ্টা হাতত লোৱা দৰকাৰ; কাৰণ যুৱ মানসত এবাৰ ড্ৰাগ্‌ছৰ আসক্তিয়ে ঠাই ল'লে জাতি তথা দেশৰ অধঃপতন অনিবাৰ্য। ⌘



# কিশোৰ অপৰাধ

○ **কণকলতা ৰাভা**, ছাত্ৰী

শিশুৰ পৰা প্ৰাপ্তবয়স্কৰ মাজৰ সময়খিনিক কৈশোৰ কাল বুলি ধৰা হয়। বয়স হিচাপে ১২ বছৰৰ পৰা এই স্তৰ আৰম্ভ হৈ ১৯ বছৰ বয়সত শেষ হয়। কৈশোৰ অৱস্থা আৰম্ভ হোৱাৰ লগে লগে কিশোৰ এজনৰ মানসিক, বৌদ্ধিক, আৱেগিক আৰু সামাজিক সম্পৰ্কৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন হয়। এইখিনি সময়ত কিশোৰ এজনে ঘৰুৱা পৰিৱেশৰ পৰা ওলাই গৈ বন্ধু মহলত নিজৰ পৰিচয় দাঙি ধৰিব বিচাৰে। প্ৰত্যেকটো স্তৰতে কিছুমান মানসিক বাধা আছে, যিয়ে এই বাধা সফলভাৱে অতিক্ৰম কৰিব পাৰে তেঁৱে মানসিকভাৱে সুস্থ। এই সময়ছোৱাত ব্যক্তি এজনে মনৰ বিভিন্ন দুৱাৰ খুলি দি নিজকে কোনোবা বিশেষ ব্যক্তিৰ অনুগামী হিচাপে পৰিচয় দিব বিচাৰে। কিছুমান কিশোৰে এই অনুগামিত্বতে বিলীন হৈ নিজৰ পৰিচয় হেৰুৱায়। এই বয়সত কিশোৰ এজনে নিজে কিছুমান আচাৰ-ব্যৱহাৰ বা ধৰণ-কৰণ বাচি লয়।

মানুহৰ স্বেচ্ছামূলক কৰ্মই যেতিয়া সমাজৰ তথা ৰাষ্ট্ৰৰ নিয়ম বা বিধি অৱমাননা কৰে, তেতিয়া এই কৰ্মকে অপৰাধ বুলি গণ্য কৰা হয়। কিশোৰ অপৰাধ প্ৰৱণতা বৰ্তমান সময়ত এটা অতি স্পৰ্শকাতৰ তথা গুৰুতৰ সমস্যা হিচাপে গা-কৰি উঠা পৰিলক্ষিত হৈছে। প্ৰখ্যাত মনোবিজ্ঞানী এৰিক এৰিকছনে মানুহৰ মনোসামাজিক বিৱৰ্তনক আঠটা

স্তৰত ভাগ কৰিছে। যিটো শিশুৰ পৰা বৃদ্ধলৈকে এক নিৰৱচ্ছিন্ন ধাৰা।

শেহতীয়া কেইদশক মানৰ পৰা অসমতো শিশু-কিশোৰৰ অপৰাধ প্ৰৱণতা বেছি দেখা গৈছে। বিজ্ঞান- প্ৰযুক্তিৰ উন্নতি, গোলকীকৰণ, বিজ্ঞাপন ইন্টাৰনেট অদিয়ে পৃথিৱীখন হাতৰ মুঠিত কৰি পেলোৱাৰ ফলত নানা ধৰণেৰে এইবোৰ বাঢ়িব ধৰিছে। সাধাৰণতে শিক্ষাৰ পোহৰ কম পৰা অৰ্থনৈতিকভাৱে অনগ্ৰসৰ অঞ্চলৰ শিশু বা কিশোৰসকলৰ মাজত অপৰাধ প্ৰৱণতাৰ হাৰ বেছি হোৱা দেখা যায়।

National Crime Records Bureau (NCRB) য়ে প্ৰকাশ কৰা শিশুৰ দ্বাৰা সংঘটিত অপৰাধমূলক ঘটনাৰ পৰিসংখ্যাৰ ভিতৰত অসমত ২০২২ বৰ্ষত কেৱল শিশুৰ দ্বাৰা সংঘটিত হৈছে ২৪৬ টাকৈ বিভিন্ন অপৰাধ মূলক ঘটনা। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যাৰ ভিতৰত শিশুৰ সংখ্যা আছিল ১২০.৮ লাখ। সেই হিচাপত ২০২২ বৰ্ষত অসমত শিশুৰ দ্বাৰা সংঘটিত মুঠ অপৰাধমূলক ঘটনাৰ হাৰ আছিল ২.০ শতাংশ।

কোনো এটি শিশু অপৰাধ প্ৰৱণতাৰ সৈতে জড়িত হৈ পৰাৰ মূল কাৰণেই হ'ল নৈতিকতাৰ অভাৱ। কিন্তু কোনেও জন্মগ্ৰহণ কৰাৰ সময়ত নীতিজ্ঞান লগত লৈ নাহে। শিশু এটিয়ে ভাল-বেয়া, শুদ্ধ-অশুদ্ধ আদিৰ জ্ঞান তথা বিভিন্ন আচৰণ আদি বয়স বঢ়াৰ লগে-লগে আহৰণ কৰে নিজৰ ঘৰখনৰ, পৰিয়ালৰ লোকৰ সান্নিধ্যত আৰু পাৰিপাৰ্শ্বিকতাৰ পৰা। বৰ্তমান সামাজিক পৰিৱেশত বহুতো মানুহৰ মূল্যবোধ ইমানেই যান্ত্ৰিক আৰু স্খলিত হৈছে যে তাৰ নেতিবাচক প্ৰভাৱৰ পৰা শিশুক আঁতৰাই ৰখাটো খুবেই টান হৈ পৰিছে। ভোগবাদী চিন্তা-চৰ্চা, বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰসাৰে আদি দিয়া প্ৰাচুৰ্য্য, বিলাস আদিয়ে মানুহৰ মনৰ পৰা মানৱীয় মূল্যবোধ আৰু অনুভূতিসমূহ ক্ৰমান্বয়ে কাঢ়ি নিবলৈ ধৰিছে। উচ্ছৃংখলতা পাৰিবাৰিক আসূয়া-অশান্তি, ক্ৰমবৰ্ধমান অপৰাধ প্ৰৱণতাৰ পৰা আমাৰ সমাজখনো বাদ পৰি থকা এনে এক পটভূমিত শিশুৰ মনত লোৱাৰ প্ৰয়োজনীয়তা সকলোৰে উপলব্ধি কৰা উচিত। কিন্তু কেৱল বিদ্যালয়তেই শিশু এটিক নৈতিকতাৰ প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰি তোলাটো কঠিন। নৈতিক শিক্ষা হ'ব লাগিব দৈনন্দিন জীৱনৰ বিভিন্ন কাম-কাজৰ জৰিয়তে ঘৰত তথা বিদ্যালয়ত বয়স্কসকলে আদৰ্শনীয় আচাৰ-ব্যৱহাৰ, মাত-কথাৰ আৰ্হি দেখুওৱাৰ জৰিয়তে আৰু শিশুটিয়ে কাম কৰা নিকটৱৰ্তী সমাজখনৰ এক সুস্থ পৰিৱেশ অব্যাহত ৰখাৰ প্ৰচেষ্টা কৰা উচিত।

দাৰ্শনিক ইলিংৱৰ্থৰ মতে - সকলো শিশুৰেই ব্যৱহাৰজনিত সমস্যা আছে। শিশুৰ ব্যৱহাৰজনিত সমস্যা মানে সেয়া প্ৰকৃততে তাৰ বিকাশশীল ব্যক্তিত্ব আৰু পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী, ভাই-ভনী আৰু সমনীয়াৰ ব্যক্তিত্বৰ মাজৰ এক সংঘাতহে মাথোন। দৰাচলতে শিশুটি গৰ্ভস্থিত হোৱাৰ পূৰ্বেই তাৰ পিতৃ-মাতৃৰ শৈশৰ আৰু বৈবাহিক জীৱন, গৰ্ভস্থিত হৈ থকাৰ সময়ত মাকৰ শাৰীৰিক আৰু মানসিক অৱস্থা, জন্মৰ পিছত পিতৃ-মাতৃ আৰু ঘৰখনৰ প্ৰভাৱ আৰু শিশুটিৰ পৰিৱেশৰ প্ৰতি সহাঁৰি নিজৰ বৈশিষ্ট্য তথা পৰিৱেশৰ প্ৰতি সঁহাৰি আদি বিভিন্ন কাৰকে শিশুটিৰ আচৰণত প্ৰভাৱ পেলায়। এটি শিশু অপৰাধ প্ৰৱণতাৰ সৈতে জড়িত হৈ পৰাৰ ক্ষেত্ৰত এই সকলোবোৰ দিশ জড়িত হৈ থাকে।

ৰাজ্যখনত শিশুৰ দ্বাৰা সংঘটিত যৌন অতিশয্যৰ দৰে ঘটনা বৃদ্ধি পাবলৈ ধৰাৰ অন্যতম কাৰণ হৈছে ম'বাইল ফোনৰ প্ৰতি আসক্তি। অভিভাৱকসকলে তেওঁলোকৰ কিশোৰ-কিশোৰীৰ হাতত ম'বাইল ফোন তুলি দিয়াৰ বাবে তেওঁলোকে সামাজিক মাধ্যমৰ নিয়ন্ত্ৰণহীনভাৱে প্ৰচাৰিত প্ৰাপ্ত বয়স্কৰ যৌন আচৰণ প্ৰত্যক্ষ কৰে। বৰ্তমান সমাজখনত অভিভাৱকসকলে সকলো ক্ষেত্ৰতে স্বাৰ্থপৰ হৈছে আৰু এই ধাৰাৰ প্ৰভাৱ কিশোৰৰ মনস্তত্বতো পৰিছে। পৰিণতিত শিশুৰ দ্বাৰা সংঘটিত হ'ব ধৰিছে অপৰাধমূলক বিভিন্ন ঘটনা।

শিশু সকলৰ মনত যাতে কোনোপধ্যেই অপৰাধ মূলক মানসিকতা গঢ়ি উঠিব নোৱাৰে, সেয়া নিশ্চিত কৰাৰ ক্ষেত্ৰত মাতৃৰ ভূমিকা সৰ্বাধিক। যিসকল শিশু অপৰাধৰ ক্ষেত্ৰখনত ক্ষেত্ৰখনত জড়িত হৈ পৰিছে, তেওঁলোকৰ প্ৰকৃততে নৈতিক বিকাশ সম্ভৱ হোৱা নাই। নৈতিক বুলি ক'লে কেৱল সমাজৰ প্ৰচলিত নীতি - নিয়মসমূহ মানি চলাটোকে নুবুজায়। এটি সজগুণ সম্পন্ন জীৱনৰ অন্বেষণকো বুজায়। কিশোৰে এইখিনি সময়ত পিতৃ-মাতৃ তথা পৰিয়ালৰ আন মানুহৰ পৰা পোৱা মৰম, নিৰাপত্তা, আদৰ, যত্ন আদি যদি সঠিক হয়, তেনেহ'লে তাৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী আৰু এক ব্যক্তিত্ব সম্পন্ন নাগৰিক হিচাপে শিশু এটিক সহজেই গঢ় দিব পৰা যায়। ⌘



# ময়ূৰ বৰাৰ সৈতে কথোপকথনঃ অন্য এক দৃষ্টিভংগী

**সাক্ষাৎ গ্ৰহণ- ড° প্ৰাপ্তি ঠাকুৰ, অধ্যক্ষ,**
**শ্ৰীযুত সত্যব্ৰত দত্ত, মুৰব্বী, ইতিহাস বিভাগ**

**অধ্যক্ষ ঃ** প্ৰথমে আপোনাক সৰুপথাৰ মহাবিদ্যালয়লৈ স্বাগতম জনাইছোঁ।

**ময়ূৰ বৰা ঃ** ধন্যবাদ।

**সত্যব্ৰত দত্ত ঃ** আমি গম পাইছো যে, প্ৰথমে আপুনি গুৱাহাটীত ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰি, তাৰ পিছত পুনৰ অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰিলে। আমি জানিব বিচাৰিছো এই মাধ্যম সলনিয়ে আপোনাৰ জীৱনত কিবা প্ৰভাৱ পেলাইছে নেকি ?

**ময়ূৰ বৰা ঃ** মোৰ পিতৃৰ ইচ্ছা যে মই অসমীয়া মাধ্যমত পঢ়িব লাগে। এইটোৱেই আছিল মোৰ জীৱনক লৈ মোৰ পিতৃয়ে লোৱা আটাইতকৈ ডাঙৰ আৰু যোগাত্মক সিদ্ধান্ত।

গুৱাহাটীৰ ছেক্ৰেড হাৰ্ট স্কুলত পঢ়ি থাকোতেই দেউতাৰ উপলব্ধি হ'ল যে তথাকথিত এচামৰ প্ৰদৰ্শনকামিতা মনোভাৱ, যিটো তেওঁৰ মনঃপুত হোৱা নাছিল, সেয়েহে অনতিপলমে মোক নিজৰাপাৰা প্ৰাথমিক বিদ্যালয়ত নামভৰ্ত্তি কৰি দিলে। সেই নিজৰাপাৰ ভূপেন হাজৰিকাৰ নিজৰাপাৰ। সেই সময়ত লাহে লাহে অসমীয়া অৱস্থাপন্ন অভিভাৱকৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমত পঢ়োৱাৰ ধাউতি বৃদ্ধি হৈছিল। ইয়াৰ বিপৰীতে মোৰ দেউতাই মোক অসমীয়া মাধ্যমত নামভৰ্ত্তি কৰিছিল। এটা কথা ঠিক যে, যি মাধ্যমেই নহওক প্ৰকৃত শিক্ষিতজনে নিজৰ মাতৃভাষাৰ চৰ্চা অব্যাহত ৰাখিবই। উদাহৰণস্বৰূপে স্বনামধন্য জয়ন্ত হাজৰিকাৰ পুত্ৰ ময়ূখ হাজৰিকা মোৰ সহপাঠী। তেওঁ কেন্দ্ৰীয় বিদ্যালয়ত অধ্যয়ন কৰিছিল, য'ত অসমীয়া বিষয়ৰ কোনো অস্তিত্বই নাছিল। অথচ ময়ূখ হাজৰিকাই

অসমীয়াত গীত গায় আৰু ৰচনা কৰে। ৰাষ্ট্ৰীয় শ্ৰেষ্ঠ কণ্ঠশিল্পী বটাঁপ্ৰাপ্ত তৰালী শৰ্মা আৰু অংগৰাগ পাপন মহন্ত দুয়ো ইংৰাজী মাধ্যমত পঢ়া-শুনা কৰিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক উদয়ন মিশ্ৰ আৰু 'স্বৰ্ণলতা'ৰ স্ৰষ্টা তিলোত্তমা মিশ্ৰ দুয়ো ইংৰাজী মাধ্যমৰে আছিল। উল্লেখযোগ্য যে উদয়ন মিশ্ৰই নিজৰ ঘৰতেই 'অংগীকাৰ' নামৰ হাতেলিখা অসমীয়া কাকত প্ৰকাশ কৰিছিল। তেখেতে নিজ আদৰ্শত অটল হৈ জেললৈ যোৱাৰ উদাহৰণো আছে। গতিকে এটা কথা ঠিক সৰলীকৰণ কৰিবলৈ গ'লে অসমীয়াসকলৰ ইংৰাজী মাধ্যমৰ প্ৰতি যি ধাউতি সেয়া মাৰাঠী নাইবা বেংগলী সকলতকৈ অলপ বেছি। গতিকে ক'ব পাৰি নিজ ভাষাত অধ্যয়ন কৰিলে ভাষাটোৰ প্ৰতি যিমান নিষ্ঠা থাকিব ইংৰাজী মাধ্যমৰ হ'লে সেই দায়বদ্ধতা নিশ্চিতভাৱে কম হোৱাৰ আশংকা থাকে। কিন্তু মাধ্যমটো কেতিয়াও হেঙাৰ বা প্ৰতিবন্ধক নহয়। সেয়েহে মই কওঁ যে মই যদি ইংৰাজী মাধ্যমত পঢ়িলো হয় ৮০ শতাংশ ইংৰাজীৰ প্ৰতি ধাউতি থাকিল হয়, অসমীয়া মই সম্পূৰ্ণকৈ বুজি নাপালো হয়। গতিকে দেউতাৰ এই সিদ্ধান্ত অতি যোগাত্মক বুলি কওঁ।

**সত্যব্ৰত দত্ত ঃ** বৰা ডাঙৰীয়া আমি জানো যে আপুনি বহু দেশ-বিদেশ ভ্ৰমণ কৰে। গুৱাহাটীৰ কটন কলেজৰ আগৰ গৰিমা, কটন কলেজিয়েটৰ আগৰ গৰিমা আৰু বৰ্তমানৰ কটন কলেজৰ লগত পাৰ্থক্য কেনেধৰণৰ?

**ময়ূৰ বৰা ঃ** প্ৰথমতে কওঁ যে কটন কলেজীয়েটৰ গৰিমা আৰু কটনৰ গৰিমা দুটা ভিন্ন বিষয় । সম্প্ৰতি কটন কলেজৰ গৰিমা পূৰ্বৰ তুলনাত বহু পৰিমাণে হ্ৰাস হ'ল। তাৰ বাবে কলেজ বা স্কুলক দোষাৰোপ কৰিব নোৱাৰি। সেই সময়ৰ অৰ্থাৎ ১৯৭৫/৭৬ চনৰ পিছৰে পৰাই অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ ইংৰাজী মাধ্যমৰ প্ৰতি থকা যি প্ৰৱণতা আৰম্ভ হৈছিল সেয়া পৰৱৰ্তী সময় ১৯৯৫/৯৬ চন মানৰ পৰা অতিকৈ বৃদ্ধি পাইছে। প্ৰথম অৱস্থাত মোৰ পিতৃ-মাতৃয়েও মোক ইংৰাজী মাধ্যমত নামভৰ্ত্তি কৰি দিছিল।

এইপ্ৰসংগতে ক'ব লাগিব যে অসমীয়া যিবোৰ চৰকাৰী মাধ্যমৰ বিদ্যালয় আছিল কেৱল কটন কলেজীয়েটেই নহয় সমগ্ৰ অসমৰেই চৰকাৰী বিদ্যালয়সমূহৰ ফলাফল বেয়া হৈ অহাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ সংস্থাপনৰ প্ৰতি চিন্তা কৰি অভিভাৱকসকলে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্ত্তি কৰি দিছিল। চৰকাৰী বিদ্যালয়সমূহত যদি ভাল ছাত্ৰ-ছাত্ৰী নামভৰ্ত্তি নকৰে তেন্তে বিদ্যালয়খনৰ ফলাফল আশা কৰা ধৰণৰ নহয়।

কটন কলেজৰ ক্ষেত্ৰত যদি কওঁ ১৯৯৮/৯৯ চনৰ সময়ছোৱাত অসমৰ বহু ঠাইত জুনিয়ৰ কলেজসমূহ স্থাপন কৰা হ'ল। সেই কলেজসমূহৰ ফলাফলো আশা কৰা ধৰণৰ দেখিবলৈ পোৱা গ'ল। অভিভাৱকসকলে নিজা অঞ্চল বা ঠাইতেই একাদশ-দ্বাদশ শ্ৰেণীলৈকে জুনিয়ৰ কলেজসমূহতে ল'ৰা-ছোৱালীক পঢ়িবলৈ পঠিয়ায়। যাৰ ফলত বহু ছাত্ৰ-ছাত্ৰী কটন কলেজলৈ নোযোৱাকৈয়ে নিজা অঞ্চলসমূহত পঢ়িবলৈ সুবিধা লাভ কৰিলে। অসমৰ শিক্ষা জগতখনৰ এই পৰিৱৰ্তনত কটন কলেজীয়েটত বহু ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তি কমিল। অসমীয়া সমাজৰ এই পৰিৱৰ্তনে কটন কলেজীয়েটলৈ বেছি নেতিবাচক প্ৰভাৱ আনিছে যদিও কটন কলেজত কমকৈ পৰিছে। সামগ্ৰিকভাৱে চাবলৈ গ'লে দুয়োখনৰ ওপৰতেই এই নেতিবাচক প্ৰভাৱ পৰিছে।

**সত্যব্ৰত দত্ত ঃ** আপুনি উচ্চতৰ মাধ্যমিক কটন কলেজৰ পৰা বিজ্ঞান শাখাত উত্তীৰ্ণ হ'ল। এটা কথা ঠিক যে সেই সময়ছোৱাত অসমৰ আঢ্যৱন্ত তথা মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়েহে বিজ্ঞান শাখাত পঢ়িব পাৰে। ইয়াৰ পিছত আমি জনা মতে আপুনি (NIT)ত ইঞ্জিনিয়াৰিং পঢ়িবলৈয়ো সুবিধা লাভ কৰাৰ পিছতে যে দিল্লীলৈ গৈ শিক্ষা গ্ৰহণ কৰিবলগীয়া হ'ল কি লক্ষ্যৰে?

**ময়ূৰ বৰা ঃ** সেই সময়ছোৱাত মধ্যবিত্ত মানুহৰ ধাৰণা হৈছিল যে হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পিছতেই উচ্চতৰ মাধ্যমিকত বিজ্ঞান শাখাত নামভৰ্তি কৰিব লাগে। মোৰ পিতৃ-মাতৃৰ কথামতেই মই কটন কলেজত বিজ্ঞান শাখাত নামভৰ্তি কৰি অধ্যয়ন কৰিলো। বিজ্ঞান শাখাত পঢ়োতে বিজ্ঞানৰ বিষয় পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান মই খুবেই বেয়া পাইছিলো। এই বিষয়বোৰ বেয়া পাইছিলো যদিও ভাল ফলাফল লাভ কৰিলো।

উচ্চতম মাধামিকৰ ফলাফলৰ পিছতেই মই NIT ত ইঞ্জিনিয়াৰিং কৰিবলৈ নামভৰ্ত্তি কৰাৰ সুযোগ পালো যদিও নিজাকৈ এটা সিদ্ধান্ত ল'লো, যেনেকৈ দেউতাই মোৰ সৰু কালত মোক ইংৰাজী মাধ্যমৰ পৰা অসমীয়া মাধ্যমৰ বিদ্যালয়ত নামভৰ্ত্তি কৰি দিছিল। তেনেকৈয়ে ময়ো আৰু বিজ্ঞান নপঢ়াৰ সিদ্ধান্ত গ্ৰহণ কৰিলো। দিল্লী বিশ্ববিদ্যালয়ৰ হংসৰাজ কলেজত

মই ইতিহাস আৰু দৰ্শন বিষয়ত নামভৰ্ত্তি কৰিলো। মোৰ এই সিদ্ধান্তক মা-দেউতাই খুব বেয়া পাইছিল। সেই সময়ছোৱাত মধ্যবিত্ত ঘৰৰ ল'ৰা এটাই ইঞ্জিনিয়াৰিং নপঢ়ি ইতিহাস পঢ়াটো, অনিশ্চিত ভৱিষ্যৎ বুলি ভাবিছিল, আৰু এইটো মানুহে ভাৱেই বিশেষকৈ দৰ্শন পঢ়িলে। যিটো মই মিছা প্ৰমাণিত কৰিলোঁ।

**সত্যব্ৰত দত্ত ঃ** দিল্লী বিশ্ববিদ্যালয়ৰ হংসৰাজ কলেজত সেই সময়ত পঢ়া ছাত্ৰ সৰ্বভাৰতীয় অসামৰিক, প্ৰশাসনিক পৰীক্ষাত অৱতীৰ্ণ হয়। তাৰ পিছতো আপুনি বেংকত সেৱা কৰাৰ প্ৰতিও ধাৱমান হৈছিল কিয়?

**ময়ূৰ বৰা ঃ** মই বেংকিঙৰ বাবেই কেৱল প্ৰস্তুতি চলোৱা নাছিলো। মোৰ প্ৰস্তুতি আছিল সৰ্বভাৰতীয় পৰীক্ষাৰ বাবে। সৰ্বভাৰতীয় পৰীক্ষাৰ বাবে প্ৰস্তুতি কৰি থাকোত মই সকলো ধৰণৰ পৰীক্ষা দিছিলো। সেইসমূহৰ ভিতৰত বেংকৰ কেৰাণীৰ পৰা আৰম্ভ কৰি ষ্টাফ চিলেকশ্যন কমিশ্যন (SSC)কে ধৰি, ৰিজাৰ্ভ বেংক, নাবাৰ্ড, কেন্দ্ৰীয় লোকসেৱা আয়োগ (UPSC) পৰীক্ষালৈকে। এই পৰীক্ষাসমূহৰ ভিতৰত ১৯৯৪/৯৫ চন মানত মই মুঠ ৭ টা চাকৰি পাইছিলো। ষ্টাফ চিলেকশ্যন কমিশ্যন (SSC)ত চাকৰি পাওঁতে কেইজনমান বাঙ্গালী ভদ্ৰ লোক কাৰ্যালয়ত আছিল। সেই কাৰ্যালয় বৰ্তমান ৰুক্মিণী গাঁৱৰ ফালে আছে। সেই সময়ত চাকৰিৰ বাবে নতুন ল'ৰা-ছোৱালী গ'লে তেওঁলোকে বৰ বিশেষ গুৰুত্ব নিদিছিল। পিছত যেতিয়া মই সেই কাৰ্যালয়লৈ যাওঁ তেখেতলোকে বৰ গুৰুত্ব দি কয় যে আপুনি এটাও চাকৰিত যোগদান নকৰিলে। সেই সময়ত অসমীয়া ল'ৰা-ছোৱালীয়ে ষ্টাফ চিলেকশ্যন কমিশ্যন (SSC) পৰীক্ষাসমূহত কমকৈ অৱতীৰ্ণ হয়। অসমত বসবাস কৰা বিহাৰী, বঙালী আদি ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাসমূহত অৱতীৰ্ণ হয়।

কেন্দ্ৰীয় লোকসেৱা আয়োগ (UPSC) পৰীক্ষাতো মই অৱতীৰ্ণ হৈছিলো। ভূগোল আৰু মোৰ নিজৰ বিষয় ইতিহাসত বেয়া হোৱাৰ বাবে সেই পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাছিলো। এই বিষয়ত মই কাকো দোষাৰোপ কৰিব বিচৰা নাই। কেন্দ্ৰীয় লোকসেৱা আয়োগ (UPSC) পৰীক্ষাৰ বাবে যিহেতু দীঘলীয়া অনুশীলন কৰিবলগীয়া হয় মই বৰ বিশেষ সময়লৈকে অনুশীলন অব্যাহত ৰাখিব নোৱাৰিলো। বহুবোৰ ব্যক্তিগত সমস্যাৰ বাবে মই দিল্লীৰ পৰা ঘূৰি আহিব লগীয়া হয়। তাৰ পৰৱৰ্তী সময়ত ১৯৯৬ চনত সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামীণ বিকাশ বেংকৰ কাৰ্যালয়ত (NABARD) সহকাৰী প্ৰবন্ধক (Assistant Manager) হিচাপে চাকৰি যোগদান কৰো।

**সত্যব্ৰত দত্ত ঃ** সাহিত্যৰ ক্ষেত্ৰখনতো আপুনি এটা চিনাকী নাম। ইতিমধ্যে ১৮ খনকৈ গ্ৰন্থ প্ৰকাশ কৰিছে। তাৰে দুখন গ্ৰন্থ ইংৰাজীত প্ৰকাশ কৰিছে। প্ৰথম কেতিয়াৰ পৰা লিখিবলৈ আৰম্ভ কৰিছিল?

**ময়ূৰ বৰা ঃ** মই ষষ্ঠ শ্ৰেণীত থাকোতেই প্ৰথমে 'সফুঁৰা' আলোচনীত লিখিছিলোঁ। 'পণ্ডিত প্ৰবৰ আনন্দৰাম বৰুৱা' সম্পৰ্কীয় প্ৰবন্ধ এটা লিখিছিলো। মায়ে মোক লৈ গৈছিল সেই সময়ৰ 'সফুঁৰা' আলোচনীৰ সম্পাদক ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ ওচৰলৈ। ড° ভৱেন্দ্ৰ নাথ শইকীয়া ছাৰে মোক উৎসাহ যোগাইছিল। সেই মতে ময়ো লিখিছিলোঁ।

মই ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে মোক শ্ৰেণীকোঠাত ডাকোৱালে আহি দুখন 'সফুঁৰা' আলোচনী দিছিল। ড° ভৱেন্দ্ৰ নাথ শইকীয়াই মাননিৰ পৰিৱৰ্তে দুখন সফুঁৰা দিছিল। তাৰ পৰৱৰ্তী সময়ত 'প্ৰহৰী', 'অসমবাণী' আদিত বহুতো লিখনি আগবঢ়ালোঁ।

উচ্চতৰ মাধ্যমিক পৰ্যায়ত পঢ়ি থাকোতে মই ইংৰাজীত লিখাৰো চিন্তা কৰিলোঁ। মোৰ দেউতাৰ ইংৰাজীৰ গঠনশৈলী ভাল। মই যিহেতু অসমীয়া মাধ্যমত পঢ়িছিলো। গতিকে ইংৰাজী গঠনশৈলীৰ বাবে লিখা-মেলাৰ চিন্তা কৰিছিলোঁ। ঠিক তেনে সময়তে দেউতাই 'The Sentinel' কাকতৰ সম্পাদক ধীৰেন্দ্ৰ নাথ বেজবৰুৱা (দ্যা ছেণ্টিনেল কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক)ৰ ওচৰলৈ লৈ গৈছিল। যিদৰে মায়ে মোক ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ ওচৰলৈ লৈ গৈছিল। তেতিয়াৰ পৰা মই ইংৰাজীত 'The Sentinel' কাকতত লিখিবলৈ আৰম্ভ কৰোঁ। সেই সময়তেই লিখা স্পৰ্শকাতৰ বিষয় 'Westernisation' 'Casticism' সম্পৰ্কত লিখা লেখনিয়ে বিতৰ্কৰ সৃষ্টি কৰিছিল।

ভূপেন হাজৰিকাৰ এখন চিৰিয়েল আছিল 'লোহিত কিনাৰে'। সেইখনক লৈয়ো বিতৰ্ক হৈছিল। এটা সময়ত ভূপেন হাজৰিকাই যি কামেই কৰে অসমীয়া মানুহে নেতিবাচক সমালোচনা বৰ বেছি কৰিছিল। কিন্তু মই সেই 'লোহিত কিনাৰে'ৰ সম্পৰ্কে যোগাত্মক দিশৰ সম্পৰ্কীয় লিখনি 'The Senti-

nel' কাকতত লিখিছিলো। ষষ্ঠ শ্ৰেণীৰ সময়ৰ পৰা সেই সময়ছোৱাত বহু বেছিকৈয়ে লিখিছিলো। তাৰ পিছত কিছু বছৰ লেহেমীয়া হ'ল।

**সত্যব্ৰত দত্ত ঃ** *'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ'* আপোনাৰ খুবেই এখন জনপ্ৰিয় গ্ৰন্থ। অসমৰ শংকৰ শংঘক লৈয়ে গ্ৰন্থখন ৰচিত হৈছে। এই গ্ৰন্থখন লিখিবলৈ কেনেকৈ চিন্তা কৰিলে বা কি উদ্দেশ্যৰে লিখিছিল?

**ময়ূৰ বৰা ঃ** *'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ'* গ্ৰন্থখন ২০১২ চনৰ জানুৱাৰী মাহত প্ৰকাশ কৰিছিলো। এইখন গ্ৰন্থ লিখাৰ আগতেও মই ২০১০-১১ চনৰ শংকৰ সংঘৰ অধিৱেশনৰ সময়ত, অন্যান্য সময়ত শংকৰ সংঘৰ যিবোৰ বিসংগতিপূৰ্ণ কাম কৰাত কেৰোণ দেখিছিলো সেই সম্পৰ্কীয় লেখা মই লিখিছিলো। মোৰ লিখনিৰ কঠোৰ ভাষাৰ বাবে শংকৰ সংঘৰ বহু নেতাৰ ৰাজহুৱা কিছু ভূমিকা বেলেগ দেখিলো। মোৰ আবেগ এটা আছিল যিহেতু মোৰ ককাদেউতা প্ৰতিষ্ঠানটোৰ সম্পাদক আছিল। ককাদেউতাহঁতক সেই সময়ছোৱাত ২৫ বছৰ মান সমাজত এলাগী কৰি থৈছিল। কাৰণ ১৯৩৩ চনত ব্ৰাহ্মণ পুৰোহিতক সন্মানজনকভাৱে আঁতৰাই ককাদেউতাই আমাৰ আইতাৰ নাম-কীৰ্ত্তনীয়া ভাৱে শ্ৰাদ্ধ কৰিছিল। এই ঘটনাটোৱে শংকৰ সংঘক জনপ্ৰিয়ও কৰিলে আৰু বিতৰ্কিতও কৰিছিল। মোৰ ককাদেউতা এই ঘটনাৰ ভুক্তভোগী হ'ল। ককাদেউতা জীয়াই থকালৈকে শংকৰ সংঘৰ সেইখন প্ৰাথমিকৰ প্ৰধান সম্পাদক হৈয়ে থাকিল।

সময়ৰ গতিশীলতাত এই অনুষ্ঠানটো যেতিয়া ডাঙৰ হ'ল। এই অনুষ্ঠানটো ডাঙৰ হোৱাৰ পিছত মই ভাবো কিছুমান কথা এৰাই চলিব লাগে। বিশেষকৈ টকা-পইচা কেন্দ্ৰিক, মেলামুখিতা, কাম কমকৈ কৰি হুলস্থুলীয়া পৰিৱেশ বেছিকৈ কৰা ইত্যাদি ধৰণৰ লগতে ২৫ টা কেৰোণ মই দেখুৱাইছিলো। আৰু আজি মোৰ কৈ ভাল লাগে যে এই কথাবোৰ ভুল প্ৰমাণিত হোৱা হ'লে মই ভাল পালো হয়; কিন্তু বেছিভাগ কথাই সত্য প্ৰমাণিত হ'ল।

কিছুদিনৰ আগতে শুনিলো শংকৰ সংঘৰ এজন নেতাক বহিষ্কাৰ কৰিছে। ব্ৰইলাৰ মুৰ্গী, গাহৰী পালন, চুলি কটা-নকটা আদিৰ কথাত এতিয়াও সংঘৰ সমাজত ৰীতি-নীতি মানি চলে। মই কওঁ যে শংকৰ সংঘ এতিয়া এক বৃহৎ অনুষ্ঠান হ'ল। শংকৰদেৱৰ আদৰ্শক জনপ্ৰিয় কৰাত শংকৰ সংঘই এনেধৰণৰ সৰু কিছুমান কথাত সমিল-মিলেৰে এৰাধৰা কৰি মূল কথা বা বিষয়তহে গুৰুত্ব আৰোপ কৰিব লাগে।

শংকৰ সংঘৰ জ্যেষ্ঠ ব্যক্তিসকল, ভকতসকলে সৰু সৰু কিছুমান কথাত ব্ৰইলাৰ মুৰ্গী, গাহৰি পালন, চুলি কটা-নকটা আদিৰ কথাক ৰীতি-নীতিৰ মাজত ৰাখি ধৰি থকাতকৈ সংঘটোৰ ডাঙৰ নেতাসকলে এই বিষয়সমূহৰ আলোচনা কৰিব লাগিছিল। তাকে নকৰি ডাঙৰ নেতাসকলে বেছিভাগ সময়তেই ব্যস্ত হৈ থাকে- পৰৱৰ্তী অধিৱেশন ক'ত অনুষ্ঠিত হ'ব? অধিৱেশনত কোন আহিব? মুখ্যমন্ত্ৰী নে প্ৰধানমন্ত্ৰী- আদি বিষয়তহে বেছিভাগ গুৰুত্ব দিয়া দেখা যায়।

শংকৰদেৱ গুৰুজনা যে সৰ্বগুণাকৰ। সৰ্ব গুণেৰে বিভূষিত হৈ অসমত নৱ-বৈষ্ণৱ আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গ'ল, অসমীয়া জাতিটোক উজ্বলাই থৈ গ'ল। গুৰুজনাৰ আদৰ্শ সকলো ব্যক্তিয়েই জনাটো প্ৰয়োজন, অসমৰ বাহিৰৰ মানুহকো জনাবলৈ প্ৰচেষ্টা কৰিব লাগে। এনেবোৰ দিশৰ আধাৰতেই মই *'পথভ্ৰষ্ট হৈছে নেকি শংকৰ সংঘ'* গ্ৰন্থখন ৰচনা কৰিছো।

**সত্যব্ৰত দত্ত ঃ** আপোনাৰ প্ৰিয় উপন্যাস বা প্ৰিয় সাহিত্যিক কোনজন?

**ময়ূৰ বৰা ঃ** ড° বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্ম নামত ৰচনা কৰা *'জীৱনৰ বাটত'* উপন্যাসখন মোৰ এখন ভাল লগা বা প্ৰিয় উপন্যাস ক'ব পাৰি। তাৰ সমান্তৰালকৈ যদি কওঁ হোমেন বৰগোহাঞি, চৈয়দ আব্দুল মালিক, লক্ষ্মীনন্দন বৰা, চন্দ্ৰপ্ৰসাদ শইকীয়া ইত্যাদি ঔপন্যাসিকৰ উপন্যাসসমূহৰ কথা ক'ব পাৰি।

**সত্যব্ৰত দত্ত ঃ** আপুনি ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমীয়া সমাজ গঠন, অসমীয়া জাতি এই সম্পৰ্কে টিভিৰ প্ৰেক্ষাপটসমূহত অংশ লয়। এইখিনিতে প্ৰশ্ন হয় যে ভৱিষ্যৎ অসমীয়া জাতি আৰু জাতিটোৰ সংজ্ঞা সম্পৰ্কে আপোনাৰ ধাৰণা কি?

**ময়ূৰ বৰা ঃ** অসমীয়াৰ সংজ্ঞা বুলি ক'লে মোৰ এটা স্পষ্ট ধাৰণা আছে। মই খুব বহল অৰ্থত অসমীয়া বুলি কৈছো। বৰা, শইকীয়া, কলিতা, হাজৰিকা, আলি, আহমেদকে মই অসমীয়া হিচাপে সামৰিব বিচৰা নাই।

মই ভাবো তিনিটা আমি শ্ৰেণী বিভাজন কৰিব পাৰো।

মই ভাবো অসমৰ জনগোষ্ঠীয় লোক বড়ো, মিচিং, তিৱা, ৰাভা, কাৰ্বি আদিৰ যি নিজা ভাষা, সাহিত্য, সংস্কৃতিৰ দ্বাৰা কেৱল অনুপ্ৰাণিত নহৈ সম্পূৰ্ণ পৰিপূৰ্ণ, তেওঁলোকক মোৰ দৃষ্টিত প্ৰথম অসমীয়া বুলি ভাবো। দ্বিতীয় আমিবোৰ যি অসমীয়া ভাষা কওঁ বৰা, কলিতা, হাজৰিকা, শৰ্মা, আলি, আহমেদ তেওঁলোক অসমীয়া, তৃতীয়তে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে যিটো অসম চুক্তিৰ পূৰ্বে অহা অধিবাসী, বংগমূলীয় মুছলমানকে আদি কৰি যিসকল আন ভাৰতীয় মানুহেও আহি অসমত নিগাজিকৈ থাকিবলৈ লৈছে। সেই লোকসকলে অসমক আপোন কৰি লৈছে, অসমৰ সংস্কৃতিক আকোঁৱালি লৈছে, কোনোবা অসমীয়া মাধ্যমৰ বিদ্যালয়লৈ গৈছে কোনোবা যোৱা নাই যদিও অসমৰ প্ৰতি তেওঁলোকৰ মাজত সন্মানজনক বা যোগাত্মক ভাৱ এটা আছে, তেওঁলোকো অসমীয়া।

এইখিনিতে এটা কথা ঠিক যে ৰাজনৈতিক কাৰণতেই আমি অসমীয়া, খিলঞ্জীয়া আদিৰ সংজ্ঞা উলিয়াবলৈ কঠিন হৈছে। এটা জাতিয়ে যেতিয়ালৈকে কাম নকৰিব তেতিয়ালৈকে অসম আৰু অসমীয়া লোকৰ আৰ্থিক দিশত সমস্যা থাকিবই। বংগমূলীয় মুছলমান আৰু আন আন ভাৰতীয় যিসকল লোক অসমত বসবাস কৰি ব্যৱসায়িক দিশসমূহত অসমীয়া লোকে কৰিব নোৱৰা কাম তেওঁলোকে যিধৰণে কৰিছে; এই ব্যৱসায়ৰ দিশসমূহ আমি শিকিব লাগে। অসমৰ যদি প্ৰেক্ষাপটত চাওঁ একাংশই চান্দা তুলিব, আন একাংশক কিছু ক্ষেত্ৰত কামত খটুৱাই নিজে অৱজ্ঞা কৰিব, কোনো গঠনমূলক চিন্তা নকৰিব; তাত জাতিটোৰ সামগ্ৰিক উত্তৰণ কেনেকৈ হ'ব?

অসমীয়া জাতিৰ সামগ্ৰিক উত্তৰণ বাৰু ব্যৱসায় দিশত যদিও কম। কিন্তু চিন্তনীয় যে বৌদ্ধিক দিশত কি হৈছে। কিছু দিনৰ পূৰ্বে দেখিবলৈ পোৱা গৈছিল যে শিৱসাগৰত অনা-অসমীয়া লোকে অসমীয়া লোকক কৰা আক্ৰমণৰ ঘটনাক লৈ সমগ্ৰ উজনিতে যেন অসমীয়া জাতীয়তাবাদী জাগি উঠিছিল। মই কিন্তু সন্মানজনকভাৱে এটা প্ৰশ্ন কৰিব বিচাৰো যে শিৱসাগৰত অসমীয়া বাতৰি কাকত কিমানখন চলে? অসমীয়া সাহিত্যৰ আলোচনী কিমান চলে? এবাৰ এই সম্পৰ্কে মই কওঁতে আলফাৰ প্ৰাক্তন নেতা অনুপ চেতীয়াই মোক কৈছিল যে আপুনি এইবোৰ কি কৈছে? মই সেই সময়ত সাতসৰী, প্ৰান্তিক, গৰিয়সী ইত্যাদিৰ তুলনা কৰিছিলো ব্ৰইলাৰ মাংসৰ লগত। যে এক কিলো ব্ৰইলাৰ মাংসৰ দামতকৈ সাতসৰী, প্ৰান্তিক, গৰিয়সীৰ দাম যথেষ্ট কম। তেতিয়া বৌদ্ধিক চিন্তাৰ দিশত তেওঁলোকে উপলব্ধি কৰিছিল। গতিকে এই কথা কেৱল শিৱসাগৰ বুলিয়েই নহয়। শিৱসাগৰৰ ঘটনাই যিদৰে অসমীয়াক জগাই তুলিছিল তেনেদৰে সমগ্ৰ অসমতেই বৌদ্ধিক, শৈক্ষিক দিশতো অসমীয়া জাতীয়তাবাদ জাগি উঠাৰ প্ৰয়োজন।

**সত্যব্ৰত দত্ত ঃ** আপুনি সম্প্ৰতি যুৱ সমাজক উদ্দেশ্যি বহু বক্তৃতা দিয়ে। আমি জানিব বিচাৰিছো যোগাত্মক কথা কোনখিনি আৰু বিয়োগাত্মক কথা কোনখিনি? যুৱসমাজৰ একাংশক সংগঠনৰ চান্দাজীৱি বুলি কয়, যুৱকসকলৰ মাজত কৰ্মবিমুখিতা, মাদকদ্ৰব্য সেৱন, একাংশই আকৌ অসমৰ পৰা বৰ্হিৰাজ্যৰ কেৰেলা, চেন্নাই, হায়দৰাবাদ ইত্যাদিত কাম কৰিবলৈ যায়। এইসমূহৰ কাৰণে যুৱকসকল সমালোচিতও হয়। এইসমূহ দিশ সামৰি কি ক'ব?

**ময়ূৰ বৰা ঃ** আপুনি দাঙি ধৰা প্ৰশ্নৰ মাজতেই এটা ভাল কথা সোমাই আছে যে কেৰেলা, চেন্নাই, হায়দৰাবাদ আদি ঠাইত অসমৰ যুৱকসকল কৰ্মৰ সন্ধানত যোৱাটো সন্মানজনক কথা। চান্দাজীৱি বুলি সকলো ক'ব নোৱাৰি, তাৰ মাজত একাংশইহে চান্দাৰ প্ৰতি ধাৱমান হয় বিশেষকৈ সংগঠনৰ একাংশ নেতা।

এইখিনিতে এটা প্ৰশ্ন উঠে যে অসমৰ পৰা বহিঃৰাজ্যত কাম কৰিবলৈ যাবলগীয়া হোৱাটো এটা চিন্তাৰ কাৰণ। যিসকল একেবাৰেই উপায়হীন তেওঁলোকৰ কথা বাদ দি যিসকলৰ কৃষিভূমি থাকিও বহিৰাজ্যত কৰ্মৰ সন্ধানত যোৱাটোতহে প্ৰশ্ন হয়। কৃষিক অসমীয়া মানুহে মান্যতা দিব নোখোজা হ'ল নেকি? চৰকাৰৰো কেতবোৰ আঁচনিয়ে যে হিতাধিকাৰী সৃষ্টি কৰিছে বুলি কয়; সেই আঁচনিবোৰে অসমীয়া লোকক কৰ্মবিমুখ হৈ উঠিছে নেকি? কিন্তু এইটো নহয় যে চৰকাৰে অসমৰ মানুহৰ বাবে যোগাত্মক চিন্তা কৰা নাই, যোগাত্মক দিশতো ভূমিকা গ্ৰহণ কৰিছে। সমান্তৰালকৈ অসমীয়া সকলো লোকেই যে কৰ্মবিমুখ হৈছে তাক সত্য প্ৰমাণিত কৰিব নোৱাৰি।

শংকৰদেৱ-মাধৱদেৱৰ কীৰ্তন আৰু নামঘোষাক প্ৰথম ইউনিক'ডলৈ ৰূপান্তৰ কৰিছিল অসমীয়া নতুন প্ৰজন্মৰ অভিযন্তা আৰু ছাত্ৰই। কোনো চৰকাৰে কৰা নাই। 'শব্দ'ৰ স্ৰষ্টা বিক্ৰম মজিন্দাৰ বৰুৱাৰ কথাও উল্লেখ কৰিব পাৰো। এনে বহু ছাত্ৰ-ছাত্ৰীয়ে বহিৰাজ্যত শিক্ষা গ্ৰহণ কৰিও অসমীয়া ভাষাৰ বাবে কাম কৰি আছে। গুগলত অসমীয়া ভাষাক সহজলভ্য কৰাৰ বাবে উইকিপেডিয়াৰ কাম হৈছে। গতিকে মই কওঁ যে অসমীয়া

ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকল কৰ্মবিমুখ হৈছে তেতিয়া এইসকল লোকক অসন্মান কৰা হ'ব।

এইখিনিতে ক'ব পাৰি যে এটা পাৰিসাংখ্যিকভাৱে অনুমান কৰিব পৰা যায় অসমৰ একাংশই কাম কৰিব লাগে কাৰণেহে কৰা পৰিলক্ষিত হয়। দৃঢ়তাৰে বহুবোৰ কাম কৰাত তেওঁলোক অমনোযোগী।

**সত্যব্ৰত দত্ত ঃ** সাম্প্ৰতিক প্ৰেক্ষাপটত জাতীয়তাবাদৰ ধাৰাটো কেনেধৰণৰ? অসমীয়া জাতীয়তাবাদ ধানখেৰৰ জুইৰ দৰে। শৰাইঘাটৰ যুদ্ধৰ সময়ৰ পৰাই দেখি আহিছো যে অসমীয়া লোকে সাহসেৰে যুদ্ধ কৰিব পাৰে। শেহতীয়াকৈ শিৱসাগৰৰ ঘটনাটো। সম্প্ৰতি জাতীয়তাবাদ কি পৰ্যায়ত আছে বুলি ভাৱে?

**ময়ূৰ বৰা ঃ** ভাষিক জাতীয়তাবাদটো ইউৰোপৰ ১৮০০ শতিকাৰ শেষৰ পৰাই জাতি ৰাষ্ট্ৰৰ ধাৰণা হ'ল তাৰ ধাৰণা মূলত কৃষ্ণ ধৰ্ম, শ্বেতাংগ মানুহ, মূলত এটা ভাষা কোৱা মানুহৰ যোগেদি ইউৰোপত জাতি ৰাষ্ট্ৰৰ ধাৰণাটো পাওঁ।

ভাৰতবৰ্ষত স্বাধীনতাৰ সময়ৰ পৰাই জাতি ৰাষ্ট্ৰৰ ধাৰণাটো লাহে লাহে আৰম্ভ হ'ল। পূৰ্বে সাংস্কৃতিক ভাৰতবৰ্ষ আছিল। যাৰ বিষয়ে শংকৰদেৱৰ ৰচনাৰ মাজত আমি পাওঁ। কিন্তু ৰাজনৈতিক ভাৰতবৰ্ষ বা সকলো ভাৰতীয় যে এক সেই কথাটো স্বাধীনতা সংগ্ৰামৰ মাজে মাজে অহা। আমাৰ যি সংবিধান নিৰ্মাণ কৰা প্ৰক্ৰিয়া সেইটো 'Founding Fathers' বুলি কওঁ, তেওঁলোকৰ যোগেদি অহা। গতিকে সেই ক্ষেত্ৰত জাতীয়তাবাদটো গুৰুত্বপূৰ্ণ। কিন্তু জাতীয়তাবাদত যেতিয়া কোনোবাই ধৰ্ম লগাব বিচাৰে সেইটো সমালোচিত বিষয়। জাতীয়তাবাদ সদায় ভাষাভিত্তিক হ'ব লাগিব। ইয়াৰ সমান্তৰালকৈ আপুনি যদি অসমীয়া জাতীয়তাবাদ বুলি কয় আমি এটাই উদাহৰণ দিব পাৰে যে - আজি অসমীয়া ভাষিক জাতীয়তাবাদক কেন্দ্ৰ কৰি আটাইতকৈ বেছি সংগঠন আছে। ইয়াৰ সমান্তৰালকৈ মই ক'ব বিচাৰো যে ভাষিক জাতীয়তাবাদৰ ভিতৰত আটাইতকৈ দুৰ্বল অসমীয়া। বড়ো আৰু মিচিং জাতীয়তাবাদৰ তুলনাত অসমীয়া জাতীয়তাবাদ দুৰ্বল।

আটাইতকৈ কম সংগঠন থকা তামিল জাতীয়তাবাদ, মাৰাঠী জাতীয়তাবাদ, পাঞ্জাৱী জাতীয়তাবাদতকৈ অসমীয়া জাতীয়তাবাদ বহুতেই দুৰ্বল। মই মহাৰাষ্ট্ৰ, পাঞ্জাৱত নিজেই কাম কৰিছো, সেই ৰাজ্যসমূহত ইমান সংগঠন নাই যিমান অসমত আছে। কিন্তু সেই ৰাজ্যসমূহত প্ৰকৃত জাতীয়তাবাদ মানুহৰ বুকুত আছে। কেৱল অসমতেই যে ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰে তেনে নহয়, চণ্ডীগড়, পুনে, মহাৰাষ্ট্ৰ আদি ৰাজ্যতো ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰে। কিন্তু অসমতকৈ সেই ৰাজ্যসমূহত ১০/২০ শতাংশ কমকৈ ইংৰাজীৰ প্ৰতি ধাৱমান হয়। গতিকে সেই দৃষ্টিৰে চালে অসমৰ জাতীয়তাবাদৰ অনুধাৱন কৰিব পাৰি যে কি পৰ্যায়ত আছে।

**সত্যব্ৰত দত্ত ঃ** শেষত সৰুপথাৰ মহাবিদ্যালয় পৰিয়ালৰ হৈ আপোনাক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**ময়ূৰ বৰা ঃ** ধন্যবাদ। ⌘



# জীৱন মৃগতৃষ্ণা

০ প্ৰাচুৰ্য দত্ত, ছাত্ৰ

পাতৰ পৰা সৰি পৰা নিয়ৰৰ দৰে ৰাতিটো গভীৰ হৈ আহিছে। অভিমন্যুৰ আজিও টোপনি অহা নাই। খিৰিকীৰ কুহুমৰঙী পৰ্দাখন আঁতৰাই তাৰ বাহিৰলৈ চাবৰ মন গ'ল। বাহিৰত তেতিয়া মন কুঁৱলীৰ অস্পষ্ট দৃশ্যপট। বিশাল আকাশখনৰ অ'ত-ত'ত ওলমি আছে কেইটামান বেজাৰমুৱা তৰা। দূৰ ক'ৰবাৰ পৰা ৰিণিকি ৰিনিকি ভাঁহি আহিছে অন্তৰ ভেদি যোৱা গাৰছিনাঙৰ কৰুণ সুৰ। এৰা ! গভীৰ নিশাৰ নিৰ্জন দলিচাত বহি সি কিমানবাৰ যে এনে সুৰ শুনিছে।

সি বাৰু সঁচাকৈয়ে হাৰি গৈছে নেকি ? সেই নিশাৰ লোমহৰ্ষক দৃশ্যটোৰ কথা মনলৈ আহিলে সি আজিও ভীতিগ্ৰস্ত হৈ পৰে। সেইদিনা উৰুকাৰ নিশা লগৰকেইটাক গোহালিটোৰ ওচৰতে ৰৈ থাকিবলৈ দি নোমলহঁতৰ ঘৰৰ হাঁহ চুৰ কৰিবলৈ যাবলৈ সি ককায়েকক লগ ধৰিবলৈ আহিছিল। কিন্তু দৰ্জাখন মেলি দুখোজমান আগবাঢ়ি সোমাই গৈয়ে সি হতভম্ব হৈ থমকি ৰৈছিল। আন্ধাৰ কোঠাটোৰ একোণত খিৰিকীখনৰ পোনে পোনে ওলমি আছিল অভিনৰ

-"বুজিছ অভি ! জীৱনতকৈ ডাঙৰ গল্প আৰু একো নাই। চব মৰীচিকা।" অভিনৰৰ এই কথাটোৱে তাক আজিও আমনি কৰে।

সি যেন ক'ৰবাত হেৰাই যাব ধৰিছে। কিতাপ এখন মেলি বাৰে বাৰে মন বহুৱাবলৈ যত্ন কৰিছে যদিও সি নিৰুদ্বেগ হ'ব পৰা নাই। কিনকিনীয়া বৰষুণৰ দৰে বাহিৰত সৰি আছে নিয়ৰবোৰ। শীতল পাহাৰীয়া বতাহ এজাক সোমাই আহি কোঠাটো সেমেকাই তুলিছে। সি খিৰিকীখন জপাই দিলে। এসময়ত চিলমিল টোপনি এটাই তাক সাৱটি ধৰিলে।

টকৌপাতৰ চালিখনৰ তলতে জাৰৰ দিনকেইটাৰ বাবে সাজি লোৱা জুহালটো শোটাডালেৰে চিকুনাই লৈ মালতীয়ে পানী গৰম কৰিছে। যত্নৰ অভাৱত খহটা কাঠৰ দৰে হৈ পৰা দেহাটোৰেই গোটেই দিনটো মানুহজনীয়ে ইটো-সিটো কাম কৰি থাকে। অন্যন আগমনিৰ ফিৰিঙতি ছটিয়াই ওলাই অহা সূৰুযৰ আভাত সেওঁতাৰ কাষে কাষে থকা ৰূপোৱালী সূতাকেইডালৰ লগতে মালতীৰ তিৰবিৰাই থকা চকুযুৰিও উজলি উঠিল। পিঠাগুড়িৰ ডলাখন উলিয়াই আনি ভঁৰালঘৰৰ ভালকৈ ৰ'দপৰা চালখনতে দি মানুহজনী পাকঘৰত সোমাল।

কাঁহৰ কাহী এখনত পোৱা আলুৰ পিটিকা, লাই-খুতুৰা শাক আৰু জলফাইৰ আচাৰ অকনমানেৰে ভাতকেইটা বাঢ়ি মাকজনীয়ে অভিক মাতিছে। পিছচোতালখনতে দুয়ো ভাত খাবলৈ বহিল।

ঃ অ কালি পিঠা খুন্দিবলৈ যাওঁতে নোমলক লগ পাইছিলো। বাঁহ এডাল বিচাৰিছে। যোৱাবাৰ উৰুকাত হেনো সিহঁতৰ দুজনী পাতি হাঁহ আৰু জেওৰা এখন নিলে। সেইকাৰণে এইবাৰ বোলে ভালকৈয়ে বনাব।

ভাতৰ গৰাহটো মুখলৈ নি হঠাৎ সি থমকি ৰ'ল।

ঃ কি হ'ল খা আকৌ!

দেউতাৰৰো ঔষধকেইটা শেষ হৈছে। আজি লৈ আনিবিগেচোন। তাৰ মনটো গধুৰ হৈ পৰিল। সি যে নজনাকৈয়ে বহুত দূৰ আঁতৰি আহিছে দেউতাকৰ পৰা। ওচৰত থাকিও যেন বহুত দূৰৈত, আপোন হৈও যেন বহুত অচিনাকী দুয়ো পিতা-পুত্ৰ।

ঃ তোৰ হৈছে কি অভি?

ঃ নাই, একো নাই।

চাইকেলখন লৈ অভিমন্যু ওলাই গ'ল। সি যোৱাৰ ফালে বহুপৰ চাই ৰ'ল মালতীয়ে। হঠাৎ যেন কিবা এক অপয়া টো উজাই আহি মালতীৰ বুকুত খুন্দিয়ালেহি। চাদৰৰ আঁচল খনেৰে মুখখন ঢাকি মানুহজনী ভিতৰলৈ সোমাই গ'ল।

দুপৰীয়া আজান দিয়াৰ শব্দ শুনা গৈছে।

ঃ অভিমন্যু! কি খবৰ?

বহুত দিনৰ মূৰত লগ পাইছোঁ তোমাক।

খুড়ীহঁতৰ ভালনে?

ঃ উম্ ! সি মূৰ দুপিয়ালে।

নাফিজা, কাকায়েক অভিনৱৰ এসময়ৰ ভাল বান্ধৱী। এই বুলিয়েইতো চিনি পাই সি।

ঃ কি হ'ল, ইমান আচৰিত হৈছা যে!

নাফিজাই হাঁহি এটা মাৰি ক'লে -

ঃ আব্বা মছজিদ গৈছে। সেইকাৰণে ময়েই আহিলোঁ বিহুৰ বজাৰ কেইটা কৰিবলৈ। আমাৰ ফালেও আহিবা কেতিয়াবা।

ঃ বাৰু দিয়া অভিমন্যু মোৰ বজাৰ হ'ল, মই গৈ থাকো এতিয়া। তুমি ঈদতেই আহিবা নহ'লে এইবাৰ।

তাৰো বস্তুবোৰ লোৱা হৈ গ'ল। চাইকেলৰ পেদেল পকাই কথাবোৰ ভাবি ভাবি সি ঘৰ অভিমুখে গৈ আছে। তেতিয়া আকাশত ডুব যাব খোজা বেলিৰ আভা আৰু আগামী অন্ধকাৰৰ অদ্ভুত খেলা। দূৰৈৰ পাহাৰৰ দাঁতিৰ পৰা দুই-এক টিমিক ঢামাক জোনাকী পৰুৱাৰ দৰে পোহৰ দেখা গৈছে। নাফিজা বাইদেউ বাৰু স্বাভাৱিকতেই সলনি হৈছে নে? অভিমন্যু যেন এক চক্ৰবেহুত সোমাই পৰিছে। তাৰ মনৰ আক্ষেপবোৰ, সি ঢুকি নোপোৱা জীৱনটো, হেৰাই যাব ধৰা আত্মবিশ্বাস - এই সকলোবোৰৰ চক্ৰবেহুৰ পৰা আকল মাৰি ধৰিব খোজা কুঁৰলীৰ বাটেৰে সি ওলাই পলাব বিচাৰিছে। অথচ তাৰ সমস্ত আৰ্তি অত্যন্ত নিদাৰুণভাৱে তালৈয়ে উভতি খেদি আহিব ধৰিছে। অদূৰত নিৰুদ্দিষ্ট নিয়তিৰ উচুপনি লাহে লাহে নামঘৰৰ ডবাৰ শব্দত তল পৰিব ধৰিছে।

"মুক্তিত নিস্পৃহ যিটো
সেহি ভকতক নমো..."

মালতীয়ে গোসাঁইঘৰত চাকি দিছে। পদূলিৰ পৰাই সি মাকৰ প্ৰাৰ্থনা শুনি শুনি চোতাল পালেহি।

অভিনৱৰ কিতাপৰ বাকচটো খুলি চাইছে আজি অভিমন্যুৱে - ... 'মই নোৱাৰিলোঁ। মোক তোমালোক সকলোৱে ক্ষমা কৰিবা...'

নীলা ডায়েৰীখনৰ শেষ পৃষ্ঠাৰ শেষ বাক্যকেইটা! 'মই যাব ওলাইছো অভি, মোক ক্ষমা কৰি দিবি! এতিয়া সকলো দায়িত্ব তোক দি গৈছোঁ। আমি ৰোৱা বকুল পুলিটো চাবি। মই নোৱাৰিলোঁ অ'! অতিয়া যাওঁ....'

ক'ব নোৱৰাকৈয়ে অভিমন্যুৰ দুচকুৰে অশ্ৰু বৈ আহিল। সিও বাৰু এনেকুৱাই কিবা কৰিব ওলাইছিল নেকি? সিও জীৱন নামৰ গল্পটোৰ মুনিচুনি আন্ধাৰত হেৰাই যাব খুজিছিল নেকি বাৰু?

আজি আকাশ মুকলি। কাচিজোনজনীক চাবলৈ আজি বেজাৰমুৱা তৰাবোৰেও যেন সাজি কাচি তিৰবিৰাই উঠিছে। দূৰৈৰ পৰা ভাঁহি অহা গাৰছিনাঙৰ কৰণ সুৰৰ সলনি বাজিছে আজি ঐনিতমৰ হৃদয় জুৰোৱা ঐকতান।

-"একেবাৰে শেষ হৈ যোৱা ধৰণৰ একোৱেই নাথাকে, সদায় এটা নতুন আৰম্ভণিৰ প্ৰভাত ৰৈ থাকে আমাৰ বাবে। কোনে কয় জীৱন এবাৰেই পোৱা যায় বুলি, মৃত্যু এবাৰ আহে। জীৱন সদায়, প্ৰতিদিন, প্ৰতি মুহূৰ্তত পোৱা যায়।" কুঁৰলীৰ আঁচল ধৰি অভ্ৰভেদী নামি আহিছে হেৰোৱা জোনৰ মৃদু জোনাক। আজি ১০ ছেপ্তেম্বৰ আত্মহত্যা প্ৰতিৰোধ দিৱসত যুৱ সাংবাদিক এঞ্জেলা চাংমাইৰ ভাষণ শুনি আছে অভিয়ে আজি সি ভাবিছে নৈৰ পাৰত বহি নৈখনে মোক সাবটি লওক বুলি ভবাৰ সলনি এনে মানুহবোৰে নৈখনৰ দৰে নিৰবধি হ'বলৈ চেষ্টা কৰিব নোৱাৰেনে? নাইবা কেতিয়াবা প্ৰকাণ্ড জুই একুৰা গাত মেৰিয়াই লোৱাৰ কথা চিন্তা কৰাৰ সলনি মনটো জুইকুৰাৰ দৰে তেজস্বী কৰি ল'ব নোৱাৰেনে?

সি খিৰিকীখন জপাই দিলে। পদূলিৰ বকুলজোপাত থকা বাহটোৰ পৰা মৌপিয়া চৰাই এটা উৰা মাৰিলে আকাশৰ জোনটোৰ দিশে। ⌘



# চাকনৈয়া

○ **তৃষ্ণা গগৈ**, ছাত্ৰী

চোতালৰ একাষত কৃষ্ণচূড়া গছজোপাৰ তলত চকী এখনত বহি লৈ অৱসৰপ্ৰাপ্ত সহকাৰী-শিক্ষক চিত্তৰঞ্জন বৰুৱাই জীৱনৰ এই বিয়লি বেলাত পশ্চিম আকাশত লহিওৱা বেলিটোলৈ চাই বিগত দিনৰ কিছু স্মৃতি ৰোমন্থন কৰিবলৈ চেষ্টা কৰিলে। ক'ত কেনেদৰে তেওঁৰ ভুল হল? কি ভুলৰ পৰিণতিৰ বাবে তেওঁৰ আজি এই পুতৌ লগা অৱস্থা? যি সময়ত তেওঁৰ ল'ৰা-ছোৱালীকেইটাই তেওঁক দেৱতাৰ দৰে জ্ঞান কৰিব লাগিছিল তেনে এটা সময়তে সিহঁতে তেওঁক সংসাৰৰ মোহৰ পৰা ক্ৰমে আঁতৰাই পঠিয়াইছে। মাতৃভাষাৰ শিক্ষক হ'লেও শ্ৰেণীত মাজে মাজে নীতিশিক্ষাৰ জ্ঞান দিবলৈ নাপাহৰা বৰুৱাৰ নিজৰ বেলিকা ল'ৰা-ছোৱালীকেইটা সাধাৰণ শিষ্টাচাৰকণৰ পৰাও দূৰত থাকিল। পৰিবাৰ, দুটি ল'ৰা আৰু এজনী ছোৱালীৰে এই সৰু পৰিয়ালটো পৰিচালনা কৰোঁতে ক'ত তেওঁৰ কেনা লাগিল? ডাঙৰ ল'ৰাটোৰে চাকৰি এটা যোগাৰ কৰি বিয়া কৰাই ঘি ঘৰৰ পৰা ওলাই গ'ল তাৰ আৰু খবৰ ল'বলৈ আহৰি থাকিলেও বোধ হয় ইচ্ছা নাই। বাকী পুত্ৰ-কন্যাৰ পৰা তেওঁ কেতিয়াও আশানুৰূপ ফল দূৰৰে কথা আজিলৈকে ভাল ব্যৱহাৰেই পোৱা নাই। দিনৰ দিনটো যাৱতীয় সকলো কাম, মানে গৰু এৰাল দিয়াৰ পৰা আৰম্ভ কৰি বাচন-বৰ্তন ধোঁৱাৰ বাবে পানী যোগাৰ কৰি দিয়ালৈকে কৰি যাওঁতে ল'ৰা-ছোৱালী দুটাই কেতিয়াও আগবাঢ়ি আহি হাত পাতি লোৱা নাই। বৰঞ্চ সকলো কামতে কিবা নহয় কিবা এটা খুঁত উলিয়াই তেওঁক ককৰ্থনাহে কৰি গৈছে। তেতিয়াও বৰুৱাই নিৰৱে কৰি যায়। ঘৰখনৰ

কথা চিন্তা কৰিলে বৰুৱাই নিজকে শিক্ষক বুলি ভাবিবলৈ লাজ পায়। কিয় তেওঁ জীৱনৰ বাকী দিনকেইটা মৰম-ভালপোৱাৰ মাজেৰে কটাব পৰা নাই? ল'ৰাটোক কিবা বুজনি দিয়াৰ আগতেই সি উভতি ধৰে। সি হেনো সময় আৰু পৰিস্থিতি চাই সমাজৰ লগত মিলিব জানে। বৰুৱাই শ্ৰোতা হৈ ভাবিবলৈ লয় - আজিকালি সময়, পৰিস্থিতি, সমাজ এইবিলাকৰ লগত খাপ খাবলৈ মদ, ভাং, জুৱা, আড্ডা এইবিলাকৰ প্ৰয়োজন নেকি? চিত্তৰঞ্জন বৰুৱাই কেতিয়াবা কোনোবাফালে যাবৰ সময়ত যেতিয়া চাইকেলখন উলিয়াই লয় তেতিয়া পুতেকৰ বাক্যবানে তেওঁৰ কাণ দুখন থকা -সৰকা কৰে - "জীৱনত আৰু একোটো ঘটি দিব নোৱাৰিলি, এতিয়া এফালে যাম বুলি ভাবিছো, সেইখনো উলিয়াই লৈছে। নিনিবি, মই লৈ যাম?" প্ৰতিবাদ নকৰি বৰুৱা পদব্ৰজে ওলাই যায়।

ছোৱালীজনী, তাইৰ পৰাও বৰুৱাই কোনো দিনে ভাল ব্যৱহাৰ পোৱা নাই। যেন তেওঁ জীয়াই থকাটো সংসাৰৰ এটা বাজা মাথোন। খাওঁতে-শোওঁতে উঠোকে-বহোঁতে তিক্ততাৰে ভৰা শ্লেষপূৰ্ণ বাক্য। বজাৰৰ পৰা আহি ঘৰত সোমোৱাৰ লগে লগে তাই চিঞৰি উঠে - "ইমান দেৰি কৰিলেনে? কথাৰ মহলা মাৰিবলৈ পালে ঘৰ-সংসাৰ ৰসাতলে যাওঁক।" বজাৰৰ বস্তু কেইপদ সামৰিবলৈ লৈ তাইৰ সেই কটু বাক্য কেইষাৰ দেউতাকে নিৰৱে সজম কৰে। এইবোৰ বজাৰ কৰিছ? বুঢ়া হৈ আহিছ মানে নজনাহে হৈ আহিছ। নোৱাৰোঁ এই সোপা ৰঙচুৱা চাউল খাব।

অন্তৰ্দ্বন্দত ভুগিছে বৰুৱাই। কিয় এনে আচৰণ ল'ৰা-ছোৱালী দুটাৰ? সিহঁতক শাসন কৰিবলৈকো তেওঁ অক্ষম। ক'ব নোৱাৰাকৈ অনুশাসনৰ পৰিধি পাৰ হৈ সিহঁত ওলাই গ'ল। হাহাঁকাৰ কৰি উঠিছে তেওঁৰ অন্তৰাত্মা। ক'ত ভুল হ'ল তেওঁৰ সিহঁতক ডাঙৰ কৰোঁতে? বৰুৱাই ভাবিলে আজিকালি সকলো ল'ৰা-ছোৱালীৰে এনে আচৰণ নেকি? নাই, হ'বই নোৱাৰে। ওচৰৰ শইকীয়াৰ ল'ৰা-ছোৱালী কেইটাই মাক-দেউতাকৰ বচন বেদৰ বাক্যৰ দৰে পালন কৰে। তেনেহ'লে? তেওঁ নিজৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ধৃতৰাষ্ট্ৰৰ ভাও দিলে? ভাগ্যৰ দোষ বুলিয়েই সান্তনা লোৱাৰ বাহিৰে তেওঁৰ আৰু কৰণীয় একোৱেই নাই নেকি? চিন্তা শক্তি থমকি ৰৈ কঠোৰ বাস্তৱলৈ ঘূৰি আহিল বৰুৱা যেতিয়া তেওঁৰ একমাত্ৰ কন্যাই চিৰপৰিচিত কণ্ঠেৰে তেওঁক গৰজি উঠিল - "বহিয়েই থাকিবিনে? গৰুকেইটা ৰাতিপুৱাৰে পৰা ৰ'দতে আছে। গোটেই ৰাতিটো পথাৰতে থাকিব লাগিব নেকি? লৈ আহগৈ এতিয়া।" প্ৰতিবাদ নকৰিলে বৰুৱাই। মাথো গভীৰ বেদনাৰ বহিঃপ্ৰকাশ ঘটিল তেওঁৰ। অন্তৰ ভেদি ওলাই আহিল এটি কৰুণ বাক্য। ছোৱালীজনীৰ কোলাত থকা-কুকুৰ পোৱালিটোলৈ আঙুলিয়াই তেওঁ অশ্ৰুসজল নয়নেৰে ক'লে - "তই কুকুৰটোক যিমান মৰম কৰ তাৰ-আধাও যদি মোক কৰিলিহেঁতেন!" ⌘



# কন্যা সন্তান

০পূৰ্ণিমা শইকীয়া, ছাত্ৰী

ৰাতিপুৱা উঠি য়েই খিৰিকিখন খুলিলত শীতৰ কুঁৱলিৰ মাজেৰে কোমল ৰ'দ জাকি আহি চন্দৰাৰ মুখতে পৰিলত চন্দৰাৰ মনটো কিবা পাতল লাগি গ'ল। কাৰণ তাই ৰাতিটো কেনেদৰে পাৰ কৰিলে তাইহে জানে। দিনে ৰাতিয়ে তাইক এটা চিন্তাই খুলি খুলি খাইছে। মাঠো তাই জীৱনক লৈ দেখা সপোনবোৰ কেতিয়া পূৰণ কৰিব পাৰিব, নিজৰ ঘৰখন কেতিয়া তাই চম্ভালিব পাৰিব, এইবোৰ চিন্তাই তাই ছোৱালীজনীক জুৰুলা কৰি পেলাইছে। চন্দৰাৰ বয়স প্ৰায় ২২ বছৰ মানত চুইছেগৈ। ঘৰখনৰ সিহঁত ছোৱালী তিনিজনী। তিনিজনীৰ ভিতৰত চন্দৰাই শিক্ষিত ছোৱালী। ঘৰখনত ল'ৰা সন্তান নথকাৰ বাবে সিঁহত তিনিওজনী দেউতাকৰ চকুৰ কুটা দাঁতৰ শাল। দেউতাকৰ বাবে কন্যা সন্তান যেন আপদ। ডাঙৰজনীক তেনেদৰেই য'ৰ ত'ৰ ল'ৰালৈ বিয়া দি উলিয়াই পঠিয়ালে মাত্ৰ কেইটামান পইছাৰ কাৰণে। দিনৰ দিনটো কাম বন নকৰি মদ খাই ঘৰলৈ আহি পত্নীক ধমক দি কয়—

ঃ অই - ভাত দে ভাত।

মুখেৰে মাত নামাতি চন্দৰাৰ মাকে ভাত আনি সন্মুখত দিয়ে। ভাতৰ কাঁহীখন কেৰাকৈ চাই ঠেলা মাৰি দি কয় ঃ "ভাত দিছ এয়া... কি শাক দিছ হ্যা, মাংস ক'ত..।"

মাকে লাহেকৈ কয়, - "মইনো মাংস ক'ত পাওঁ, আনি দিলেহে পাম।"

চন্দৰা ভিতৰতে পঢ়ি আছিল। তাই ডিগ্ৰী শেষ কৰি বৰ্তমান ঘৰতে। কিবা কিবি চাকৰিৰ বাবে এপলাই কৰি আছে, সেইবাবে পঢ়াত তাই ব্যস্ত হৈ আছিল। দিনৰ দিনটো মাকে জীয়েকে আনৰ ঘৰ হাজিৰা কৰি দুটামান টকা পায় তাৰেই দুটামান তাই নিজৰ বাবে সাঁচি ৰাখি এখন কিতাপ কিনি পঢ়িছে তাকো ঘৰখনৰ দানৱৰূপী দেউতাকৰ অশান্তি।

চন্দৰা এজনী সাহসী ছোৱালী, সেইবাবে নিজেই কাম কৰি টকা উলিয়াই ডিগ্ৰী পাছ কৰিবলৈ সক্ষম হ'ল। মাকজনিয়েও চন্দৰাৰ বাবে বহুত কষ্ট কৰিছে। ছোৱালিজনীৰ ভৱিষ্যতটো যেন নিজৰ দৰে নহওঁক বুলি। ডাঙৰ দুজনীৰ বাবে একো কৰিব নোৱাৰিলে আৰু সিহঁতে দুজনীয়েও চন্দৰাৰ দৰে চেষ্টা

আৰু সাহস নকৰিলে। তথাপিও নিজৰ ঘৰখনতকৈ বেলেগত বহুতেই সুখত খাইছে আৰু আছেগৈ।

ওচৰ চুবুৰীয়াবোৰটো আছেই এষাৰ ওপৰত কথা ক'বলৈ ইতিকিং কৰিবলৈ। দেউতাকক পালেই জীয়েকৰ কথা সুঁৱৰি কয়, -"হেৰা, ছোৱালী মানুহে পঢ়ি কি দাল কৰিবহে। এনেই এনেই টকাবোৰ পানীত পেলাইছে। তাতকৈ ভাল ল'ৰা এটা চাই বিয়া দি ঘৰখনৰ পৰা গাভৰু ছোৱালীজনীক উলিয়াই নিদিয়া কিয় কাশিৰাম।"

চন্দৰাৰ দেউতাকৰ নাম কাশীৰাম, গাঁৱত সকলোৱে কাশী বুলিয়েই মাতে।

কিন্তু গাঁৱৰ এজন শিক্ষিত লোক ৰামলাল দেৱ। তেওঁৰ মতে কন্যা সন্তানক শিক্ষিত কৰিব লাগে। আজিৰ যুগত মহিলাৰ পুৰুষৰ সমানে অধিকাৰ আছে। এই কথা ৰামলালে কাশীক বুজাই কিন্তু আনৰ মগজুৰ ওপৰত চলা মানুহে জানো বুজিবম।

সন্ধিয়া ঘৰলৈ আহি চন্দৰাক চিঞৰি চিঞৰি কৈছে।

-"পঢ়ি দেখুৱাইছে, চাকৰি কৰিব আমাৰ মহাৰাণীয়ে, পুৰুষৰ সমান হ'বলৈ যায় তাই।"

চন্দৰা - দেউতা, মনে মনে থাকক অলপ, মোৰ কাইলৈ অসম চৰকাৰৰ নিযুক্তি পৰীক্ষা আছে।

দেউতাক - (ধলং ধপং কৈ আহি) বাদ দে হে, কি দাল ফালিবি জনা আছে, ল'ৰা হোৱা হ'লেও বেলেগ কথা আছিল, ছোৱালী হৈ তাই চাকৰি কৰি ফালি দেখাব যায়।

মাক - হেৰী...। আপুনিনো ছোৱালীজনীৰ লগত কিয়নো লাগি আছে হয়নে, আজিৰ যুগত ক'ত ছোৱালীয়েই শিক্ষিত হৈ দেশৰ হকে যুঁজিছে, নিজৰ জীৱন নিজেই অতিবাহিত কৰিছে। নিজৰ মাক দেউতাকক চাইছে।

দেউতাক - (আঙুলি তোৱাই) তই চুপ থাক। তোৰ কাৰণে জীয়েৰে লাই পাইছে, চুপ থাক তই, নহ'লে মুখ ভাঙি গুৰি কৰিম।।

এইদৰে বহু সময় বকি বকি শেষত শুই থাকিলগৈ।

মাকে চন্দৰাক ক'লে, -"আই অ, তই দেউতাৰ কথাত মন বেয়া নকৰিবি, দেউতাৰ ভাল নহয় আৰু তেনেকুৱাই, তই ভালকে পঢ় আৰু দেখুৱাই দে যে কন্যা সন্তানে এগৰাকী মহিলাই কি কৰিব নোৱাৰে।"

চন্দৰা - "নাই মাঁ... দেউতাৰ এইবোৰ কথাই আৰু গাওঁখনৰ কিছুমান ইতিকিঙে মোৰ বেছি জেদি কৰি তুলিছে। মইয়ো দেখুৱাই দিম যে ছোৱালীয়ে কৰিব নোৱাৰা কাম কি আছে।"

এইদৰে কৈ চন্দৰা পঢ়াত ব্যস্ত হ'ল। পিছদিনা পুৱাই তাই মাকৰ আৰ্শীবাদ এটা লৈ পৰীক্ষালৈ বুলি ওলাই গ'ল। পৰীক্ষা দিবলৈ যাওঁতে তাই ভাবি ভাবি গ'ল যে - ল'ৰা আৰু ছোৱালীৰ মাজৰ পাৰ্থক্যনো কি? এচাম মানুহৰ বাবে যে কন্যা সন্তান ইমান আপদ, তাই ভাবিয়েই পাৰ পোৱা নাই। এইদৰে ভাবি ভাবি গৈ তাই পৰীক্ষাৰ ঠাই পালেগৈ।

কেইদিনমানৰ পাছত তাই কিবা অন্যমনষ্ক হৈ বাৰান্দাতে তাঁতশালখন বহি থাকোতে; সেইফালৰ পৰা নীল দৌৰি দৌৰি আহি ফোপাই জোপাই চন্দৰাক চিঞৰিলে।

- চন্দৰা... চন্দৰা... চন্দৰা...

চন্দৰা - কি হ'ল অ, ইমান চিঞৰি আহিছ যে কি হ'ল নো, কিবা হ'ল নেকি।

নীল - এ ... একো নাই হোৱা হেৰ... ভাল খবৰ এটা কি পোৱাই নাই নেকি।

চন্দৰা - কি ভাল খবৰ.....

নীল - আজি ১১ টা বজাত অসম চৰকাৰৰ নিযুক্তি পৰীক্ষাৰ ফলাফল দিব।

চন্দৰা - কি.....

নীল - অ'... মই ফলাফল লৈহে যাম।

চন্দৰাৰ বুকুখন যেন কিবা গধুৰ শিল এচপৰাই হেঁচা মাৰি ধৰিছে। এতিয়া সময় ১০.৪২ হ'লেই।

অলপ সময় পাছত ১১ বজাত অনলাইনত ফলাফল ঘোষনা কৰা হ'ল আৰু চন্দ্ৰৰাৰ ফলাফল সুকলমে ভাল হ'ল। ফলাফল পায়েই চন্দৰাক চকুত আনন্দৰ সুখৰ চকুপানী।

চন্দৰা - (ভগা আনন্দৰ মাতেৰে) মাঁ... অ' মাঁ... মই পাছ কৰিলোঁ।

মাক - (ভিতৰৰ পৰা দৌৰি আহি) কি... হে প্ৰভু আপোনাক কিদৰে ধন্যবাদ জনাওঁ।

চন্দৰা - মা আমাৰ সপোন পূৰ হ'ল, দেখিলা মই দেখুৱাই দিলো মা দেখুৱাই দিলো।

এইদৰে লাহে লাহে গাঁওৰ ওচৰ চুবুৰীয়া চন্দৰা হতঁৰ ঘৰত মানুহবোৰ জুম খাইছেহি।

সঁচাকৈ কষ্টৰ অসাধ্য একো নাই। ছোৱালীয়ে কৰিব নোৱাৰা কাম একো নাই। চন্দৰা কিমান ঘাট-প্ৰতিঘাটৰ মাজতো আজি এই সুখৰ দিন উপভোগ কৰিবলৈ পাইছে তাই মাত্ৰ নিজৰ ধৈৰ্য, কষ্ট আৰু সাহসৰ বাবে। ⌘



# আবেলিৰ বৰষুণজাক

○ অনামিকা ডেকা, ছাত্ৰী

যাৱতীয় কাম-কাজখিনি সামৰি অনুৰাধাই আৰামী চকীখনত বহিল। তাই আকাশখনলৈ চালে হয়তো বৰষুন দিব, আকাশখন যেন ক'লা মেঘে আবৰি আছিল। ভয় কৰে তাই বৰষুণজাকলৈ; ভয় কৰে তাই বৰষুনে জুৰলি জুপৰি কৰা সেই করুন আৰু কাতৰ ৰাতিটোলে।

অনুৰাগৰ ঘৰত অনুৰাধাৰ আজি প্ৰথমটো দিন। অনুৰাগৰ লগত আশিকভাৱে চিনাকি হোৱাৰ পিছতহে তাই অনুৰাগৰ পত্নী হিচাপে সিহঁতৰ ঘৰলৈ বোৱাৰি হিচাপে আহিছে। এজনী ছোৱালীৰ বাবে ভাল ঘৰ, ভাল ল'ৰালৈ বিয়া হোৱাটো কিমান দৰকাৰী অনুৰাধাই সেই কথা ভালদৰে জানে। সেইবাবেই হয়তো অনুৰাগৰ দৰে সহজ-সৰল আৰু সহজতে আকোৱালি ল'ব পৰা অনুৰাগৰ উদ্দাম প্ৰেমৰ বন্যাত উটি-বুৰি গৈছিল তাই।

ফুলিযোৰ আৰু খাৰুকেইপাত আলফুলে পিন্ধি ল'লে তাই। তাইৰ মুখখনত হেপাঁহৰ হাঁহি কাৰণ তাই আজি দুই বছৰে যাক ভাল পাইছিল তেওঁৰ নামত শিৰত সেন্দুৰ ল'ব। আইনাৰ সন্মুখৰ পৰা উঠি গৈ শুই থকা অনুৰাগৰ গহীন মুখখনলৈ চাই বাহিৰলৈ ওলাই গ'ল তাই। মাক আৰু দেউতাক বহি থকা কোঠাটোত সোমায়েই তাই আগবঢ়াই দিলে হাতত লৈ থকা চাহ দুকাপ......

ঃ বাইদেউ চাহ...

বনকৰা ছোৱালীজনীৰ মাতত তাই থতমত খালে। মিনাই গহীনাই সুধিলে বাইদেউ

হয়তো বৰষুন দিব। মই বৰষুণজাক দিয়াৰ আগতে ঘৰলৈ যাও। আপুনি চাহকাপ খাই লওঁক।

অতীত। পাঁহৰি যাওঁ বুলিও পাহৰিব পৰা নাই অতীতৰ অসহ্যকৰ স্মৃতিক। কিয় নাজানোঁ বাৰে বাৰে। মনটো চোন উৰা মাৰি যায় অতীতৰ সেই ঠাই ডোখৰলৈ। কথাখিনি ভাবি ভাবি তাই বেডৰুমলৈ সোমাই আহিল।

অনুৰাগৰ পৰিয়ালক সহজতে আকোৱালি ল'ব পাৰিছিল অনুৰাধাই। তাই সহজ-সৰল ছোৱালী। সেয়েহে সহজতে সকলোকে আকোৱালি ল'ব পাৰে তাই। ব্যস্ততাৰ মাজতো, অনুৰাগে তাইক সময় দিয়ে। তাইৰ পঢ়াত নিচা থকাৰ বাবে প্ৰায়ে অফিচৰ পৰা আঁহোতে এখন বা দুখন কিতাপ লগত লৈ অনাটো যেন অনুৰাগৰ অভ্যাসত পৰিনত হৈ পৰিছে। দিনটোৰ কথাবোৰ সিহঁতে একেলগে বেলকনিত বহি আলোচনা কৰে ইটো সিটো কথা কওঁতে দেখোন সিহঁতৰ অভিনৰ সোঁতত সময় বাগৰি গ'ল। অনুৰাগ আৰু অনুৰাধাৰ বিবাহ হোৱা প্ৰায় এবছৰ পাৰ হৈ গ'ল। চাহ জলপান খোৱাৰ পিছত অনুৰাগ অফিচলৈ যাবলৈ সাজু হ'ল -

ঃ অনুৰাগ...

অনুৰাগে ফোনত কথা পতাত ব্যস্ত হৈ থকাৰ বাবে হয়তো তাইৰ মাতষাৰ শুনা নাপালে। অলপ সময় নীৰব হৈ থাকিল তাই। এনেতে অনুৰাগৰ মাত তাইৰ কানত ভাঁহি পৰিল—

ঃ মই অফিচলে যাওঁ। তুমি থাকা ...

ইতিমধ্যে কিছুদূৰ আগবাঢ়ি যোৱা অনুৰাগক পিছফালৰ পৰা ক'লে আজি নগ'লে নহয় নেকি? বতৰটো বেয়া কৰি আহিছে হয়তো বৰষুণ দিব মোৰ গাটো ভাল নহয় দেখোন। আজি নগলে নহয় নেকি?

তাইৰ কথা শুনি কেইমুহূতমানৰ বাবে অনুৰাগে তাইৰ ফালে চাই থাকিল.....

ঃ একো নহয় দিয়া। অফিচলৈ যাবই লাগিব কাম আছে। তোমাৰ বেছি গাটো বেয়া লাগিলে মাৰ লগতে হাস্পতাললৈ যাবা। মই আহোঁ দিয়া।

নিশা বিচনাত পৰাৰ আগেতে অনুৰাধাৰ অলপ হ'লেও কিতাপ পঢ়াটো অভ্যাস। আজি আবেলিৰ পৰা বৰষুণজাক দিয়াৰ বাবে তাইৰ মনটো ভাল লাগি থকা নাই। বৰষুণজাকৰ বাবে হয়তো এতিয়াও বিজুলী অহা নাই আজি হয়তো কিতাপ পঢ়া নহয় আৰু। এইবুলি ভাবি লেম এটা কম পোহৰতে জ্বলাই লৈ অনুৰাগৰ ফটোখনলৈ একেথৰে চাই থাকিল তাই.....।

আবেলিৰ পৰা বৰষুণজাক আজি এৰাৰ মন কৰা নাই। অনুৰাধাৰ গাটো ভাল লাগি নথকাৰ বাবে বিচনাখনতে বাগৰ দিলে। বাৰে বাৰে তাই ঘড়ীটোলৈ চাই আছে। ৯:৩০ বাজি গৈছে আজি অনুৰাগ অহাৰ নামেই লোৱা নাই। আবেলিৰ বৰষুণজাক আৰু অনুৰাগ একেই। বৰষুণজাক এৰাৰ নাম লোৱা নাই আৰু তেৰোঁ অফিচৰ পৰা অহাৰ নাম লোৱা নাই। কেতিয়ানো আহিব অনুৰাগ। তেওঁক ভাল খবৰটো কেতিয়া দিব তাকে ভাবি ভাবি তাই অনুৰাগৰ নম্বৰটো উলিয়াই ফোন লগালে।

ঃ হেল্লো। মা শুলা নেকি।

ঃ নাই বাবা..... তুমি কি কৰিছা।

ঃ মই এনেই

ঃ বহুত ৰাতি হ'ল দেখোন বাবা তোমাৰক শুব হোৱা নাই। তুমি শুই যোৱা এতিয়া।

ঃ শুনা চোন মাঁ .... মই কালি তোমাৰ ওচৰলৈ যাম বুলি ভাবিছোঁ। মোৰ বাবে তুমি মোৰ প্ৰিয় ঔটেঙাৰ সৈতে মাছ বনাই থ'বা।

ঃ নিশ্চয় বনাম। কালি গাড়ীত উঠাৰ পিছতে কিন্তু মোক ফোন কৰিবা দেই। এতিয়া হ'ব দিয়া শুই থাকা তুমি।

অনুৰাধাই নিজক চম্ভালিব পৰা নাই। কিয় ইমান মনত পৰিছে মোৰ কথাবোৰ.... কথাবোৰে বৰকৈ আমনি কৰিছে মোক। অনুৰাধাৰ একমাত্ৰ সন্তান অৰ্থাৎ নিয়ৰক যেন কথাবোৰ কৈ চিঞৰি চিঞৰি কান্দিবলে মন গৈছে তাইৰ.....

অনুৰাগৰ ফোনটোৰ পৰা অনুৰাগৰ মাতৰ সলনি আন কাৰোবাৰ মাত......

ঃ হেল্লো... হেল্লো... আপুনি বাৰু অনুৰাগ শৰ্মাৰ পৰিয়ালৰ কোনোবা নেকি?

ঃ হয় কওকচোন মই তেওঁৰ পত্নী .....!

ঃ বৰ ডাঙৰ ঘটনা এটা হৈছে। অনুৰাগ শৰ্মাৰ.....

ঃ কি হৈছে তেওঁৰ....?

ঃ Accident এটা হৈছে। ডাম্পাৰে মহটিয়াই নিলে আমি যোৰহাটৰ হস্পিতালত তেওঁক admit কৰিছোঁ

আপোনালোকে যিমান পাৰি সোনকালে আহক।

অনুৰাধাৰ মগজুৱে কাম কৰা নাই। কি হিছে অনুৰাগৰ অনুৰাধাৰ মুৰটো ঘূৰাইছে। কপালখন বেছিকৈ ঘাঁমিছে। হাত-ভৰিবোৰ কঁপিবলৈ ধৰিছে, হাতৰ পৰা অনুৰাধাৰ ফোনটো মাটিত পৰিলগৈ অনুৰাগৰ মাকে প্ৰায় চিঞৰি উঠিল কি হৈছে ৰাধা তোৰ।

যিমান পাৰি সোনকালে তিনিও ৰিক্সা লৈ যোৰহাটৰ হাস্পতাললৈ বুলি গ'ল। তিনিও মুখত ঘোৰ অন্ধকাৰ। ফোনত কথা পতা মানুহজনে কেনেদৰে অনুৰাগৰ গাড়ীখন ডাম্পাৰে মহটিয়াই লৈ গ'ল তাৰ বিষয়ে ক'লে। ডাক্তৰে জনালে যে অনুৰাগৰ অৱস্থা একেবাৰে বেয়া। তেওঁলোকক মিছা আশা কৰিবলৈ মানা কৰিলে।

প্ৰায় আধা ঘন্টা পিছতে চিকিৎসকে এজনে অনুৰাগৰ মৃত ঘোষনা কৰিছে। কিছুপৰ থৰ লাগি চাই থাকিল অনুৰাধা। চিঞৰি চিঞৰি কান্দিছে মাকে। অনুৰাধাৰ কান্দোনত যেন আকাশ ফালি গৈছে। শৰীৰৰ সকলো শক্তি প্ৰয়োগ কৰি চিঞৰি চিঞৰি কান্দিছে তাই।

কিয় কৰিলি এনেকুৱা তই অনুৰাগ। আমাক এৰি কিয় আঁতৰি গ'লি। মোক এৰি, মোৰ গৰ্ভত থকা তিনিমাহৰ শিশুটিক এৰি কিয় আঁতৰি গ'লি।

কিয় ? কিয় এনেকুৱা কৰিলা অনুৰাগ। কিয় তুমি উদং কৰি থৈ গ'লা মাতৃৰ কোলা, কিয় খহি পৰিব দিলা দেউতাৰ শক্তি আৰু চূৰ্ণ-বিচূৰ্ণ হ'ব দিলা মোক। কিয় নিয়ৰক এবাৰ দেউতা বুলি মাতিব নিদিলা। কিয় এনেকুৱা কৰিলা তুমি।

তাই অনুৰাগৰ ফটোখন সাৱটি কান্দি কান্দি কেতিয়া শুই পৰিলে গমকে নাপালে। ⌘



# লিমাৰিক

## প্ৰাচুৰ্য দত্ত, ছাত্ৰ

১

পাৰ চৰাই উৰি গ'ল পালে নদীৰ পাৰ
চাচা চৌধুৰীৰ পাগুৰি হেৰাল কৰে হাহাকাৰ
বনত লাগিল জুই
কৰিব নোৱাৰি নুই
গংগা যমুনা বোৱাই থাকিল গোটেই শুকুৰবাৰ।

২

অযোধ্যাৰ ৰজা শ্ৰীৰাম শিৰোমণি
বনৰ মাজত হেৰাল সোণ হৰিণী
বনবাসত সীতাদেৱী
ক'ত থাকা ভাগ্যদেৱী
হনুমানৰ হাতে দিয়ে খোপাৰ চূড়ামণি।

*******

## আকাশী গগৈ, ছাত্ৰী

১

মাতৃভাষাৰে বিশ্ব জিলিকাম
সময়ৰ সৈতে খোজে খোজে আগুৱাম
ভাষা মোৰ স্বাভিমান
দিম মই প্ৰতিদান
লাচিতৰ মই সন্তান হেংদাং হাতত উঠাম।

## দিজু গগৈ, ছাত্ৰ

১

ডিপাৰ্টমেণ্টতে বহি ল'লো আপী জোকাও বুলি
লয়লাসেৰে অপেশ্বৰী আহিল, নামটো তাইৰ কলী
দিম তোমাক মৰটন কিনি
মাতিবা নেকি মোক ভিনি
কলীয়ে খেদি আহিল পিন্ধা চেণ্ডেল খুলি।

২

মই হ'লো বৰুৱাৰ ঘৰৰ ডাঙৰ জোঁৱাই
বৰালী এটা আনি হেনো দিব খুৱাই
সময় নহ'ল
যাবলৈ নহ'ল
এতিয়া অৰ্ধাঙ্গিনীয়ে কান্দি আছে ধনশিৰি বোৱাই।

৩

হৰধনু ভাঙি সীতাক আনিলে ৰামে
বনবাসলৈ পথালে কৈকেয়ীৰ কামে
হনুমান ৰামৰ মিতা
সীতাই বনবাসত পালে তিতা
তথাপিও কৈকেয়ীৰ নাম চামে চামে।

৪

কৃষ্ণই ৰাধাৰ লগত কৰে ৰাসলীলা
ৰাধাই আকৌ পছন্দ কৰে দেখিও কৃষ্ণক নীলা
কৃষ্ণ গোঁসাই কলীয়া
ৰাধাৰ বাবে বলিয়া
আমাৰহে প্ৰেমিকা নাই, উৰুৱাই আছোঁ চিলা।

*******



# লিমাৰিক

**দুলেশ্বৰ শইকীয়া**, ছাত্ৰ

১

প্ৰেমৰ নামত কৰোঁ অভিনয়
মোক দিয়ানা তোমাৰ পৰিচয়
হিয়া-দিয়া-নিয়া খেল,
কথাৰ মাৰিম মেল,
এনেকৈয়ে পাৰ কৰিম সময়।

২

শিমলু, পলাশৰ ৰঙা ৰং
প্ৰেম কৰিলে নকৰিবা খং
বাইকত উঠি ফুৰিবা,
চাওমিন, পোলাও খাবা,
আমনি লাগিলে সলাবা ঢং।

*******

**প্ৰণতি হেমৰম**, ছাত্ৰী

১

ৰাজনৈতিক নেতাৰ কথাৰ জয় ঢোল
জনতাক কয় জয় আই অসম বোল
মহানগৰীত নাই পানী,
ধোঁৱাচাঙত থাকে আঁচনি,
জনসাধাৰণে বোলে যত আমাৰ ভুল।

২

উৎসৱমুখৰ ৰাজ্য সমাগত নিৰ্বাচন
কথা চহকী নেতাৰ শুনিবা চলাহী ভাষণ
কথাত নাযাবা ভোল,
বাজে উন্নতিৰ ঢোল
বিবেক ভোট দিম বুলি আজিয়েই লোৱা পণ।

*******

**অস্মিতা বৰঠাকুৰ**, ছাত্ৰ

১

এমেলে মিনিষ্টাৰৰ বগা ডাঙৰ গাড়ী
ৰাজনৈতিক জগতত কত যে কেলেংকাৰি
নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতিৰ অভাৱ নাই
জয়ী হোৱাৰ পাছত জনতাক চিনিয়েই নাপায়
পিছত ৰাইজক দিয়ে মাথাত মাৰি।

২

সময়ৰ টিকনি জানা আগফালে ঘূৰে
ধৰ্মৰ নামতো আজিও চোন বহুলোক মৰে
আজিকালি মানুহক লাগে কেৱল ধন
পৰিয়ালৰ ওপৰতো দিবা অলপ মন
জাতি ধৰ্মৰ বাবেই মানবীয়তাই মৃত্যু বৰণ কৰে।

৩

নিতৌ প্ৰসংগ কৰে ভদীয়া ভকত
নিজে ৰান্ধে তিনিসাঁজ তিনিটা পৰত
মুখে মাথোঁ হৰিনাম
ন'হলে নচলে কাম
কটাব বিচাৰে চিৰকাল ঈশ্বৰৰ সংগত।

*******



# লিমাৰিক

কৃষ্ণা গগৈ, ছাত্ৰী

১

লিমাৰিক লিখে তেওঁ, নিৰ্মালী চুতীয়া
ডাকঘৰ ধলপুৰ, গাওঁ যোৰহটীয়া
পঠিয়ালে কাকতত
ছপা হ'ল ফটাফট
সুধি ফুৰে, অকাডেমি বঁটা পাব কেতিয়া?

২

মন্ত্ৰীয়ে পুতিলে আধাৰশিলা গান্ধী-নেহৰুৰ নামত।
পানীত বুৰিল খৰাং পথাৰ, শালি খেতি হ'ব বামত,
মন্ত্ৰীয়ে ধৰিলে নিজৰ খেপ
ঠিকাদাৰৰো ভৰিল জেপ
পানী নোলাওঁতেও ফুটিল নলী - আঁচনি ধোঁৱা চাঙত।

৩

গীতা-ভাগৱত জিভাৰ আগত, ডিঙিত ৰুদ্ৰাক্ষৰ মালা,
তিনিবেলা কৰে নিৰামিষ ভোজন জ্বলাই নিজেই চুলা,
গেৰুৱা বস্ত্ৰ গাত
সুমিষ্ট মুখৰ মাত
ভকতৰ বাবে পিছ-চোতালতে ৰাখিছে গাঞ্জাৰ খোলা।



# গীত



## ১

**ৰক্তিম সন্দিকৈ,** ছাত্ৰ

নিয়ৰ সৰা এই পুৱতি নিশা
শুনিছো পখীটিৰ মাত,
পুৱাৰ ৰ'দালিৰ প্ৰভাতী কিৰণ পাই
ত'ত নাই পখীটিৰ গাত।
হালিছে জালিছে
বকুল বিৰিখেও
পখীটিৰ সঁহাৰি পাই,
বিৰহত পখীটি
ইনাইছে বিনাইছে
কাষত তাইৰ লগৰী নাই।

আজাৰৰ বিৰিখত
শুনি তাই পখীৰ মাত
উলাহত নাচি নাচি যায়,
বেজাৰৰ কাৰণ এই
আজাৰৰ বিৰিখত
পখীটিৰ লগৰীক পাই।

উলাহত পখীটিয়ে লগৰীৰ লগে লগে
নীলালৈ উৰি গুছি যায়।

## ২

**সঞ্জীৱ দত্ত,** ছাত্ৰ

আকাশত উৰে মোৰ সুৰ
গীতৰ লহৰ তুলি
হৃদয়ত তোমাৰে ৰাখিলো ছবি
ফাগুণৰ ৰঙেৰে আঁকি।

হৃদয়ত ৰাখিলো বৰষুণৰ ধ্বনি
ৰুণজুন ৰুণজুন
উৰি যাওঁ ৰঙা চিলাৰ দৰে
বতাহত মোৰেনো সোণ।

মনত যদি পৰে মোৰ মাটিলে
দূৰ দেশৰে পৰা
আনিবনে টানি মোৰ দেশলৈ
তোমাক টানি মোৰ দেশলৈ বুলি?

জীৱন মোৰ চেনেহৰ শুৱনি
মোৰ দেশ মোৰ মাটি
সুৰতে সুৰ মোৰে তেজেৰে
মোৰ প্ৰাণৰ গীতটি।

# গীত

## ৩

**জুবিন গগৈ,** ছাত্ৰ

কিনো অমাতৰে মাতে ককাইটি
কিনো অমাতৰে মাত।
বসন্তৰ বাতৰি পাই ঐ ককাইটি
প্ৰকৃতিয়েও ৰহন সানে গাত।
ঢোল পেপাৰ মাতত ৰবকে নোৱাৰো
বিহু বিহু লাগিছে দেহাত।

জান ঐ আহি পালে ব'হাগী
নিশা কান্দে বিহগী।
গছৰ ডালে ডালে ফুলিল
কপৌ মালতী।
তই জানো শুনা নাই
ঢোলৰ মাত,
শুনা নাই নে, পেঁপাৰ মাত ঐ।

কিনো মৰমৰ মাতে ককাইটি
কিনো মৰমৰ মাত
কুলি-কেতেকী মাতত থাকিবকে নোৱাৰি
ৰাই জাই কৰিছে গা।
মইয়েনো হ'ম নাচনী
তইয়ে হ'বি ঢুলীয়া
বসন্তৰ কি যে উতলা বা।

জান ঐ বসন্তৰ কিযে বা
গাতে চোন লাগিলে
পেটলে নাযায় ভাত।
প্ৰকৃতিয়েও লঠঙা ডালত
পিন্ধি ল'লে কুঁহিপাত।
বসন্তৰ আগমণি কুলিয়েও
জুৰিলেহি বিহু ফাঁকি।

## ৪

**মাইনা বৰা,** ছাত্ৰ

শীতৰ সেমেকা ৰাতি
পুৰতিৰ কোমল ৰ'দালি,
প্ৰকৃতিৰ উশাহত সাৰ পাই ঐ
কদম-মদাৰ ফুল গছ-গছনি
ঐ... গছ গছনি।।

প্ৰকৃতিয়ে হাঁহে নৈৰ বুকুলৈ চায়...
যেন হেপাহ নপলায় তোমাৰ বোঁৱতি জিৰি চায়, চায়
গছ-গছনিয়ে হালি জালি নাচে,
সৌ দূৰৈৰ কপৌহালে প্ৰেমৰ খেলা খেলে
ঐ প্ৰেমৰ খেলা খেলে।।

দূৰ-দূৰ দূৰণিৰ পাহাৰৰ
জুৰিয়ে মাতে জিৰি জিৰি বৈ,
জুৰিতিৰ পানীতে নিজকে যেন চায়
হেপাহেই নপলায় হাঁহিটি
যেন চাই
ঐ... হাঁহিটি যেন চায়।।

দূৰৰিৰ দলিচাৰ শীতল পাটী
প্ৰকৃতিয়ে দিব যেন আহি পাৰি,
সৌ দূৰণিৰ কুলিটিৰ মিঠা মাত
আহিবানে ঐ ব'হাগত দিবলৈ মৰমৰ হাঁত।
ঐ মৰমৰ হাত..
ঐ ...
ঐ মৰমৰ হাত।।

কবিতা

# সৰুপথাৰ মহাবিদ্যালয়

**সত্যব্ৰত দত্ত**
বিভাগীয় প্ৰধান, ইতিহাস বিভাগ

তোৰ কৈশোৰ কাঞ্চনমতীৰ সাধু
তোৰ শৈশৱ জোনাক চিলোৱা গাথা
আৰু যৌৱন তোৰ দৈয়াং-ধনশিৰিৰ
বিস্তাৰিত প্লাৱনৰ সোণোৱালী ঢৌ
ৰসে ঢৌ ঢৌ।
লতাকটা সাধু এটাৰ বোকোচাত উঠি
তোৰ কোলাত কত যে
ডালিমীৰ উচুপনি
আৰু প্ৰতাৰণাৰ দুঃস্বপ্নৰ গদাপাণি।

মাটি ঘাম আৰু শইচৰ  ছন্দায়িত কল্লোল
এজাক অনাখৰীৰ সপোনৰ দিকচৌ বাট
মন প্ৰকোষ্ঠত লিপিৱদ্ধ ৰূপোৱালি কবিতা
সৰুপথাৰ মহাবিদ্যালয়।

তোৰ শেতেলীত শুই
শুনিম আজাৰৰ সংহাৰ
কি দৰে যুদ্ধভূমিত
লুণ্ঠিত হৈছিল মৃত্যুৰ ঝংকাৰ।

তোৰ বুকুত লিপিৱদ্ধ হাজাৰ শতিকাৰ সাউদৰ বনিজ
খনিকৰ লিপিৰ গৌৰৱেৰে উঠন তোৰ বক্ষ ,আৰু কত যে কিছু
শৈলজ বুকুত কটা দুৰ্লভ ভাস্কৰ্য্যৰ বিচ্চুৰিত নক্ষত্ৰৰ দৰে সুশোভিত তোৰ কায়া।
সভ্যতাৰ চিৰন্তন প্ৰবাহৰ সাক্ষী তই মৌনবুদ্ধ, মোৰ হিয়াৰ সৰুপথাৰ মহাবিদ্যালয়।
হাকিম লৰিলে হুকুম নলৰা বৃটিছৰ ছায়াকথা
কুশলৰ কৰুণ আত্মগাথা।
ধিন দাও ধিন দাও
মেথোন ওজাৰ মালিতা গাও
চৌদিশ যাই ৰজনজনাই
তই মোৰ বুকুৰ খৰিকাজাঁই।
স্বৰ্ণগাথাৰ সোণালী ক্ষণত
তোৰ স্বৰ্ণিল ছামিয়ানাত জ্বলক
হাজাৰ প্ৰতিভাৰ তিলক।
মোৰ চিৰযৌৱনা
সৰুপথাৰ মহাবিদ্যালয়।

# আই মোৰ মৰমৰ

**সঞ্জীৱ দত্ত,** ছাত্ৰ

আই মোৰ মৰমৰ
হৃদয়ৰ এটুকুৰা
হৃদয়লৈ বান আহিছে আই
তই যে কাষত নাই
তোৰ মনত আছেনে,
অলৌগুটি তলৌগুটি খেলা সপোনবোৰে পূৰ্ণতা পাইছিল,
লিখিছিলোঁ যৌৱনৰ আধালেখা দস্তাবেজ।
আই, তই মোৰ চেনেহৰ
তই মোৰ মৰমৰ
তই মোৰ স্যমন্তক মণি।
হিয়াই কান্দিছে
সাত সাগৰ তেৰ নদীৰ সিপাৰেও
মৰমৰ 'ধনশিৰি' বৈছে।
তই যুঁজাৰু
যুঁজি যুঁজি হাৰ নমনা এগৰাকী অক্লান্ত যোদ্ধা।
সেই যুদ্ধৰ শেষ ক'ত আই, ক'ত?
শীতৰ শীতলতাত তোলৈ মনত পৰিছে
তোৰ কোলাত কেনেকৈ শীতলতা পলাইছিল?
ক আই
শীতে বিধ্বস্ত কৰা মনটো লৈও বসন্ত আহে
কুঁহিপাত যেন হৈ ন আশাই
পোখা মেলে।
তোৰ বাবেই আই, তোৰ বাবেই।
তই মোৰ প্ৰেৰণা,
তই মোৰ আশা
তই মোৰ জীৱনৰ ভৰসা।



# আই তোমাৰ পৰশত

**ডিম্পী বড়ো,** ছাত্ৰী

তোমাৰ কোমল পৰশত
হিয়াৰ নিভৃতত বৈ যায় আকুলতাৰ
এখন প্ৰশান্তিৰ নদী।
আই
তোমাৰ বাবেই সজাবলৈ বিচাৰোঁ এই ধৰা
তুষাৰ শুভ্ৰ এই দলিচাত
আঁকো তোমাৰেই ছবি।
প্ৰশান্ত প্ৰবাহৰ মাজত
উৰ্মিমালাৰ কল্লোলৰ সোঁতৰ মাজত
দূৰ দিগন্ত বিয়াপি শুনোঁ
তোমাৰেই অময়া মাত
তোমাৰেই আবাহন।
আই
তোমাৰ কোলাতেই ল'বলৈ বিচাৰোঁ
শেষ উশাহ।
তোমাৰ মুকুতি আদৰ্শৰ পথাৰত
সিঁচিব খোজোঁ ৰক্ত ফল্গুৰ কঠিয়া।



# শিক্ষকৰ দান

**মেহেক চাওৰো**, ছাত্ৰী

শিক্ষকৰ শিক্ষা দান সমান
একোৰেই নাই মহান।
শিক্ষকৰ পৰা পাওঁ জ্ঞান
আমাৰ জীৱনৰ এশ বৰদান।
শিক্ষকে আমাক দিয়ে জ্ঞান
কিন্তু কেতিয়াও নকৰে অভিমান।
গুৰুৱে কেতিয়াও নিবিচাৰে আমাৰ পৰা
গুৰুদক্ষিণা, বিচাৰে মাথো
আমাৰ জীৱনৰ কল্যাণ।
শিক্ষক হৈছে জ্ঞানৰ দাতা
আমাৰ জীৱনৰ ভাগ্য প্ৰণেতা।
শিক্ষক সঁচাকৈ অতি মহান
নিঃস্বাৰ্থভাৱে কৰে বিদ্যাদান।
শিক্ষকক সদায় কৰি প্ৰণাম
ভৱিষ্যতৰ বাটত আগবাঢ়ি যাম।
নিশ্চয় এদিন উপনীত হ'ম লক্ষ্যস্থানত
উজ্জ্বলাই তুলিম আমাৰ জীৱনক।।

# সন্ধ্যাৰাগ

**ৰিমঝিম গগৈ**, ছাত্ৰী

আকাশত এজাক ঘৰমুৱা পক্ষী
জিলিকি উঠিছে দূৰৈৰ মাৰ যোৱা বেলি।
নৈৰ পাৰৰ কহুঁৱা মতলীয়া বতাহত
নাচিছে হালি-জালি,
ভাঁহি আহিছে নাৰৰীয়া ককাইৰ
সুমধুৰ গীতৰ কলি।
সৌ নগৰত জিলিকিছে
জাকে জাকে পোহৰ,
কোলাহল এতিয়া তাত ব্যস্ত জনতাৰ।
নৈৰ বোৱতী পানী জিলিকিছে মুকুতা সদৃশ,
নাকত লাগিছে পৰিমল সুবাস
ফুলিছে পুষ্প বিৰিষ।
উৰিছে চৌদিশে জোনাকী জাকে জাক
মনত বাজিছে এটি প্ৰণয়ৰ সন্ধ্যাৰাগ।

# মই কবিতা লিখিব নোৱাৰিলো

**বসুন্ধৰা পুলামী**, ছাত্ৰী



কলম, বহী আৰু মই
নিতৌ টেবুলত লগ হওঁ,
এটি কবিতা জন্ম দিবৰ বাবে।
মূৰত গুজি ৰখা
শব্দালংকাৰক শৃংগাৰ ভূষণ দি
লেপন কৰো নতুন ৰূপ দিবলৈ।

কেতিয়াবা মোৰ কবিতাৰ
কোনো অংশ জীপাল হৈ হাঁহে
আকৌ কেতিয়াবা মৰহি সৰি পৰে।
তেতিয়া মোৰ মনৰ আবেগে
সমুদ্ৰৰ ঢৌৰ দৰে নাচে।

আগত শিৰোনাম দি
কবিতাৰ আকাৰ গঢ়ো নে?
পূৰ্ণাংগ ৰূপ দি শিৰোনাম থওঁ?
কবিসকলে প্ৰত্যেক বিষয়ক
গ্ৰাস কৰি নীৰস শব্দবোৰক
নিজৰ অধীন কৰি লৈছে।

নাচি থকা শব্দৰ আকাশত
কল্পনাৰ সুৰংগৰে গৈ
মোৰ কবিতাৰ বাবে
শব্দালংকাৰ বাচি থাকো।
তেতিয়া মোৰ কলমে
উকা কাগজৰ মৰুভূমিৰ
মৰীচিকাত সাঁতুৰি থাকে।

দেউতাই কৈছিল মোক শব্দৰ লগত
সদায় লুকাভাকু খেলা।
শব্দই নতুন শব্দক জন্ম দি
তোমাক চিনাকী কৰি দিব।

আজি মই শব্দৰ অনন্ত আকাশত
অচিনাকী অঘৰীৰ দৰে
অনাই-বনাই ঘূৰি আছো।

আজিও প্ৰশ্ন কৰিব মোক
আঙুলিৰ মাজত থকা কলমে
কি লিখিম মই?
উৎসাহেৰে অপেক্ষা কৰা
উকা কাগজত।
কিয় জানো?
আজিও মই কবিতা লিখিব নোৱাৰিলো।



# অসম পুত্ৰ আমি

**ডিম্পী বড়ো**, ছাত্ৰী

অসম খুলি যে বিচিত্ৰ বিশাল
প্ৰকৃতিৰ ৰং ৰহইচ দেখি লাগে ভাল
ইয়াৰেই ভূমি পুত্ৰ শংকৰ আজান,
আৰু ভূপেন মামাৰ স্মৃতি সঁচাকৈয়ে মহান।
সংস্কৃতিৰ ডোলেৰে একতাৰ বান্ধোনে
অসমক দিলা তুমি প্ৰাণ,
মুখৰিত দিশে দিশে আজি শুনা
জনতাৰ জয়গান.....
বুকুত অসীম সাহস লৈ জাতি-জনজাতি
সমন্বয়ৰ যাত্ৰাত যোৱা আগবাঢ়ি
ধৰাৰ কোলাতেই থিতাপিছে সোণৰ অসম
মানসপটত উজ্বলোৱা আশাৰ ৰেঙণি।
সবাতোতকৈ আপোন আমাৰ অসমখনি
এতিয়া হ'ব ধৰিছে সন্ত্ৰাসৰ বলি।
চৌদিশে সন্ত্ৰাস আৰু প্ৰতিবাদ,
নিজৰ মাজতে সৰে লাগিছে বিবাদ
অতীতৰ বৰ অসম আজিৰ সাতভনী
সকলোৰে ধৰিব বিচাৰে অসমক আজি
অসমৰ ভূমিপুত্ৰ ওলাই আহা আজি
সমাজৰ সমস্যাবোৰ সমাধান কৰো আমি।

# মই কবি হ'ব নোৱাৰিম

**প্ৰিয়ংকা বৰা**, ছাত্ৰী

মই কবি হ'ব নোৱাৰিম।
হাজাৰ চেষ্টা কৰিও
মই কবি হ'ব নোৱাৰিম।

আকাশত ডাৰৰৰ দৰে
উৰি ফুৰা শব্দবোৰ,
নোৱাৰো সযতনে সজাবলৈ।
মোৰ চিন্তাবোৰ ক্ষন্তেকীয়া
দোভাগ নিশা দেখা
সপোনৰ দৰে,
প্ৰতিটো শাৰীতে মই
নিখুঁত ছন্দ বিচাৰো।
কিন্তু...
সময়ৰ শেষত প্ৰতিধ্বনিবোৰেহে
খেদি ফুৰে।
শব্দবোৰেও লাহে লাহে
প্ৰতাৰণা কৰে।
মোৰ কলমে নিশ্চিত নোহোৱা
অস্পষ্ট দৃষ্টিৰে
চাৰিওফালে বৃত্ত হৈ ঘূৰে।
মই দেখা সৌন্দৰ্যবোৰ
অকথিত হৈয়ে আছে।
প্ৰতিটো লিখিত পংক্তি
একোটা নীৰৱ সত্যৰ তলত।
তথাপিও...
মই সন্দেহৰ মাজতো
আশাৰে লিখো।
কাৰণ, মই জানো
মই কবি হ'ব নোৱাৰিম।।



# নিৰিবিলি

অস্মিতা বৰঠাকুৰ, ছাত্ৰী

শীত তই আকৌ আহিবি
আনিবি লগত এইবেলি
নিৰিবিলিৰ সেই হেপাঁহৰ গধূলি।
উপচি পৰিব আইৰ জুঁহালৰ গুৰি
হিমচেঁচা বতাহৰ মাজত বহি
হাতত ল'ম এটি গৰম চাহৰ কাপ তুলি
শীতৰ আমেজ লৈ পুনৰ এবাৰ
সোণালী দিনবোৰ বিচাৰিম,
আইতাৰ কোলাতে যেন আকৌ উমলিম।
হেৰাই যোৱা শৈশৱৰ সময়
পুনৰ এবাৰ ভালকৈ সুঁৱৰিম।।
কাহিলি পুৱাতে সৰা নিয়ৰৰ কণাবোৰ
মুকুতা মণিৰ দৰে বুটলিম,
শীতৰ এই গভীৰ ৰাতি
তোৰ স'তে প্ৰেমৰ কবিতা ৰচিম।
শীত কালতে চেনেহৰ ভোগালীক
সকলোৱে মিলি ভোগেৰে আদৰিম।।

# আঘোণ

তৃষ্ণা গগৈ, ছাত্ৰী

শীতৰ কোমল অনুভূতিক
ৰ'দালিৰ হাঁহিত এঙামুৰি দি
হাতত কাঁচি লৈ হেঁপাহৰ খোঁজ
পিতাইৰ আঘোণৰ পথাৰখনলৈ বুলি।

দুপৰীয়াৰ জিৰণিত আইৰ দুহাতৰ
তিল-নাৰিকল দিয়া নিভাঁজ
সোৱাদৰ পিঠা-পনা
কলপাতত দিয়া ভাতৰ টোপোলা
পোৰা গৰৈ মাছৰ পিটিকা।

দিনজোৰা আঘোণৰ ব্যস্ততা
কান্ধত সোণগুটিৰ ভাৰটি লৈ
ক্লান্ত ভাগৰুৱা পিতাইৰ উভতনি
আবেলিৰ ৰঙা বেলিটিৰ বিদায় হাঁহিত।

# শীত

**পূৰ্ণিমা শইকীয়া**, ছাত্ৰী

শীতৰ এটি সেমেকা ৰতি
নিস্তব্ধ মোৰ মনৰ কাহিনী,
শুনিবা জানো কোনোবাই...
এই দুৰ্ভগীয়া নাৰীৰ যান্ত্ৰণাখিনি।

শীতৰ কুঁৱলিয়ে নেদেখা কৰে
সিপাৰৰ বাট,
প্ৰচণ্ড শীতে মোক ঠেলি নিছে...
নেদেখা জনৰ কাষ।

পুৱাৰ কোমল ৰ'দালিয়ে
শীতৰ কুঁৱলিৰ মাজেৰে,
মোৰফালে যেন নিস্তব্ধ হৈ চাই আছে
হয়তো বুজিছে.....
মই যে ৰৈ আছো মাথোঁ তেওঁৰ বাবে।

পুৱাৰ কোমল ৰ'দালি জাক
নামি আহে শীতৰ কুঁৱলি ফালি,
নিয়ৰসনা দুৱৰি জুপিয়েও
এটি মিচিকিয়া হাঁহি মাৰি
প্ৰকৃতিৰ বুকুলৈ ঢাপলি মেলে।



# ফাগুনৰ অনুভৱ

**অনামিকা ডেকা**, ছাত্ৰী

ফাগুন মানে জোনাকৰ জোৱোন
পলাশ, মদাৰ, শিমলু
যেন ফাগুনৰে ৰঙা আঁচল।
ফাগুনে যেন ছন্দোময় গতিৰে
হৃদয়ত প্ৰেমৰ জোৱাৰ আনে,
সৰাপাতবোৰতো ফাগুনে প্ৰেমৰ ৰং আঁকে
উদং চোতালখনত সৰাপাতবোৰ উপচি পৰে,
আৰু সোঁৰৱাই দিয়ে
সৰাপাতবোৰ মাথোঁ প্ৰেমৰ।
প্ৰতিবছৰে ফাগুন আহে
সৰাফুলৰ সুগন্ধ লৈ, বসন্তক পৰশ লৈ
সেইবাবেই ফাগুন মোৰ প্ৰিয়।
প্ৰতিবছৰে ফাগুন আঁহক,
আবেগ, অনুভৱ লৈ।

ভ্ৰমণৰ সুবাস



# দাৰ্জিলিং ভ্ৰমণৰ অভিজ্ঞতা

○ অভিজিৎ ফুকন
ছাত্ৰ

চাৰিওফালে কেৱল অপূৰ্ব সৌন্দৰ্য্য। পাহাৰৰ একা-বেকা পথৰ ওপৰেদি গতি কৰি থাকোতে বাহনৰ পৰা দেখা দৃশ্যবোৰে সঁচাকৈয়ে মন-প্ৰাণ হৰি নিয়ে। ওখ-ওখ পাহাৰ, লগতে পাহাৰৰ শৃংগবোৰ ডাৱৰেৰে আবৰা; যেন কোনো কাল্পনিক ৰাজ্যলৈকে আমি গতি কৰিছোঁ। চাৰিওফালে কেৱল পাহাৰ আৰু পাহাৰ। পাহাৰবোৰক ঢাকি ৰাখিছে ওখ-ওখ পাইন (Pine) গছবোৰে, যিবোৰে পথযাত্ৰীৰ মন আকৰ্ষণ কৰিবলৈ যথেষ্ট। এনে সুন্দৰ মনোমোহা দৃশ্য উপভোগ কৰি ২০২৪ চনৰ ১০ মাৰ্চ তাৰিখে পুৱা প্ৰায় সাতমান বজাত New Jalpaiguri ৰ পৰা আমি যাত্ৰা কৰিলো দাৰ্জিলিং - অভিমুখে।

দাৰ্জিলিং, বহুতো পৰ্যটকৰ বাবে অন্যতম ভাললগা লক্ষ্যস্থান। পূব হিমালয়ত অৱস্থিত দাৰ্জিলিং ভাৰতৰ পশ্চিমবংগ ৰাজ্যৰ এক চিত্ৰময় পাহাৰীয়া ষ্টেচন। আচৰিত ধৰণৰ প্ৰাকৃতিক দৃশ্য, চহকী সাংস্কৃতিক ঐতিহ্য আৰু বিশ্ববিখ্যাত চাহৰ বাবে পৰিচিত দাৰ্জিলিঙে 'পাহাৰৰ ৰাণী' (Queen of Hills) উপাধি লাভ কৰিছে। বিশ্বৰ তৃতীয় সৰ্বোচ্চ উচ্চ স্বৰূপ কাঞ্চনজংঘাকে ধৰি হিমালয় ৰেঞ্জেৰে আগুৰি থকা দাৰ্জিলিঙে দৰ্শনাৰ্থীক মোহিত কৰি উশাহ লোৱাৰ দৰে দৃশ্য উপলব্ধ কৰে। তদুপৰি দাৰ্জিলিংস্থিত 'Ghum

Railway Stadion' ভাৰতৰ ভিতৰত আটাইতকৈ উচ্চতম স্থানত অৱস্থিত ৰে'লষ্টেচন, যি পৃথিৱীৰ ভিতৰত চতুৰ্দশ স্থানত।

এনেবোৰ কথা ভাবি থাকোতেই কেতিয়া আমি হোটেল 'Gaubhile Bed'ত উপস্থিত হ'লো গমকে নাপালো। ঘড়ীত চালো প্ৰায় বাৰ বাজিছে। প্ৰায় চাৰি-পাঁচ ঘণ্টিয়া পাহাৰৰ একা-বেকা বাটেৰে অতিক্ৰম কৰাৰ পাছত সৰুপথাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা মেৰিলিন ইংটিপি বাইদেউৰ নেতৃত্বত যোৱা আমাৰ পোন্ধৰজনীয়া দলটোৰ প্ৰায় আটাইৰে ক্লান্তি অনুভৱ হ'ল। কিন্তু এক নতুন ঠাই দৰ্শনৰ হেপাঁহক শাৰীৰিক ক্লান্তিয়ে প্ৰভাৱ পেলাব পাৰিবজানো? হোটেলৰ কক্ষত সকলো বয়-বস্তু থৈ অলপ সময় বিশ্ৰাম কৰি ফ্ৰেচ হৈ ল'লো। পাছত
দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আমাৰ দলটি সাজু হৈ ওলালো দাৰ্জিলিঙৰ বিখ্যাত 'মল ৰোড' ভ্ৰমণলৈ।

Mall Road, আমি থকা হোটেলৰ পৰা বেছি আঁতৰত নহয়; দুই-তিনি কিলোমিটাৰৰ পথ। আমি থিৰাং কৰিলো খোজকাঢ়ি যোৱাৰ। এটা এঢলীয়া পকী পথ, যিহেতু ই উচ্চস্থানত অৱস্থিত। সমতলত থকা আমাৰ পাহাৰৰ এঢলিয়া পথত খোজকঢ়াৰ অভিজ্ঞতা তেনেই নগণ্য। Mall Road পোৱালৈকে আমাৰ শৰীৰক ভাগৰে টানি ধৰিলে, আমাৰ ভৰিক বিষে খামোছ মাৰি ধৰিবলৈ আৰম্ভ কৰিলে; হয়তো আমি প্ৰথম দিনাই বেছিকৈ উত্তেজিত হৈ উঠিছিলো। Mall Road পাওঁতে এঘণ্টাৰো অধিক সময় লাগিল; যিহেতু আমি পথৰ পৰা তলৰ দৃশ্যসমূহ উপভোগ কৰি আহিছিলো আৰু সুবিধাক্ৰমে ফটো তুলি স্মৃতি হিচাপে ৰাখিবলৈ চেষ্টা কৰিছিলো।

Mall Road, এক পৰ্যটক আৰু স্থানীয় বাসিন্দাৰে পৰিপূৰ্ণ ঠাই য'ত আছে ব্ৰিটিছৰ দিনৰে ঊনৈশ শ চনত প্ৰতিষ্ঠা কৰা 'Chowrasta Stores Wines', বিভিন্ন গৰম কাপোৰেৰে পৰিপূৰ্ণ বজাৰ আৰু বিভিন্ন গ'লি; যিসমূহত বিৰ দি বাট নোপোৱা ভিৰ। ইয়াৰ 'Chowrasta' ত আছে 'Open Stage' আৰু লগতে আন বহুতো আকৰ্ষণীয় খাদ্যৰ দোকান। প্ৰথম দিনাই আমি ইমানেই আকৰ্ষিত হ'লো যে দাৰ্জিলিঙত কটোৱা প্ৰত্যেক ৰাতিৰ বাবে আমাৰ ই লক্ষ্যস্থান হৈ পৰিল।

দাৰ্জিলিঙৰ অন্যতম আকৰ্ষণ হৈছে ইয়াৰ আচৰিত ধৰণৰ পথসমূহ। এই সমূহ নিৰ্মাণ কৰিবৰ বাবে পৰ্যাপ্ত পৰিমাণৰ কংক্ৰিট ব্যৱহাৰ কৰাৰ লগতে পথৰ ওপৰত অনেক সৰু সৰু শিলগুটি সংযুক্ত কৰা আছে যাতে বাহনসমূহে উপযুক্তকৈ পথক খামুচ মাৰি ধৰিব পাৰে। ওখ ঠাইৰ পথসমূহৰ লগত জড়িত এটা প্ৰধান সমস্যা হৈছে নিৰাপত্তা। দাৰ্জিলিংত যাত্ৰীৰ নিৰাপত্তাৰ বাবে পৰ্যাপ্ত সংকেত আৰু Roodside Barrier স্থাপন কৰা হৈছে। ইয়াৰ চালকসকলৰ দক্ষতা আৰু অভিজ্ঞতাও উল্লেখযোগ্য। এওঁলোকে পাহাৰৰ ঠেক ঠেক পথটো ইমান সুন্দৰকৈ কোনো বিজুতি নোহোৱাকৈ গাড়ী চলাব পাৰে ই অতি আচৰিত। আমাৰ দৰে অভিজ্ঞতাবিহীন চালকে চলালে অঘটন হোৱাটোতো নিশ্চিত।

দাজিলিং কেৱল প্ৰাকৃতিক সৌন্দৰ্যৰেই পৰিপূৰ্ণ নহয়, ইয়াত আছে ওখ ওখ অট্টালিকা। এইসমূহ নিৰ্মাণৰ বাবে কিমান অৰ্থ আৰু কষ্ট ব্যয় কৰিব লাগে ইয়াৰ গঠন দেখিলেই পৰিলক্ষিত হয়।

দাৰ্জিলিং, ঠাইডোখৰৰ নাম শুনিলেই বৰফৰে আবৃত্ত এক দৃশ্য মনলৈ দৃষ্টিগোচৰ হয়। কিন্তু সময়ে আমাৰ কল্পনাত চেঁচা পানী ঢালিলে; আমি ভ্ৰমণ কৰিবলৈ যোৱা মাৰ্চমাহত বৰফ নামমাত্ৰও নাছিল। তথাপিও দহ-পোন্ধৰ ডিগ্ৰী চেলচিয়াচৰ এক শীতল জলবায়ু আছিল। আমি দহ মাৰ্চ তাৰিখে দাৰ্জিলিংত উপস্থিত হৈছিলো আৰু এঘাৰ মাৰ্চ তাৰিখে আমি ৰাতিপুৱাই যাত্ৰা কৰিলো তিনিটা স্থান দৰ্শনৰ বাবে। ইতিমধ্যেই আমি ভ্ৰমণৰ বাবে Travelling Agency ৰ পৰা গাড়ী দুখন ভাড়া কৰিছিলো আৰু যথাসময়ত আমাৰ বাবে হোটেলৰ সন্মুখত অপেক্ষা কৰি আছিল। আমি উপস্থিত হ'লো 'Takdah Orchid Centre', এইখনক এখন Nursery বুলিও উপস্থাপন কৰিব পাৰি। এই ঠাইত মাত্ৰ পাঁচ-দহ মিনিট কটালো, যিহেতু ইয়ালে অহা গোটেই পথটোত ডেৰ-দুই ঘণ্টা সময় আমি সন্তুষ্ট মনেৰে ধূলি খোৱাৰ বাদে অন্য কোনো মহত্ব নাছিল।

এই স্থানৰ পৰা প্ৰায় চল্লিশ-পঞ্চল্লিশ মিনিট মাত্ৰা কৰাৰ পাছত আমি উপস্থিত হ'লো 'Tinchuley Tea Gardens'। আমি যেতিয়া চাহ বাগিছা দৰ্শনৰ অৰ্থে যাম বুলি অৱগত হৈছিলো আমাৰ ইমান হেপাঁহ নাছিল, যিহেতু আমি অসমত অনেক চাহ বাগিছা ইতিমধ্যেই দেখিছিলো। কিন্তু এই স্থানত উপস্থিত হোৱাৰ পাছত আমি হতভম্ব হৈছিলো। ওখ-ওখ পাহাৰ, পাহাৰৰ মাজে মাজে ঘূৰণীয়া পকী পথ আৰু পথৰ কাষে কাষে চাহ বাগিছা; কি এক অপূৰ্ব দৃশ্যহে ই কল্পনাৰো উৰ্দ্ধত।

দাৰ্জিলিংৰ চাহ বাগিছাৰ বৈশিষ্ট্যই হৈছে ই প্ৰাকৃতিক সৌন্দৰ্য্যৰে আবৃষ্ট। এই স্থান এক-ডেৰ ঘণ্টা প্ৰাকৃতিৰ সৌন্দৰ্য উপভোগ কৰি যাত্ৰা কৰিলো দিনটোৰ অন্তিম লক্ষ্যস্থানলৈ।

আমাৰ লক্ষ্যস্থান আছিল 'Lamahata Pine Forest'। আধা ঘন্টাৰ বাট অতিক্ৰম কৰি আমি উপস্থিত হ'লো এক অদ্ভুত স্থানত। দাৰ্জিলিংত উপস্থিত হোৱাৰে পৰা আমি পথৰ কাষে কাষে অনেক পাইন গছ দেখিছিলো। কিন্তু এখন পাইনৰ হাবি দেখিবলৈ সঁচাকৈয়ে অপূৰ্ব। ওখ ওখ পাইন গছ; হয়তো মোৰ দৰে ছয় ফুটীয়া ত্ৰিছজন মানুহক লগ লগাই দিলেও সমান নহ'ব। এই গছবোৰ আছে ওখ পাহাৰত। দলটোৰ আমি উৎপতিয়া ল'ৰা-ছোৱালী কেইজনমানে কিমান ওপৰলৈ যাব পাৰে প্ৰতিস্পৰ্ধা কৰিলো। বহুতে আধাতেই হাৰ মানি ল'লে। কিন্তু যিকেইজনী ছোৱালীয়ে সাহস গোটাই আমাৰ লগত ওপৰত উঠিছিল, তেওঁলোকৰ নামোতে যি অৱস্থা হৈছিল এতিয়াও ভাবিলেই হাঁহি উঠে। হাবিখনত ভ্ৰমণ কৰি আমি 'Lamahata Lake' তো উপস্থিত হ'লো, যি পাহাৰখনৰ শীৰ্ষত আছিল।

ভ্ৰমণলৈ গ'লে টোপনিৰ লগত কম্প্ৰমাইজ কৰাটো স্বাভাৱিক। কিয়নো ভ্ৰমণৰ উৎসুকতাই টোপনিক প্ৰায়েই অৱমাননা কৰোৱাই উজাগৰে নিশা পাৰ কৰিবলৈ বাধ্য কৰে। বাৰ মাৰ্চ তাৰিখে আমি পুৱা দুই বজাতে উঠি প্ৰত্যেকেই পাল-পাতি সাজু হ'লো 'Tiger Hills' ত সূৰ্য্যোদয় চাবলৈ। পুৱা এনেকৈ উঠাত মোৰ মনত পৰিল ৯ মাৰ্চৰ পুৱা যেতিয়া আমি 'Siliguri' অভিমুখে 'Avadh Assam Express' লৈ পুৱা দুই বজাৰ পৰাই সৰুপথাৰ ষ্টেচনত অপেক্ষা কৰি কৰি চাৰে চাৰি বাজিছিল। আমি এইটো সময় কেৱল ট্ৰেইনখনক গালি পাৰিয়ে সময় পাৰ কৰিছিলো। অৱশ্যে এইটো এটা বেলেগ কাহিনী।

আমি চাৰে তিনি বজাত 'টাইগাৰ হিল'ৰ অভিমুখে যাত্ৰা কৰিলো আৰু চাৰি বজাত তাত উপস্থিত হ'লো। ৰাতিপুৱা, তাতে দাৰ্জিলিঙৰ দৰে ওখ ঠাই। আমি সকলো কঁপি কঁপি কোনোপধ্যে Tiger Hills ত উঠিলো; যিহেতু বাহন সোমাবলৈ দিয়া নহয়। এতিয়াও আন্ধাৰেই হৈ আছিল। সুৰ্যোদয় চাবলৈ মানুহৰ বিৰ দি বাট নোপোৱা ভিৰ। প্ৰায় চাৰি বাজি পঞ্চলিশ মিনিট মানত আমি সুৰ্যোদয়ৰ দৃশ্য দেখা পালো। ই এক সাধাৰণ দৃশ্যই আছিল; কিন্তু সূৰ্যোদয়ৰ আগতেই সূৰ্যৰ প্ৰথম ৰশ্মি যেতিয়া বিশাল কাঞ্চনজঙঘাৰ শিখৰত পৰিছিল সেই দৃশ্য আছিল অসাধাৰণ। কাঞ্চনজঙঘা সঁচাকৈয়ে জিলিকি উঠিছিল। আমি ঠাণ্ডাত একেবাৰেই জৰ্জৰিত হৈ সন্তুষ্টি-অসন্তুষ্টিৰ মাজেৰে গতি কৰিলো পৰৱৰ্তী লক্ষ্য স্থানসমূহলৈ।

ওভটনি বাটত আমি দৰ্শন কৰি আহিলো বৌদ্ধ ধৰ্মৰ 'Tiga Choeling Monastery'। হোটেল পায়েই আমি পুৱাৰ আহাৰ গ্ৰহণ কৰিলো আৰু ন বজাত পুনৰ সাঁজু হ'লো দাৰ্জিলিং অন্বেষণৰ বাবে। আমাৰ লক্ষ্যস্থান আছিল 'Gorkha War Memorial' (Batasia hoop)। এই স্থানত ১৯৯৯ চনৰ 'কাৰ্গিল যুদ্ধ'ত শ্বহীদ হোৱা গোৰ্খা সৈনিকসকলক শ্ৰদ্ধাঞ্জলি দিয়া হৈছে। আমিও তেওঁলোকলৈ অন্তৰেৰে সন্মান যাচি যাত্ৰা কৰিলো এক নতুন স্থানলৈ। এইবাৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰী হিচাপে আমি অতিকৈ উত্তেজিত হৈ উঠিছিলো, কিয়নো আমি গৈ আছিলো প্ৰথমবাৰৰ বাবে কোনো শৰণাৰ্থীৰ শিবিৰলৈ। চীনে তিব্বত আক্ৰমণ কৰি অধিগ্ৰহণ কৰাৰ পাছত ১৯৬০ ৰ দশকত দালাই লামাৰ নেতৃত্বত বহুতো তিব্বতীয় বৌদ্ধ ধৰ্মী লোকে ভাৰতত শৰণ লৈছিল। এই শৰণাৰ্থীসকলৰ উদ্দেশ্যে ১৯৫৯ চনৰ ২৫ অক্টোবৰ তাৰিখে 'Tibetan Refugee Centre' স্থাপন কৰা হৈছিল। আমি যেতিয়া শিবিৰত উপস্থিত হৈছিলো তাত কেৱল কেইজনমান শৰণাৰ্থীহে আছিল। যিসকল স্থানীয় বাসিন্দা হৈ পৰিছিল। ইয়াৰ বিভিন্ন কক্ষত এই শৰণাৰ্থীসকলৰ সৈতে ঘটা বিভিন্ন ঘটনা তথা তেওঁলোকৰ ইতিহাসৰ তথ্যচিত্ৰৰ মাধ্যমেৰে দেৱালত বৰ্ণিত আছিল। আমি কৌতুহলী ছাত্ৰ কেইজনমানে যেতিয়া তাত থকা বৃদ্ধ ব্যক্তি এজনক তেওঁৰ জীৱনৰ বিষয়ে শুধিছিলো, তেওঁলোকৰ জীৱন কঠোৰ সংগ্ৰামৰ কাহিনীয়ে সঁচাকৈ আমাৰ চকুলো বোৱাই পেলাইছিল।

দাৰ্জিলিঙত কটাবলগীয়া অন্তিমটো দিন অৰ্থাৎ ১৩ মাৰ্চৰ বাবে আমাৰ তেনে কোনো বিশেষ পৰিকল্পনা নাছিল, তথাপিও আমি গাড়ী ভাড়া কৰি যাত্ৰা কৰিলোঁ ওচৰৰে কেইটামান স্থানলৈ। সেইসমূহ ক্ৰমে - দাৰ্জিলিঙৰ 'Rangeet Passengen Rupway,' 'Padmaja Naidu Himalayan Zoological Park' and 'Himalayan Mountainercing Institute' ২৭ হেক্টৰতকৈও অধিক ভূমি আগুৰি থকা 'Darjeeling Zoo' ত বিভিন্ন প্ৰজাতিৰ ছাগলী, বান্দৰ, চৰাই, মাছ আদিৰ লগতে ৰঙা পাণ্ডা, দি বেংগল টাইগাৰ, ব্লেক পেন্থৰ আদিয়ে পৰ্যটকক আকৰ্ষিত কৰে। এই

Zoological Park ৰ লগত সংলগ্ন হৈ আছে 'Himalayan Mountaining Institute' য'ত বিভিন্ন পৰ্বতাৰোহণকাৰীক প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ যি সংগ্ৰহালয় (Himalayan Mountainesing Institute Museum) Sin Edmund Hillary ona Tenzing Norgay পৰা আদি কৰি পৰ্বতাৰোহণৰ সৈতে সংলগ্ন হৈ থকা প্ৰতিটো ইতিহাস সুন্দৰভাৱে সংৰক্ষিত কৰি ৰখা হৈছে। তদুপৰি Museum টোৰ কাষতে আছে অন্য এক Museum। সেইয়া কৈছে 'Bengal Natural History Museum' য'ত বিভিন্ন প্ৰজাতিৰ কীট-পতংগ, জীৱ-জন্তুৰ অৱশেষ সাংৰক্ষিত কৰি ৰখা হৈছে।

দাৰ্জিলিংৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি থাকোতে সময় কেনেকৈ উৰা মাৰি গ'ল আমি গমকে নাপালো। চাওঁতে চাওঁতে আমাৰ উভতিবৰ সময় আহি গ'ল। ১৪ মাৰ্চ তাৰিখে আমি আমাৰ মন গধুৰ কৰি 'New Jalpaiguri Rail Station' ৰ দিশে ৰাওঁলা হ'লো। উভতনি যাত্ৰাত আমি কম সময়ৰ বাবে হ'লেও বহু নতুন স্থান দৰ্শন কৰি আহিলো। তাৰ ভিতৰত আছিল - 'Japonese Buddhist Temple', 'Simana Village' (India-Nepal Border), নেপালৰ 'Pashupati Market' আৰু 'Mirik Lake' আদি। উভতনি যাত্ৰাত ভাৰতৰ সীমা অতিক্ৰম কৰি প্ৰথমবাৰৰ বাবে বিদেশত ভৰি দিয়াৰ অভিজ্ঞতাও আহৰণ কৰিলো। আমি পুৱা ছয় বজাত হোটেলৰ পৰা ওলাই এই ঠাইসমূহ পৰিদৰ্শন কৰি আবেলিৰ প্ৰায় চাৰি মান বজাত New Jalpaiguri উপস্থিত হ'লোঁ। দাৰ্জিলিংত থকা সময়ত এনে লাগিছিল যে আমি কোনো বিলাসী AC থকা কক্ষত বহি আছো; কিন্তু যেতিয়াই দাৰ্জিলিংৰ পৰা ওলাই New Jalpaiguri পইছিলো, এনে লাগিছিল যে মহাদেৱৰ ঠাইত সূৰ্যদেৱে টাণ্ডৱ কৰি আছে। আমি আকৌ প্ৰথম দিনাৰ দৰে পৃথিৱীৰ আটাইতকৈ পলম ট্ৰেইন 'Avadh Assam' লৈ অপেক্ষা কৰি থাকিলো। ছয় বজাত ট্ৰেইনখন আহি ষ্টেচনত ৰাখিছিল; আমি শান্ত আৰু সন্তুষ্ট মনে দাৰ্জিলিংৰ অভিজ্ঞতাসমূহ বুকুত সাঁচি অতিকৈ আগ্ৰহেৰে ঘৰমূৰা হ'লো। কিয়নো পৃথিৱীত নিজৰ মাতৃভূমি বা ঘৰখনতকৈ সুন্দৰ আন কোনো ঠাই হ'ব পাৰিব জানো? ⌘




# নদী দ্বীপ মাজুলী

০ প্ৰিয়ংকা বৰা, ছাত্ৰী

যান্ত্ৰিকতাৰ অটব্য হাবিখনত সচৰাচৰ মানুহে নিজকে পাহৰি পেলায়, নিজৰ ভাল লগা কামবোৰৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি বা সিবোৰৰ ফালে পিঠি দি দৈনন্দিন প্ৰতিযোগিতাত নামি পৰা পৰিলক্ষিত হয়।

সত্ৰৰ নগৰী 'মাজুলী'ৰ বিষয়ে সৰুৰে পৰাই বিভিন্ন কিতাপ, বিভিন্ন ধৰণৰ অনুষ্ঠানৰ কুইজত সোধা মাজুলী সম্পৰ্কীয় প্ৰশ্ন, বিভিন্ন সময়ত শুনা ভিন্নধৰণৰ কাহিনী বা ইয়াক প্ৰাকৃতিক পৰিৱেশ আৰু মাজুলীবাসীয়ে কৰা জীৱন সংগ্ৰামে মোক বাৰুকৈয়ে মোহিত কৰিছিল।

বহুদিনৰ পৰাই মাজুলী ভ্ৰমণৰ এটা হেপাহে মোৰ মনত বাৰুকৈয়ে ঠাই লৈছিল আৰু সেই হেপাহ পূৰণ হৈছিল ২০১৮ চনৰ ২৩ এপ্ৰিলৰ দিনা। ২৩ এপ্ৰিলৰ দিনাখন প্ৰায় ১০ ৰ পৰা ১১ বজাৰ ভিতৰত যে সৰুপথাৰৰ পৰা যোৰহাটৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলো। যোৰহাটৰ পৰা নিমাতিঘাটলৈকে মেজিকেৰে গৈছিলো। সৰুপথাৰৰ পৰা নিমাতিঘাটলৈ হোৱা এই যাত্ৰা আছিল তিনিৰ পৰা চাৰি ঘন্টীয়া সময়যোৰা এক

যাত্ৰা।

নিমাতিঘাটৰ পৰা মাজুলীলৈ যিহেতু ফেৰীৰেহে পাৰ হ'ব লাগিছিল সেয়ে আমি আমাৰ বস্তুবোৰৰ সৈতে এখন ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ কমলাবাৰীৰে এজন সম্পৰ্কীয় খুড়াৰ ঘৰত উপস্থিত হৈছিলো। আমাৰ এই মাজুলী ভ্ৰমন আছিল তিনিদিনীয়া।

বিশ্বৰ সকলোতকৈ ডাঙৰ নদী দ্বীপ হৈছে মাজুলী। মাজুলীক সত্ৰ নগৰী বুলি জনা যায়। সেয়ে আমিও ইয়াৰে কিছুমান সত্ৰ-দৰ্শন কৰিছিলো। সত্ৰ থকা সতাধিকাৰী বা ইয়াৰ ভকতসকলে আমি সত্ৰৰ বিষয়ে যি যি জানিব বিচাৰিছিলো সেয়া আমাক অতি সুন্দৰকৈ বুজাই দিছিল।

২৪/০৪/২০১৮ তাৰিখে ৰাতিপুৱা আমি কমলাবাৰী সত্ৰলৈ গৈছিলো। কমলাবাৰী সত্ৰখন প্ৰতিষ্ঠা কৰিছিল মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য বদুলা আতাই (তেওঁৰ প্ৰকৃত নাম আছিল বদুলা পদ্ম আতা) কালক্ৰমত এই সত্ৰখন মূলত: চাৰিটা ভাগত বিভক্ত হৈছিল। ক্ৰমে - মূল কমলাবাৰী, উত্তৰ কমলাবাৰী, মধ্য কমলাবাৰী আৰু নতুন কমলাবাৰী। আংকীয়া ভাওনা, গায়ন-বায়ন, সত্ৰীয়া নৃত্য, সূত্ৰধৰ নৃত্য, মাটি আখৰা আদি বহুতো পৰিৱেশন কলা আৰু সাংস্কৃতিক অনুশীলনৰ বাবে এই সত্ৰ বিখ্যাত। এই সত্ৰত বহু বছৰ ধৰি সংস্কৃতি, শিল্প, সাহিত্য আৰু ধ্ৰুপদী অধ্যয়ন অব্যাহত আছে। কমলাবাৰী সত্ৰৰ অন্যতম নৃত্য হৈছে মাটিআখৰা।

সঁচাই মাজুলীখন মই কল্পনা কৰাতকৈয়ো বহুত বেছিয়েই ধুনীয়া আছিল। ইয়াৰ প্ৰাকৃতিক পৰিৱেশটো বৰ আৰ্কষণীয়। আমি কমলাবাৰী সত্ৰৰ পিছত আউনীআটি সত্ৰ আৰু দক্ষিনপাট সত্ৰৰ দৰ্শন কৰিছিলো। প্ৰথমে আউনীআটি সত্ৰত প্ৰৱেশ কৰিছিলো। আউনীআটি সত্ৰ অসমৰ প্ৰথম শ্ৰেণীৰ ৰাজসত্ৰ। আহোম ৰজা জয়ধ্বজ সিংহই মাজুলীত ১৫৭৫ শকত এই সভাখন নিৰ্মাণ কৰিছিল সত্ৰখনৰ প্ৰথমজনা সত্ৰাধিকাৰ আছিল শ্ৰীশ্ৰী নিৰঞ্জনদেৰ। আউনীআটি সত্ৰৰ চাৰিওফালৰ পৰিৱেশটো খুবেই সুন্দৰ আছিল।

ঠিক তেনেদৰেই দক্ষিণপাট সত্ৰখনো বহুত বেছিয়েই ধুনীয়া আছিল। ইয়াৰ চাৰিওকাষৰ পৰিৱেশটোৱে মানুহক বাৰুকৈয়ে মন্ত্ৰমুগ্ধ কৰিছিল। সত্ৰখনৰ চাৰিওফালে ফুলনি আৰু তাৰ দেৱাল বিলাকত বিভিন্ন জীৱ-জন্তুৰ চিত্ৰ অংকন কৰি ৰখা হৈছিল। তদুপৰি দক্ষিণপাট সত্ৰত ছাত্ৰ-ছাত্ৰীসকলক সত্ৰীয়া শিকোৱা হয়। এনেদৰেই তিনিদিনীয়া যাত্ৰাৰ প্ৰথম দিনৰ সমাপ্তি ঘটিছিল।

ঠিক একেদৰেই আমি পিছদিনা ৰাতিপুৱা অৰ্থাৎ ২৫ তাৰিখে গড়মূৰ সত্ৰৰ দৰ্শন কৰিছিলো। সত্ৰখনত প্ৰৱেশ কৰিয়েই দেখিলো ইয়াৰ চাৰিওফালৰ সুন্দৰ আৰু শান্তিময় পৰিৱেশ। এই সত্ৰখনত হোৱা ৰাস মহোৎসৱত পুৰুষ আৰু মহিলা দুয়োয়ে অভিনয় কৰিব পাৰে।

মাজুলী যিহেতু 'মুখা শিল্প'ৰ বাবেও বিখ্যাত সেয়ে আমি এই মুখাসমূহো চাবলৈ গৈছিলো। ব্ৰহ্মপুত্ৰৰ মাজত অৱস্থিত 'মাজুলী' বানপানী অঞ্চল সেয়ে ইয়াৰ লোকসকলে বানপানীৰ প্ৰকোপৰ পৰা হাত সাৰিবলৈ চাঙঘৰত বাস কৰে। মাজুলীত বাস কৰা লোকসকলৰ ঘৰৰ নিৰ্মাণ পদ্ধতিও অন্য ঠাইৰ মানুহতকৈ সুকীয়া। তেওঁলোকৰ ঘৰবোৰৰ মাজত কোনোধৰণৰ বেৰা নাথাকে, এটা ঘৰৰ বেৰৰ লগত আনটো ঘৰৰ বেৰ সংযোগ হৈ থাকে। ইয়াত আমি স্থানীয় অঞ্চলৰ ম'হৰ গাখীৰ আৰু দৈৰে জলপানৰো সোৱাদ লৈছিলো। এই সোৱাদো অন্য কোনো অঞ্চলৰ তুলনা কৰিব নোৱাৰি।

আমাৰ যাত্ৰাৰ দ্বিতীয়টো দিনৰো অন্ত পৰিছিল। মাজুলী ভ্ৰমনৰ তৃতীয়টো দিনত আমি বিশেষ ঠাই চাব পৰা নাছিলো, কাৰণ সেইদিনা খুড়াৰ মাকে (আইতাই) দেউতাৰ বাবে সত্ৰত নাম প্ৰসঙ্গ কৰাব বুলি কৈ থৈছিল, সেয়ে সেইদিনা নাম প্ৰসঙ্গৰ মাজেৰেই দিনটোৰ পৰিসমাপ্তি ঘটিছিল।

অৱশেষত, আমাৰ মাজুলী ভ্ৰমণ শেষ কৰি ঘৰলৈ ওভতনি যাত্ৰা কৰাৰ সময় আহি পৰিছিল। তিনিদিনীয়া কাৰ্যসূচী হোৱাৰ বাবে আমি সকলোবোৰ চাই শেষ কৰিব পৰা নাছিলোঁ।

যদিওবা পৰ্যটন উদ্যোগলৈ এতিয়াও চালুকীয়া অৱস্থাতে মাজুলীত আছে তথাপি প্ৰতি বছৰ দেশী- বিদেশী বহু পৰ্যটকে মাজুলী ভ্ৰমন কৰিবলৈ আহে। মাজুলীৰ সত্ৰসমূহ আৰু তাত থুপ খাই থকা আমাৰ সাংস্কৃতিক ঐতিহ্যসমূহ, মৃৎশিল্প, থলুৱা চৰাইৰ কল কাকলি, মাজুলীৰ প্ৰাকৃতিক সৌন্দৰ্য আদিবোৰেই ঘাইকে পৰ্যটকক আকৰ্ষণ কৰে। মাজুলী ভ্ৰমণৰ তিনিদিনীয়া কাৰ্যসূচীৰ সহায়েৰে বা জৰিয়তে আমি যিমানখিনি চাব পাৰিলো সেই অভিজ্ঞতাৰে ক'বলৈ গ'লে মাজুলী নদী দ্বীপ সঁচাই সুকীয়া আৰু অতুলনীয় সম্ভাৰে ভৰপূৰ। ⌘



# উৰিষ্যালৈ যাত্ৰা ঃ এটা অনন্য অভিজ্ঞতা

○ **দুলেশ্বৰ শইকীয়া**
ছাত্ৰ

"পোহৰ বিচাৰি যাওঁ,
পোহৰ বিচাৰি যাওঁ,
আন্ধাৰৰ বাট যৱনিকা খেদি
সিপাৰে কি আছে চাও।"

পোহৰ সন্ধানী মনটোৰ বাবে পুথিগত জ্ঞানৰ লগতে ভ্ৰমণো অত্যন্ত আৱশ্যকীয়। সেয়েহে বাহিৰৰ জগতখনকে চাওঁ বুলি ভাবিয়েই বহিঃৰাজ্য ভ্ৰমণলৈ ওলালোঁ। অৱশ্যে মাজে-সময়ে উত্তৰ-পূৰ্বাঞ্চলৰ নাগালেণ্ড আৰু অৰুণাচললৈ নোযোৱা নহয় যদিও উত্তৰপূৰ্বাঞ্চলৰ বাহিৰৰ ৰাজ্যলৈ যোৱা কথাতো সুকীয়া। আগৰে পৰা 'উৰিষ্যা' ৰাজ্যখনৰ প্ৰতি দুৰ্বলতা আছিল। কিয়নো ১৯৯৯ চনত হোৱা ভয়াবহ ধুমুহাৰ বাবে গোটেই ৰাজ্যখনেই ক্ষতিগ্ৰস্ত হৈছিল য'ত ১০,০০০ তকৈ অধিক লোকৰ মৃত্যু হৈছিল। কিন্তু উৰিষ্যাই প্ৰগতিৰ পথত খোজ পেলালে আৰু বৰ্তমানৰ দুৰ্যোগ ব্যৱস্থাপনা ইমানেই সবল যে UNO আদিয়েও প্ৰশংসা কৰে। হকী খেলত ভাৰতে মেডেল পালে আমি দুই এদিনৰ বাবে মনত ৰাখোঁ। যদিও উৰিষ্যাৰ দৰে ৰাজ্যই ভাৰতীয় হকী দলক আৰ্থিক অনুদান আগবঢ়ায়।

৫ জানুৱাৰী, ২০২৪ ৰ দিনা পুৱা ১১.৩০ বজাত 'ৰঙিয়া এক্সপ্ৰেছ'ত সৰুপথাৰৰ পৰা গুৱাহাটীলৈ বুলি যাত্ৰা কৰিলোঁ। সন্ধিয়া ৬ মান বজাত গুৱাহাটীত উপস্থিত হৈ কামাখ্যা জংছনলৈ বুলি অন্য এখন ট্ৰেইনত উঠিলোঁ। কামাখ্যা জংছনত ৰাতিৰ আহাৰ খাই প্ৰায় ৮.৩০ মান বজাত

পুৰী অভিমূখে যাত্ৰা কৰিবলগীয়া 'কামাখ্যা-পুৰী' এক্সপ্ৰেছত উঠিলোঁ। তাত আমাৰ বাবে আসন সংৰক্ষণ কৰা আছিল। ৭ জানুৱাৰীৰ দিনা বেছ কিছু অসুবিধা নোহোৱাকৈ আমি ৩ বজাত 'পুৰী' ষ্টেচনত উপস্থিত হ'লোঁগৈ। সৰ্বমুঠ সদস্য ২৩ জন। তাৰে এজন মোৰ বন্ধু, এজন খুড়া আৰু বৰদেউতা-বৰমা।

ইতিমধ্যে মই উল্লেখ কৰিছোঁ যে, উৰিষ্যা ৰাজ্যখনৰ প্ৰতি মোৰ দুৰ্বলতা আছিল। কিন্তু বয়োজেষ্ঠসকলৰ সৈতে যাব লগাৰ বাবে আৰু মূখ্যদৰ্শনীয় স্থল হিচাপে কেৱল মন্দিৰসমূহকে বাছি লোৱাত প্ৰথমে হতাশ হৈছিলো। মই ন দি ক'ব পাৰোঁ যে, কিছুমান মানুহে মোক নাস্তিক বুলিয়েই ভাবে। কিয়নো মই ঈশ্বৰ বিশ্বাস কৰোঁ যদিও মন্দিৰ আদিলৈ গৈ পূজা-পাতল ইত্যাদি নকৰোঁ বুলিয়েই ক'ব পাৰি। সেয়েহে প্ৰথমে মই নোযোৱাৰ সিদ্ধান্তই গ্ৰহণ কৰিছিলোঁ। কিন্তু আমাৰ বিভাগৰ সন্ধান ছাৰে কোৱা কথা এষাৰ মনত পৰিল ঃ "সকলো ধৰ্মীয় স্থলকেই ইতিহাসৰ সন্ধানমূলক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিবা। ধৰ্মগ্ৰন্থবোৰ নিৰপেক্ষতাৰে গ্ৰহণ কৰিবা; ইতিহাসৰ ছাত্ৰ হিচাপে তোমালোকৰ এয়া কৰ্তব্য।" নেতিবাচকতাৰ বুকুত ইতিবাচকতাক সন্ধান কৰিবলৈ ভাৰতৰ ইতিহাসৰ এটা অতি ওৰুত্বপূৰ্ণ অধ্যায় হিচাপে পৰিচিত উৰিষ্যাৰ মন্দিৰ স্থাপত্য কলা চাবলৈ বুলিয়েই মই, ভ্ৰমনটোত মনোনিবেশ কৰিলোঁ।

৭ জানুৱাৰীৰ দিনা অলপ সময় বিশ্ৰামৰ পাছত সাগৰৰ উপকূললৈ বুলি যাত্ৰা কৰিলোঁ। আমি হ'লো অসমৰ মানুহ। বানপানীৰে বাৰিষাত অসম সাগৰ যেন হৈ পৰে আৰু এই অসীম জলৰাশিয়ে কম ক্ষতিগ্ৰস্ত নকৰেনে? আমাৰ বংশৰ সাত পুৰুষলৈকে সাগৰ দেখা নাই। সাগৰ নেদেখা আমাৰ দৰে মানুহৰ সাগৰখন দেখাৰ বৰ হেঁপাহ। কবিয়েও কৈছে, "নোকোৱা কথাৰ ভৰ বেছি।" তেনেকৈ নোপোৱা বস্তু পোৱাৰ, নেদেখা বস্তু দেখাৰ উত্তেজনা অধিক। দুপৰীয়া বাৰ বজাত পুৰীৰ সমীপৱৰ্তী বিখ্যাত 'পুৰী বীচ্চ' বা 'গোল্ডেন বীচ্চ'ত উপস্থিত হ'লো। অতি সুন্দৰ ঠাইডোখৰ দেখি মন ভৰি পৰিছিল। লোকে লোকৰণ্য হৈ পৰাৰ বাবে সংগ এৰাই যোৱাৰ ভয় অধিক। আমি হ'লো নতুন প্ৰজন্ম। থাওকতে গুগল মেপ উলিয়াই আচিনাকি ঠাই হ'লেও হেৰাই যোৱাৰ ভয় নাথাকে। তথাপিও বৰমাহঁতৰ ডাবি খোৱাৰ ভয়তেই অন্যমনস্ক নহ'লো। অৱশ্যে 'উৰণীয়া মন, কৰে উচাটন'। কাছৰ দৰে লেহেমীয়া গতিত গৈ কি ভাল লাগেহে? সেই বাবেই বন্ধু দীপৰ লগত বৰদেউতাহঁতক ফোন কৰি থকাৰ চৰ্ত দি নিশ্চিন্তমনে ফুৰিবলৈ ওলালোঁ। এই মস্ত ঠাণ্ডাৰ দিনত আইচক্ৰিম খাবলৈ ল'লে মাহঁতে গালি দিছিল, "আইচক্ৰীম খাই মৰিব খুইছ?" পিছে আইচক্ৰীম খাইনো কেইটা মানুহ মৰিছে? সেয়ে দীপ আৰু মই দুয়োটাই দুটাকৈ আইচক্ৰীম খাই সাগৰৰ পানীত নামিলোগৈ।

সাগৰখন চঞ্চল। ঢৌৰে সৈতে এবাৰ সোঁত আহে, এবাৰ যায়। গাঁৱৰ ল'ৰা হিচাপে নৈ-পুখুৰীত নামি সাঁতুৰিবলৈ ভালদৰে জানো যদিও সাগৰখনত সাঁতুৰিবলৈ বুলি ভয় লাগিল। 'ৰাম নাম সত্য হে' বুলি কৈ পানীত জাপ দিলোঁ। অৱশ্যে বেছি দলৈকে নগ'লোঁ। এবাৰ কেনেকৈ জানো উশাহ চুটি হোৱাৰ বাবে নে অন্য কাৰণত সাঁতুৰি থাকোতে এঘোটা সাগৰৰ পানী মুখত সোমাল। আগতে ড° হীৰেন গোহাঁইৰ 'ইমান তিতা সাগৰৰ পানী' গ্ৰন্থখন পঢ়িছিলোঁ। পিছে সাগৰৰ পানী খাই তিতা নাপালোঁ, নিমখীয়াহে পালোঁ। বেছি দেৰি নাসাতুৰিলোঁ। কাৰণ - মৰাৰ ভয়!

সাগৰৰ পাৰত দেখা থলুৱা মানুহবোৰৰ বৰ সৌহাদ্যপূৰ্ণ। এজন মাছমৰীয়াৰ পৰা খেৱালী জালখন লৈ মাছ মৰাত ভেকুলী এজনীও নুঠিল। মই ওঠৰ বছৰীয়া লৰাটোৰ বিশ বছৰীয়া জাল মৰা অভিজ্ঞতা থকা সত্বেও পুঠি খলিহনা এজনীও ধৰিব নোৱাৰিলোঁ। (অৱশ্যে উৰিষ্যাৰ উপকূলত পুঠি, খলিহনা পায় নে নাপায় মই নাজানোও, নেদেখিলোঁও)। জালত লাগি অহা শামুক এটা দেখি পাছত শিলগুটি এটা লৈ ভঙাত দেখিলোঁ- তিনিটা মুকুতা। আচৰিত হ'ব লগা কথা। শামুকৰ পেটত মুকুতা থকা বুলি শুনি আহিছো যদিও প্ৰথম চাক্ষুস অভিজ্ঞতা এয়া। পাছতহে ভাবিছো, পঢ়া শুনা এৰি ইয়াতেই চোন মুকুতা বিচৰাৰ ব্যবসায় কৰিব পাৰিছো মই। অৱশ্যে এয়া আকাশত চাং পতাৰ দৰে কথা। মোৰ অসমখনক চিৰস্থায়ীভাৱে এৰি অহাৰ বাসনা নাই। ইন্দিৰা গান্ধীৰ প্ৰধান মন্ত্ৰীত্বৰ কালত ৰাকেশ শৰ্মাই ভাৰতবৰ্ষৰ পৰা পোন প্ৰথমে মহাকাশলৈ গৈছিল। ইন্দিৰা গান্ধীয়ে ৰাকেশ শৰ্মাক মহাকাশৰ পৰা ভাৰতবৰ্ষখন কেনেকুৱা দেখি বুলি সোধা প্ৰশ্নৰ উত্তৰত ৰাকেশ শৰ্মাই কৈছিল "সাৰে জহা সে অচ্ছা।" ময়ো কম যে ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলতকৈ, হয়তো সেয়া উৰিষ্যাই হওক, অসমখন - "সাৰে জহা সে অচ্ছা"। অসমখন আমাৰ প্ৰাণস্পন্দন।

গা ধুই শুকান কাপোৰ পিন্ধি বৰদেউতাহঁতক লগ ধৰিলোগৈ। বৰদেউতা-বৰমাহঁত আকৌ বজাৰ কৰাতহে ব্যস্ত। নকৰিবনো কিয়? অসমৰ পৰা ইমান দূৰলৈ আহি নিজৰ জীয়ৰী-বোৱাৰী আৰু নাতিকেইটিলৈ ভ্ৰমণৰ চিনস্বৰূপে কিবা এটা নিনিব নে? নিশ্চয় নিব। উৰিষ্যাৰ উপকূলৰ বজাৰত সততে উপলব্ধ শাৰী, স্কাফৰ লগতে মণিহাৰী আ-অলংকাৰ, মুকুতাৰ মনি

(আচল নে নকল নাজানো, অৱশ্যে আচল বুলিয়েই কিনিছে তেওঁলোকে) পাথৰ ইত্যাদি ক্রয় কৰিলে। মোৰ সেইবোৰ কিনাত কোনো ৰাপ নাই। কিয়নো মই চেইন, আঙঠি নালাগে, সাধাৰণ মন্দিৰৰ সূতা এডাল পিন্ধিবলৈও ভাল নাপাও। অৱশ্যে প্ৰেয়সীলৈ বুলি কিবা এটা কিনাতো বেলেগ কথা।

বেবেৰিবাং বস্তু এসোপা লৈ আমি থকা ঠাইলৈ বুলি আগবাঢ়িলোঁ। যাওঁতে অৱশ্যে খোজকাঢ়িয়েই গ'লোঁ- বাহিৰৰ বজাৰ-সমাৰ চাই চাই আহি অন্যমনস্ক হোৱাটো মোৰ জন্মগত অভ্যাস। ৰাতি ন মান বজাত আমি নিদ্রাদেৱীৰ কোলাত আশ্ৰয় ললোঁ।

৮ জানুৱাৰীৰ দিনা ৰাতিপুৱা পাঁচ বজাত শুই উঠিলোঁ। হাত-মুখ ধুই জলপান কৰি ৭ মান বজাত পুৰীৰ বিশ্ববিখ্যাত জগন্নাথ মন্দিৰলৈ বুলি ৰাওনা হ'লো। উৰিষ্যাৰ ৰাজধানী ভূৱনেশ্বৰ পৰা ষাঠি কিলোমিটাৰ দক্ষিণে অৱস্থিত পুৰীত এঘাৰ শতিকাত নির্মিত 'জগন্নাথ মন্দিৰ'ৰ বাবে জগন্নাথ পুৰী বুলিও জনা যায়। ই চাৰিধামৰ ভিতৰত অন্যতম। জগন্নাথ মন্দিৰত ভীষণ ভিৰ। পাণ্ডাৰ সহযোগত যাবলৈ সক্ষম হ'লোঁ আৰু মনৰ ইচ্ছাতে প্ৰাৰ্থনা কৰিলোঁ। এশ টকা জমা দিয়াৰ পাছত পাণ্ডাই আমাক এজোপা গছৰ ওচৰলৈ লৈ গ'ল। তাত হেনো তিনিটা ইচ্ছা ক'লে নিশ্চয়কৈ সফল হয়। সৰুতেই 'কল্পতৰু' বৃক্ষৰ নাম শুনিছিলোঁ। 'কীৰ্তন'তো লিখা আছে,

"সকল নিগম কল্পতৰু তাৰ ফল মহা ভাগৱত
শুক মুখে আসি ভূমিত ভৈল বিদিত।"
(কীৰ্তন)

মন্দিৰৰ প্ৰসাদ ল'বলৈও ১০০০ টকা দিব লগা হ'ল। মনটোত কিবা কিবি হেজাৰ প্রশ্নই ভুমুকি মাৰিলে। ঈশ্বৰৰ পৰা আশীৰ্বাদৰ বাবেও ইমান টকা দিব লগা হয়। ধনীসকলৰ বাৰু চিন্তা নাই। কিন্তু দুখীয়াসকলে কেৱলমাত্র প্রসাদৰ বাবে কেনেকৈ ইমান টকা দিব পাৰিব? টকা অবিহনে ভক্তি সম্ভৱ নহয় নেকি নে ঈশ্বৰ আশিষ কেৱলমাত্র আৰ্থিকভাৱে টনকিয়ালসকলৰ বাবে? এগালমান চিন্তাৰেমোৰ মন ভাৰাক্রান্ত হৈ পৰিল। অৱশ্যে মনটো ভাৰাক্রান্ত হৈ পৰাতো মোৰ বাবে একেবাৰে সাধাৰণ কথা।

জগন্নাথ মন্দিৰতে পুৱা ৯ মান বাজিছিল। ইয়াৰ পাছত বাছ ভাড়া কৰি কোণাৰ্কত অৱস্থিত সূৰ্য মন্দিৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। পূৰীৰ পৰা কোণাৰ্কলৈ দূৰত্ব প্রায় ৩৩ কিলোমিটাৰ। বাছত গ'লে প্রায় ৫৫ মিনিটমান লাগে। ১২৫০ চনত প্ৰথম নৰসিংহদেৱে সূৰ্য্য মন্দিৰটো নিৰ্মাণ কৰিছিল বুলি জনা যায়। মন্দিৰটোৰ কাৰুকাৰ্য অতি অকৰ্ষণীয়। মন্দিৰটোৰ বহু অংশ ধ্বংসস্তূপত পৰিণত হৈছে। মন্দিৰটোত কলিংগ স্থাপত্যৰ লগতে ভিন্ন কামোদ্দীপক চিত্ৰৰ সমাবেশ ঘটিছে। ভাৰতীয় দহ টকীয়া নোটৰ পাছফালে সদায় সূৰ্য্য মন্দিৰৰ ৰথৰ দৃশ্য দেখিবলৈ পাওঁ। সেই ৰথৰ চকাটো স্ব-চক্ষে দেখিবলৈ পালোঁ।

কোনাৰ্কৰ সূৰ্য্য সন্দিৰটো বিদেশী পৰ্যটকৰ বাবে অতি আকৰ্ষণীয় পৰ্যটনস্থলী। তাত কেইগৰাকীমান ইউৰোপীয়, আমেৰিকান আৰু জাপানৰ পৰ্যটকক দেখিবলৈ পালোঁ। জাপানৰ দম্পতিহালক গৈ সুধিলোঁ, "Doko no shusshindesu ka?" অৰ্থাৎ আপুনি ক'ৰ পৰা আহিছে? তেওঁলোকে জনালে যে কেওঁলোক জাপানৰ পৰা আহিছে। এখন ছেলফি লৈ "arigatou qozaimasu" অৰ্থাৎ ধন্যবাদ বুলি গৈ গুচি আহিলোঁ। জাপানৰ প্ৰতিনো কাৰ দুৰ্বলতা নাই? বিশেষকৈ 'তত্ত্ব চান', 'জাপানত এভুমুকি আৰু অন্যান্য' আদি গ্ৰন্থৰোৰ পঢ়াৰ লগতে "Mayo Japan' ইউটিউব চেনেলটো সঘনাই চোৱা হয়। জাপানী এনিমেচনৰ মই বিৰাট বেছি অনুৰাগী। ভৱিষ্যতে জাপানী ভাষাতো শিকাৰ আগ্ৰহ মনতে পুহি ৰাখিছোঁ। সেয়েহে একেবাৰে সাধাৰণ শব্দ যেনে - konnichiwa (Hello), Arigato (ধন্যবাদ), Sayonara (বিদায়) আদিবোৰ জানো। যি কি নহওঁক, উৰিষ্যা ভ্ৰমণে মোক জাপানী লোকৰ লগত এটা জাপানী বাক্যৰ সৈতে কথা পতাৰ সুযোগ প্ৰদান কৰিলে।

ৰাতি ৮ মান বজাত আশ্রয়স্থলী পালোঁহি। তাৰ পাছত পুনৰ পুৰী ষ্টেচনৰ পৰা 'পুৰী-কামাখ্যা' এক্সপ্ৰেছত উঠি কামাখ্যা জংছন পালোঁহি আৰু পুৱা ৬ মান বজাত কামাখ্যা জংছনৰ পৰা 'অবধ অসম এক্সপ্ৰেছ'ত আহি পুৱা ১১ মান বজাত সৰুপথাৰ ষ্টেচনত উপস্থিত হ'লোঁহি।

মোৰ বাবে উৰিষ্যা ভ্ৰমণ আছিল এক অনন্য অভিজ্ঞতা। পুৰী, কোনাৰ্ক, ভুৱনেশ্বৰ আদি ঠাইৰ লগতে অসীম নীলা সমুদ্ৰৰ অপৰূপ সৌন্দৰ্য্যই মোৰ মন চুই গৈছিল। ভ্ৰমণৰ আৰু এটা শুভ ফল হৈছে ভ্ৰমণ সাহিত্যৰ সৃষ্টি। ভ্ৰমণ কাহিনী সাহিত্যৰ এটি বিশিষ্ট অংগ। বিখ্যাত ভ্ৰমণকাৰীসকল, যেনে - ইবনবটুতা, আলবেৰুনী আদি বৃত্তান্তৰ পৰা ভাৰত বুৰঞ্জীৰ বহুখিনি সমল পোৱা গৈছে। উৰিষ্যা ভ্ৰমণৰ ফলত মই অনন্য অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হ'লোঁ যাক জীৱনত পাহৰিব নোৱাৰিম। ⌘




# মাজুলীৰ সত্ৰ দৰ্শন

০ অস্মিতা বৰঠাকুৰ
ছাত্ৰী

বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মাজুলীলৈ যাবলৈ বহুতেই হেপাঁহ কৰে। তেনেদৰে সৰুৰে পৰা ময়ো এটা বৰ ডাঙৰ হেপাঁহ পুহি ৰাখিছিলো সত্ৰ নগৰী মাজুলী ভ্ৰমণ কৰা। অসমতে থাকিও ইমান বছৰে মাজুলীলৈ যাব নোৱাৰাৰ বাবে মনতে বৰ দুখ লাগি আছিল। কিন্তু হঠাতে মাজুলীলৈ যোৱা বুলি খবৰটো পায় মোৰ চকুজুৰি হেপাঁহ আৰু উচ্ছাসৰ ৰেঙনিৰে তিৰবিৰাই উঠিল। ২০১৬ চনৰ ২ চেপ্তেম্বৰৰ দিনা আমাৰ এই যাত্ৰা সফল হৈ উঠিল। ২ চেপ্তেম্বৰৰ দিনা ৰাতিপুৱাই আমি গোলাঘাটৰ পৰা যোৰহাটৰ নিমাতীঘাট অভিমূখে গতি কৰিলো, যিহেতু নিমাতীঘাটৰ পৰা মাজুলীলৈ ফেৰীৰে পাৰ হ'ব লাগে সেইবাবে আমি আমাৰ বয়-বস্তুসমূহ লৈ ফেৰীত উঠিলোঁগৈ। প্ৰায় তিনি ঘন্টা মান সময়ৰ পাছত আমি মাজুলীৰ কমলাবাৰীত উপস্থিত হ'লো। মোৰ সত্ৰ দৰ্শনৰ যাত্ৰা এনেদৰেই আৰম্ভ হ'ল। আমাৰ এই ভ্ৰমণ যিহেতু চাৰিদিনীয়া আছিল সেই

গতিকে মইয়ো কেইখনমান সত্ৰ দৰ্শন কৰিবলৈ বুলি ওলালো। ৩ চেপ্তেম্বৰ তাৰিখে আমি প্ৰথমে কমলাবাৰী সত্ৰলৈ গ'লো। কমলাবাৰী সত্ৰখন খুবেই সুন্দৰ, সত্ৰখনত প্ৰৱেশ কৰিয়ে তাৰ দেৱালবোৰত বিষ্ণু, ব্ৰহ্মা, শিৱ আদি দেৱতাৰ ছবি অংকিত হৈ থকা দেখা পালো। কমলাবাৰী সত্ৰখন নাও শিল্পৰ পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু বুলিও জানিব পাৰিলো। তাৰ পাছতেই আমি গড়মূৰ সত্ৰ দৰ্শন কৰিবলৈ গ'লো। গড়মূৰ সত্ৰখনত প্ৰৱেশ কৰিয়েই চাৰিওফালে এক সুন্দৰ আৰু শান্তিময় পৰিবেশ দেখিবলৈ পায় বৰ ভাল লাগিল, গড়মূৰ সত্ৰত শষৎ ঋতুৰ শেষৰ ভাগত ৰাস উৎসৱ পালন কৰা হয় আৰু এই ৰাস উৎসৱত পুৰুষ-মহিলা উভয়ে অংশগ্ৰহণ কৰিব পাৰে। এই সত্ৰত সংৰক্ষিত অৱস্থাত থকা বৰতোপো আমি দেখিবলৈ পালো।

পাছৰ দিনা অৰ্থাৎ ৪ চেপ্তেম্বৰ তাৰিখে মই, মা আৰু দেউতা আউনীআটী সত্ৰলৈ গৈছিলো, এই সত্ৰখনৰ পৰিৱেশো বৰ সুন্দৰ, ইয়াত পুৰণি শিল্প, পাত্ৰ, অলঙ্কাৰ, হস্তশিল্প আদি সংৰক্ষণ কৰি ৰখা হৈছে। দেউতাই কোৱা মতে আউনীআটী সত্ৰ হেনো পালনাম আৰু অপ্সৰা নৃত্যৰ প্ৰাণকেন্দ্ৰ, সেই কথাও মই মাজুলী ভ্ৰমণৰ সময়তে গম পালো। ইয়াৰ পৰা আমি বনমালীদেৱে প্ৰতিষ্ঠা কৰা দক্ষিণপাট সত্ৰৰ দিশে ৰাওনা হৈছিলো, এই সত্ৰৰ চাৰিওফালে না না ধৰণৰ ফুলেৰে পৰিপূৰ্ণ ফুলনি দেখিবলৈ পায় খুবেই ভাল লাগিল। সত্ৰখনৰ দেৱালসমূহত বিভিন্ন ধৰণৰ জীৱ-জন্তুৰ ছবি অংকিত হৈ থকাও দেখা পালো। তাৰোপৰি দক্ষিণপাট সত্ৰত ছাত্ৰ-ছাত্ৰীসকলক বৰগীত, মাটি আখৰা, সূত্ৰধাৰ, ওজাপালি, সত্ৰীয় নৃত্য আদি সমূহৰ প্ৰশিক্ষণ দিয়া হয় বুলিও জানিব পাৰিলো। সেইদিনা সময় অধিক হৈ যোৱাৰ বাবে আন সত্ৰসমূহলৈ যাবলৈ নহ'ল সেইবাবে পুনৰ পিছদিনা দেউতাই আমাক বেঙেনাআটী সত্ৰ আৰু চামগুৰি সত্ৰ দেখুৱাবলৈ বুলি লৈ গ'ল। বেঙেনাআটী সত্ৰত আমি আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ সোণৰ ৰাজকীয় বস্ত্ৰ, সোণৰ ছাতি আদি সংৰক্ষিত বস্তুসমূহ চাবলৈ পালো। তাৰ পাছতেই আমি চামগুৰি সত্ৰ দৰ্শনৰ বাবে গ'লো। চামগুৰি সত্ৰত শ্ৰীমন্ত শংকৰদেৱে সৃষ্টি কৰা বৰগীতৰ বাবে প্ৰখ্যাত ইয়াৰ উপৰিও কৃষ্ণ নৃত্য আৰু দশাৱতাৰ নৃত্যৰ বাবেও বিখ্যাত বুলি জানিব পাৰিলো। এনেদৰে সত্ৰ সমূহৰ দৰ্শন কৰি থাকোতে মাজুলী ভ্ৰমণৰ শেষৰটো দিন কেতিয়া আহিল গমকে নাপালো। যিহেতু আমাৰ এই ভ্ৰমণ কেৱল চাৰিদিনীয়াহে আছিল সেইবাবে অন্তিম দিনা অৰ্থাৎ ৫ চেপ্তেম্বৰ তাৰিখে আমি মাজুলীৰ বিখ্যাত 'মুখা শিল্প' চাবলৈ বুলি গ'লো। লগতে মাজুলীত বহুতো চাংঘৰো দেখিবলৈ পালো। মাজুলীত আমি তাত পোৱা স্থানীয় মহৰ গাখীৰ দৈ আদিৰে জলপানৰো সোৱাদ লৈছিলো। আমাৰ এই ভ্ৰমণ কাৰ্য বৰ বিশেষ দীঘলীয়া নাছিল যদিও আমি মাজুলী আৰু তাত থকা সত্ৰসমূহৰ বিষয়ে বহুতো নজনা কথা জানিবলৈ আৰু শিকিবলৈ পাৰিলো। সত্ৰসমূহৰ সত্ৰাধিকাৰ সকলে আৰু তাত থকা ভকতসকলে আমি জানিব বিচৰা সকলোবোৰ কথা সুন্দৰভাবে বুজায় দিলে। সকলোবোৰ চাই শেষ কৰিব নোৱাৰিলো যদিও মাজুলীৰ ভালেমান কেইখন সত্ৰ আমি দৰ্শন কৰিব পাৰিলো। যিমান কেইখন চাব পাৰিলো সেই অভিজ্ঞতাৰে ক'বলৈ গ'লে নদীদ্বীপ মাজুলী সঁচাই অতুলনীয় সেউজ-সৌন্দৰ্যৰ সম্ভাৰেৰে ভৰপূৰ। ⌘



# মোৰ প্ৰথম ভ্ৰমণ

**০ আকাশী গগৈ,**
ছাত্ৰী

পৃথিবীৰ বৃহত্তম নদীদ্বীপ, সত্ৰীয়া সংস্কৃতিৰ বৰঘৰ তথা প্ৰাণকেন্দ্ৰস্বৰূপ অসম গৌৰৱ মাজুলী দেশী-বিদেশী পৰ্যটকৰ আকষৰ্ণৰ কেন্দ্ৰবিন্দু। মহাবাহু ব্ৰহ্মপুত্ৰৰ আশীষ স্বৰূপ সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নানা জাতি-জনজাতিৰ মিলনতীৰ্থ একালৰ ৰত্নপুৰ বৰ্তমানৰ মাজুলী।

বিশ্বৰ বৃহৎতম নদীদ্বীপ হোৱাৰ বাবে মাজুলী ঐতিহাসিক সম্পদেৰে পৰিপুষ্ট, স্বকীয় কৌশলেৰে উৎপাদিত দ্ৰব্যৰ পৰ্যাপ্ত প্ৰাপ্তি স্থান, বিচিত্ৰ সাংস্কৃতিক ঐতিহ্যৰে ভৰপূৰ লগতে জৈৱ বৈচিত্ৰ্যৰে স্বাচ্ছন্দ্য আন এখন ঠাই ভাৰতবৰ্ষতে বিৰল। গতিকে এনেহেন ঠাইলৈ যাবলৈ পোৱাটো সৌভাগ্যৰ কথা বুলিব পাৰি।

২০১৮ চনৰ কাতি মাহৰ ২৪ তাৰিখে মোৰো মাজুলী যোৱাৰ সৌভাগ্য হ'ল। আৰম্ভ হ'ল মোৰ মাজুলী যাত্ৰা। সৰু দাদাৰ সৈতে কৰা যাত্ৰাটো পুৱা ৬.০০ বজাতেই হৈছিল। প্ৰথমেই আমি ফুলনী চাৰি আলীলৈকে যাম। য'ত মোৰ ডাঙৰ দাদাৰ অস্থায়ী ঘৰ। মানে চাকৰীসূত্ৰে মোৰ বৌ আৰু ডাঙৰদাদা 'ফুলনী'ত থাকে।

বাছেৰেই আৰম্ভ হ'ল আমাৰ যাত্ৰা। ভাগৰে আমনিয়ে ২.০০ মান বজাত আমি পালোঁগৈ

নিমাতি ঘাট। ফেৰী লাগিয়ে আছিল গতিকে পলম নকৰি আমি ফেৰীত উঠিলো (টিকট কাটিলো)। প্ৰথমবাৰ ফেৰীত উঠিছোঁ। গতিকে মনত যিমান আনন্দ লাগিছে সমানে ভয়ো লাগিছে। মনৰ মাজত ভগৱানৰ নাম জপ কৰিছোঁ... কৃষ্ণ, কৃষ্ণ, কৃষ্ণ...। লাহে লাহে ভয় কমিল। উপভোগ কৰি গৈ আছো ফেৰী যাত্ৰা। ফেৰীৰ ভিতৰৰ পৰা বাহিৰৰ দৃশ্য বৰ এটা ভালকৈ দেখি নাপাই যদিও মই মানুহৰ আঁৰে আঁৰে চাবলৈ যত্ন কৰিছো, দেখিছোঁ পানী কেৱল চাৰিওদিশে পানী।

এঘণ্টামান ফেৰী যাত্ৰাৰ পাছত আমাক ফেৰীয়ে অফলামুখৰ ঘাটত নমাই দিলে। তাতে ডাঙৰ দাদা ৰৈ আছিল আমাক নিবলৈ। দাদাৰ গাড়ীত উঠি গাঁৱৰ মাজে মাজে আগবাঢ়িলো মাজুলীৰ মনোৰম সৌন্দৰ্য্য উপভোগ কৰি কৰি ফুলনিলৈ। এইবাৰ আমি পালোগৈ দাদাৰ ভাড়াঘৰ, বৌয়ে ভাত ৰান্ধি থৈছিল ভাগৰে হেঁচা মৰা দেহাটোক অলপ জিৰণী দি হাত-মুখ ধুই ভাত খাই শুই পৰিলোঁ।

পাছদিনা খুব সোনকালেই সাৰ পালো। গা-পা ধুই ৭.০০ মান বজাত আমি যাত্ৰা কৰিলোঁ ঐতিহ্য মণ্ডিত, সংস্কৃতিৱন্ত, মহিমামণ্ডিত আউনীআটী সত্ৰলৈ। ধৰ্মবিশ্বাস অনুসৰি কাতি মাহ অতি পৱিত্ৰ মাহ আৰু এই পৱিত্ৰ কাতি মাহতে মাজুলীত আৰম্ভ হয় পালনাম। অসমীয়া তথা অসমৰ ধৰ্মীয় পৰম্পৰাত পালনামৰ সংযোজন ঘটাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। পালনাম হৈছে প্ৰণালীবদ্ধ ৰীতিৰে পালে পালে ক্ৰম ৰক্ষা কৰি গোৱা অবিৰত নাম-কীৰ্তন। এই সুন্দৰ নাম উপভোগৰ উদ্দেশ্যেই মোৰ যাত্ৰা আউনীআটী সত্ৰলৈ বুলি। কিয়নো, মাজুলীৰ পাল নামৰ গুৰি ব'ঠা ধৰোতাই হৈছে আউনীআটী সত্ৰ।

প্ৰথমেই সত্ৰৰ সন্মুখ পায়েই মোৰ মুখত ভগৱন্তৰ নাম উচ্চাৰিত হ'ল - কৃষ্ণ। লাহে লাহে ভিতৰত সোমাই গ'লো। বন্তি-শৰাইৰে কৰি নিমখ আকনমান দান কৰিলো। বিশ্বাসমতে, লোণ দান বোলে মহান দান। পালনামত লোণ দান কৰাতো এক পৰম্পৰা। ইয়াৰ পাছতেই সত্ৰাধিকাৰ মহাপ্ৰভু পীতাম্বৰদেৱ গোস্বামী আৰু দেৱানন্দ গোস্বামীদেৱৰ আশীষ লৈ নিৰ্মালী গ্ৰহণ কৰিলো। ইয়াৰ পাছত সত্ৰৰ ইফালে-সিফালে কিছুসময় ফুৰিলো। ভক্তৰ সমাগম অগণন। নামেৰে মুখৰিত চৌপাশ। সত্ৰখনিৰ ভকতসবৰ চাৰিহাটী; সংস্কৃত টোল, পুঁথিভৰাল, মণিকাঞ্চন ৰঙ্গমঞ্চ য'ত "সদৌ অসম ভাওনা সমাৰোহ" আয়োজন কৰা হয়। এই সকলো চাই দাদাৰ ভাড়াঘৰলৈ বুলি উভতি গ'লো।

পাছদিনা দাদাৰ স্কুল আছিল গতিকে আগবেলাটো ৰুমতেই কটালো। দাদা স্কুলৰপৰা অহাৰ পাছত প্ৰায় ১.৩০ মান বজাত আমি ওলালো মুখাশিল্পৰ বাবে বিখ্যাত চামগুৰি সত্ৰলৈ বুলি। প্ৰায় ৩.০০ মান বজাত আমি উপস্থিত হ'লো চামগুৰি সত্ৰত।

কোৱা হয় যে - ১৬৬৩ খ্ৰীঃ মাজুলীত প্ৰতিষ্ঠা লাভ কৰা চামগুৰি সত্ৰৰ মুখাশিল্প সাধনাৰ পৰম্পৰা তিনিশ বছৰৰো অধিক পুৰণি। মাজুলীত এই শিল্পৰ চৰ্চাৰ বাবে চামগুৰি সত্ৰক অপ্ৰতিদ্বন্দ্বী অংশীদাৰ বুলি কোৱা হয়। সত্ৰখন ঘূৰি-পকি চাই বুজিব পাৰি যে - এই সত্ৰৰ শিল্পীসকল পৰম্পৰাগত মুখা শিল্পত ইমানেই শুনিপুণ যে তেঁওলোকে নিৰ্মাণ কৰা নৃসিংহ, ৰাৱণ, বাণৰজা, পুতনা আদিৰ মুখাবোৰত কেৱল প্ৰাণ দিবলৈ বাকী থাকিল। এই সকলোবোৰ দেখি সঁচাই অভিভূত হ'লো। চামগুৰি সত্ৰৰ পৰা উভতোতে সন্ধিয়া প্ৰায় ৫.০০ মানে বাজিল।

দিনটোৰ বুটলি অহা স্মৃতিৰ কাহিনী লিখি ৰাখিলো মোৰ ডায়েৰীৰ পাতত।

পাছদিনা আকৌ ৰাতিপুৱাই ওলালো মাজুলীৰ এডোখৰ মনোৰম ঠাইলৈ বুলি - যাক কোৱা হয় 'ডেকাচাং'। ডেকাচাং মিচিংসকলৰ এক আটক ধুনীয়া এটা চাংঘৰ। ডেকাচাঙৰ মনোৰম সৌন্দৰ্য্য মোক আৰ্কষিত কৰি তুলিলে। এডোখৰ নিৰিবিলি সেউজীয়া পৰিৱেশ। সমুখেৰে বৈ গৈছে টুনী নৈখন। কি যে এক মনোমোহা দৃশ্য। ডেকাচাং চাই ফটো তুলি আমি আহিলো এইবাৰ মোৰ দাদাই চাকৰি কৰা বিদ্যালয়খন চাবলৈ। তাতেই মোক দাদাই চিনাকী কৰাই দিলে দাদাৰ স্কুলৰ হেডছাৰৰ ছোৱালী আশাজ্যোতিৰ লগত। ছোৱালীজনী চিনাকী হৈয়ে মোৰ আপোন হৈ পৰিল। পাছদিনাই মোক দাদাৰ ৰুমৰপৰা তাইৰ ঘৰলৈ লৈ গ'লহি। তাইৰ সৈতে বহুসময় পাৰ কৰিলো। বহুত ঠাইত তাই মোক ফুৰালে।

আশাজ্যেতিৰ লগত পাছদিনা মলঙ নামৰ ঠাইখনলৈ গ'লো। মাজুলী যেনেকৈ ধুনীয়া তাৰ প্ৰতিটো বস্তুৱেই সঁচাই ধুনীয়া। তাৰ ঠাইবোৰ গাঁওবোৰৰ নামবোৰো বৰ ধুনীয়া। যেনে - মলঙ, ছমহীয়াআটী, পানী খাটি, ৰঙাচাহী, নিকিনামাটি, জেংৰাইমুখ, ফুলনী, কমলাবাৰী, গড়মুৰ বাহঃ আৰু যে কত কি।

আশাজ্যোতিৰ ঘৰত পাৰ কৰা সময়খিনি বিশেষ

আছিল। তেঁওলোকৰ অতিথি পৰায়ণতাই মুগ্ধ কৰিছিল মোক। কেৱল তেওঁলোকৰ ঘৰখন বুলিয়ে নহয়, মাজুলীৰ মানুহ সকলোৱে অতিথিপৰায়ণ, তেনেই সহজ-সৰল চহালোক।

এনেকৈয়ে ফুৰি-চাকি সময় হ'ল ঘৰলৈ ওভতাৰ। কিন্তু মনত এটা আশা আছিল - মিচিং চাংঘৰৰ জুশালত বহি জলপাণৰ জুতি লোৱাৰ। কিন্তু মোৰ কোনো চিনাকী নাছিল। গতিকে সেই আশা বুকুতে বান্ধি ঘৰলৈ উভতিবলৈ সাজু হ'লো।

আধৰুৱা হৈ ৰোৱা আশাতো পূৰ কৰিলে দাদাই মই নজনাকৈয়ে। ঘৰলৈ বুলি উভতনি পথত অফলাঘাটৰ তেনেই কাষতে দেখিলো শাৰী শাৰীকে থিয় হৈ আছে কিছুমান চাংঘৰ। চাংঘৰ বোৰে মোক বাৰুকৈয়ে আৰ্কষিত কৰে। মই নভবাকৈয়ে এটা চাংঘৰৰ সম্মুখত দাদাই গাড়ীখন ৰখাই দিলে আৰু আমাক নমস্কাৰ জনাই এজন মিচিং ডেকাল'ৰা ঘৰটোৰ পৰা ওলাই আছে। আমাক তেঁওলোকে মই ভবাৰ দৰেই জুশালৰ কাষতে বহিবলৈ দি জলপানৰ বাটি এটা মোৰ সন্মুখলৈ আগবঢ়াই দিলে। পৰম তৃপ্তিৰে জলপান খাই আমি তেওঁলোকৰ লগত কথাবাৰ্তা আৰম্ভ কৰিলোঁ।

কথাৰ প্ৰসংগত মই ক'লো- মাজুলীখন সঁচাই ধুনীয়া। প্ৰকৃতিৰ ৰম্যভূমি মাজুলী। তেতিয়া এজন মিচিং বৃদ্ধলোকে ক'লে যে - তোমালোকে বাহিৰৰপৰা মাজুলীখন যিমান সুন্দৰ বুলি ভাবিছা, তাতকৈ বহুত বেছি কষ্টকৰ মাজুলীত বাস কৰাটো। তথাপি মাজুলী আমি ভালপাওঁ। এয়া যে আমাৰ জন্মভূমি। মিচিং বৃদ্ধজনে কোৱা ভগা-ভগা অসমীয়া কথা কেইষাৰে কিন্তু আমোদ দিলে মোক।

ফেৰীৰ সময় হোৱাত আমি তেঁওলোকক এৰি ঘাটলৈ বুলি যাত্ৰা কৰিলো। বিদায় মাগিলো মনোৰম মাজুলীৰ সৌন্দৰ্য্যক আৰু সংস্কৃতিৰ ৰহঘৰা মাজুলীৰ পৰা। বুকুত কঢ়িয়াই আনিলো মাজুলীৰ সৌন্দয্য-সুষমা। ⌘




# এখন উন্নতমানৰ চলচিত্ৰ- ‘কলা’ (Qala) ঃ এটি বিশ্লেষণ

○ দুলেশ্বৰ শইকীয়া
ছাত্ৰ

পৰিচালনা ঃ অনবিতা দত্ত
ভাষা ঃ হিন্দী
IMDB ঃ ৭.২ / ১০
মুক্তিলাভ ঃ ২০২২ চনৰ ১ ডিচেম্বৰ
সময় ঃ ১১৯ মিনিট (এক ঘণ্টা ৫৯ মিনিট)
অভিনয়ত ঃ তৃপ্তি ডিমৰী, বাবিল খান, স্বস্তিকা মূখাৰ্জী

**‘Qala’**

কলাৰ সংজ্ঞা দিবলৈ গৈ প্ৰখ্যাত শিল্পী লিঅ’নাৰ্ডো দি ভিঞ্চিয়ে কৈছিল, “Art is the queen of all science communicating knowledge to all the generations of the world.” সঁচাকৈয়ে কলা হৈছে বিশ্বৰ সকলো প্ৰজন্মলৈ জ্ঞান প্ৰেৰণ কৰা এক আহিলাস্বৰূপ। সমালোচনা কৰিবলৈ লোৱা মনস্তত্ব সম্পৰ্কীয় কলাসন্মত বোলছবিখন হ’ল ‘কলা’ (Qala) নায়ক-নায়িকাৰ মানসিক অৱস্থাৰ পৰিৱৰ্তন,

জটিল প্লট, অগতানুগতিক মূল অংশৰ উপঅংশ সমৃদ্ধ এখন মনোসমীক্ষাত্মক চলচ্চিত্ৰ যিয়ে আমাৰ মনক উৰুৱাই লৈ যায় বিগত চল্লিছ দশকৰ প্ৰচলিত ভাৰতীয় সমাজখনলৈ।

'Qala' চলচ্চিত্ৰখনৰ মূখ্য নায়িকাগৰাকী হ'ল কলা। 'কলা' এগৰাকী চলচ্চিত্ৰ জগতৰ বিখ্যাত গায়িকা। চিনেমাখনৰ মাজতে কলাৰ প্ৰশংসা কৰি মাকক কোৱা হৈছে ঃ "আপকী বেটী কোয়ল হ্যে, কোয়লা" অৰ্থাৎ কলাৰ মাত কুলিৰ দৰে মিঠা। কুলিৰ মাত আপুনি, মই বহুতে শুনিছোঁ। সৰুতে পঢ়িবলৈ পাইছিলোঁ,

"ৰৈ যা কুলি। মোৰে শপত আৰু দুমাহমান
নৈয়ে নৈয়ে উঠক নাচি দোকোল - টকা বান।"
('কুলি', মিত্ৰদেৱ মহন্ত)

কিন্তু এই 'কুলি' যদি মানুহ হ'লহেঁতেন (ব্যংগভাৱে)—বৰ্তমান আদালতত ডেৰশ-দুশমান গোচৰ থাকিলহেঁতেন। কিয়নো কুলিয়ে কেতিয়াও বাহ নাসাজে। ইয়াৰ বিপৰীতে বেলেগ চৰাইৰ বাহৰ কণী পেলাই নিজে কণী পাৰেগৈ। হয়তো আচৰিত হৈছে, ইয়াত এই কাহিনীটো কিয় সন্নিৱিষ্ট কৰা হৈছে? কাৰণ সমালোচিত কৰিবলৈ লোৱা 'Qala' চলচ্চিত্ৰখনৰ নাম যিমান মধুৰ, সাধাৰণ; তেনেদৰেই ভয়ানক, কিন্তু বিশেষ বিশেষত্বৰে উপচি থকা। নায়িকা 'Qala' অতি বিখ্যাত গায়িকা যিগৰাকীয়ে 'Golden Vinye' বঁটা লাভ কৰিছে আৰু প্ৰধানমন্ত্ৰীৰ লগত উঠা ফটো বাতৰি কাকতত প্ৰকাশ পাইছে। কিন্তু কলাৰ মাকে কলাৰ গানবোৰ শুনি ভাল নাপায়, "হেল্ল" বুলিও ফোনযোগে শুনিবলৈ নোখোজে। এনেদৰেই কাহিনীটো মিঠা-টেঙা কথাৰে চলি থাকিলেহেঁতেন যদি এটা অশৰীৰিয়ে কাহিনীটোত প্ৰৱেশ নকৰিলেহেঁতেন। এই অশৰীৰি আৰু কোনো নহয়, সেই ভাওি যোৱা 'চৰাইৰ কণী' যাক কুলি চাহেবাই তললৈ পেলাই দিছিল। কিন্তু আত্মাটোৱে প্ৰতিশোধ ল'বলৈ খোজে। প্ৰতিশোধস্বৰূপে 'কুলি'ক হত্যা কৰাব খোজে নিজ হাতেৰেই প্ৰাণ ল'বলৈ বাধ্য কৰোৱায়।

Horror, Thriller Mystrey, Suspense যি সোৱাদ ল'বলৈ মন যায়, সেয়াই আপুনি লাভ কৰিব এই চলচ্চিত্ৰখনিত। কেতিয়াবা ভাবি চোৱা হয়, কিছুমান গানে ভূত-প্ৰেততকৈও অধিক ভয়াবহভাৱে শিহৰিত কৰিব পাৰেনে? যদি ইয়াৰ উত্তৰ 'নোৱাৰে' হয়, 'কলা' চালেই হ'ল। 'Musical Horror'ৰ মাধ্যমেৰে চলোৱা প্ৰচেষ্টা সেয়েহে নিশ্চিতভাৱেই সফল হৈছে বুলি ক'ব পাৰি।

'অমিত ত্ৰিবোদী'ক প্ৰশংসাৰে ওপচাই পেলাব পাৰি। গানৰ মাধ্যমেৰে হঁহোৱা, কন্দোৱা, আৱেগিক কৰাৰ প্ৰায় সকলোৱেই পাৰে। কিন্তু ত্ৰিবেদীয়ে গানৰ মাধ্যমেৰে দৰ্শকক ভয় খুৱাইছে, ধমকি দিছে। এই ক্ষেত্ৰত মোৰ বোধেৰে চলচ্চিত্ৰখন সফল হৈছে। ইয়াৰ লগতে স্বৰ্গ সদৃশ, স্বৰ্গৰ নন্দনকানন সদৃশ কাশ্মীৰ অঞ্চলৰ বৰফসনা দৃশ্যৰ লগতে চকুক মোহাচ্ছন্ন কৰি ৰাখিব পৰা দৃশ্যই দৰ্শকক নিশ্চয়কৈ আমোদ দিব পৰা ধৰণৰ।

**'Qala' চলচ্চিত্ৰখনৰ চমু কাহিনী ঃ**

অনবিতা দত্তৰ পৰিচালনাৰে ১৯৪০ চন মানৰ পটভূমিত নিৰ্মিত চলচ্চিত্ৰখনৰ মূল চৰিত্ৰকেইটা হ'ল - কলা, জগন, কলাৰ মাক উৰ্মিলা, সুধা, সুমন্ত কুমাৰ আৰু চন্দন লাল। চলচ্চিত্ৰখনৰ আৰম্ভণিতে 'Golden Vinye' বঁটা লাভ কৰা 'কলা'ক দেখুওৱা হৈছে। দেশৰ সকলো লোক কলাৰ গানৰ মোহাচ্ছন্নতাৰে মুগ্ধ। কিন্তু তেওঁৰ মাকৰ লগত উত্তাল সম্পৰ্ক। সাংবাদিক কেইজনে কলাক ভাতৃ সম্বন্ধে প্ৰশ্ন কৰাত তাই ব্যক্ত কৰিছে যে তাইৰ কোনো ভাই নাই। আচলতে কলাৰ মাক উৰ্মিলাই যমজ সন্তানৰ জন্ম দিছিল যদিও কলাৰ বাবেই ল'ৰা সন্তানটোৰ মৃত্যু হোৱা বুলি জানি কলাক মাকে শত্ৰুৰূপে গণ্য কৰে। পাছলৈ মাকে কলাক সংগীতৰ প্ৰশিক্ষণ দিয়ে যদিও মাকৰ দৃষ্টিত কলা অসফল হয়। তাইক শাস্তি দিবলৈ ৰাতি 'হিমাচল'ৰ দৰে শীতাৰ্ত ঠাইত বাহিৰত কটাবলৈ দিয়ে।

তেনেতে এদিন এটা সংগীতানুষ্ঠানত কলাৰ মাক উৰ্মিলাই 'জগন' নামৰ এজন অনাথৰ গীতত মন্ত্ৰমুগ্ধ হৈ ঘৰলৈ লৈ আনে। জগনৰ প্ৰতি অধিক গুৰুত্ব দিয়াৰ বাবে কলা হতাশ হয় আৰু মনতে প্ৰতিশোধ লোৱাৰ কথা ভাবিবলৈ ধৰে। উৰ্মিলাই কলাক বিয়া দিবলৈ বিচৰাত কলাই তৎক্ষণাত নাকচ কৰিছে। এবাৰ জগনৰ সংগীতানুষ্ঠানত জগনে খাবলৈ লোৱা গাখীৰ গিলাছত পাৰা মিহলি কৰাৰ ফলত জগনৰ গান গাব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়। কলাই সুমন্ত কুমাৰক প্ৰলোভিত কৰি জগনৰ ঠাইলৈ গীত ৰেকডিং কৰাৰ বাবে সুযোগ লাভ কৰে। সেইদিনা জগনে কলাৰ লগত অন্তিমবাৰৰ বাবে কথা পাতে আৰু পাছদিনা কলাই জগনে আত্মহনন কৰি গছত ওলমি থকা দেখিবলৈ পায়। জগনে আত্মহত্যা কৰিলে কাৰণ সংগীত আছিল তাৰবাবে উশাহ

লোৱাৰ দৰে।

কলাই গীত ৰেকৰ্ডিং কৰিবৰ বাবে কলিকতালৈ যায়। প্ৰথমতে কিছু সংঘৰ্ষ হোৱাৰ পাছত কলাৰ গান জনসমাজত জনপ্ৰিয় হৈ পৰে। এদিন গীত ৰেকৰ্ডিংৰ সময়ত তাই চাৰিওফালে বৰফ পৰি থকা দেখিবলৈ পায় আৰু তাই অসুস্থ হৈ পৰে। তাইৰ মানসিক স্বাস্থ্য ভাগি পৰে আৰু জগনক দেখা পায়। টোপনিৰ টেবলেট খাই তাই আত্মহত্যাৰ চেষ্টা চলায়। মাকক ফোন কৰাৰ পাছত অনুশোচনাত দগ্ধ মাকে নিজৰ ভুল বুজিব পাৰি কলাক নিজৰ ঘৰলৈ নিবলৈ আহে। উৰ্মিলাই কলাক লগ কৰিবলৈ আহিল যদিও আত্মহননৰ খবৰ পায়। অন্তিমটো দৃশ্যত কলাই নিজৰ সফলতা সম্বন্ধে লিখা চিঠিবোৰ উৰ্মিলাই পঢ়ি থকা দেখুওৱা হৈছে যিবোৰ কেতিয়াও উৰ্মিলাই পঢ়া নাছিল। এনে এটা কৰুণ দৃশ্যৰে চলচ্চিত্ৰখনৰ পৰিসমাপ্তি ঘটিছে।

'Qala' চলচ্চিত্ৰখনিৰ জৰিয়তে মনৰ পৰিধি চুই মনোসমীক্ষাত্মকভাৱে গতানুগতিক স্বাদৰ পৰা ফালৰি কাটি মনস্তত্ব সম্পৰ্কীয় দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

**'কলা' চলচ্চিত্ৰখনিৰ শক্তিশালী কেন্দ্ৰ / দিশসমূহ ঃ**

১) বহুস্তৰীয় কাহিনী ঃ 'Qala' চলচ্চিত্ৰ খনিৰ আৰম্ভণি কলা নামৰ এগৰাকী ছোৱালীৰ সংগীত জীৱন সম্বন্ধে দেখুওৱা হৈছে কিন্তু পৰৱৰ্তী পৰ্যায়ত কলাৰ চৰম সাৰ্থকতাৰ মূল সত্যক অৱতাৰণা কৰা হৈছে। আবেগ (Emotions), ভয়ানক উপাদান (Horror Elements) আদিৰ লগতে কলাৰ শৈশৱো দেখুওৱা হৈছে চলচ্চিত্ৰখনিত মানসিক স্বাস্থ্য সম্বন্ধে 'Qala' চলচ্চিত্ৰ এখনিত এটা শক্তিশালী বাৰ্তা জনসাধাৰণলৈ প্ৰেৰণ কৰিছে। মানসিক স্বাস্থ্যৰ বাবে ব্যক্তিগত সম্বন্ধ যে অতি জৰুৰী সেয়া উপস্থাপন কৰা হৈছে। এনেদৰে এখন চিনেমাৰ জৰিয়তে বহুস্তৰীয় কাহিনী প্ৰদৰ্শন কৰি পৰিচালক সফল হৈছে আৰু চলচ্চিত্ৰখনিক শক্তিশালী কৰি তুলিছে।

২) গীতসমূহ ঃ 'Qala' বোলছবিখনৰ জৰিয়তে ১৯৩০-৪০ ৰ সময়ৰ পটভূমিত গীতবোৰ ৰচনা কৰি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। চলচ্চিত্ৰখনিত মুঠ ৬ টা গীত আছে। গীতসমূহ হৈছে - "Ghodey pe Sawaar.", "Shaug", "Rubaaiyaan", "Phero Na Najariya", "Nirbhu Nirvain" আৰু "Udh Jaayega"।

চিনেমাখনৰ প্ৰতিটো গীতেই অতি মধুৰ, দৰ্শক আৰু শ্ৰৱকক আকৰ্ষণ কৰিব পৰা বিধৰ। মুখ্য অভিনেত্ৰী তৃপ্তি ডিমৰীৰ আকৰ্ষণীয় অভিনয়ৰ সহযোগত প্ৰতিটো গীতেই প্ৰাণৱন্ত হৈ উঠিছে। ধ্ৰুপদী সুৰীয় গীতসমূহৰ মাজেদি প্ৰচলিত সময়ছোৱাক আকৰ্ষণীয়কৈ তুলি ধৰা হৈছে।

৩) অলংকাৰস্বৰূপ উপমা আৰু গভীৰ অৰ্থবাহক সংলাপ ঃ সাহিত্যত উপমাই সৌন্দৰ্য্যময়তাৰ সৃষ্টি কৰে। তেনেদৰে কলাত ব্যৱহৃত উপমাসমূহে বিৰাট আকৰ্ষণীয়তাৰ সৃষ্টি কৰিছে। যেতিয়াই কলাই মাকৰ ফালে চাইছিল সেই ভয়াৰ্ত ৰহস্য সমৃদ্ধ চাৱনিত পোহৰ-ছাঁৰ উপযুক্ত ব্যৱহাৰ কৰা হৈছে যি চিনেমাখনৰ সকলো দৃশ্যতে বিৰাজমান হৈ আছে। প্ৰতিটো গীতৰ মাধ্যমেৰে একোটা কাহিনী ক'বলৈ বিচৰা হৈছে।

গানবোৰৰ জৰিয়তে কাহিনী গতিশীল হৈছে। কথাষাৰ সহজ কৰিবলৈ এটা উদাহৰণ লোৱা যাওঁক

"तारों को मोरी ना छेड़ुंगी अब से
तारों को तोरी ना छेड़ुंगी अब से
बादलुना तोरे उधेड़ुंगो अब से
खोलूँगी ना तोरे किवड़िया।"

(Qala, কৌচাৰ মুনিৰ)

- গভীৰ অৰ্থবাহক বাক্যৰে গীতটি প্ৰাণ পাই উঠিছে য'ত গান গাই মাকক সন্তুষ্ট কৰিব খোজা কলাৰ অবুজ বেদনা কৰুণতাৰে প্ৰকাশিত হৈছে।

৪) চিনেমাট'গ্ৰাফী ঃ 'চিনেমাট'গ্ৰাফী' হৈছে কেমেৰাৰ পৰা আৰম্ভ কৰি পৰিৱেশলৈকে ছবি বা ভিডিঅ' তোলা পদ্ধতি। নয়নাভিৰাম চিনেমাট'গ্ৰাফীৰে 'Qala' হৈ পৰিছে নান্দনিক। হিমালয় অঞ্চলৰ শীতাৰ্ত হিমসনা দৃশ্য, পোহৰৰ সঠিক ব্যৱহাৰ আদিয়ে চলচ্চিত্ৰখনিক প্ৰাণৱন্ত কৰি তুলিছে। 'Shauq' গানটোৰ দৃশ্যস্বৰূপে অসীমজলত জোনাকী কুঁৱলীসনা নৌকাযাত্ৰাৰে সুৱদী সুৰেৰে হৃদয় গহ্বৰত প্ৰৱেশ কৰিব খোজা গীতক মোহচ্ছন্ন কৰি ৰাখিছে চিনেমাট'গ্ৰাফীয়ে।

৫) সাজ-সজ্জা ঃ কলাৰ পোছাকজোৰে ১৯৩০-৪০ ৰ সময়ছোৱাৰ ফেশ্বনক সুন্দৰকৈ প্ৰকাশ কৰিছে। 'Ghodeyie Sawaar' গীতটিত অভিনয় কৰা বলিউডৰ মোহময়ী অভিনেত্ৰী অনুস্কা শৰ্মাই সুন্দৰ ভাৰতীয় মিক্স 'Flapper Giri'ৰ ৰূপ লৈ শুকুলা শাৰীৰ লগতে হাতৰ আঙুলিৰ পৰা তৰঙ্গ সদৃশ অলংকাৰ পৰিধান কৰিছে। কলাৰ মাক উৰ্মিলাই

ডাঠ ৰঙা লিপষ্টিক আৰু 'ব্ৰচ' নামৰ এবিধ শাৰীৰ পিন ব্যৱহাৰ কৰিছে। কলাই মুকুতাৰ জুৱেলাৰীৰ লগতে ইউৰোপীয় ছাঁ পৰা বস্ত্ৰ পিন্ধিছে। হিমাচল প্ৰদেশ আৰু পশ্চিমবঙ্গত প্ৰচলিত থলুৱা আ-অলংকাৰ যেনেঃ 'লাউং', 'ব্ৰচ', 'চন্দনহাৰ' আদিৰ ব্যৱহাৰে থলুৱা সংস্কৃতি প্ৰদৰ্শন কৰা হৈছে।

ইয়াৰ লগতে সাংগীতিক চলচ্চিত্ৰ হিচাপে পৰিৱেশ সজ্জাৰ বাবে অতি সাৱধানেৰে প্ৰতিটো দিশৰ পৰা দৃষ্টি ৰখা হৈছে। চেতাৰ, তানপুৰা, তাবলা, ঢোলক, ৰেবাব আদি বাদ্যযন্ত্ৰই নান্দনিক দৃশ্যস্বৰূপে স্থান পাইছে 'Qala' চলচ্চিত্ৰখনিত ।

### 'Qala' ৰ জৰিয়তে সমাজলৈ বাৰ্তা ঃ

যিকোনো এখন ভাল চলচ্চিত্ৰৰ বৈশিষ্ট্য হ'ল সমাজলৈ প্ৰেৰণ কৰা আদৰ্শমূলক বাৰ্তা। দৃশ্য-শ্ৰব্য কলা হিচাপে চলচ্চিত্ৰই দৰ্শকক আমোদ দিয়াৰ লগতে প্ৰচুৰ বাৰ্তাবাহক হ'ব লাগে। সেই অৰ্থত চলচ্চিত্ৰসমূহৰ গুৰুত্ব অপৰিসীম। 'Qala'ৰ জৰিয়তে সমাজলৈ পঠোৱা বাৰ্তাসমূহ হৈছেঃ

1) লিংগ সমতা সমাজত প্ৰয়োজনীয়। ল'ৰাক অধিক গুৰুত্ব দিয়া ছোৱালী হ'লে নগুৰ-নাকটি কৰা উচিত নহয়। কলাৰ মাক উৰ্মিলাই যমজ পুত্ৰ সন্তানটিৰ মৃত্যুৰ কাৰণ বুলি ভাবি গোটেই জীৱনতো কলাক শাস্তি দি গ'ল - শাৰীৰিকভাৱে, মানসিকভাৱে। ছোৱালী হ'লে এনেকুৱা কৰিব লাগে, এনেকুৱা কৰিব নালাগে আদি এশ-এবুৰি সংস্কাৰ দিয়া হয়। কিন্তু সংস্কাৰকামী ল'ৰাই কিয় সুমন্ত কুমাৰৰ দৰে পাহৰি যায় সেই সংস্কাৰ? 'Qala' ৰ মাধ্যমেৰে লিংগ অসমতাৰ ভয়াৱহতাক বৰ্ণনা কৰা হৈছে আটকধুনীয়াকৈ।

2) অন্য সন্তানৰ লগত তুলনা কৰাতো উচিত নহয়। অন্য সন্তানৰ সাফল্যৰ লগত তুলনা কৰিলে আত্মবিশ্বাস কমি যায়। শাসন প্ৰয়োজনীয় কিন্তু অতি শাসন বিপদগামী। "নামকে আগে পণ্ডিত লগানা চাহিয়ে, বাঈ নহী" বুলি কৈ ল'ৰা সন্তানক শ্ৰেষ্ঠত্বৰ আসন দিছে ছোৱালী সন্তানৰ তুলনাত।

3) নিজে কাম একোটাত সফল নহ'লে সন্তানকো কৰিবলৈ নিদিয়াতো উচিত নহয়। অতিমাত্ৰা চাপৰ বাবে কলাৰ দৰে সন্তান হৈ পৰিব পাৰে বিপথগামী।

4) যদি আপুনি চলচ্চিত্ৰখন চায়, তেতিয়া দেখিবলৈ পাব যে কলাই Musical Industry লৈ অহাত বহু সুবিদাবাদী লোকৰ আগ্ৰাসনত পৰিছিল। ইয়াৰ দ্বাৰা সফলতাৰ বাট যে কাঁইটীয়া, প্ৰত্যাহ্বানমূলক, সেয়া দৰ্শকক দেখুওৱা হৈছে।

5) জনপ্ৰিয়তাই সৰ্বস্ব নহয়, আত্মসন্তুষ্টিয়েই সঁচা সফলতা। কলা আৰু জগনৰ সংগীতৰ মূল পাৰ্থক্য এয়ে যে জগনে গান গাইছিল নিজৰ বাবে, জগনৰ বাবে গান আছিল উশাহ লোৱাৰ দৰে। কিন্তু কলাই গান গাইছিল কেৱল মাকৰ বাবে, মাকৰ পৰা আদৰ প্ৰাপ্তিৰ বাবে। মূলতঃ সংগীত কলাৰ বাবে একো নাছিল, আছিল মাথোঁ মাকৰ পৰা প্ৰশংসা প্ৰাপ্তিৰ এক আহিলাস্বৰূপ। কিন্তু মাকে কলাক বুজি পালেনে? মাকে সদায় নিজৰ বংশগত পৰম্পৰা ৰক্ষাৰ বাবে ল'ৰা সন্তান বিচাৰিছিল, সুমন্ত কুমাৰে নিজৰ বাসনা পূৰণৰ অৰ্থে কলাক ব্যৱহাৰ কৰিছিল। কলা আছিল এগৰাকী বিখ্যাত গায়িকা। কিন্তু তাই সঁচা অৰ্থত সফল নাছিল। আত্মসন্তুষ্টি অবিহনে যেন সফলতাৰ কোনো মূল্য নাই।

### 'Qala'ৰ সীমাবদ্ধতা আৰু ন-কাৰাত্মক দিশ ঃ

'কলা' সঁচাকৈয়ে এখন সফল চিনেমা। তৎসত্বেও কিছু সীমাবদ্ধতা বা ঋণাত্মক দিশ আমাৰ চকুত ধৰা পৰিছে। এই দিশসমূহ হ'ল -

(ক) চিনেমাখনৰ কিছু ঠাইত সীমাবদ্ধতাসমূহ ধৰা পৰিছে। অতি খৰতকীয়া গৱেষণাৰ ফলত হয়তো এয়া ঘটিবলৈ পাইছে। চলচ্চিত্ৰখনিত এগৰাকী মহিলা শিল্পীয়ে নিজৰ সংগীত দলটোক কৈছে যে তেওঁলোকে যিটো গান পৰিৱেশণ কৰিবলৈ লৈছে, সেই গানটো 'ভাগ্যেশ্ৰী' ৰাগত বন্ধা। কিন্তু ৰাগৰ নামটো শুনি দৌৰিবলৈ অৰ্থাৎ খৰখেদাকৈ গাব নালাগে। কিন্তু 'ভাগ্যেশ্ৰী' বুলি কোনো সাংগীতিক ৰাগ নাই। ৰাগটোৰ সঠিক নাম হ'ল - 'বাগেশ্ৰী' ৰাগ। যদি নিৰ্মাণকাৰীয়ে গীতিময়তাৰে সমৃদ্ধ এখন চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ গৈছে, এনে এটা অতি সাধাৰণ কথাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰা প্ৰয়োজনীয় আছিল।

(খ) কাহিনীৰ মাজত অধিক 'details' যোগ হোৱা হ'লে ওপৰে ওপৰে চলচ্চিত্ৰখন বুজাতকৈ দৰ্শকসকলে অধিক মনোৰঞ্জন লাভ কৰিলেহেঁতেন। যেনে - জগন চৰিত্ৰটোক অতি কমকৈ ব্যৱহাৰ কৰা হ'ল। কলাৰ মাক উৰ্মিলাৰ চৰিত্ৰটো সম্পূৰ্ণ দৰ্শকৰ কল্পনালৈ ঠেলি দিয়া হ'ল। আৰু অকণমান বৰ্ণনা হোৱা হ'লে সোণত সুৰগা চৰিলহেঁতেন।

(গ) বোলছবিখনৰ এটা দৃশ্যত কলাৰ ঘৰৰ ছোফাত 'তানপুৰাখন' পেলাই শুৱাই থোৱা দেখা গৈছে। কিন্তু

'তানপুৰা' সদায় থিয়কৈ থোৱাটো নিয়ম। শাস্ত্ৰীয় ধ্ৰুপদী সংগীতৰ বাদ্য থোৱাৰ সঠিক প্ৰণালী জনাতো চলচ্চিত্ৰ নিৰ্মাণকাৰীৰ বাবে অতি দৰকাৰী আছিল।

**মনোসমীক্ষাত্মক চলচ্চিত্ৰ হিচাপে 'কলা' ঃ**

মনস্তত্ব আধাৰিত কলাসন্মত চলচ্চিত্ৰৰূপে 'Qala' ই মানুহৰ অৱচেতন মনত ক্ৰিয়া কৰি অনন্য অভিজ্ঞতা প্ৰদান কৰিবলৈ বিচাৰিছে। 'Sigmund Freud'ৰ মনোসমীক্ষাত্মক তত্ত্বৰ Id, Ego আৰু Super Ego ৰ অতি সুন্দৰ প্ৰদৰ্শন ঘটিছে চলচ্চিত্ৰখনিত। প্ৰথমতেই কলাৰ প্ৰবৃত্তি হৈছে মাকৰ পৰা মৰম-চেনেহ আশাকৰা। Id ৰ বাবেই কলাৰ চকুৰ কুটা 'জগন' মাকৰ প্ৰিয় হৈ পৰাৰ বাবেই গাখীৰত পাৰা মিহলি কৰি জগনৰ কণ্ঠস্বৰ কাঢ়ি আনিছে। নিজৰ উশাহ লোৱাৰ লোৱাৰ দৰে গীত গাব নোৱাৰি জগনে আত্মহত্যা কৰিছে। ইয়াৰ বাবে কলা মানসিকভাৱে দুৰ্বল হৈছে আৰু কলাই নিজৰ মনোজগতত পাৰা মিহলি গাখীৰ খাবলৈ বাধা প্ৰদান কৰিছে। কলাই জগনৰ মৃত্যু বিচৰা নাছিল। ইয়ে কলাৰ Super Ego জগাই তুলিছে। Ego ৰ মানত Id জয়ী হৈছে আৰু মাকৰ সান্নিধ্য প্ৰাপ্তিৰ বাবে কৰা চেষ্টাৰ পাছতো কলাই জগনৰ মৃত্যুৰ বাবে নিজকে জগৰীয়া অনুভৱ কৰিছে।

চলচ্চিত্ৰখনিত নাৰীৰ জীৱন-যন্ত্ৰণা আদিৰ লগতে পুৰুষতান্ত্ৰিক সমাজখনত মহিলাৰ স্থান, অৱহেলা, মহিলাৰ সামাজিক প্ৰস্থিতি আদিক হৃদয়স্পৰ্শী ৰূপত অৱতাৰণা কৰা হৈছে।

প্ৰতীক আৰু ৰূপকৰ ব্যৱহাৰে পৰিচালকৰ দক্ষতা প্ৰতিফলিত কৰিছে। যেনে - জগনৰ মৃত্যুৰ ঘটনাক মনত পেলাই কলাই দাপোনত নিজৰ চেহেৰা চাওঁতে প্ৰতিবিম্বটোৰ চকুত এটা পোক মাৰোতে পোকটো পাৰা হৈ হাতেৰে বাগৰি আহিছে। তাই ভয়াৰ্ত হৈ ঘঁহি ঘঁহি হাতখন ধুইছে। ইয়াৰ যোগেদি সংলাপ অবিহনেও কাহিনীৰ গতিশীলতাত কোনো অসুবিধা হোৱা নাই।

আত্মহত্যা হৈছে এক সামাজিক সমস্যা। কেনেধৰণৰ মনোসামাজিক কাৰণত আত্মহত্যা সংঘটিত হয় তাৰ মনস্তাত্ত্বিক উদাহৰণ দাঙি ধৰা হৈছে 'Qala'ৰ যোগেদি।

**সংলাপৰ ব্যৱহাৰ ঃ**

সংলাপৰ ব্যৱহাৰ অতি আকৰ্ষণীয় হৈছে। চৰিত্ৰৰ মানসিক অৱস্থা, কাহিনীৰ বহুস্তৰীয়তা - এইবোৰত দক্ষতাৰে সংলাপ ব্যৱহাৰ কৰা হৈছে। যেনে - মাজৰোহে কলাক কৈছিল, "Sab kuch apne andar aise daba ke rakhogi, chuppak ke rakhogi, duba ke rakhogi, ek din sahlab aayega."

কাহিনীটোৰ আৰম্ভণিতে 'গল্ডেন ভিনাইল' বঁটা লাভ কৰা কলাই সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কৈছিল - "এইচা লগ ৰহা হে কী থক কৰ ঘৰ পহুচি হু ঔৰ মা নে দৰৱাজা খোলা হ্যে।" - মাকৰ মৰমপ্ৰাপ্তি আৰু সান্নিধ্যৰ বাবে কলাৰ যি আকাংক্ষা সেয়া সুন্দৰকৈ প্ৰকাশিত হৈছে। সংলাপৰ মাধ্যমেৰে প্ৰতিটো চৰিত্ৰৰ বেদনা, দুখ আদি প্ৰকাশ পাইছে।

**চলচ্চিত্ৰৰ পৰিচালনা ঃ**

সামৰণিত ক'ব পাৰি যে 'কলা' এখন নান্দনিক সফল চিনেমা। বলিউডত বহু সময়ৰ পাছতহে এনে এখন চলচ্চিত্ৰ নিৰ্মাণ হয়। 'কলাৰ উদ্দেশ্য কথাতেই সীমাবদ্ধ' - শীৰ্ষক দৰ্শন বা ধাৰণাটো অৱশ্যেই গ্ৰহণযোগ্য যদিও কলা কেতিয়াও অমূৰ্ত বা সমাজ বিচ্ছিন্ন হ'ব নোৱাৰে। চিনেমা এখন বাণিজ্যিকভাৱে চলা, উপভোগ্য হোৱা, মনত ৰৈ যাব পৰা - এইবিলাকৰ মাজত পাৰ্থক্য আছে। বহু অভিনেতাই ভাল অভিনয় কৰিও কেতিয়াবা চিনেমাখন তথাকথিত 'হিট' কৰাব নোৱাৰে। তেনেকৈ বহু অভিনেতা, অভিনেত্ৰীয়ে ভেকো ভাওনা কৰিলেও বিপুল ধন আহৰণ কৰাৰ উদাহৰণ আছে। 'কলা'ত অভিনয় কৰা প্ৰত্যেকগৰাকী কলা-কুশলীৰ অংশগ্ৰহণে তেওঁলোকক বিশ্বাসযোগ্য কৰি তুলিছে। মুঠৰ ওপৰত এখন চাবলগীয়া চিনেমা। চিনেমাৰ নামত খৰচ কৰা ধন অথলে নাযায়। গতিকে ভৰপুৰ মন এটা লৈ ঘৰলৈ উভটিব দৰ্শক। তাতোতকৈ চলচ্চিত্ৰপ্ৰেমীয়ে বিচাৰেই বা কি? ⌘



# Running the Rat Race
# (নিগনি দৌৰত দৌৰি থকা) “দ্য ৰেট ৰেচ”

○ **দিজু গগৈ,** ছাত্ৰ

এবাৰ কল্পনা কৰি চাওকচোন লাখ লাখ মানুহ আৰু সকলোৱে এটা দৌৰতে দৌৰিছে। এটা লুকাই থকা সপোনৰ দৌৰ। এইটোত জিকিবলৈ হ'লে বাকী প্ৰায় সকলো এৰি দিব লাগিব। কোনোবাই ঘৰৰ পৰা বহু দূৰলৈ দৌৰিছে, কোনোবাই টোপনি নোহোৱাকৈ দৌৰিছে, কোনোবাই আনকি বন্ধু-বান্ধৱ আৰু পৰিয়াল নোহোৱাকৈও দৌৰিছে।

এইটো বাস্তৱিক আৰু ইয়াৰ নাম “দ্যা ৰেট ৰেচ” (The Rat Race) অৰ্থাৎ নিগনি দৌৰ। “Life is a race ..... If you don’t run fast .... you will be like a broken and a ......”

“3 Ediots” চিনেমাখনত ভাইৰাছৰ (The arrogant engineering

professor) ৰূপত ৰোমান ইৰাণীৰ এই বিখ্যাত পাঞ্চলাইন হৈছে জীৱনৰ তিতা প্ৰতিফলন য'ত ছাত্ৰ-ছাত্ৰীসকলে ক্ৰম অনুসৰি থিয় দিব লাগে।

ভাৰতৰ 16-25 বছৰৰ ভিতৰৰ যিকোনো নিয়মীয়া ছাত্ৰৰ মগজুৰ কোষত অধিকাংশই দখল কৰা প্ৰতিযোগিতামূলক পৰীক্ষাসমূহ বহুতৰে বাবে মাথো এক ভ্ৰম সপোন। সকলো ছাত্ৰ-ছাত্ৰীক সৰুৰে পৰাই এইটো শিক্ষা দিয়া হয় যে যদি তেওঁলোকে এটা ভাল গ্ৰেড বা নম্বৰ লাভ নকৰে তেতিয়া তেওঁ জীৱনত বিফল হ'ব। আকৌ, অভিভাৱক আৰু সমাজৰ "শিক্ষিত" শ্ৰেণীটোৱে শিশুৰ মনত তাৰ আগ্ৰহৰ বিষয়ে জনাৰ পূৰ্বেই ডাক্তৰ, অভিযন্তা, আই. এ. এছ. (IAS) বিষয়া, চি. এ. (CA) আদি হোৱাৰ মোহনীয় আৰু আকৰ্ষণীয় সপোনবোৰ পূৰণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰে। ফলত ছাত্ৰ-ছাত্ৰীসকলে এই দ্ৰুত গতিত চলি থকা নিগনিৰ দৌৰত (Rat Race) সোমাবলৈ বাধ্য হয়। অৱশেষত যেতিয়ালৈকে যুৱক-যুৱতীসকলে উপলব্ধি কৰে যে তেওঁলোকৰ প্ৰতিভা তেওঁলোকে খেদি ফুৰা পেচাৰ সৈতে মিল নাই, তেতিয়ালৈকে তেওঁলোকে ইতিমধ্যে মানসিক চাপ, উদ্বেগ আৰু হতাশাৰ মাজত লৰচৰ কৰি আছে।

শেহতীয়াকৈ বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰাণ কাঢ়ি লোৱা দেখা গৈছে। ভাৰতৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ আকাংক্ষীসকলে আত্মধ্বংস কৰাৰ একেধৰণৰ দৃশ্য সঘনাই দেখা যায়। আত্মহত্যাৰ সংখ্যা বৃদ্ধি পোৱাটো আমাৰ সমাজৰ গভীৰ সমস্যাৰ এক বাহ্যিক প্ৰকাশ মাথোঁ।

বৰ্তমান ভাৰতৰ ভাল ভাল গ্ৰেডপ্ৰাপ্ত আৰু টপাৰসকলক (Toper) পূজা কৰাটো এক ব্যাপক সংস্কৃতি। যাৰফলত তুলনামূলকভাৱে কম মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে আত্মবিশ্বাস হেৰুৱাই পেলাইছে আৰু জীৱনত সফল হ'ব নোৱাৰিম বুলি এক ভ্ৰান্ত ধাৰণাক নিজৰ মগজুত প্ৰশ্ৰয় দিছে। এয়া সম্ভৱ হৈছে কেৱল আমাৰ পৰম্পৰাগত চিন্তাধাৰাৰ বাবে যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰতিভা আৰু ক্ষমতা থকা দিশ আৰু কৌশলসমূহ আয়ত্ব নকৰি এটা ভাল গ্ৰেড আৰু চাকৰিৰ সন্ধানত নিজৰ জীৱনটোক সামৰি লৈছে।

যদি মহেন্দ্ৰ সিং ধোনীয়ে সেই সময়ত, যেতিয়া ঘৰুৱা হেঁচাৰ ফলত কেৱল ৰেল বিভাগৰ এজন কৰ্মচাৰী হিচাপে চাকৰি কৰি থাকিলে হয়, তেতিয়া হয়তো ভাৰতবৰ্ষই এজন মহান ক্ৰিকেটাৰক হেৰুৱালেহেঁতেন। সেয়ে জীৱন নামৰ এই মাৰাথানত নিজৰ দৌৰৰ সংজ্ঞা নিজে দিব লাগে। যিহেতু কোনো এজন ব্যক্তি ৰাসায়নত ভাল নাছিল বাবেই আমি তেওঁৰ প্ৰকৃত সাহিত্যিক প্ৰতিভাক হেৰুৱাব নোৱাৰি; ঠিক সেইদৰে এজন উৎকৃষ্ট শিল্পী যি গাণিতিকভাৱে প্ৰতিভাশালী নহয় বুলিয়ে তেওঁৰ প্ৰতিভাক অৱজ্ঞা কৰাটো উচিত নহয়। ⌘




# গ্ৰন্থ সমালোচনা

## গ্ৰন্থ ঃ “বকুল ফুলৰ দৰে”
## লেখক ঃ মৃণাল কলিতা

**তৃষ্ণা গগৈ**
ছাত্ৰী

বকুলৰ সুবাসে যেনেদৰে চৌপাশ সুশোভিত কৰি তোলে ঠিক তেনেদৰেই কাৰোবাৰ সান্নিধ্যইও আমাৰ জীৱন সুবাসিত কৰি তুলিব পাৰে। ক'ৰবাত স্থবিৰ হ'ব খোজা জীৱনটোক দিব পাৰে এক নতুন গতি। সেই বিশেষ ব্যক্তিগৰাকী হ'ব পাৰে আমাৰ মা-দেউতা, ভাতৃ, ভগ্নী, বন্ধু অথবা শিক্ষক। যাৰ অলপ মান সঁহাৰিয়ে আমাক দিব পাৰে জীৱনক নকৈ আগবাঢ়ি যোৱাৰ শক্তি।

'বকুল ফুলৰ দৰে' উপন্যাসখন শৈক্ষিক সমাজৰ কিছু দলিলৰ ভিত্তিত যুগুতোৱা এখন নাতিদীৰ্ঘ শিশু উপন্যাস। মানৱীয়তা, আত্মীয়তা আৰু জীৱনমুখী চেতনাৰ ঢৌৰে সঞ্জীৱিত কৰি তোলা সৰু, সৰু অনুভৱেৰে ভৰুণ হৈ পৰিছে 'বকুল ফুলৰ দৰে'। নিৰ্মল আৰু অসীমৰ কথোপকথন, অনুভৱছাৰৰ একান্ত প্ৰচেষ্টাই আকৰ্ষণীয় কৰি তুলিছে উপন্যাসখনৰ প্ৰতিটো পৃষ্ঠা।

অভাৱে জুৰুলা কৰা ঘৰখনৰ মাক আৰু ভনীয়েকৰ মুখত সুখ দেখিবলৈকে অসীমে কৰা ত্যাগ সঁচাকৈয়ে বেদনাদায়ক। তথাপি প্ৰকৃত আৰু একমাত্ৰ বন্ধু নিৰ্মল আৰু অনুভৱ ছাৰৰ প্ৰচেষ্টাত আকৌ সাৰ পাই উঠিছিল অসীমৰ আগ্ৰহী মনটোৱে। তদুপৰি কিতাপখনত ফুটি উঠিছে বৰ্তমান শিক্ষা ব্যৱস্থাৰ বহুতো ত্ৰুটি তথা কিতাপখনে আদৰ্শৰ পথ দেখুৱাইছে এনে ত্ৰুটিসমূহ দূৰ কৰাৰ ক্ষেত্ৰত কৰিব পৰা সৰু সৰু একান্ত প্ৰচেষ্টাৰ।

মৃণাল কলিতাদেৱৰ হাতত প্ৰাণ পোৱা এই গ্ৰন্থখনৰ কাহিনীয়ে সঁচাকৈ মোক আপ্লুত কৰি তুলিছে। এই কাহিনীত ফুটি উঠিছে প্ৰকৃত বন্ধুৰ প্ৰকৃত পৰিচয়। প্ৰকৃত বন্ধু অবিহনে যে কোমল মনবোৰ বিষাদগ্ৰস্ত হয়, সেই কথা কিতাপখনত প্ৰতিফলিত হৈছে। দ্বিতীয়তে, কিতাপখনত সন্নিবিষ্ট হৈছে বৰ্তমান শিক্ষা ব্যৱস্থাৰ এটি জীয়া কাহিনী। এই কাহিনীৰ ৰূপ সলাবলৈকে কৰা অনুভৱ ছাৰহঁতৰ প্ৰচেষ্টাই মনটো সঁচাকৈয়ে অনুভৱী কৰি তুলিছিল। তৃতীয়তে, এই কাহিনীয়ে বহু কেইটা জীৱনলৈ সেউজীয়াবোৰ ঘূৰাই আনিবলৈ চেষ্টা কৰিছে। তদুপৰি কিছুমান কথা আৰু কামে যে সৎ পথত আগবাঢ়ি আহিবলৈ প্ৰেৰণা দিছে। সেই কৰ্ম প্ৰেৰণাৰ কথাও উপন্যাসৰ মাজেৰে সুন্দৰ ৰূপত ফুটি উঠিছে।

মানুহৰ জীৱনৰ এই কঠোৰ সংগ্ৰামৰ কথাকে সাৰোগত কৰি ড° মৃণাল কলিতাই তেখেতৰ প্ৰথমখন উপন্যাস 'বকুল ফুলৰ দৰে' লিখিছে। দৰিদ্ৰতাই গ্ৰাস কৰা এটি কিশোৰৰ শিক্ষাৰ প্ৰতি থকা অদম্য স্পৃহা তথা তাৰ বাবে কৰা অসাধ্য সাধনা আৰু আন এটি ৰুগীয়া কিশোৰৰ নিষ্কলুষ হৃদয় আৰু অদমনীয় মনোবলেৰে নিজকে উত্তৰণৰ দিশলৈ লৈ যোৱাৰ আকৰ্ষণীয় কাহিনীৰে উপন্যাসখনে পাঠকৰ হৃদয় আলোড়িত কৰিবলৈ সক্ষম হৈছে।

উপন্যাসখনৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে কাহিনীটোত থকা বাস্তৱবাদী ধাৰাৰ সফল প্ৰয়োগ। প্ৰকৃততে সাহিত্যত বাস্তৱিকতাৰূপ বিৱৰণৰ ফলত পঠন অভিজ্ঞতা পাঠকৰ বাবে গ্ৰহণযোগ্যতাৰ চাবিকাঠি হৈ পৰে। কাৰণ তেনে সাহিত্যক পাঠকেত খুউব সহজতে নিজৰ লগত মিলাই ল'ব পাৰে। জীৱন সংঘাতৰ লগত সাদৃশ্য থকা আৰু স্বভাৱত মানুহৰ জীৱনৰ দৈনন্দিন দিনপঞ্জীৰ দৰে ঘটনাৰ বিৱৰণে কাহিনীটোৰ লগত পাঠকৰ একাত্মতা বঢ়াই তোলে। উপন্যাসখনত বৰ্ণিত চৰিত্ৰসমূহৰ মাজত, দৃশ্যসমূহৰ প্ৰতিটো কথাৰ তথা তথ্যৰ সূক্ষ্মাতিসূক্ষ্ম বিৱৰণে কাহিনীটোক পাঠকৰ ওচৰ চপাত সহায় কৰে। সাধাৰণ মানুহৰ জীৱন সংগ্ৰামৰ লগত সাদৃশ্য থকাৰ কাৰণেই এই উপন্যাসখনে বিপুল জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।

'বকুল ফুলৰ দৰে' উপন্যাসখন মূলতঃ কিশোৰ চৰিত্ৰক কেন্দ্ৰ কৰি সেই সমাজখনৰ, তথা নিৰ্মলৰ শাৰীৰিক অসুস্থতা আৰু বিশেষকৈ অসীমে সন্মুখীন হোৱা দৰিদ্ৰতাৰ প্ৰতিকূল পৰিস্থিতিৰ মাজতো কিদৰে উত্তৰণৰ সপোন দেখিব পাৰি, সেই সপোনক সাকাৰ কৰিবলৈ কিদৰে নেৰানেপেৰা চেষ্টা কৰিব পাৰি তাৰ বৰ্ণনাৰে পাঠকক আলোড়িত কৰি গৈছে।

উপন্যাসখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হৈছে সৰল, ব্যঞ্জনাময় বৰ্ণনা। ঘটনাৰ বিৱৰণত ক'তো অযথা আৱেগ তথা শব্দ-বাক্যৰ প্ৰয়োগ নাই। যিখিনি লাগে, নিতান্তই সাধাৰণভাৱে প্ৰকাশ কৰা হৈছে।

উপন্যাসখন ২০১৫ চনত প্ৰথম প্ৰকাশ হৈছিল। মৃণাল কলিতাৰ দ্বাৰা ৰচিত এইখন প্ৰথম উপন্যাস। প্ৰকাশৰ পিছতে এইগ্ৰন্থখনে পাঠক সমাজত সৃষ্টি কৰিছিল আলোড়নৰ। আকৰ্ষিত কৰিছিল সহস্ৰাধিক পাঠকক। ২০২১ চনত উপন্যাসখনৰ বাবে ড° মৃণাল কলিতাই লাভ কৰিছিল 'সাহিত্য অকাডেমী'ৰ শিশু সাহিত্য বঁটা।

এই উপ্যনাসখন এখন পৰিমাৰ্জিত, পৰিশীলিত, সুখপাঠ্য শিশু আৰু কিশোৰসকলৰ উপন্যাস। হৃদয় জোঁকাৰি যোৱা কাহিনীৰ আলমত প্ৰাঞ্জল বৰ্ণনাৰে গল্পকাৰ তথা ঔপন্যাসিক ড° মৃণাল কলিতাৰ ৰচিত এই উপন্যাস 'বকুল ফুলৰ দৰে' উপন্যাসখন নিশ্চিতভাৱে অসমীয়া সাহিত্য জগতত এক সুন্দৰ সংযোজন। ⌘

# গ্ৰন্থ সমালোচনা




## গ্ৰন্থ ঃ "অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা"
## লেখক ঃ ড° হীৰেন গোহাঁই

○ **দুলেশ্বৰ শইকীয়া**
ছাত্ৰী

"এই গীতে সুৰ লভে
সেই দিগন্তত
পাহাৰ পথাৰ দুয়ো মিলেগৈ য'ত।
সূৰুয বুৰাব আগে
দেখা পোৱা হ'লে
জীৱনৰ সুৰৰ কঁপনি উঠে ক'ত?"

(ৰামধেনুত প্ৰকাশিত 'দিনান্ত')

নিজৰ সাতামপুৰুষীয়া ঐতিহ্য স্বাক্ষৰ বহন কৰোতা 'ইতিহাস' ৰচনা কৰোতা এটা জীয়া জাতিৰ লক্ষণ। অসমৰ ইতিহাস বিস্ময়কৰ আৰু বিমুগ্ধকৰ অধ্যায়। ইয়াৰ প্ৰতিটো শিলত সংগোপনে লুকাই মানৱ জীৱনৰ হাজাৰ বছৰীয়া ইতিহাস। নদীৰ প্ৰতিটো চাকনৈয়াত লুকাই আছে জীৱনৰ অনন্য ৰূপ কথাৰ জলকুঁৱৰীৰ সাধু। অসমত হেৰাই যাবলৈ ধৰা ইতিহাস চৰ্চাক

পুনৰ উজ্জীৱিত কৰি অসমৰ প্ৰাতঃস্মৰণীয় লেখক ড° হীৰেন গোহাঁই ডাঙৰীয়াই যেন অহোপুৰুষাৰ্থ কৰিলে। ইতিহাস চৰ্চাৰ দায়বদ্ধতা আৰু ইতিহাসৰ প্ৰতি প্ৰবল নিচাৰ ফলত জন্ম হ'ল গোহাঁইৰ এখন বহুপঠিত মূল্যৱান গ্ৰন্থ 'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা।'

এখন সুন্দৰ গ্ৰন্থ পঢ়ি বৰে পালোঁ। নিৰ্ভেজাল অসমপ্ৰেমী অসমীয়া ড° গোহাঁইৰ অভিজ্ঞতাৰ গভীৰ অনুধাৱনৰ পৰা ওলোৱা আৰু তাকে সফলভাৱে ব্যক্ত কৰিব পৰা গভীৰ জ্ঞান মুকুতাৰ দৰে কিতাপখনত সিঁচৰতি হৈ আছে। ড° হীৰেন গোহাঁইৰ মুকলিমূৰীয়া দৃষ্টিভংগী আৰু নিৰপেক্ষ বৰ্ণনা 'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' গ্ৰন্থখনৰ জৰিয়তে সুন্দৰকৈ প্ৰকাশ পাইছে।

প্ৰথমতেই 'প্ৰসংগ উত্থাপন'ত গোহাঁই ডাঙৰীয়াই কৈছে যে অসমীয়া জাতিৰ জাতীয় জীৱন সংকটৰ গৰাহত পৰা কথাটো বৰ্তমান সময়ৰ দৰে অসমীয়াই বহুদিন ভবাই নাছিল। সেই সংকটৰ পৰা মুক্ত হ'বলৈ ড° গোহাঁয়ে 'বুদ্ধিজীৱী' সম্পৰ্কে বক্তব্য ৰাখিছে যে তেনেধৰণৰ অধ্যয়ন, বিশ্লেষণ আৰু বিচাৰ বিকল্প নাই।

অসমত বৈষ্ণৱ আন্দোলনৰ পটভূমি সম্পৰ্কত বিচাৰ কৰিবলৈ গৈ ড° হীৰেন গোহাঁয়ে সাংস্কৃতিক দিশত অসমীয়া সমাজৰ বাবে সকলোতকৈ উল্লেখযোগ্য ঘটনা বৈষ্ণৱ আন্দোলন আছিল বুলি কৈছে। ই যোল্ল অনাই সত্য। বৈষ্ণৱ ধৰ্মই অসমত সকলোকে চুই গৈছিল। বহু আহোম গাঁৱত লাওপানী-কুকুৰাৰে সকাম কৰা হয়, কিন্তু সবাহৰ গীত মাত - শংকৰ-মাধৱৰেই। সেয়ে তেওঁৰ ভাষাত ক'ব পাৰি, "অসমীয়া জীৱনত বৈষ্ণৱ ধৰ্মৰ সাঁচ গভীৰ আৰু ব্যাপক।"

'মহাভাৰত'ত বৰ্ণিত শ্লোকৰ উদাহৰণ দি ড° হীৰেন গোহাঁয়ে প্ৰাচীন কামৰূপৰ ইতিহাস সম্পৰ্কে মতপোষণ কৰিছে। 'মহাভাৰত', 'কিৰাতজনকৃতি', 'কালিকাপুৰাণ', 'যোগিনীতন্ত্ৰ', 'কামৰূপ শাসনাৱলী' ইত্যাদি গ্ৰন্থৰ বক্তব্যক উদ্ধৃতি দি প্ৰাচীন কামৰূপৰ ইতিহাসৰ তথ্য উদ্ধাৰ কৰিছে। ইয়াৰ লগতে ইছ্লামীয় ভক্তিবাদ 'ছুফীবাদ'ৰো সফল সমাৱেশ ঘটিছে গ্ৰন্থখনিত।

লেখক ড° হীৰেন গোহাঁইৰ সামাজিক বিচক্ষণতা প্ৰকাশ পাইছে গ্ৰন্থখনিৰ মাধ্যমেৰে। অসমত বৈষ্ণৱ ধৰ্মৰ সামাজিক ভূমিকা সন্দৰ্ভত বক্তব্য ৰাখিবলৈ গৈ শংকৰদেৱ-মাধৱদেৱৰ প্ৰসঙ্গ দাঙি ধৰিছে। লেখকে গ্ৰন্থখনিত হিন্দু মুছলমানৰ একতা সন্দৰ্ভৰ বৰ্ণনা কৰি চুফিসাধকেও মহাপুৰুষ দুজনাৰ নাম লোৱা বুলি মন্তব্য কৰিছে —

"শংকৰদেউ জীয়ৰী
মাধৱদেউৰ বোৱাৰী
ৰহেপুৰ নগৰত ঘৰ।"

গ্ৰন্থখনিৰ যোগেদি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সমসাময়িক আৰু পূৰ্ববৰ্তী সময়ৰ ভক্তিবাদৰ স্ৰষ্টাসকলক সাঙুৰি লোৱা হৈছে। বিশেষকৈ সংসাৰ যন্ত্ৰণা আৰু পাপৰ জ্বালাৰ পৰা উদ্ধাৰ আৰু ভক্তিৰ যোগেদি চিন্ময় আনন্দলাভৰ মাৰ্গদৰ্শোতা 'ৰামানুজন' আৰু আদিগুৰু শংকৰাচাৰ্যৰ প্ৰসংগ উত্থাপিত কৰা হৈছে গ্ৰন্থখনিত। লগতে প্ৰাচীনতম ভক্তি পৰম্পৰা দক্ষিণৰ আলাৱাৰ আৰু নায়নাৰসকলৰ পৰম্পৰা সম্পৰ্কত সুন্দৰ ব্যাখ্যা আগবঢ়াইছে। ব্যাখ্যা কৰিছে আমাৰ সমাজৰ সৈতে তুলনামূলক সাদৃশ্যৰ ঃ 'আলাৱাৰসকলৰ এইবোৰ বিশ্বাস আৰু ধাৰণাত কিন্তু আমাৰ সমসা ময়িক সমাজ ব্যৱস্থাত সুস্পষ্ট সাঁচ আছে। জীৱ আৰু ঈশ্বৰৰ সম্পৰ্কত প্ৰজা আৰু ৰজাৰ সম্পৰ্কৰ প্ৰতিফলন ঘটিছে।'

ধৰ্মীয় পৰম্পৰাৰ খাতিৰতেই হওক বা সমাজৰ ৰোষত পৰাৰ ভয়তেই হওক, বহুলোকে ধৰ্মীয় গ্ৰন্থাদিৰ সমালোচনা কৰিব নিবিচাৰে। কিন্তু সাহিত্যৰ এক লক্ষ্যই হ'ল সমাজত সত্য প্ৰতিষ্ঠাপন কৰা। এগৰাকী বিচক্ষণ চিন্তাবিদ প্ৰগতিশীল লিখক হৈ গ্ৰন্থখনিত ড° গোহাঁয়ে ভাগৱতক সমালোচিত কৰিছে ঃ "ভাগতক বাস্তৱ সমাজ সংস্কাৰৰ দৰ্পণ বুলি ভাবিব নোৱাৰি। সেয়ে আজিৰ দৃষ্টিত ভাগৱতৰ বহুত মতামতেই ৰক্ষণশীল আৰু প্ৰতিক্ৰিয়াশীল যেন লাগিব পাৰে।" ভাগৱতত কৈছে, "বান্দৰবিলাকে যি কৰে তেনেধৰণে কুটুম্ব পোষণ আৰু স্ত্ৰী-সংগই হ'ল শূদ্ৰবিলাকৰ কাম।"

কিন্তু বৰ্তমান প্ৰেক্ষাপটত ইয়াৰ প্ৰভাৱ নাই বুলিয়েই ন দি ক'ব পাৰি। ধৰ্মগ্ৰন্থবোৰ আমাৰ ঐতিহ্যৰ বাহক। প্ৰচলিত সকাৰাত্মক দিশবোৰ গ্ৰহণ কৰি নেতিবাচক দিশবোৰ পাৰ্যমানে পৰিহাৰ কৰিলে মোৰ বোধেৰে নিশ্চয়কৈ এখন সৰ্বাঙ্গ সুন্দৰ সমাজৰ সৃষ্টি হ'ব।

'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' শীৰ্ষক গ্ৰন্থখনিত ভক্তিবাদৰ এক পূৰ্ণাংগ ইতিহাস প্ৰকাশ পাইছে। সময় পালে নতুনকৈ ভক্তিবাদৰ অন্যান্য দিশৰ বিষয়ে আলোচনা কৰাৰ প্ৰতিশ্ৰুতি দি গ্ৰন্থখনিত কেৱল নতুন সমাজ ব্যৱস্থাত তথা নতুন নৈতিকতাৰ বাৰ্তাবাহী হিচাপে ভক্তিবাদৰ অন্তৰ্নিহিত ধাৰা প্ৰকাশিত কৰিছে বুলি লেখকে মতামত দিছে।

"গৰিহিত কৰ্মকো কহিলা ধৰ্ম বুলি।
তোমাৰ বচনে মোক নাশিব সমুলি।।

স্বভাৱে লম্পট বিষয়ত অনুৰাগ।
স্বৰ্গ পাইবো বুলি বঙ্গে কাটে হংস ছাগ।।"

ভাগৱতৰ শিক্ষাক অসমৰ পৰিৱেশৰ লগত খাপ খুৱাই ল'বলৈ শ্ৰীমন্ত শংকৰদেৱ যত্নবান। সমসাময়িক কামৰূপৰ শাক্তধৰ্মৰ প্ৰভাৱ পৰিস্ফুট পদটোত শাক্তধৰ্ম যে বৈষ্ণৱবাদৰ তুলনাত নিম্ন, তাক প্ৰতিষ্ঠাপন কৰিবলৈ বিচাৰিছে। প্ৰচলিত সমাজখনত এই সংস্কাৰগামীতাক দেখুৱাবলৈ গৈ ড° হীৰেন গোহাঁই সফল হৈছে।

ড° হীৰেন গোহাঁইৰ 'অসমীয়া জাতীয় জীৱনমত মহাপুৰুষীয়া পৰম্পৰা' গ্ৰন্থখনি কেইবাটাও মনত ৰাখিবলগীয়া বাক্য হ'ল ঃ

(ক) "মাত্ৰাধিক উচ্ছাস ধানখেৰৰ জুই।"

(খ) "দুঠেঙীয়া মাত্ৰেই মানুহ নহয়।"

(গ) "অসমীয়া জাতীয় পৰিচয়েই এনেকুৱা যে নানা ভাষা-কৃষ্টি-গোষ্ঠী ৰহণ বাদ দি সাতৰহণীয়া অসমীয়া কৃষ্টিৰ কথা ভাবিবই নোৱাৰি।"

(ঘ) "সংহতি এটা ধোঁৱাচাঙত সাঁচি থ'ব পৰা নাইবা শৰাইত থাপি পাহৰিব পৰা এটা বস্তু নহয়। ই এটা প্ৰক্ৰিয়া।"

(ঙ) "কিন্তু ঐতিহ্যৰ চৰ্চাও বৰ সহজ বস্তু নহয়। সি আমাক বুদ্ধিৰ শিখৰলৈ নিব পাৰে। গড় খাবৈতো পেলাব পাৰে।"

(চ) "আমাৰ মনৰ গহনতে আছে বন্তি, যি বন্তিয়ে চৌপাশৰ এন্ধাৰ দূৰ কৰিব।"

"মোৰ বিশ্বাস অন্য এক যুগে এদিন তেওঁক নতুনকৈ আৱিষ্কাৰ কৰিব আৰু গৌৰৱবোধ কৰিব এই ভাবিয়েই যে অসমত এনে এক বিস্ময়কৰ প্ৰতিভাৰ জন্ম হৈছিল" - জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়ছম গোস্বামীয়ে ড° হীৰেন গোহাঁই সন্দৰ্ভত মত পোষণ কৰি যোৱা কথাষাৰ যোল্ল অনাই সত্য এই উক্তিৰ সত্যতা প্ৰতিফলন ঘটিছে ১৯৮৯ চনত সাহিত্য অকাডেমী' বঁটা প্ৰাপক 'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' শীৰ্ষক গ্ৰন্থখনিৰ যোগেদি।

মহাপুৰুষীয়া ধৰ্ম আন্দোলন জনজাতীয়, আহোম, কোচ আদি গোষ্ঠীৰ ওচৰত কম-বেছি পৰিমাণে ঋণী হ'লেও অসমীয়া জাতি আৰু সংসংকৃতিৰ ঐক্য সংগঠনত তাৰ উল্লেখনীয় অৱদান আছে। বস্তুগত, ভাৱগত আৰু আৱেগিক; তিনিপ্ৰকাৰৰ উপাদানেৰে এই আন্দোলনে অসমীয়া সমাজৰ বিভিন্ন অংশৰ মাজত নিবিড় সম্পৰ্ক আছে। আজি বৰ অসমৰ যিসকল লোক ধৰ্মবিশ্বাসৰ ফালৰ পৰা অথবা সামাজিক নীতি-নিয়মৰ ফালৰ পৰা মহাপুৰুষীয়া নিয়ম পালন নকৰে তেওঁলোকেও নিশ্চয়কৈ উপলব্ধি কৰে যে, তেওঁলোকৰ 'অসমীয়া' পৰিচয়ৰ পটভূমিত মাত কথা, চিন্তাধাৰা, মূল্যবোধত, আচাৰ-ব্যৱহাৰত - মহাপুৰুষীয়া আন্দোলনৰ এক সবল প্ৰকাশ ঘটিছে।

এই সকলোবিলাক দিশ চালি-জাৰি চাই মত প্ৰদান কৰিব পৰা যায় যে 'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' গ্ৰন্থখন শ্ৰেষ্ঠ অসমীয়া দহখন গ্ৰন্থৰ ভিতৰত এখন। প্ৰত্যেক অসমীয়াই মাত্ৰ এবাৰ হ'লেও মূল্যৱান গ্ৰন্থখন পঢ়া উচিত। ড° হীৰেন গোহাঁইক স্ৰষ্টাই দিয়া গুণ-গৰিমাৰে যাতে অসমবাসীক সদায় জ্যোতিৰে আলোকিত কৰি ৰাখে তাকেই কামনা কৰিছোঁ।

"স্ৰষ্টাই তোমাক সজালে পৰালে
প্ৰজন্মক দিবা জ্যোতি।
তোমাৰ বুকুতেই সৃষ্টি হ'ব
সমন্বয়ৰ কৃষ্টি।"

ড° হীৰেন গোঁহাইৰ গৱেষণা গ্ৰন্থ 'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' পঢ়া মাত্ৰেই স্বীকাৰ কৰিব লাগিব তেওঁৰ প্ৰজ্ঞা, প্ৰতিভা, ধৈৰ্য, অধ্যয়ন বিস্তৃতি, চিন্তাৰ মৌলিকতা, সাহসিকতা আৰু বিজ্ঞানমনস্কতা। লণ্ডনৰ পৰা ড° গোহাঁয়ে বিলাতী সুৰ আৰু আভিজাত্যবাদ অনা নাই, তেওঁৰ বৌদ্ধিক বিস্তৃতিত সমাজবাদী বাস্তৱতা, মাৰ্ক্সবাদ আৰু ভাৰতীয়ত্ব সদায় বিৰাজমান। ইয়াৰ প্ৰতিফলন ঘটিছে গ্ৰন্থখনিত।

ড° গোহাঁই ব্যতিক্ৰম। তেওঁ সমাজ জীৱনৰ কোনো কথা আওকাণ কৰিব নোৱাৰে। সেইবাবে তেওঁৰ ভিতৰৰ 'নিৰঞ্জন ফুকন'জন হেৰাই গ'ল। গ্ৰন্থখনিৰ যোগেদি সাহসী আৰু দূৰদৰ্শীতা গুণৰ প্ৰভাৱ ঘটিছে।

গ্ৰন্থখনিৰ বাক্যৰীতি অতি সবল। বাক্যবোৰৰ প্ৰতিটো শব্দই গভীৰ অৰ্থবাহক। এইটো সঁচা যে নিম্ন শ্ৰেণীৰ অথবা সাধাৰণ পাঠকৰ বাবে গ্ৰন্থখন বুজি পাবলৈ ক্ষুদ্ৰ অসুবিধাও হ'ব পাৰে। শব্দৰ মাধুৰ্য আৰু সাৱলীল প্ৰকাশ ভংগীয়ে গ্ৰন্থখনিক সবল কৰি তুলিছে।

'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' শীৰ্ষক গ্ৰন্থখনিত লেখকৰ বুদ্ধিদীপ্ততা প্ৰকাশ হৈছে। পাঠকৰ সুবিধাৰ্থে ধৰ্মগ্ৰন্থ আৰু প্ৰাসঙ্গিক গ্ৰন্থৰ সহায় লৈ উপযুক্ত উদাহৰণ দি পাঠকক বিষয়বস্তু বুজিবলৈ সহজ কৰি তুলিছে। ইয়ে গ্ৰন্থখনিৰ সুকীয়া বৈশিষ্ট্য প্ৰতিফলিত কৰিছে। ⌘




**গ্ৰন্থ সমালোচনা**

# গ্ৰন্থ ঃ “১০০ বছৰৰ শ্ৰেষ্ঠ নিগ্ৰো কবিতা”
# অনুবাদক ঃ ধৰ্মেশ্বৰ দুৱৰা

○ **প্ৰণতি হেমৰম**
ছাত্ৰী

এই পৃথিৱীত মনুষ্য জীৱন পৰিক্ৰমা আৰম্ভ কৰি অনেকেই নিজ জীৱনৰ কৃতী আৰু কৃতিত্বৰে ব্যক্তিগত জীৱন, পাৰিবাৰিক জীৱন, সামাজিক জীৱন তথা সামগ্ৰিকভাৱে জাতীয় জীৱনবো মহৎ হিত সাধন কৰি আহিছে। সমাজ আৰু দেশৰ সৰ্বাংগীণ মংগলৰ হকে নিজ নিজ পৰিসৰত কাম কৰি যোৱা ব্যক্তি থকাৰ বাবেই সমাজত মানুহে ‘মানুহ’ হিচাপে জীয়াই থকাৰ এক পৰিৱেশ পাইছে। সীমিত পৰিসৰৰ লোক হিচাপে আমাৰ মানত ধৰ্মেশ্বৰ দুৱৰাও তেনে এগৰাকী ব্যক্তি। এইগৰাকী ব্যক্তিয়ে জীৱন পৰিক্ৰমা আগবঢ়াই নিবৰ বেলিকা সম্পাদন কৰিবলগীয়া অন্যান্য কৰ্মৰাজি নিয়াৰিকৈ সম্পাদন কৰি যোৱাৰ লগতে সমাজৰ দাপোনস্বৰূপ সাহিত্যৰ সাধনাতো একাগ্ৰচিত্তে মনোনিৱেশ কৰি আহিছে। চাৰিখন কবিতা পুথি, এখন গল্প পুথি আৰু কেইবাখনো গ্ৰন্থ প্ৰকাশ পাইছে। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন প্ৰাপক ধৰ্মেশ্বৰ দুৱৰাই

'উত্তৰ কাছাৰ পাহাৰৰ লোক সংস্কৃতি' নামৰ গ্ৰন্থখনৰ বাবে অসম সাহিত্য সভাৰ 'সীতানাথ ব্ৰহ্মচৌধুৰী' বঁটাৰে সন্মানিত হয়।

শিৰোনামত উল্লেখ কৰা '১০০ বছৰৰ শ্ৰেষ্ঠ নিগ্ৰো কবিতা' শীৰ্ষক অনুবাদ গ্ৰন্থখনিত অনুবাদকে আফ্ৰিকা আৰু ইয়াৰ সৈতে সংযুক্ত অঞ্চলৰ অধিবাসী আৰু আফ্ৰিকাৰ পৰা ক্ৰীত দাস হিচাপে আমেৰিকালৈ যোৱা কৃষ্ণাংগ লোকসকলৰ দ্বাৰা ৰচিত কবিতাসমূহত নিহিত হৈ থকা নিগ্ৰো লোকসকলৰ মনৰ ভাৱ দাঙি ধৰিবলৈ যত্ন কৰিছে। অনুবাদকে নিগ্ৰো কবিসকলৰ জীৱন দৰ্শন সম্পৰ্কীয় দিশবোৰ বিস্তৃতৰূপত দাঙি ধৰাৰ প্ৰয়াস কৰিছে। গ্ৰন্থখনিৰ গতি-প্ৰকৃতি লক্ষ্য কৰি এইখনক এখন সাৰ্থক অনুবাদমূলক গ্ৰন্থ বুলি ক'ব পৰা যায়।

আফ্ৰিকাৰ অধিবাসীসকলৰ ভৌগোলিক, ৰাজনৈতিক আৰু সকলোতকৈ গুৰুত্বপূৰ্ণ সামাজিক পৰিৱেশ আমেৰিকাৰ অধিবাসী নিগ্ৰোসকলতকৈ স্বতন্ত্ৰৰীয়া। আফ্ৰিকাত বিদেশী স্থায়ী শাসন ব্যৱস্থা থকা স্বত্বেও তাৰ অধিবাসী সকলৰ ঐতিহ্য বৰ্তমান সম্পূৰ্ণকৈ বৰ্তি আছে। সেই ঐতিহ্য দুৰ্বল-সবল-কুসংস্কাৰাচ্ছন্ন হওকেই বা নহওকেই, সেইটো তেওঁলোকৰ নিজস্ব, তেওঁলোকৰ ঐতিহ্য নাই, ইতিহাসো ধূসৰিত। এখন স্বাধীন দেশৰ নাগৰিকৰ বাবে অত্যাচাৰ, অনাচাৰ, অন্যায়, পীড়নৰ প্ৰতিফলন একেধৰণৰ আৰু বিদেশীৰ পদানত দেশৰ নাগৰিকৰ অৱস্থাৰ নিশ্চয় স্বৰূপ ভিন্ন। এজনে ভাৱে তেওঁৰ দেশ বিদেশীৰ পৰা শাসনমুক্ত কৰা দৰকাৰ। আনজনে ভাবে সেইখন তেওঁৰ দেশ. কিন্তু স্বাধীন নাগৰিকৰ স্বীকৃতি নাই।

প্ৰায় ১২১ জন নিগ্ৰো কবিৰ কবিতা আৰু ওপৰঞ্চি কেইটামান কবিতা অসমীয়া ভাষালৈ অনুবাদ কৰিছে ধৰ্মেশ্বৰ দুৱৰাই। কবি পৰিচিতিৰ সংযোগে কাব্য সংকলনখনক এক অনন্য মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। আমি লক্ষ্য কৰিছোঁ যে নিগ্ৰো কবিৰ কবিতাই তেওঁলোকৰ জীয়া জীৱনৰ জ্বলত ইতিহাস, ভাল লগা, ভালপোৱা সমাজ-সংগ্ৰামৰ দ্বাৰা ইতিহাসৰ গতিময়তা বোৱাই ৰখা, শোষিত-নিষ্পেষিত স্বজাতিৰ মুক্তি কামনা আদিৰ স্বতঃস্ফূৰ্ত প্ৰকাশেৰে মানুহক প্ৰতিনিয়ত স্বাভাৱিকভাৱে উদ্বুদ্ধ কৰি তুলিছে। লেংষ্টন হিউজেছে ৰচনা কৰে - 'ৰঙা অগ্নি শিখাৰ দৰে। আগন্তুক প্ৰত্যুষ। আমাৰ সন্মুখত। বিদায় জনাইছোঁ কালিক। সূৰ্যাস্তৰ হাতত। হাত ধৰি উভতি গৈছে। কালি। এতিয়া আজি। যি পথেৰে আহিছো। আমি অভ্যৰ্থনাৰ ৰঙীণ তোৰণ। সেইবোৰ পথেৰে -' অথবা মাৰ্গাৰেট ওৱাকাৰ আলেকজেণ্ডাৰৰ - 'এখন নতুন পৃথিৱীৰ জন্ম হওক। অন্য এখন জগত নিৰ্মাণৰ আয়োজন হওক। ৰক্তাক্ত শান্তিৰ চনদ নীল আকাশত উদ্ভাসিত হওক। নিৰ্মাণৰ দামামা দিশে দিশে নিনাদিত হৈ উঠক। সকলো শংকা দ্বিধগাৰে অৱসান ঘটক। সাধাৰণ মানুহৰ জয়যাত্ৰাৰ ঢৌ ওপচি পৰি নিয়ন্ত্ৰণ অধিকাৰ সাব্যস্ত কৰক' - আদি কবিতাৰ যোগেদি নিগ্ৰো কবিসকলৰ ভৱিষ্যতৰ প্ৰতি গভীৰ আশা প্ৰকাশ পাইছে।

প্ৰতিটো কবিতাৰ কাষত কবিসকলৰ নাম দিয়া হৈছে। যাতে পাঠকৰ বুজি পোৱাত অসুবিধা নহয়। অসমীয়া কাব্যপ্ৰেমী লোকসকলক নিগ্ৰো কবিতাৰ সোৱাদ দিবলৈ অনুবাদক সম্পূৰ্ণভাৱে সক্ষম হৈছে। অসমীয়া অনুবাদ সাহিত্যৰ ভঁৰাল চহকী কৰা অনুপম সংযোজন ধৰ্মেশ্বৰ দুৱাৰৰ "১০০ বছৰৰ শ্ৰেষ্ঠ নিগ্ৰো কবিতা"। অসমীয়া সাহিত্যৰ অনুবাদ শাখাৰ লগতে পাঠক সমাজতো সমাদৃত হওক। গ্ৰন্থখনৰ মূল্য - ৩৫০/- টকা মাত্ৰ, প্ৰকাশক - অসমীয়া অনুবাদক ধৰ্মেশ্বৰ দুৱৰা। শেষত ধৰ্মেশ্বৰ দুৱৰালৈও আন্তৰিক অভিনন্দন জনালোঁ। তেওঁৰ কাপৰ নিজৰা বৈ থাকক নিৰৱধি। ⌘

# গ্ৰন্থ সমালোচনা

# গ্ৰন্থ ঃ “সন্তানৰ ভৱিষ্যৎ নিৰ্মাণত দায়িত্বশীল মাতৃ”

# লেখক ঃ গুপ্তজিৎ পাঠক

০ **অস্মিতা বৰঠাকুৰ**
ছাত্ৰী

দেশৰ সম্পদ স্বৰূপ কণ কণ শিশুসকলৰ সৰ্বাংগীন বিকাশ সাধন কৰাৰ ক্ষেত্ৰত এই গ্ৰন্থখনে মাতৃসকলক যথেষ্ট সহায় কৰিব পাৰিব বুলি ক'ব পাৰি।

গছপুলি এটা যিদৰে ৰোপণ কৰাৰ পৰা লালন-পালন কৰিব লাগে ঠিক সেইদৰে মাতৃৰ গৰ্ভত সন্তানৰ স্থিতি হোৱাৰ পৰাই যত্ন ল'ব লাগে। এটি শিশুক যোগ্যৱান কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত মাতৃসকলৰ ভূমিকা অপৰিসীম। এটি শিশু যোগ্যৱান কৰি গঢ়ি তোলাৰ পিছত তাৰ সু-প্ৰভাৱ কেৱল এগৰাকী মাতৃ বা এটা পৰিয়ালৰ মাজতেই সীমাবদ্ধ নাথাকে। সমগ্ৰ দেশখনেই এগৰাকী সু-নাগৰিক লাভ কৰিবলৈ সক্ষম হয়।

সন্তানৰ পৰা সু-ফল আশা কৰিবলৈ কেনেদৰে এগৰাকী মাতৃয়ে যত্নপৰ হ'ব লাগে, শিশুসকলৰ প্ৰতিটো আচৰণ, প্ৰতিটো কাৰ্য্যকলাপ সুক্ষ্মভাৱে নিৰীক্ষণ কৰি শিশুটিক সঠিক দিশত ঢাল খুৱাবলৈ কিমান গুৰুত্বপূৰ্ণ দয়িত্ব মাতৃসকলে কেনেদৰে পালন কৰে এই সকলোবোৰ এইখন সৰু গ্ৰন্থৰ জৰিয়তে উপলব্ধি কৰিব পাৰি।

সন্তানৰ লগত পিতৃ-মাতৃৰ সম্পৰ্ক, কামৰ বিভিন্ন স্তৰত শিশুসকলৰ মানসিক পৰিৱৰ্তিত প্ৰতিক্ৰিয়া, কন্যা সন্তানৰ দক্ষতা, শিশুক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত ল'বলগীয়া উপযুক্ত যত্ন, শিশুৰ বিভিন্ন সৰু-ডাঙৰ সমস্যা সমাধান, সুস্থ দেহ আৰু সুস্থ মন গঢ়াৰ ক্ষেত্ৰত পালন কৰিবলগীয়া কৰ্তব্য আদি বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত সঠিক উপলব্ধি কিতাপখন পঢ়ি নিশ্চয় লাভ কৰিবলৈ সক্ষম হ'ব।

ইয়াৰ উপৰিও শিশুসকলৰ বৌদ্ধিক বিকাশ আৰু সু-অভ্যাস গঠনৰ ক্ষেত্ৰত পৰিৱেশৰ প্ৰভাৱ, লগতে এই গুণসমূহৰ বিকাশ সাধনৰ ক্ষেত্ৰত শিক্ষকসকলৰ ভূমিকাৰ বিষয়েও কিতাপখনত পঢ়ি উপকৃত হ'ব পাৰি।

ঈশ্বৰ বিশ্বাসেও শিশুৰ মনত পবিত্ৰতাৰ ৰেঙণি কঢ়িয়াই আনে। সেয়েহে শিশুসকলক ঈশ্বৰ বিশ্বাসী কৰি গঢ়ি তোলাৰো পৰামৰ্শ এই কিতাপখনত বিশ্লেষণ কৰা হৈছে।

এটি শিশুৰ বিভিন্ন স্তৰত পিতৃ-মাতৃয়ে সন্মুখীন হ'ব পৰা বিভিন্ন সমস্যা আৰু তাৰ সঠিক বিশ্লেষণ কিতাপখন পঢ়ি সকলোৱে উপলব্ধি কৰিব পাৰিব বুলি দৃঢ়ভাৱে ক'ব পাৰি।

শেষত বহুমূলীয়া দিহা-পৰামৰ্শ, অৰ্থপূৰ্ণ আলোচনাৰে ভৰা সুন্দৰ কিতাপ এখন আমাক উপহাৰ দিয়াৰ বাবে লেখক গুপ্তজিৎ পাঠকক অশেষ ধন্যবাদ জনাইছোঁ। ⌘

# Women Empowerment Through Entrepreneurship: a study of problems faced by women entrepreneurs of Assam

***Parag Bhuyan***
***Asst. Professor, Deptt. of Commerce***
***Sarupathar College, Sarupathar***

**Abstract :**

*Like most women entrepreneurs in India, the women from Assam have also embarked on their entrepreneurial journey, mostly at micro level. Although they are not lagging behind in this context, their journey of entrepreneurship is not so smooth as they have to perform multifarious responsibilities including domestic and social responsibilities. The present study tries to explore the various problems faced by women entrepreneurs of Assam. Based on the secondary data it elaborates the problems from various angles such as financial, social, marketing and administrative. The study concludes with few suggestive measures to solve the issues faced by women entrepreneurs of Assam.Key-words: Entrepreneur, Entrepreneurship, Finance, Micro-enterprise,Women entrepreneur*

**0. Introduction :**

Entrepreneurship plays major role in the development of a country. Women entrepreneurs are also coming into existence by their skills and occupying a significant place in the field of entrepreneurship. The role of women has

gradually changed from that of housewives or home makers to innovative entrepreneurs. Women entrepreneurship is not merely a tool to facilitate their participation in income generating activities and it also fosters self-reliance and enhances the sense of achievement and self-esteem. Entrepreneurship is thought to be a mean of women empowerment. Today's Indian women have taken many strides towards business ownership and accordingly plays major role in the field of business.

Women entrepreneurs may be defined as the women or a group who initiate, organize and operate a business enterprise.

Women are now aware of their own traits, rights and also their working situations. As opportunities provided to the women of digital era are growing rapidly, the challenges faced by the women are also increasing. The women of Assam are interested in different entrepreneurial works such as handloom, weaving, piggery farm, poultry farm, dairy farm, tailoring, handicraft etc. But it has been observed that the rate of growth of women entrepreneur is not so satisfactory.

Women entrepreneurship is being a revolutionary concept for India, and in particular, Assam. Most of the rural women even don't aware of the word 'entrepreneurship'. They are simply housewives, or are working in their own paddy fields. There is an issue of lack of capital, but in the emergence of Self- Help Group or Bandhan Bank, this problem is quite disappearing. But the proper knowledge for investment of the money in business is lacking among them.

**1. Objectives of the study :**

1.1. To find out financial problems faced by women entrepreneur;

1.2. To find out marketing problems faced by women entrepreneur;

1.3. To find out social problems faced by women entrepreneur;

1.4. To find out administrative problems faced by women entrepreneur and

1.5. To suggest measures for promotion of women entrepreneur.

**2. Methodology of the study :**

The study is carried out both through primary and secondary data. Primary data are collected by personal interview with some women entrepreneurs, while secondary data are collected from various books, journals and websites. Data are also collected form the Office of Industries and Commerce, Sarupathar, Golaghat, Assam. Collected data are systematized, analyzed and tried to draw conclusions.

**3. Literature Review :**

**Ani, J. Jaya (2024)** elaborated the problemsfaced bywomen entrepreneurs in eco-tourism. According to the researcher, domestic problems such as balancing a woman's role in the home and the enterprises expectations along with economic and social problems are the most commonly faced by women entrepreneurs.

**Bordoloi, Anjan Kr. & Machey, Ashwini (2013**) studied the motivational factors underpinned and the operational problems of women entrepreneurship in Assam and found that the operational problems are directly related with workers and labourers.

**Gupta & Swant (2023)** conducted a survey among women entrepreneurs of Thane district. Major problems found by the survey are lack of family support, financial constraints, low educational attainment, limited mobility, competition or market-oriented hazards, lower risk tolerance, poor managerial skill, lack of confidence and lack of expertise.

**Sathish, Suganya, Bosh & Padmashree (2024)** examined key issues and challenges faced by women entrepreneurs in India. They pointed out few key issues such as reduced demand, rising domestic responsibilities, financial insufficiency, increasing competition, lack of education, difficulties in balancing family and business, male-dominated industry, lack of mobility and fear of risk.

**Swargiary& Roy (2024)** conducted a survey on Bodo women entrepreneurship in BTR. The survey explores the motivation, challenges,

support mechanism and socio-economic implications of women entrepreneurs' endeavour.

## 4. Discussion :

Problems faced by the women entrepreneurs can be discussed from following point of views.

### 4.1. Financial problems :

Finance is regarded as life-blood for any enterprise, be it big, medium or small. Women entrepreneurs suffer from shortage of finance on two counts. Firstly women do not generally have property on their names to use them as collateral for obtaining funds from external sources. Thus their access to the external sources of funds is limited. Secondly banks also consider women less worthy and discourage women borrowers on the belief that they can at any time leave their business. Given such situation, women entrepreneurs are bound to rely on their own savings, if any loans from the friends and relatives who are expectedly meager and negligible. Thus women entrepreneurs fail due to the shortage of finance.

### 4.2. Marketing problems :

Women entrepreneurs face problems in marketing of their products as this area is mainly dominated by males and women fail to make a mark in this area. Women entrepreneur also find it difficult to capture the market and make their products popular and they often take the help of middlemen in marketing their products, who often charge high commission from them.

### 4.3. Social problems :

Social constraints are another important factor because of which women entrepreneurs have to stay behind. Majority of them are dependent on their family members for finance and decision. Financial institutions also hesitate to finance women-based projects due to lack of property in their own name.

Women have to maintain social relations and have to perform domestic responsibilities at the same time. Time management is the key factor for doing entrepreneurial activities in such situations. In various family functions also, responsibilities of women are multifarious. Keeping balance among all these works with entrepreneurial activities, can be considered a major problem for women entrepreneurs.

### 4.4. Administrative problems :

Problem with administrative or regulatory requirements is another major issue for women entrepreneurs. Micro-enterprises of all types can experience problems in meeting administrative and regulatory requirements, because of the disproportionate effect of compliance costs on small companies compared with large farms. As a consequence, it is not surprising that almost half the support organizations specializing in support of women entrepreneurs face a problem for their clients in this respect. At the same time, with a few exceptions, administrative and regulatory barriers are most significant for female owned businesses than for male owned firms of a similar size. To overcome the administrative barriers, women entrepreneurs have to develop their leadership quality and also have to develop their expertise in the concerned area.

## 5. Findings:

### 5.1. Financial problems :

Following points show the nature of problems faced for financial aspects.

5.1.1. Purchasing of machines and tools, equipment etc.;

5.1.2. Meet of day- to -day expenses, i.e. working capital;

5.1.3. Lack of knowledge about government subsidies and technical knowhow and

5.1.4. Lack of knowledge of financial management.

### 5.2. Marketing problems :

Following points show the nature of problems faced for marketing aspects.

5.2.1. Lack of marketing competency;

5.2.2. Lack of demand in local market;

5.2.3. Competition from big organization and

5.2.4. Lack of proper transportation.

**5.3. Social problems :**

Following points reflect the nature of social problems.

5.3.1. Dependability on others for finance and decisions;

5.3.2. Dominance of male;

5.3.3. Family commitments and

5.3.4. Personal health issues.

**5.4. Administrative problems :**

Followingpoints reveal the nature of administrative problems faced by women entrepreneurs.

5.4.1. Meeting of administrative and regulatory requirements;

5.4.2. Disproportionate effect of compliance cost and

5.4.3. Problems faced for clients or customers.

**6. Suggestions :**

From the above discussion, following suggestions can be put forward.

6.1. Need for proper training for women entrepreneurs;

6.2. Government may provide effective and efficient training for women entrepreneurs at the grass root level;

6.3. Government may introduce special scheme for promotion of women entrepreneurs;

6.4. Banks and other financial institutions may provide subsidy scheme for women entrepreneurs;

6.5. Government may introduce special programme for marketing of their products;

6.6. Need to develop a networking system for all the women entrepreneurs at the state level.

**7. Conclusion :**

Government of Assam has already taken few significant steps for promoting women entrepreneurs. Industries and Commerce Minister of Assam has also announced the setting up of an industrial hub for women entrepreneurs at Bamunimaidam. The industry minister also said that women entrepreneurs would be given an opportunity to participate in industrial exhibitions in Southeast Asian countries as part of Act East Policy. Besides it the Department of Industry focuses on promotion of women entrepreneurs in cluster mode and also on skill development at block level. Skill development trainings are also organized at block level from time to time to include more women. Financial assistance is also provided by the government from time to time for taking up business ventures.

Women are relatively new group of entrepreneurs compared with men, which means that they are more likely to run younger businesses. They have to develop their ability to deal with the problems faced by them. ⌘

**References :**


1. *Agrawal, Babita (2008). Rural Women in Indian Economy, Jaipur: ABD publications.*
2. *Ani, J. Jeya (2024). Problems faced by women entrepreneurs in eco-tourism. EPRA International Journal of Economics and Business Review, 12(2). Retrieved from http://www.researchgate.net.*
3. *Borthakur Tamuli, Sangeeta ed. (2014). Women empowerment in North-East India, Guwahati: EBH publishers.*
4. *Doley, Krishna Kanta (2018). Women empowerment, Meerut: Balaji.*
5. *Gupta, Surabhi & Sawant, Sambhaji (2023). A study on the problems faced by women entrepreneurs in Thane district. Madhya Bharti, 84(24). Retrieved from http://www.researchgate.net.*
6. *Limbu, Subhas & Bordoloi, Nabasmita (2015). Women entrepreneurship: Problems and prospects in rural Assam. International journal of interdisciplinary research in Science Society and Culture, 1(1). Retrieved from http://www.researchgate.net.*
7. *Sathish, K; Najaf, Dur; Suganya, K; Padmashree, B. &Kotteshwari, M. (2022). Key issues and challenges faced by women entrpreneurs in India. Madhya Bharti, 82(24). Retrieved from http://www.researchgate.net.*

# Portrayal of Women in Sankardeva's Works

**Pranjal Dutta**
**Assistant Professor of English**
**Sarupathar College**

Since time immemorial women have been subjugated and exploited in the patriarchal society. The invariable association of socially established gender characteristics of masculine and feminine with the biological sex distinction as well as sexual division of labour have always stood as impediments on the all round elevation of women. The social roles of wife, mother, housewife assigned to women go hand in hand with a division into the public and private domains, the first being the sphere considered proper to men and the second to women. While men were considered bold, energetic, assertive, independent, rational and logical; women used to be regarded as timid, yielding, dependent, self-sacrificing and emotional. 'He for God only, she for God in him' (John Milton) might well be cited as an instance of the universally held assumption that man's purpose in life is to serve God, the state, society whereas woman's purpose is to serve man. Man is seen as the norm, woman as the 'other', not merely different but inferior. Though all cultures claim to admire the 'womanly' qualities, one can cite an equal number of passages denigrating women while the verbal praise masks the actual relegation to a secondary position.

Srimanta Sankardeva undertook the difficult and arduous of a reformer at a juncture of acute crisis in Assamese society and polity – at a time when the ancient kingdom of Kamrupa was slowly undergoing a process of disintegration. The society of that time was led by the violent administrators; the people were exploited in the name of religion. Constant friction and conflict for supremacy of power was the order of the, which severely affected the political condition of the region. The political

instability brought about a chaotic condition in the religious sphere also. *Saktism* bordering on extreme *Taantricism* was also widely prevalent. The followers of these cults were all found indulging in evil practices like animal and sometimes even human sacrifices, magical rites, spells and the like. It was based on the philosophy of palate and sensual pleasures. The economically backward classes and socially downtrodden became the victims of such ghastly practices. Certain outmoded customs and traditions still prevalent in the region became hindrances in the progress of women. The resurgence of patriarchal values and norms brought with them restrictions on enjoying their economic freedom and on the way they live.

A multi-faceted genius, Sankardeva was a spiritual leader, a social reformer, a prolific writer and a master playwright and composer, all rolled into one. He also created some cultural masterpieces of Assam, which are mainly *Borgeet* and *Bhaona*. The Neo-Vaishnavite religion propagated by Sankardeva has been able to unify people from all walks of life, from the aristocrats to the poor and downtrodden, into one spiritual fraternity and thereby achieve a cultural synthesis. Every individual was considered equal in his religion and neither caste nor class was taken into account while inducting anyone into the faith. Through such an egalitarian philosophy, Sankardeva was able to bring about the concept of equality among mankind and thus tried to weed out caste-related differences. In fact Sankardeva's objective was to propagate Neo-Vaishnavism as well as humanism following democratic philosophy. He emphasized ethnic integration, societal reforms and spiritual uplift through an innovative mode of religious conduct based on indigenous elements of the region at a time when the society in Assam was in turmoil. He wanted to dispel violence, oppression, exploitation and ignorance in the name of spiritualism. However, it is not clear whether Sankardeva was free from patriarchal ideology or not and his attitude towards women seems to be unclear. This is evident from the fact that while somewhere Sankardeva eulogizes women and men working together there are some hints of disliking for women in a few pages of the ***Bhagavata***, the ***Kirtana*** or the ***Bhakti Ratnakar*** by Sankardeva . He advised the married couples to offer *Bhakti* to God together. He says in ***Kirtana***: "*Tiriye Purushe Hoiba Ekamoti / Tebeshe Sijiba Harita Vakati*", which means the ultimate result, is possible only if man and woman work together. In "*Sri Krishnar Boikuntha Proyaan*" (Canto XXVI) of the ***Kirtana*** we find: "*Stri Sudre Kore Jodi Aamako Bhokoti/ Tahato Kohiba Itu Jnana Mohamati*" which also reveals Sankardeva's positive outlook towards women.

As observed by Sanjib Kumar Borkakoti, Sankardev's reverence for women is revealed from the fact that he never forced his wife Kalindi to accept *Eka Sarana Naama Dharma*, the religion propagated by him. He initiated her in the religion only when she wanted to get initiated in it of her own accord. Women had the right to perform *Naama-kirtana* in the *Eka Sarana Naama Dharma*, which was not possible in other branches of *Sanatana* religion. Srimanta Sankaradeva initiated many women in his *Eka Sarana Naama Dharma*. It is worth mentioning here that Kalindi initiated devotees after the passing away of the saint. Such a thing was not possible in any other religious order in those days.

Srimanta Sankaradeva redeemed women from that degraded state of being object of enjoyment, and elevated her to the equal status of men in the performance of religion of devotion. Similarly, in his maiden book *Harishchandra Upakhyana,* Srimanta Sankaradeva had recognized the strength of a woman by comparing her with blazing fire: "*Strika Durbala Kare Konano Niskhale / Jvalanta Bahnika Baandhe Bastrara Aanchale*".

Sankaradeva considered Naama to be sufficient for common people because it could be performed by the high and the low, both men and women. He envisaged a society in which both man and woman would seek solace from one God. In Canto II of ***Srimad-Bhagavata*** he says:

"…forsaking all other gods, the man or woman who takes *Sarana* in Krishna, he or she from then on, will receive the infinite grace of Krishna Himself."

Sankardeva has established women dignity through the greatness of the wives of the Brahmins in the play ***Patniprashada*** . Sankardeva's reverence for women is also manifested in the portrayal of Sita in his Assamese rendering of ***Uttarakanda Ramayana***. Unlike Sita in the original Ramayana, who accepts the order of banishment humbly, in Sankaradeva's *Ramayana* Sita, in her anger speaks back to Rama with eyes and face scarlet with rage and annoyance laying aside all coyness. Here Sita represents woman who has been marginalized by the authoritarian hierarchy of the patriarchy. The dominant image of Sita in Sankardeva's ***Uttarakanda Ramayana*** is a rebel woman. Though she suffers under the hegemonic dominance, ultimately she comes into consciousness and is ready to speak back to the oppressor.

